
মঙলদৈ মহাবিদ্যালয়
সম্পাদনাত / মমতাজ খানম

# মঙলদৈ মহাবিদ্যালয় আলোচনী

অষ্টবিংশ সংখ্যা

১৯৮৯-৯০

তত্ত্বাৱধায়ক—

অধ্যাপক, বুদ্ধিন চন্দ্ৰ হাজৰিকা

সম্পাদিকা—

মমতাজ খানম

সম্পাদনা সমিতি ঃ

ড° পূর্ণ চন্দ্র বৰা, সভাপতি
অধ্যাপক নগেন শৰ্ম্মা, উপ-সভাপতি
অধ্যাপক বুদ্ধিন চন্দ্র হাজৰিকা, তত্বাৱধায়ক
অধ্যাপক ইদ্রিছ আলি
অধ্যাপিকা নাহাৰুণ নেছা
মমতাজ খানম, সম্পাদিকা

সদস্যবৃন্দ ঃ
অমৰেন্দ্ৰ শৰ্ম্মা
কুশল শৰ্ম্মা
ৰাজেন্দ্ৰ কুমাৰ হাজৰিকা
দিলীপ কুমাৰ ডেকা
বিনয় চলিহা
মুন গোস্বামী
মঞ্জু কলিতা
জ্যোতিষ চহৰীয়া
হেমন্ত ডেকা
দাহুল চলিহা

বেটুপাটৰ শিল্পী ঃ দাহুল চলিহা

অঙ্গসজ্জা ঃ অবিনাশ শৰ্ম্মা, চন্দন চুতীয়া, আৰু সম্পাদিকা

কৃতজ্ঞতাৰে সুঁৱৰিছো ঃ

সম্পাদনা সমিতি, প্ৰাক্তন আলোচনী সম্পাদক প্ৰভাত নাৰায়ণ চৌধুৰী আৰু দিব্যজ্যোতি, নৰেন, দুলাল, হিতেশ, গৌতম, অমৰজ্যোতি, অমল, ওৱাহিদা, তপন বৰুৱা, মণ্টুক আৰু মণিকূট প্ৰিণ্টাৰ্চৰ স্বত্বাধিকাৰী শ্ৰীযুত মুনীন দাস লগতে সমূহ কৰ্মীবৃন্দক।

মুদ্ৰণ ঃ মণিকূট প্ৰিণ্টাৰ্চ, আম্বাৰী, গুৱাহাটী–৭৮১০০১

# স্মৃতি-তৰ্পণ



দেশ আৰু স্বজাতিৰ হকে প্ৰাণাহুতি দিয়া জাতীয় বীৰসকলক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ ।

– সম্পাদনা সমিতি

# : মহাবিদ্যালয় সংগীত : (ক)

ৰচনা: শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰী,

তাল: দাদ্ৰা

সুৰ আৰু স্বৰলিপি: কুমাৰ আনন্দ নাৰায়ণ দেৱ

(ভাতখণ্ডে পদ্ধতিত স্বৰলিপি কৰা হৈছে)

স্থায়ী:

| + | | | ০ | | | + | | | ০ | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| গ | গ | গপ | গৰ | গৰ | স | গ | গ | ৰগ | গৰ | গৰ | স |
| ম | হা | জী | ৱঽ | নঽ | ৰ | ম | হা | ঽসা | গঽ | গাঽ | ৰ |
| স | ৰগ | স | স | মপ | প | ম | ম | ধ | – | – | – |
| আ | শাঽ | ৰ | গ | গনঽ | লি | তু | মি | ঽ | ঽ | ঽ | ঽ |
| র্স | র্স | র্স | র্সন | র্স | প | প | প | প | পর্স | স | গ |
| জ্ঞা | ন | গ | ৰিঽ | মা | ৰ | দী | প্ত | ধী | ৰঽ | সা | ৰ |
| ৰ | ৰ | ৰ | ৰগ | সপ | প | পৰ | স | – | – | – | – |
| ম | হা | ন | পূঽ | ঽঽ | ণ্য | ভূঽ | মি | ঽ | ঽ | ঽ | ঽ |

১ম অন্তৰা:

| + | | | ০ | | | + | | | ০ | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| প | প | র্সন | পর্স | র্সন | র্সপ | প | প | র্সন | নর্স | র্সন | র্সপ |
| অ | ঽ | স্তাঽ | নঽ | তাঽ | ঽৰ | ত | ম | স্যাঽ | ৰাঽ | তিঽ | ঽভ |
| প | র্সন | ন | র্সন | পর্স | গ | প | র্স | – | নর্স | পর্স | – |
| জ্ব | নঽ | জ্বঽ | আঽ | ছিঽ | ল | ডু | বি | ঽ | ঽ | ঽ | ঽ |
| ন | ন | নৰ | নর্সৰ | পর্স | প | প | প | – | – | – | – |
| জ | নঽ | তাঽ | আঽ | ছিঽ | ল | ডু | বি | ঽ | ঽ | ঽ | ঽ |
| প | পর্স | ন | নর্স | র্সন | র্সপ | প | প | র্সন | নর্স | র্সন | র্সপ |
| জ্ঞা | নঽ | ৰ | প্ৰ | দীঽ | ঽপ | শি | খা | ৰেঽ | বিঽ | শাঽ | লাঽ |

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| প | সন | া | ধন | পধ | গপ | প | ধ | ন | নধ | পধ | ন |
| স্থু | ধীঽ | ঽ | সন্ | ঽঽ | জীঽ | ব | নী | ঽ | ঽঽ | ঽঽ | ঽ |
| ন | ন | নৰ | নধ | পধ | প | ধ | প | া | া | া | া |
| সু | ধী | সন্ | ঽঽ | জী | ঽঽ | ৰ | নী | ঽ | ঽ | ঽ | ঽ |
| প | প | প | পধ | র্স | র্সৰ | র্স | র্স | াম | মপ | গমপ | ৰ |
| বি | ক | শি | তঽ | আ | জিঽ | শ | ত | ঽশ | তঽ | দুঽ | ল |
| ৰ | ৰ | ৰ | ৰ | গম | প | নৰ | স | া | া | া | া |
| তো | মা | ৰ | চ | ৰুঽ | ন | চুঽ | মি | ঽ | ঽ | ঽ | ঽ |

২য় অন্তৰা ঃ

| + | | | 0 | | | + | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| স | ৰ | গপ | গ | ৰ | গৰস | স | ৰ | গপ | গ | ৰগ | ৰস |
| বি | য় | পেঽ | পা | ৰি | ছেঽঽ | চৌ | ঽ | দিঽ | শে | আঽ | জেঽ |
| স | ধ | ধ | পধ | গপ | ধ | া | া | া | া | া | া |
| তো | মা | ৰ | জ্যোঽ | তি | ৰ | বা | ঽ | ঽ | ঽ | ঽ | ন্ত |
| ন | ন | ন | ধন | পধ | গধ | প | া | া | া | া | া |
| তো | মা | ৰ | জ্যোঽ | তিঽ | ঽৰ | বা | ঽ | ঽ | ঽ | ঽ | ন |
| স | ৰ | গপ | গৰ | ৰগ | ৰস | স | ৰ | গপ | গৰ | ৰগ | ৰস |
| শ | ত | প্ৰঽ | দীঽ | পাঽ | ঽৰ | চৌঽ | ঽ | দিঽ | শেঽ | আঽ | জেঽ |
| স | ধ | ধ | পধ | গ | প | ধ | া | া | া | া | া |
| তু | মি | যে | দ্বীঽ | প্ | তি | মা | ঽ | ঽ | ঽ | ঽ | ন |
| ন | ন | ন | ধন | পধ | গধ | ধ | প | া | া | া | া |
| তু | মি | যে | দ্বীঽ | ঽপ | তিঽ | মা | ঽ | ঽ | ঽ | ঽ | ন |

(পুনৰ স্থায়ীলৈ ওবাৰ গাই শেষ কৰিব)

# সম্পাদকীয়

### মোৰ অসম ঃ

সম্পাদনাৰ মেজত বাৰে বাৰে কলম থমকি ৰৈছে,
চৌদিশে মাথো বন্দুক-বাৰুদৰ শব্দ ।
মোৰ অসমৰ আকাশ ক'লা ডাৱৰেৰে আছন্ন ।
যিকোনো মুহূৰ্ত্ততে যেন তেজ ৰঙা বৃষ্টিপাত হব ।
থমকি ৰৈছে কলম
নীলা চিয়াহীৰ সলনি বাৰে বাৰে ৰঙা চিয়াহী ওলাব খোজে ।
তথাপিতো মোৰ বিশ্বাস,
কলম থমকি নৰব ।
চৌদিশৰ বন্দুক বাৰুদৰ শব্দ আঁতৰিব ।
ক'লা ডাৱৰ আঁতৰি অসমৰ আকাশ ফৰকাল হব,
তেজ ৰঙা বৃষ্টিপাতৰ ঠাইত ৰূপোৱালী সোনাৱালী
টোপাল পৰিব ।
নীলা চিয়াহীৰে সৃষ্টি হব, সাহিত্যৰ সৌধ,
সূৰ্য্যাস্তৰ পিছতে সূৰ্যোদয় ।

### সাম্প্ৰদায়িকতা ঃ

কিছু সংখ্যক ধৰ্মান্ধৰ আচৰণত দেশ আকৌ উত্তাল
ৰাম জনমভূমি নে, বাবৰি মছ্জিদ ?
মোৰ অসম কিন্তু নিৰ্বিকাৰ ।
শঙ্কৰদেৱ, আজান ফকিৰৰ এই দেশ
মহামিলনৰ তীৰ্থ
কিন্তু
কলংকিত হাইলাকান্দি,
মিলন তীৰ্থত কলংকিত অধ্যায়
আমি নিবিচাৰো,

উগ্ৰ হিন্দুবাদ অথবা উগ্ৰ মুছলমানবাদ,
দুয়োতাই সৰ্বনাশী
আমি অযোধ্যালৈ নাচাওঁ
আমি চাম শংকৰদেৱ, আজান ফকিৰলৈ ।

আত্মবিশ্লেষণ ঃ

সচাকৈয়ে আমি অসমক ভাল পাওঁ নে ?
নে অভিনয় কৰো ?
যদি সচাকৈ ভাল পাওঁ
তেতিয়াহলে ভাবিব লাগিব,
এইখন মোৰ দেশ
মোৰ প্ৰতিতো কামেই ব্যক্তিগত লোভৰ উৰ্দ্ধত ।
নেতা হোৱাৰ লোভত দেশক ভাল পোৱাৰ
অভিনয় নকৰো ।
কাৰোবাৰ চূড়ান্ত ত্যাগক অৱহেলা নকৰো ।
ভাবি চাবৰ হ'ল,
সচাকৈ মই এইবিলাকৰ উৰ্দ্ধত নে ?

আলোচনী প্ৰসঙ্গত ঃ

স্বপ্ন আছিল সুন্দৰ আলোচনী উলিওৱা ।
নিৰ্বাচনত জিকাৰ বাহিৰে
প্ৰতিতো পদক্ষেপতে উজুতি খালো ।
অৰ্থত,
গল্প, কবিতা প্ৰৱন্ধত,
বিভাগীয় সম্পাদকৰ প্ৰতিবেদনত,
অপ্ৰত্যাশিত আৰু অনাহুত কিছুমান বাধাত ।
তথাপিও থমকি নৰবলৈ দৃঢ় প্ৰতিজ্ঞ ।
আলোচনীৰ প্ৰতিতো পইচাকে,
ব্যৱহাৰ কৰিম ।
অলপ হলেও ব্যতিক্ৰম আনিম ।
এইয়া, মোৰ আঁপইতা
হাতৰ সম্পাদিত আলোচনী
আপোনালোকৰ হাতত ।

মোৰ প্ৰচেষ্টাৰ বিচাৰৰ
ভাৰ
আপোনালোকৰ হাতত ।

**কৃতজ্ঞতা ঃ**

মঙলদৈ মহাবিদ্যালয় ।
প্ৰথম ছোৱালী সম্পাদিকা ।
গৌৰৱ মোৰ ।
কৃতজ্ঞতাৰ পাত্ৰ কিন্তু,
মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী
যিসকলৰ
পৰামৰ্শ, উপদেশ, সহায়,
আলোচনীৰ প্ৰতিটো পাততে আছে
সেই সকল ব্যক্তিৰ ওচৰত
মই ঋণী ।

**বিদায় পৰত ঃ**

ক্ষমা বিছাৰিছো
আলোচনী প্ৰকাশত কিছু পলম হোৱাত
ক্ষমা বিছাৰিছো,
এখন সৰ্বাঙ্গ সুন্দৰ আলোচনী
আপোনালোকৰ হাতত তুলি দিব নোৱাৰাত ।
ক্ষমা বিছাৰিছো
মোৰ অজানিত
ভূল ত্ৰুটিৰ বাবে ।

নমস্কাৰেৰে—

# * প্ৰবন্ধ *

যেতিয়া প্ৰকৃতি, জগত আৰু জীৱন সম্পৰ্কে কোনো বিষয়ৰ অৱতাৰনা কৰি নতুবা বাস্তব জগতৰ পৰা কোনো এটা মৌলিক ৱা গতিশীল বিষয়বস্তু লৈ আত্মচেতনা আৰু স্ববিচাৰ বুদ্ধিৰ বিতচকুৰে তাৰ ওপৰত বিজ্ঞানসন্মত ভাৱে গৱেষণামুলক আলোচনা কৰা হয় তাকে সাধাৰণ ভাষাত প্ৰবন্ধ বুলিব পাৰি। বস্তুনিষ্ঠ বা তন্ময় আৰু বস্তুনিষ্ঠ বা সন্ময় এই দুই বিধ প্ৰবন্ধ পোৱা যায়। প্ৰবন্ধৰ জন্মদাতা বুলি ফৰাছী সাহিত্যিক মণ্টেইনক কোৱা হয়।'

## প্ৰবন্ধ শিতানত আছে ঃ—


* দৰঙী কলা-কৃষ্টিত ঐতিহ্যমণ্ডিত সংস্কৃতি ঃ অধ্যাপক মতিৰাম মেধি ।। ৯ ।।
* ভবিষ্য বিজ্ঞান এক চমু আলোচনা ঃ অধ্যাপক কুমুদ চন্দ্ৰ শৰ্মা ।। ১৩ ।।
* মানৱ চৰিত্ৰ অধ্যয়নৰ কেইটামান চমু আৰু উজু উপায় ঃ অধ্যাপক দেৱীদাস নেওগ ।। ১৬ ।।
* স্বৰ্গীয় পুৰন্দৰ শৰ্মা ঃ স্মৃতি আৰু শ্ৰদ্ধাৰ্ঘ্য ঃ অধ্যাপক জীৱন চন্দ্ৰ শৰ্মা ।। ১৯ ।।
* যতীন্দ্ৰ নাথ দুৱৰাৰ কবিতাৱলীৰ বিচাৰ ঃ শ্ৰীহিতেশ কুমাৰ শৰ্মা ভট্টাচাৰ্য্য । ২১ ।
* দৰ্শন আৰু বিজ্ঞান ঃ শ্ৰীমতী মঞ্জু কলিতা ।। ২৪ ।।
* মঙলদৈৰ কেইখনমান ঐতিহাসিক স্থান ঃ শ্ৰীপ্ৰমোদ ডেকা । ২৬ ।।
* বিজ্ঞান, পৃথিৱী আৰু মানৱজাতি ঃ শ্ৰীগজেন কলিতা ।। ২৯ ।।
* শব্দ প্ৰদূষণ ঃ অধ্যাপক বুদ্ধিন চন্দ্ৰ হাজৰিকা ।। ৩৪ ।।
* মানুহৰ আদৰ্শ ঃ ড° পূৰ্ণ চন্দ্ৰ বৰা ।। ৩৭ ।।

# দৰঙী কলা-কৃষ্টিত ঐতিহ্যমণ্ডিত সংহতি

—শ্ৰীমতিৰাম মেধি
প্ৰবক্তা, ভূগোল বিভাগ

পণ্ডিতসকলে দৰং নামটি সংস্কৃত 'দ্বাৰম্' শব্দৰ পৰাই অহা বুলি কৈছে, কাৰণ প্ৰাগ্ ঐতিহাসিক কালৰপৰাই দৰঙৰ উত্তৰ সীমাত অৱস্থিত ভালেকেইখন দুৱাৰেদি নানাজাতিৰ লোক এই ভূমিখণ্ডলৈ প্ৰৱজিত হৈছিল। সেইদৰে "দৌৰঙ্গ" দৰং-দেৱতাসকলে ৰংকৰা বা আনন্দ কৰা ঠাই হোৱা বাবেই 'দৰং' হোৱা বুলি পণ্ডিত সকলে মত ডাঙি ধৰিছে। প্ৰাচীন কামৰূপ ৰাজ্যৰ অন্তৰ্গত পূবে ধনশ্ৰী নৈ, পশ্চিমে পুথিমাৰীনৈ, উত্তৰে ভূটান আৰু দক্ষিণে ব্ৰহ্মপুত্ৰ নদৰ দ্বাৰা বেষ্টিত ভূমিখণ্ডই দৰং নামেৰে পৰিচিত আছিল। এই দৰং অঞ্চলৰ অধিবাসী সকলৰ সমাজত প্ৰচলিত কৃষ্টি আৰু সংস্কৃতিক 'দৰঙ্গীয়া কৃষ্টি' আৰু 'দৰঙ্গীয়াসংস্কৃতি' বুলি অভিহিত কৰা হয়। আচাৰ্য্য মনোৰঞ্জন শাস্ত্ৰীদেৱৰ মতে 'সেই দৰঙ্গীয়া নামেৰে উল্লেখযোগ্য কৃষ্টি-সংস্কৃতিৰ যোগেদি বিকাশপ্ৰাপ্ত, দৰং অঞ্চলত আবিৰ্ভূত কৃতী শিল্পী সকলৰ সৃজনী শক্তিয়েই ( কলাই ) দৰঙ্গীয়া কলা নামেৰে পৰিচিত'।

বৈদিক যুগৰ পৰাই এই দৰঙত নানা ঋষি-মুনিৰ পুত পবিত্ৰ আশ্ৰম আৰু তপস্যাস্থান থকাৰ প্ৰমাণ পোৱা যায়। সেইদৰে দৰঙৰ প্ৰাচীন দেৱালয়-সত্ৰ-পুখুৰী আদিয়েও এই-ঠাইৰ গৌৰৱময় অতীতৰ কথা সোঁৱৰায়। এই ঠাইৰ কুলশী-নৈৰ পুত পবিত্ৰ তীৰত হেনো বৈদিক যুগৰ বিশ্বামিত্ৰ অৰ্থাৎ কৌশিক মুনিয়ে বেদৰ সূত্ৰ ৰচনা কৰিছিল। এই কুলসী নদীৰ একালৰ এৰাসুঁতি নাওডিঙাদি মহাসতী বেউলাই নিজ পতি লক্ষীন্দাৰৰ মৰা শটো পূৰ্ণজীৱিত কৰাৰ বাবে ভুৰত তুলিলৈ উজাই যোৱা বুলি জনশ্ৰুতিও আছে। 'পূজাৰী কেন্দুকলায়ে ৰজাৰ অনুৰোধত-মাতৃ কামাখ্যাৰ দৰ্শন পাবলৈ ৰজাক লুকুৱাই ৰখা আৰু মাতৃ কামাখ্যাই এই অপৰাধতে একেচৰে পূজাৰীৰ মুৰ চিঙি পেলোৱা কথা সৰ্ব্বজনবিদিত, । এনেবোৰ ঐতিহাসিক যোগসূত্ৰতেই দৰঙৰ সমাজত যাউতীযুগীয়া কলা কৃষ্টি আৰু সংস্কৃতিয়ে ক্ৰমে প্ৰসাৰ লাভ কৰিছিল অতীতৰ পৰাই। দৰঙৰ সঙ্গীতজ্ঞ সৰ্ব্বানন্দ ব্যাসৰ মেঘমল্লাৰ ৰাগত হেনো আকাশত মেঘৰ অন্দোলন হৈছিল আৰু সাৰঙ্গ ৰাগত বৰ্ষণ ঝৰিছিল। সেইদৰে ওজা-পালি অনুষ্ঠান, দেওধনী নৃত্য, আইনাম, থিয়নাম, চিয়ঁগীত নাঙেলী গীত আদি দৰঙী কলা-কৃষ্টিয়ে অতীজৰ পৰাই দৰঙক

এখন সুকীয়া আসনত অধিষ্ঠিত কৰিছে। দৰঙৰ অতীত ইতিহাস বিভিন্ন দিশত সমৃদ্ধ হলেও দৰঙী কলা-কৃষ্টি অৱশ্যে পালবংশীয়, ভূঞা, কোচ আদি দৰঙী ৰজা সকলৰ দিনতহে বিশেষভাৱে চৰ্চ্চা কৰা হৈছিল। এই সন্দৰ্ভত ডঃ মহেশ্বৰ নেওঁগে লেখিছে "মধ্যযুগৰ প্ৰায় শেষলৈকে ইতিহাসত দৰঙ্গ অখ্যাত। বিশ্বসিংহ-নৰণাৰায়ণৰ উভ্যুদয়, শংকৰদেৱৰ বেনেছাঁব বিস্তাৰ আৰু আহোম ৰাজ্যৰ পশ্চিমমুৱা প্ৰসাৰৰ মাজতহে দৰঙ্গ দেশে বুৰঞ্জীত অনুপ্ৰৱেশ কৰে। এই সন্ধি সময়ৰ আহোম বুৰঞ্জীত ৰটা-টেমানিৰ বাৰভূঞা সকলৰ উল্লেখ আৰু তেওঁলোকৰ লগত আহোম ৰাজশক্তিৰ সংঘৰ্ষৰ কথা আমি পাওঁ"।[১] দৰঙী কলা-কৃষ্টি চৰ্চ্চা বিষয়ে শ্ৰীৰজনী কান্ত বৰুৱাদেৱেও লেখিছে "পুৰণি দৰং ৰাজ্য পালবংশীয় আৰু তাৰ পাছত ভূঞা সকলৰ আমোলত বিভিন্ন যাগ-যজ্ঞ, পূজা, সেৱা, নৃত্যগীত আদি মাঙ্গলিক অনুষ্ঠান আৰু কলা-কৃষ্টি আদি চৰ্চ্চাৰ নাভিকেন্দ্ৰ স্বৰূপ আছিল। এই যুগতেই দৰঙত গোন্ধ চৌপৰী, আদ্-চৌপৰী একপৰীয়া সভা আদি বিষ্ণু পূজাৰ জন্ম হৈছিল, আৰু লগতে বৰ্ত্তমান মঙ্গলদৈত বিশেষভাৱে প্ৰচলিত ব্যাস সঙ্গীতৰো জন্ম সম্ভৱ কৰি তুলিছিল'— মন কৰিবলগীয়া কথা এয়ে যে কোচ ৰজা সকলৰ পূৰ্ব্বৰ বুৰঞ্জী প্ৰকৃত পক্ষে অস্পষ্ট"।[২] অতীত দৰঙৰ ৰজাসকলে যে ঐতিহ্যপূৰ্ণ দৰঙী কলা কৃষ্টি সাধনা কৰিছিল আৰু প্ৰচাৰৰ বাবে চেষ্টা কৰিছিল সেই সম্বন্ধে ৺নলীনীবালা দেবীয়ে কৈছে— "দৰঙ্গী ৰজা সকলে প্ৰজাৰ সুখ সুবিধা আৰু কলা কৃষ্টি বিকাশ বিষয়ত যথেষ্ট মনোযোগী আছিল। কোচ বিহাৰৰ নৰনাৰায়ণ ৰজাৰ ৰাজসভাৰ আৰ্হিৰে ৰজাৰ সভাত নৱৰত্ন স্বৰূপ সভাপণ্ডিত সকল ৰাখি কাব্য-সাহিত্য-জ্যোতিষ-দৰ্শন-সঙ্গীত নৃত্য আদি কলাবিদ্যা সমূহৰো বিস্তাৰৰ অৰ্থে গুণীজ্ঞানী পণ্ডিতসকলক তামৰ ফলি, মোহৰ, ব্ৰহ্মোত্তৰ মাটি দান কৰি সন্মানিত কৰিছিল"।[৩]

ইতিহাসত পোৱা যায় যে অতীতত দৰং ৰাজ্য কোচ, কছাৰী, মোগল, আহোম, ভুটীয়া, ভূঞা আদি বিভিন্ন গোষ্ঠীৰ ৰজা মহাৰজা সকলৰ উত্থান পতন আৰু যুদ্ধ বিগ্ৰহৰে স্থান আছিল। বিভিন্ন ধৰ্ম্ম আৰু সম্প্ৰদায়ৰ মানুহ এই মিলন ভূমিত মিলিত হৈছিল যদিও সকলোৱে একেলগে এটি সুকীয়া কৃষ্টি সৃষ্টি কৰাত সহায় কৰিছিল। সেয়ে দৰঙী কলা কৃষ্টিৰ বিভিন্ন গীত মাতত বা কৃষ্টিত বিভিন্ন জাতি আৰু জনজাতিৰ অৱদান সুস্পষ্ট। আনহাতে ভাৰতীয় দৰ্শন আৰু ধৰ্ম্মডোলেৰে বান্ধখোৱা অসমৰ আৰ্য্য অনাৰ্য্য সংমিশ্ৰিত ভাবধাৰাই দেশ বিদেশৰপৰা অহা নতুন চামক স্বাগতম্ জনাই আহিছে। বিশেষকৈ মধ্যযুগৰ দুটা ৰাজফৈদ পূবে আহোম আৰু পশ্চিমে কোচ ৰজাৰ পৰা পোৱা সমদৰ্শী দৃষ্টিকোণে প্ৰজাক সংহত হোৱাত সহায় কৰিলে। সেইদৰে মহাপুৰুষ শংকৰদেৱে অসমত নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ আলোকেৰে নগাৰ নৰোত্তম আৰু মুছলমানৰ চান্দ সাইক সংহতিৰ সিংহদুৱাৰত বহুৱালে। দৰঙৰ সমাজতো ইয়াৰ প্ৰভাৱ বাৰুকৈয়ে পৰিল!

দৰঙী কলাকৃষ্টিৰ অন্যতম ওজাপালি অনুষ্ঠান আৰু মনসা পূজাৰ বিষয়ে শ্ৰীৰজনী কান্ত বৰুৱাদেৱে লেখিছে—'মঙ্গলদৈ অঞ্চলৰ মনসা পূজা শাক্ত ধৰ্মালম্বী লোকৰ এক ধৰ্ম্মীয় অনুষ্ঠান যদিও অতীতৰে পৰা চলি অহা এই অনুষ্ঠান অকল ধৰ্ম্মীয় গণ্ডীৰ ভিতৰতে আবদ্ধ নাছিল। সেই সময়ৰ কোচ ৰজাসকলৰ পৃষ্ঠপোষকতাত আহোমৰ সুবচনী দেৱী, কছাৰীৰ মেছা-মেছেনীৰ নৃত্য, মুছলমানৰ হাচান হুচেনৰ পূজাৰ পদ, বৌদ্ধসকলৰ ধৰমপূজা, শাক্তৰ ছাগ মহিষৰ বলি-দান বৈদিক যুগৰ হোম যজ্ঞ পূজা, ওজাপালিৰ গীত আদিৰ অপূৰ্ব্ব মিলনত এই অনুষ্ঠানে সৰ্ব্বধৰ্ম্মৰ সমন্বয় সূচক অনুষ্ঠান হিচাপেহে বৰ্ত্তি থকা বুলি কব পাৰি।[৪]

দৰঙৰ ঐতিহ্যমণ্ডিত ওজাপালি অনুষ্ঠানটিক সুসাহিত্যিক শ্ৰীঅতুল চন্দ্ৰ বৰুৱাদেৱে এটা মুক্ত ধৰ্ম্মৰ(Cosmopolitan) ৰূপ বুলি অভিহিত কৰিছে। "আচৰিত কথা এই যে মনসা পূজাৰ সুকণ্ঠানী গোৱা অনেক ওজা সৌ সিদিনালৈকে ইচলাম ধৰ্ম্মৰ লোক আছিল। মঙ্গলদৈৰ বিখ্যাত পৰশু ওজাৰ কথা আজিও মানুহৰ মুখে মুখে। এই পৰশু ওজা ছিপাঝাৰৰ মাৰৈ গাৱৰ মুছলমান ধৰ্ম্মী লোক। নানা দেৱতাৰ পূজা, মুছলমান ওজা, দেওধনী নৃত্য, কছাৰী পূজা আদিৰ সংমিশ্ৰনে মনসা পূজাৰ সমস্ত অনুষ্ঠানটোকে এটা মুক্ত ধৰ্ম্মৰ বাতাবৰণ দান কৰে।[৫] সেইদৰে ব্যাহৰ ওজাই ভৰিত পিন্ধা নপুৰযোৰ, কান্ধত আৰু কঁকালত মেৰুৱাই লোৱা টঙালি, দুই হাতেৰে বজোৱা খুটিতাল আদি ভুটীয়া কৃষ্টিৰ হেনো অৱদান। ব্যাহৰ ওজাই পিন্ধা টুপী, জামা, চাপকণ চোলা আদি মোগলী পোচাকৰ আৰ্হিত সজোৱা বুলিও বহুতে কব

খোজে। আকৌ মাৰৈ পূজাৰ সুকগ্নানী ওজাপালি অনুষ্ঠানৰ ওজাপালিয়ে দেওঁধনী নৃত্যৰ লগতে মেছা-মেছেনীৰ নৃত্য প্ৰদৰ্শন কৰাতো এসময়ৰ ৰজা প্ৰজা সকলোৱে কছাৰী ভাই-সকলৰ জনজাতীয় কৃষ্টিটোক আদৰি আনি ধৰ্ম্মীয় অনুষ্ঠানত সন্নিবিষ্ট কৰাতোকে বুজাইছে। ই নিশ্চয় জনজাতীয় ভাই-সকলক সংহতিৰ এনাজৰীৰে বান্ধি ৰখাত সহায়ক হৈছে।

শংকৰী সংস্কৃতিৰ ৰেঙনিয়ে প্ৰাচীন দৰঙ্গীয়া (মঙ্গলদৈয়া সমাজখনো সমৃদ্ধ কৰিছিল। বিশেষকৈ মঙ্গলদৈ অঞ্চলৰ অন্যতম পৌৰাণিক কৃষ্টি চিয়াগীতে সমাজখন অধিক শক্তি-শালী কৰি সকলোৰে মাজত আধ্যাত্মিকতাৰ বীজ সিচি দিলে। শংকৰদেৱৰ প্ৰিয় শিষ্য গোপাল আতাই তেৰাৰ নাম ধৰ্ম্মকে মূল কৰি পোন প্ৰথমতে নগাপাহাৰৰ দাঁতি কাষৰীয়া অঞ্চলৰ জনজাতীয় লোকসকলৰ মাজত 'বৰখেলীয়া' নামৰ ভক্তিৰ ধাৰা বোৱাই ধৰ্ম্ম প্ৰচাৰ কৰিছিল। এই বৰখেলীয়া ভকত মহন্তসকলেই মঙ্গলদৈ অঞ্চলত হেনো চিয়াগীতৰ জন্ম দিলে। এই চিয়া শব্দই যশ বা সুখ্যাতি বুজায়; আৰু কোনো কোনোৱে চিয়া মানে ঈশ্বৰৰ নাম স্মৰণকৰা বুজায় বুলিও কব খোজে। সাহিত্যিক শ্ৰীবেৱন নাথৰ মতে' নগাপাহাৰৰ দাঁতি কাষৰীয়া ঠাইত শুকদেৱ নামৰ এজন মহন্তই স্থকীয়া ঐতিহ্যৰ এইবিধ গীতৰ জন্ম দাতা। এই শুকদেৱেই পিছত সমাজত শুকুৰা মহন্ত নামেৰে জনাজাত হয়। দৰঙী ঠোঠা ৰজাই এই বৰখেলীয়া ধৰ্ম্মালম্বী হোৱাত কোচ, কলিতা, যোগী আদি অন্যান্য সম্প্ৰদায়ৰ প্ৰজা সকলো এই ধৰ্ম্মত দীক্ষিত হয়। ইয়াৰ ফলত দৰঙত চিয়াগীতৰ প্ৰচলন বিশেষভাৱে হয় আৰু বৈষ্ণৱ ধৰ্ম্মৰ প্ৰধান তত্ত্ববোৰৰ ই বাহক হৈও পৰে। উল্লেখযোগ্য যে এই চিয়াগীত আৰু আজান ফকীৰৰ জিকিৰৰ মাজত সাদৃশ্য যথেষ্ট আছে।

দৰঙত প্ৰতিস্থিত বিভিন্ন সত্ৰসমূহেও দৰঙী কলা-কৃষ্টি বিকাশত সহায় কৰাৰ উপৰিও অতীতৰে পৰাই সমাজত ঐক্য আৰু সংহতিৰ বান্ধোন অধিক সুদৃঢ় কৰিলে। দৰঙী কৃষ্টিৰ অন্তৰ্ভূক্ত আইনাম, থিয়নাম আদিতো এই সত্ৰ সমূহৰ ঐতিহ্যৰ কথা সন্নিবিষ্ট হৈছে। মন কৰিবলগীয়া কথা যে মঙ্গলদৈয়া আইনামত খটৰা সত্ৰৰ' নামো জুকিওৱা হৈছে— 'খটৰা গোসাইঘৰ দেখোতে ভয়ঙ্কৰ

ছকুৰি নাহৰৰ খুটা
বাওএ লিখিলে ৰামে লক্ষ্মণে
ভিতৰে লিখিলে সীতা।'

মঙ্গলদৈৰ দিপীলা মৌজাৰ খটৰা গাৱত অৱস্থিত এই 'খটৰাসত্ৰ' দৰঙৰ এখন আগশাৰীৰ সত্ৰ। লেচাকনীয়া গোবিন্দ আতৈয়ে প্ৰতিস্থা কৰা এই সত্ৰখন মহাপুৰুষীয়া যদিও বৈষ্ণৱ-শাক্ত, শৈৱ সকলো সম্প্ৰদায়ৰ লোকে দৈনিক এই সত্ৰ দৰ্শনৰ বাবে আহে। এই সত্ৰৰ এটা প্ৰধান বৈশিষ্ট হৈছে, ইয়াত কোনো সত্ৰাধিকাৰ নাই। ৰাইজৰ নিৰ্ব্বাচিত প্ৰতিনিধিৰে গঠিত সমিতি এখনৰ দ্বাৰা সত্ৰখন পৰিচালিত হয় আৰু নিত্য-নৈমিত্তিক কামসমূহ দেউৰী আদিৰ দ্বাৰা সম্পাদন কৰোৱা হয়। এই সত্ৰই আজি প্ৰায় চাৰিশ বছৰে বৈষ্ণৱ ধৰ্ম্ম আৰু সংস্কৃতি প্ৰচাৰত প্ৰশংসনীয় ভূমিকা লৈছে। এই সত্ৰৰ যোগেদি প্ৰতি বছৰে ভাদ আৰু আহিন মাহৰ সংক্ৰান্তিৰ দিনা অনুষ্ঠিত হোৱা পাচতি এটা আকৰ্ষনীয় উৎসৱ। দৰঙ্গীয়া সংস্কৃতিলৈ এই সত্ৰৰ অৱদান উল্লেখ কৰি শ্ৰীজীৱন চন্দ্ৰ শৰ্মাদেৱে লেখিছে' এই সত্ৰৰ এটা উল্লেখযোগ্য বৰঙণি হ'ল খুলীয়া ভাওনা। মঙ্গলদৈত খুলীয়া ভাওনাৰ অনুষ্ঠান গোবিন্দ আতৈৰ আগতে থকাৰ কোনো প্ৰমাণ পোৱা নাযায়। আতৈয়ে সৰ্ব্বসাধাৰণৰ হৃদয়ত বৈষ্ণৱ ধৰ্ম্মৰ বীজ ৰোপন কৰাৰ অৰ্থে ভকতসকলৰ সহযোগত মহাপুৰুষ দুজনাৰ নাটসমূহ অভিনয় কৰি দেখুৱাইছিল।'[৩]

দৰঙী কলাকৃষ্টিৰ আন এটা উল্লেখযোগ্য কৃষ্টি হ'ল নাঙেলী গীত। গাৱলীয়া চহা সৰল-হোজা কৃষকৰ যৌৱন কালৰ কামনা বাসনাবোৰ গৰু চৰাই থাকোতে গোৱা এই গীতবোৰ প্ৰকৃততে মৌখিক ৰূপতহে প্ৰচলিত। চহা জীৱনৰ অশ্লীল গীত হলেও ইয়াত সাহিত্য সত্তাৰ বিদ্যমান আৰু ইয়াৰ সৃষ্টিও বহু পুৰণি। এই গীতবোৰ বিহুগীতৰ দৰে ৰিডিয়াই মুক্তকণ্ঠে মুকলি পথাৰত নাইবা হাবিৰ মাজ-তহে গোৱা হয়; কিন্তু ইয়াক নাৰীৰ কণ্ঠত কেতিয়াও শুনিবলৈ পোৱা নাযায়। গৰখীয়া সকলৰ মাজত প্ৰধানতঃ প্ৰচলিত যদিও এই গীতবোৰৰ ঐতিহ্য সামাজিক ঐক্যৰ এক অপৰিহাৰ্য্য অঙ্গ।

এইদৰেই দৰঙী কলা কৃষ্টিৰ বিভিন্ন অনুষ্ঠানে সৌ তাহানিৰে পৰাই ঐক্য আৰু সংহতিৰে দৰঙীয়া সমাজ খনক শক্তিশালী কৰি তুলিলে। বিশেষকৈ এই অঞ্চলৰ থলুৱা হিন্দু মুছলমান আদি বিভিন্ন ধৰ্মাৱলম্বী লোকৰ মাজত কেতিয়াও বিদ্বেষভাব সৃষ্টি হোৱা নাই। বৰঞ্চ স্বৈৰতন্ত্ৰ আৰু বিদেশী শাসন শোষণৰ বিৰুদ্ধে এই দৰঙৰ প্ৰজাই সংঘবদ্ধহৈ জনমত গঠন কৰি সাহসেৰে বহুবাৰ প্ৰতিবাদ কৰিছিল। খাজানা বৃদ্ধিৰ প্ৰতিবাদত ১৮৯৪ চনত বৃটিছৰ বিৰুদ্ধে দৰঙৰ কৃষকে কৰা 'পথৰ ঘাটৰ ৰণ' ইয়াৰ জলন্ত উদাহৰণ।

দৰঙ অঞ্চলৰ এই স্বকীয়া ঐতিহ্যৰ কলাকৃষ্টি তথা সংস্কৃতি সমূহৰ পুনৰুদ্ধাৰ, সংৰক্ষণ সম্প্ৰসাৰণ আদিৰ বাবে আমি সকলোৱে চেষ্টা চলোৱাৰ প্ৰয়োজন। অৱশ্যে ছিপাঝাৰৰ 'দৰঙী কলা কৃষ্টি উন্নয়ন সংঘ' নামৰ প্ৰতিস্থানটিয়ে এই কৃষ্টি সমূহৰ বিকাশৰ বাবে প্ৰশংসনীয় পদক্ষেপ লৈছে যদিও ইয়াৰ বিজ্ঞান সন্মত অধ্যয়ন বৰ্ত্তমান সময়ত অতি প্ৰয়োজনীয়। এই প্ৰসঙ্গত ড. বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যদেৱৰ এষাৰ কথাৰে এই নিবন্ধৰ সামৰণি মাৰিব বিছাৰিলোঁ। 'ভাওনাৰ বাহিৰেও অসমত পূৰ্ব্বৰে পৰা ওজাপালি, দেওধনী, পুতলানাচ, ঢুলীয়া, খুলীয়া আদি অনুষ্ঠানবোৰ চলি আহিছিল। ওজাপালি অনুষ্ঠানটি এতিয়া মৰহা অৱস্থাত যদিও ৰাইজৰ আগ্ৰহৰ বলত জী আছে। এই ওজাপালি সংস্কৃত ৰূপত মঞ্চলৈ অনাৰ চেষ্টা চলিছে। ৰেডিঅ'ৰ যোগেদিও শিল্পীসকলে ওজাপালি গোৱাৰ সুযোগ পাইছে। কিন্তু নৃত্য-নাট্য বা গীতি-নাট হিচাপে ইয়াৰ বিকাশ ঘটা নাই।[৭]

---

(১) ড° মহেশ্বৰ নেওঁগ—'খটৰা গোবিন্দৰ পৰা মোজাম্মিললৈ' দৰঙ্গ স্মৃতি– ১৯৭৪ পৃষ্ঠা—১

(২) শ্ৰীৰজনী কান্ত বৰুৱা—'দৰঙী কলাকৃষ্টিৰ চমুকথা'—১৯৮৩ পৃষ্ঠা ১৯ দ্ৰষ্টব্য

(৩) ৺ নলীনীবালা দেৱী—'আগকথা' ৺ দিনেশ্বৰ শৰ্মা প্ৰণীত 'মঙ্গলদৈৰ বুৰঞ্জী' পৃষ্ঠা ০৮।

(৪) শ্ৰীৰজনীকান্ত বৰুৱা—'পৰ্ব্বোক্ত গ্ৰন্থ—পৃষ্ঠা—১৫

(৫) শ্ৰীঅতুল চন্দ্ৰ বৰুৱা—'মঙ্গলদৈয়া ওজাপালি গীত আৰু বিবিধ পূজা অনুষ্ঠান—'ৰূপালী জয়ন্তী স্মৃতিগ্ৰন্থ'—মঙ্গলদৈ মহাবিদ্যালয় ১৯৭৫ পৃষ্ঠা—১৯

(৬) শ্ৰীজীৱন চন্দ্ৰ শৰ্মা, 'মঙ্গলদৈৰ খটৰা সত্ৰ'—ৰূপালী জয়ন্তী স্মৃতি গ্ৰন্থ। মঙ্গলদৈ মহাবিদ্যালয় - ১৯৭৬ - পৃষ্ঠা - ৪৬ – ৪৭

(৭) ড: বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য-- ডেৰশ বছৰৰ অসমীয়া সংস্কৃতিত এভুমুকি' নামৰ গ্ৰন্থ পৃষ্ঠা – ১৩৫ দ্ৰষ্টব্য।

# ★ ভবিষ্য বিজ্ঞান ★
# এক
# চমু
# আলোচনা

—শ্ৰীকুমুদ চন্দ্ৰ শৰ্মা
প্ৰৱক্তা, উদ্ভিদ বিজ্ঞান বিভাগ

বিজ্ঞানসন্মত ভাৱে ভবিষ্যতক লৈ কৰা অধ্যয়নকে চমুকৈ 'ভবিষ্য বিজ্ঞান' (Futurology)বোলা হয়। আমাৰ জীৱন প্ৰক্ৰিয়া অতীত, বৰ্তমান আৰু ভবিষ্যতৰ মাজতে নিহিত। অতীতৰ লগত থাকে অভিজ্ঞতা, স্মৃতি; বৰ্তমানৰ প্ৰত্যক্ষ দৃষ্টিয়ে আগবঢ়াই নি থাকে আমাক ভবিষ্যতলৈ। ভবিষ্যত এক অনিশ্চিত দিশ অথচ আমাৰ বাবে নিশ্চিত এৰাব নোৱাৰা এক প্ৰক্ৰিয়া অৰ্থাৎ আমি জীয়াই থাকিব লাগিব এই ভবিষ্যতত‌ে, কিন্তু এই অনিশ্চিত ভবিষ্যতক এটা নিৰ্দ্দিষ্ট আকাৰত আগতীয়াকৈ গঢ় দিবলৈ আজিয়ে আমি যদি ইচ্ছা কৰো তেনেহলে আমাক লাগিব অতীত-বৰ্ত্তমানৰ অভিজ্ঞৰে পৰিপুষ্ট এক দূৰদৰ্শীমন, সময় প্ৰবাহৰ ঢৌৰ লগত ফলাফল তুলনা কৰি কৰি আগতীয়াকৈ চিন্তাৰ প্ৰসাৰণ পৰিচালনা কৰিব পৰা এটা বিবেক।

সুদূৰ প্ৰসাৰী অনুসন্ধান প্ৰিয় মন এটাই ভবিষ্যত সম্পৰ্কত প্ৰাথমিক পৰ্য্যায়ত কিছুমান প্ৰশ্নৰ সূচনা কৰিব পাৰে—

* ভবিষ্যতে জীৱনত ঘটিব পৰা পৰিবৰ্ত্তনৰ দিশ কোন পথে?
* পৰিবৰ্ত্তন আমাৰ কাম্য নে?
* পৰিবৰ্ত্তনৰ ওপৰত আমাৰ প্ৰভাৱ?
* ব্যক্তিগত/সামাজিক পৰ্য্যায়ত ২০-৫০ বছৰ বা তাৰো অধিক সময় পিছত পৰিবৰ্ত্তনে আনিব পৰা ফল?
* আগত সুবিধা-অসুবিধা বা সুখ-দুখ গ্ৰহণৰ ক্ষেত্ৰত আহিব পৰা চিন্তাৰ ভাৰসাম্য?
* কালিক কাইলৈ ৰূপান্তৰ কৰিব পৰা আজিৰ মানসিক প্ৰস্তুতি?
* ভবিষ্যতৰ লগত আপোচ?
* উন্নয়ন ৰচনা প্ৰণালীত পুৰনিকলীয়া সূত্ৰৰ আবশ্যকতা?
* বিকাশ আৰু প্ৰগতিত বিজ্ঞান- প্ৰযুক্তিবিদ্যা?
* আধুনিকৰণৰ দিশ? ইয়াৰ প্ৰভাৱ?
* প্ৰাকৃতিক বিপৰ্য্যয়?

ইত্যাদি অলেখ প্ৰশ্ন ভবিষ্যতকলৈ আহিব পাৰে। অনিশ্চিত পৰিবৰ্ত্তনে আৰুৰা ভবিষ্যতত আমাৰ সামাজিক বা ব্যক্তিগত জীৱনধাৰনৰ মান উন্নত কৰাৰ প্ৰয়াসত আজি বিশ্বৰ চুকে কোনে চিন্তাৰ জোৱাৰ উঠিছে আৰু বহু

মনীষিয়ে সুপৰিকল্পিত, প্ৰনালীবদ্ধভাৱে কিছুমান সূত্ৰ আগবঢ়াবলৈ সক্ষম হৈছে, যি বৈজ্ঞানিক ভাৱনাৰ আধাৰৰ ওপৰত প্ৰতিষ্ঠিত হৈছে অধ্যয়নৰ এই নতুন দ্বাৰ—ভবিষ্য বিজ্ঞান। এই ভবিষ্যবিজ্ঞানে আমাক সকলো দিশতে সহায় কৰিব আমাৰ ভবিষ্যতক আগতীয়াকৈ নিৰ্ণয় কৰাত।

আমাৰ দেশৰ কথাকে ধৰো। বহু সমস্যাৰে জৰ্জৰিত ভাৰত এখন বিশাল দেশ। শিক্ষা, প্ৰতিৰক্ষা, উদ্যোগ, খাদ্য, জনসংখ্যা, স্বাস্থ্য, সংস্থান, প্ৰশাসন, যোগাযোগ প্ৰত্যেক দিশতে এশ এবুৰি সমস্যা। দেশৰ পৰিকল্পনা ক্ষত বিক্ষত। সমস্যা সমূহ সদায় বাঢ়িছেহে। এইদৰে চলি থাকিব দিলে ২০০০ চনত বা তাৰো আগলৈ কি অৱস্থা হব পাৰে ইত্যাদি কথাবোৰ ভাবিব লগীয়া হৈছে। সমস্যাই যাতে আমাক গ্ৰাস কৰিব নোৱাৰে তাৰ পৰিকল্পনা আমি আজিয়ে কৰিব লাগিব। কি অভাৱ, কি সমস্যা কেতিয়া কেনেদৰে আহিব তাক আগতীয়াকৈ কল্পিত দৃশ্যৰে ৰচনা কৰি তাৰ সমাধানৰ সূত্ৰ উলিয়াই ৰাখিব পাৰিলেই ব্যক্তিগত, সামাজিক বা গোটেই আন্তৰ্জাতিক পৰ্য্যায়তে সুষম হব। আৰু সেয়া হবলৈ আমি তেতিয়াই 'ভবিষ্যবিজ্ঞান'ৰ আশ্ৰয় লব লাগিব। বিন্দুৰ সাগৰলৈ সকলো পৰা পৰ্য্যায়তে ভবিষ্যদৃষ্টি নিক্ষেপ কৰাৰ সময় সমাগত।

সচৰাচৰ আমি পৰম্পৰা ভাৱনাৰ বশৱৰ্ত্তী। পৰম্পৰা যদি অবৈজ্ঞানিক হয় তেনেহলে ই আমাৰ ক্ষতি সাধন কৰে। তাৰোপৰি অজ্ঞতাৰ লগত কিছু পৰম্পৰাৰ ঘনিষ্ঠতা আছে। সেয়ে ভবিষ্যত সমাজগঠন প্ৰক্ৰিয়াত মূলতঃ ই সহায় নকৰে। এইটো দেখা গৈছে যে আমাৰ সমাজ ব্যৱস্থাৰ প্ৰণালী (System) সমূহ স্থিতিশীল নহয়। ইয়াৰ গতি আছে। আমাৰ ককা বা আজোককাহঁতে এনেদৰে চলিছিল বা এনেকুৱা কৰিছিল বাবেই যে আমিও তেনে কৰিব লাগিব তাৰ কোনো যুক্তি নাই, যদিহে সেয়া যুক্তিনিষ্ঠ পৰম্পৰা নহয়। গতিকে গতিশীল সমাজ প্ৰবাহৰ লগত আমাৰ ভাৱনা সলনি কৰাত ব্ৰতী হব লাগিব। তেতিয়াহে ভবিষ্য সাধনাত সহায় হব।

দুই এটা সৰু উদাহৰণ—

* ভাস্কৰে এটা ঘৰ সাজিব। তাৰ বাবে তেওঁক লাগে এটা পৰিকল্পনা। ঘৰটো কেনেদৰে সজালে ৩০-৫০ বছৰ পিচত ইয়াৰ কি কি অসুবিধা পোৱা যাব, আৱশ্যক অনুযায়ী ঘৰটো পুণৰাই বঢ়াই লোৱাৰ সুবিধাখিনি থাকিব নে নাথাকে ইত্যাদি। মুঠতে ভাস্কৰৰ সংসাৰখনৰ সকলো কাৰকলৈ অন্ততঃ ৫০ বছৰ বা তাৰ অধিক বছৰ পিচতো আজি সজোৱা ঘৰটোয়ে যাতে কোনো অসুবিধা নিদিয়ে অৰ্থাৎ সদায় বাস্তৱমুখী হৈয়ে থাকে সেই চিন্তাৰ পৰিচালনা আগতীয়াকৈ কৰিব পাৰিলে সমস্যা আহিব নোৱাৰে। তাৰ বাবে ভাস্কৰৰ চিন্তাত ভবিষ্যবিজ্ঞানৰ ধাৰণাক স্থান দিব লাগিব।

* এটা বুৰঞ্জীৰ উদাহৰণ দিয়া যাওঁক।

মহম্মদ বিন টোগলক। এজন প্ৰজা বৎসল ৰজা হৈওঁ ইতিহাসৰ পাতত এটা দুৰ্ভগীয়া চৰিত্ৰ হিচাপে চিহ্নিত হব লগা হ'ল, কেৱল নিজৰ চিন্তাধাৰাত ভবিষ্যত পৰিকল্পনাত দূৰদৃষ্টি সম্পন্ন নোহোৱা বাবে। দিল্লীৰ পৰা দেৱগিৰিলৈ ৰাজধানী স্থানান্তৰ, শেষত নিজৰে চিন্তা অনুপযোগী বুলি পতিয়ন যোৱাত পুনৰাই দিল্লীলৈ ৰাজধানীৰ প্ৰত্যাৱৰ্ত্তন আৰু তাৰ ফলত হোৱা ৰজা- প্ৰজাৰ লটিঘটি চুলতানৰ পৰিকল্পনাত ভবিষ্যত প্ৰায়োগিক জ্ঞান সমন্বয়ৰ অভাৱৰ এক সুন্দৰ নিদৰ্শন। সেইদৰে তেওঁৰ ৰূপৰ মুদ্ৰাৰ সলনি তামৰ মুদ্ৰাৰ প্ৰচলনৰ আদেশত ঘটা জাল টকাৰ সৃষ্টি, ফলত ৰাজভঁড়ালৰ অৰ্থনৈতিক সংকট, শেষত উপায়হীন হৈ তামৰ মুদ্ৰাৰ প্ৰচলন পুনৰ বন্ধ চুলতানৰ অদূৰদৰ্শিতাৰ ফলত সৃষ্টি হোৱা সমস্যা, ভবিষ্যত পৰিকল্পনা প্ৰস্তুতিকৰণত প্ৰায়োগিক জ্ঞান আহৰণ আগতীয়াকৈ কৰিব নোৱাৰাৰ ব্যৰ্থতা।

দুই এটা আৰো বাস্তৱ সমস্যা—

* বতৰ। কৃষি প্ৰধান দেশ ভাৰতবৰ্ষত বতৰৰ আগজাননী অতি লাগতিয়াল। বৰ্ত্তমান সেয়া সম্ভৱ হৈছে উপগ্ৰহ, চুপাৰ কম্পিউটাৰ আদিৰ জৰিয়তে। বিজ্ঞান প্ৰযুক্তিবিদ্যাই এই ক্ষেত্ৰত আগভাগ লৈছে। এইবোৰ এই বিজ্ঞানৰ আৱশ্যকতাৰ বাবে সৃষ্টি হোৱা ফল।

* আন এক বৰ্ত্তমান দেখা দিয়া সমস্যা হ'ল প্ৰদূষণ।

ভাৰতবৰ্ষত প্ৰদূষণৰ মূখ্য জগৰীয়া এটা কাৰক হ'ল-উদ্যোগ। অথচ উদ্যোগ অবিহনে দেশৰ উন্নতি চিন্তা কৰিব নোৱাৰি। উদ্যোগ আমাক লাগিবই। সেয়ে বিভিন্ন স্থানত উদ্যোগস্থাপনৰ আগতে তাৰ ফলত উদ্ভৱ হব পৰা সকলো সমস্যা আৰু তাৰ সমাধান নিয়াৰিকৈ পৰিকল্পনা কৰিহে আগবাঢ়িব লাগে। ভাৰতবৰ্ষ ঔদ্যোগিক ক্ষেত্ৰত অনুন্নত। অথচ প্ৰদূষণে প্ৰবল গতিত গ্ৰাস কৰিব ওলাইছে ভাৰতীয় সমাজক। আনহাতে উদ্যোগ প্ৰধান পশ্চিমীয়া দেশত এই সমস্যা তুলনামূলকভাৱে যথেষ্ট কম বুলি বিভিন্ন গ্ৰন্থত পোৱা যায়। পশ্চিম জাৰ্মানীত প্ৰদূষণক এতিয়াওঁ সমস্যাৰূপে থিয় হব দিয়া নাই। ইয়াৰ কাৰণ সেই দেশসমূহৰ ঔদ্যোগিক পৰিকল্পনাত ভবিষ্যবিজ্ঞানৰ প্ৰায়োগিক চিন্তাৰ সমাবেশ।

এইদৰে সকলো দিশতে এইবিজ্ঞানৰ প্ৰভাৱ আদৰণীয়। গোটেই বিশ্বতে বিজ্ঞানসন্মত ভাৱে ভবিষ্য অধ্যয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। আমেৰিকা, ইংলেণ্ড, জাৰ্মান, ফ্ৰান্স আদি উন্নত দেশত ইয়াক পাঠ্যক্ৰমৰ অন্তৰ্গত কৰাৰ খবৰ পোৱা গৈছে। বিকাশ আৰু প্ৰগতিৰ বাবে সজা বিভিন্ন পৰিকল্পনাত বৈজ্ঞানিক ভাৱে ভবিষ্য দৃষ্টি দিয়া হৈছে। আমাৰ ভাৰতবৰ্ষতো ভবিষ্যত সম্পৰ্কীয় এই বিজ্ঞানৰ অধ্যয়ন পাঠ্যক্ৰমত অন্তৰ্ভূক্ত কৰাৰ সপক্ষে এক শৈক্ষিক আলোড়ন সৃষ্টি হৈছে। ইতিমধ্যে ইয়াৰ ওপৰত পাঠ্যক্ৰম যুগুত কৰা হৈছে। কেইখনমান বিশ্ব-বিদ্যালয়ত ইয়াক M. Phil/M. Tech পৰ্য্যায়ত অন্তৰ্ভূক্ত কৰা হৈছে। ভাৰত চৰকাৰৰ Department of Science & Technology বিভাগে এই বিষয়ত আগভাগ লৈছে।

আমাৰ গুৱাহাটী বিশ্ববিদ্যালয়তো এই বিজ্ঞানৰ ওপৰত কেইবাখনো আলোচনা চক্ৰ পতা হৈছে। ইতিমধ্যে M. Phil পাঠ্যক্ৰমত ইয়াক মঞ্জুৰ কৰাৰ প্ৰস্তুতি চলিছে। কিছুমানে গবেষণাওঁ কৰিব লৈছে। মুঠতে ভবিষ্যবিজ্ঞানৰ প্ৰয়োজনীয়তাৰ ওপৰত চিন্তা চৰ্চা চলিছে। ই এক শুভ দিশ। সৰ্ব্বাংগসুন্দৰ নতুন যুগৰ সূচনাত ইয়াৰ অৱিহণা সদায় গুৰুত্বপূৰ্ণ।

●●

# মানৱ চৰিত্ৰ অধ্যয়নৰ কেইটামান চমু আৰু উজু উপায়

—শ্ৰীদেৱীদাস নেওগ
অবৈতনিক মূৰব্বী অধ্যাপক
দৰ্শন বিভাগ

মানৱ চৰিত্ৰ অতি জটিল। গতিকে মানৱ চৰিত্ৰ অধ্যয়নৰ উজু আৰু চমু উপায়ো নাই যেনেই লাগে। তথাপি আধুনিক মনোবিজ্ঞানে আবিস্কাৰ কৰা তথ্যসমূহৰ সহায়ত মানুহক থূলমূল ভাবে বুজি পাবলৈ কেতবোৰ উজু আৰু চমু উপায়ৰ আশ্ৰয় ল'ব পাৰি। আত্মীয়-স্বজনৰ কাৰণে পাত্ৰ-পাত্ৰী নিৰ্বাচন কৰোতে, ব্যৱসায়ৰ অংশীদাৰ (Partner) বাচি লওঁতে আৰু বিশেষকৈ চাকৰিত নিযুক্তি দিবলৈ লোৱা সীমিত সময়ৰ সাক্ষাৎকাৰত এই উপায়সমূহ ফলপ্ৰসু হ'ব পাৰে। তলত তাৰেই এটা আভাস দিবলৈ চেষ্টা কৰা হল।

(১) লক্ষ্য কৰক পৰীক্ষণ-পাত্ৰই (আপুনি অধ্যয়ন কৰিব খোজা ব্যক্তিজনে) কেনেকুৱা ধৰণৰ অতি-অভিনয় কৰিছে। যিজনে যিটো ক্ষেত্ৰত অতি-অভিনয় কৰে লুটিয়াই দিলেই বহু সময়ত আচল মানুহজনৰ ছবিখন দেখা পাব। মানুহে নিজৰ গোপন দুৰ্বলতা ঢাকিবলৈ বিপৰীত ধৰণৰ অতি-অভিনয় কৰে। (ফ্ৰয়েদৰ Theory of Reaction-formation বা এডলাৰৰ Compensation)। ভীৰু আৰু কাপুৰুষে বৰকৈ বুকু ফিন্দাই, চকু পকাই, গলগলীয়া মাতেৰে বৰ কথা কৈ যাত্ৰা পাৰ্টি'ৰ বীৰ সেনাপতিৰ অতি-অভিনয় কৰে। বীভৎস প্ৰকৃতিৰ মানুহে সাজ-পাৰ কথা-বতৰাত অতি-মাৰ্জিত হৈ দেখুৱায়। সজ্ঞান বা নিৰ্জ্ঞান মনত গভীৰ পাপবোধ থকা মানুহে বৰকৈ ধৰ্মকথা কয়। 'চিটিংবাজ অৰ্থাৎ ঠগ প্ৰকৃতিৰ মানুহে বৰকৈ নীতি-কথা শুনায়। চুলেই জঁহ পৰি যাব খোজা লাজকুৰীয়া তিৰোতা বৰ নিধক হয়। বৰকৈ শান্তশিষ্ট (Meek and mild) মৃদুভাষী অল্পভাষী মানুহ কাৰো কথা-বতৰা নুশুনা আকোঁৰ গোজ স্বভাৱৰ হয়। অৱশ্যে মানুহৰ এই অতি-অভিনয় কেতিয়াবা পোনপটীয়া নহৈ বেকাঁ বা আওপকীয়া ধৰণৰো হব পাৰে। এটা বিষয়ত দুৰ্বলতা থকা বুলি অনুভব কৰি অস্বস্তি বোধ কৰা মানুহে আন এটা বিষয়তো অতি-অভিনয় কৰিব পাৰে। বৌদ্ধিক দিশত দুৰ্বল হৈ থকা মূৰ্খই মহাপণ্ডিতৰ অতি-অভিনয় নকৰি আবেগিক দিশত উৎকৰ্ষ সাধন কৰাৰ ভাও জুৰিবলৈ মহান কবি-শিল্পীৰ অতি-অভিনয়ো কৰিব পাৰে।

প্ৰায় সকলো মানুহেই কোনো ক্ষেত্ৰত নিজকে হীন বা দুৰ্বল বুলি অনুভব কৰি অস্বস্তি অনুভব কৰে কাৰণেই শ্ৰেষ্ঠতা লভি ক্ষতিপূৰণ কৰিবলৈ চেষ্টা কৰে। স্নাতক ডিগ্ৰী নাই বুলি অস্বস্তি অনুভৱ কৰাজনে স্নাতক ডিগ্ৰীৰ কাৰণে চেষ্টা কৰে। স্নাতকোত্তৰ ডিগ্ৰী নাই বুলি আফ-চোচ থকা স্নাতকে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিবলৈ প্ৰচেষ্টা চলায়। কোনো অভাৱ বা দুৰ্বলতাৰ ক্ষতিপূৰণ কৰিবলৈ চলোৱা প্ৰচেষ্টাৰ ফলতেই মানুহে কেতিয়াবা অসাধ্য সাধনো কৰে। বিশ্ববিখ্যাত বক্তা ডেম্চ যেনাচ এসময়ত খোনা (Stammerer) আছিল। অমৰ সংগীত শিল্পী বীথোভেন বধিৰ (Deaf) আছিল। ব্যায়ামবীৰ ৰামমূৰ্ত্তি লৰাকালত নিশকতীয়া দুৰ্বলদেহী আছিল। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ দ্বিতীয় শ্বহীদ পিয়লি ফুকন (প্ৰথম শ্বহীদ আছিল গোমধৰ কোঁৱৰ) দেশদ্ৰোহীৰ ঘৰৰ

ল'ৰা আছিল। এটা ক্ষেত্ৰত থকা দুৰ্বলতাৰ ক্ষতিপূৰণ কৰিবলৈ আন কোনো ক্ষেত্ৰত অভাবনীয় ধৰণৰ উৎকৰ্ষ সাধন কৰাৰো অলেখ নজীৰ আছে। দিগ্বীজয়ী বীৰ নেপোলিয়ন আৰু মহান বিপ্লবী লেনিন অতি চাপৰ আছিল। আব্ৰাহাম লিঙ্কন অতি ক্ষীণকায় আছিল। হিৰো হিটলাৰ পেটৰুগীয়া আছিল আৰু হাত এখন পক্ষাঘাত ৰোগত অকামিলা হৈ পৰিছিল। বিখ্যাত সংগীত-শিল্পীসকলৰ, বিশেষকৈ মহিলা শিল্পীসকলৰ মাজত ধুনীয়া চেহেৰাৰ অভাৱেও একেটা কথাৰেই ইংগিত দিয়ে। অভাব বোধ আৰু তাৰ প্ৰকৃত ক্ষতিপূৰণৰ প্ৰচেষ্টা দোষ-নীয় নহয়। কিন্তু ভুৱা ক্ষতিপূৰণৰ কাৰণে অতি-অভিনয় কৰাটো অসুস্থ ব্যক্তিত্বৰ পৰিচায়ক। নিজকে প্ৰবঞ্চনা কৰাজনে আনকো প্ৰবঞ্চনা কৰিবলৈ কুণ্ঠাবোধ নকৰে। তদুপৰি এওঁলোক অসামাজিক প্ৰকৃতিৰ ব্যক্তি হয়। ফলত এওঁলোকে অসামাজিক বা সমাজবিদ্বেষী কামৰ মাজে-ৰেহে নিজৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰি ভাল পায়।

(২) জানিবলৈ চেষ্টা কৰক— পৰীক্ষণ পাত্ৰৰ ব্যক্তিত্ব বহিৰ্মুখী (Extrovert) নে অন্তৰ্মুখী (Introvert। বহিৰ্মুখী ব্যক্তিত্বৰ মানুহে বহিৰ্জগতৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰে। বহিৰ্জগতৰ বস্তুবোৰ (বহিৰ্জগতৰ মাজত মানুহ আৰু অন্যান্য জীৱজন্তুকো ধৰা হৈছে) মনোযোগেৰে নিৰীক্ষণ কৰি ভাল পায়। অন্তৰ্মুখী ব্যক্তিত্বৰ মানুহে বহিৰ্জগতৰ প্ৰতি আকৰ্ষণ অনুভৱ নকৰে। এওঁলোকে কল্পনাৰ জগতত উটি-ভাহি ফুৰে। নিজকে কল্পিত জগত বা কল্পিত ঘটনা-ৱলীৰ নায়ক-নায়িকা বুলি ধৰি লয়। নিজক বাদ দি দ্বিতীয় বা তৃতীয় পুৰুষৰ কথা এওঁলোকে ভাবিব নোৱাৰে। অন্তৰ্মুখী ব্যক্তিত্বৰ মানুহে কিবা এটালৈ চাই চাই আন কিহবাৰ কথা ভাবি থাকে। মস্তিস্ক আৰু স্নায়ুমণ্ডলিত একেলগে দুটা প্ৰক্ৰিয়া চলি থকা বাবে মানসিক শক্তি, বিশেষকৈ স্মৃতিশক্তি, স্থিতপ্ৰজ্ঞতা (Tenacity of pur-pose বা Determination) নষ্ট হৈ যায়। সন্যাস গ্ৰহণ কৰি ওলাই গৈ আকৌ এজনী বিয়া কৰাই ঘৰলৈ উভতি আহে। চকুৰ পিৰিকটি আৰু সঞ্চালন কম হয়। মায়োপিয়া (দূৰৰ বস্তু দেখা নোপোৱা চকুৰ ৰোগ) ৰ দ্বাৰা আক্ৰান্ত হয়। মুখত অকালতে বলি ৰেখা পৰে। বয়সত কৈ বেচি বুঢ়া যেন হয়। মুখেৰে হুঁ-হাঁ কৰি থাকিলেও আনে কি কৈছে, কি সুধিছে এওঁলোকে গম নাপায়। আনৰ প্ৰশ্ন শেষ নৌ হওঁতেই উত্তৰ দিবলৈ আৰম্ভ কৰে। আনৰ বক্তব্য শেষ নৌ-হওঁতেই মন্তব্য দিয়ে। আনৰ কথা শুনাৰ মানসিকতা নথকা বাবে এওঁলোক মূৰ্খ হয়। আনৰ আবেগ অনুভূতিৰ কথা গম নোপোৱাৰ উপৰি নিজকে লৈ ব্যস্ত থকাৰ কাৰণে এওঁলোকৰ আবেগিক দিশটোও ভোতা বা দগধা হয়। সহজে মানসিক ৰোগৰ দ্বাৰা আক্ৰান্ত হয়। ভূত-প্ৰেত, দেৱ-দেৱী দেখিব ধৰে। কথা পতাৰ চলেৰে ক্ষন্তেক আগেয়ে দেখি অহা বা সঘনে দেখি থকা বস্তু বা ঘটনাবোৰৰ সম্বন্ধে নিম্নোক্ত ধৰণৰ প্ৰশ্ন কৰিলেও পৰীক্ষণ-পাত্ৰৰ ব্যক্তিত্ব বহিৰ্মুখী নে অন্তৰ্মুখী গম পোৱা যায়। '...... বোপাই! কোনখন গাড়ীতনো তুমি আহিলা? নাইট চুপাৰত? কেইটা বজাত পালাহি? ...... আজি-কালি গধূলি সাতবজাতো এখন নাইট-চুপাৰ আহে নেকি? ৰাতি ভাতপানী? ক'ত খালা? ...আও, ক'ত খালা গমেই নাপালা। আহি পাওঁতে ইমান দেৰী হ'ল? শিৱসাগৰৰ পৰা গুৱাহাটীলৈ কিমান কিলোমিটাৰ হব বাৰু? ইয়াত ক'ত উঠিছা? ইন্দ্ৰপুৰী হোটেলত? এতিয়া অটোৰিক্সাৰে আহিলা? ভাৰা কিমান ললে? ওঠৰ টকা। অ' তুমি ছাগে অমুক ৰোডেদি আহিলা? অমুক নিবাসৰ সমুখেৰে আহিলা ছাগে। চিনি নোপোৱা? কিয়, সেই যে চৌহদৰ চাৰিওফালে নাহৰ গছ আছে—? মন কৰিব লাগিছিল। এতিয়া কাকো নোসোধাকৈ হোটে-ললৈ উভতি যাব পাৰিবা জানো? ...... অটোৰিক্সাত যাবা? অটোৰিক্সাৰ চালকে যদি কোনোবা বিপদজনক ঠাইলৈ লৈ যায়? যিহে দিন পৰিছে। নতুন ঠাইত সেই-বোৰত উঠোতে নম্বৰটো চাই লব লাগে। তুমি অহা অটোৰিক্সাখনৰ নম্বৰ কিমান আছিল? —তুমিতো ফাৰ্ষ্ট ক্লাছ পাইছিলা। পঞ্জিচন চেকেণ্ড। শতকৰা আশী নম্বৰ পাইছিলা। ফাৰ্ষ্ট পজিচন পোৱাজনে কিমান নম্বৰ পাইছিল? থাৰ্দ আৰু ফৰ্থ পজিচন পোৱা দুজনে একা? কাপোৰত ৰং লাগিল যে? অলপতে ৰং কৰা ডাঙৰ গেটখনেৰে আহিলা হ'বলা? সেইখন গেট ডাঙৰ ট্ৰাক আহিব কাৰণেহে সজোৱা হৈছিল। ডাঙৰ ট্ৰাক আহিব পাৰিবনে?

ডাঙৰ ট্ৰাকবোৰ কেইফুটমান বহল হয়? গেটখন বাৰু কিমান বহল যেন লাগিল ? ইত্যাদি ইত্যাদি ।

(৩) হাঁহি (Laughter)— সকলো মানুহে সকলো কথাতে সমানে নাহাঁহে। খুহুতিয়া কথা কৈ পৰীক্ষণ-পাত্ৰক হঠাতে হুঁহুৰাই দিব পাৰিলে তেওঁৰ প্ৰকৃত চৰিত্ৰৰ কিছু আভাস পোৱা যায়। ফ্ৰয়েদৰ মতে নিজৰ গোপন ব্যক্তিত্ব আৱিস্কাৰ হোৱা যেন লাগিলেই নিজকে লুকুৱা-বলৈ মানুহে হাঁহে। মেক্‌ডুগেলৰ মতে সৰু সুৰা দুখবোৰ পাহৰিবলৈ মানুহে হাঁহে। দুখ লাগিলে যিবোৰ দৈহিক পৰিবৰ্ত্তন ঘটে হাঁহিলে বিপৰীত ধৰণৰ পৰিবৰ্ত্তন হয়। এই তথ্য দুটাৰ মাজত বিৰোধ নাই। এটা আনটোৰ পৰিপূৰকহে। প্ৰেমত পৰিলে মানুহ, বিশেষকৈ পুৰুষ মানুহ মূৰ্খ হৈ পৰে। জীৱনৰ প্ৰথম প্ৰেমৰ ক্ষেত্ৰত ছোৱালীহঁতৰ অৱস্থাও প্ৰায় একেই হয়। ব্যৰ্থ প্ৰেমিক-প্ৰেমিকাৰ দুৰৱস্থাৰ কাহিনী শুনি ব্যৰ্থ প্ৰেমিক-প্ৰেমিকা সকলেই বেচিকৈ হাঁহে। হাঁহি (Laughter)ত বিদ্ৰূপৰ ভাব লুকাই থাকে। জোৰেৰে হাঁহি মাৰি, (অৰ্থাৎ অট্টহাস্য কৰি) আমি বুজাই দিব খোজো—আমি তেনে-কুৱা মূৰ্খ নহওঁ। ব্যৰ্থপ্ৰেমৰ কাহিনী শুনি নিজৰ ব্যৰ্থ-তাৰ কথা মনত পৰাত ওপজা দুখখিনিও হাঁহিয়ে আঁত-ৰাই দিয়ে। চোৰৰ লটিঘটিৰ কাহিনী শুনি বৰকৈ হাঁহো-তাজনৰ গোপন চৌৰ্য্য প্ৰবৃত্তি থকা বুলি অথবা তেওঁৰ পৰিয়ালৰ কোনোবা সন্মানীয় ব্যক্তি চোৰ বুলি সন্দেহ কৰিব পাৰি। যৌন-বিকৃতিৰ কাহিনী শুনি বৰকৈ হঁহাজনৰ নিজৰো তেনেকুৱা ধৰণৰ বিকৃতি থকা বুলি সন্দেহ কৰিব পাৰি।

ভদ্ৰতা ৰক্ষা কৰি মিচিকিয়া হাঁহি মাৰোতে (অৰ্থাৎ smile ৰ ক্ষেত্ৰত) আমি অভিনয় কৰিবলৈ সময় আৰু সুযোগ পাওঁ। মহাশত্ৰুক দেখি পিও জ্বলি গলেও মিচি-কিয়া হাঁহি মাৰি আওপকীয়াভাবে বুজাই দিব খোজো যে তোমাক দেখি বৰ ভাল লাগিল। কিন্তু অপ্ৰস্তুত অৱস্থাত খুহুতীয়া কথা শুনি হঠাতে হাঁহি দিওঁতে আপচু হৈ পৰা মানুহ বিপজ্জনক হয়। হকে অনাহকে বেচিকৈ হঁহা মানুহৰ মনত কিবা গোপন দুখ থাকে আৰু বহু সময়ত সহানুভূতিহীন হয়। মিচিকিয়া হাঁহি মাৰিলেও সশব্দে জোৰেৰে হাঁহি নমৰা মানুহ দুৰ্বোধ্য প্ৰকৃতিৰ হয়।

(৪) স্মৃতি—বিবেকৰ উৎস স্বৰূপ চুপাৰ-ইগোৰ বিকাশ নঘটা বাবে নবজাত শিশুৰ নৈতিক চেতনাও নাথাকে। ভাল-বেয়া, উচিত-অনুচিতৰ পাৰ্থক্য বুজি নাপায়। দেৱশিশু বুলি আমি আখ্যা দিলেও চুপাৰ-ইগোৰ বিকাশ নোহো-ৱালৈকে শিশুৰ মন, বৰ্বৰ আদিম মানবৰ দৰে নিষ্ঠুৰ আৰু স্বাৰ্থপৰ হৈ থাকে। চুপাৰ-ইগো বিকাশ হোৱাৰ পিছত শিশুৱে পূৰ্বৰ আদিম আৰু পাশবিক কামনা বাসনা বোৰ দমন কৰিবলৈ, অৰ্থাৎ মনৰ পৰা আঁতৰাই পঠি-য়াবলৈ চেষ্টা কৰে। দমন Refression'ৰ অৱশ্যম্ভাবী ফলস্বৰূপে শিশুৱে সেই আদিম কামনা-বাসনাবোৰ কথা পাহৰি যায়। তাৰ লগত জড়িত অন্যান্য ঘটনাবোৰৰ কথাও পাহৰি যায়। শৈশৱ কালৰ কথাবোৰৰ মনত নপৰাৰ এইটোৱেই অন্যতম প্ৰধান কাৰণ। সাধাৰণতে পাঁচ বছৰমান বয়সত চুপাৰ ইগোৰ বিকাশ হয়। মানুহে সাধাৰণতে পাচ বছৰমান বয়সৰ পিচৰ ঘটনাবোৰহে মনত পেলাব পাৰে। কোনোবাই যদি সাত-আঠবছৰ বয়সৰ পিচৰ ঘটনাবোৰহে মনত পেলাব পাৰে তেনেহলে বুজিব লাগিব তেওঁৰ চুপাৰ-ইগোৰ বিকাশ ঘটোতে দেৰী হৈছিল। এনেকুৱা মানুহৰ নৈতিক চেতনা বা বিবেক (conscience) দুৰ্বল হয়। শাস্তি-পুৰস্কাৰ, লাভ-লোকচানৰ কথা বিবেচনা কৰি এওঁলোক তথাকথিত ভদ্ৰলোক বা 'ভাল মানুহ' যেন হৈ থাকিব পাৰে। কিন্তু শাস্তি বা লোকচানৰ ভয় নাথাকিলে লাভৰ সম্ভাবনা দেখিলে এওঁলোকে অতি নীচ কামো কৰিব পাৰে।

(৫) অভিক্ষেপন বা Projection—মানুহে আনবোৰ মানুহকো নিজৰে নিচিনা বুলি ভাবে। অভিক্ষেপনৰ এটা ৰসাল উদাহৰণ জনৈক ধৰ্মগুৰুৱে, সম্ভৱ ৰামকৃষ্ণ পৰম-হংসই দিছিল। নৈখনৰ সিপাৰে মদপীয়ে মাতাল হৈ টলংভটংকৈ আহি থকা দেখি ইপাৰৰ সন্যাসীয়ে ক'লে— 'আহা! সৌজনেই প্ৰকৃত সিদ্ধ পুৰুষ। ভগবৎ চিন্তাত ইমান তন্ময় হৈ আছে যে ক'ত খোজ পেলাইছে তেওঁ গমেই পোৱা নাই!!' সিপাৰৰ পৰা মদপীয়ে ধ্যানস্থ সন্যাসীক ৰিং মাৰি সুধিলে— 'দোস্ত! আজি কেইবা বটলো ধৰিলানেকি—চকু মেলিবই পৰা নাই দেখোন—?' চোৰে সকলো মানুহকে চোৰ বুলি, ডকাইতে ডকাইত বুলি, মূৰ্খই মুৰ্খ বুলি ভাবে। সৰ্বসাধাৰণ মানুহৰ সম্বন্ধে পৰীক্ষণ-পাত্ৰই পোষণ কৰা ধাৰণাৰ সম্বন্ধে কৌশলেৰে গম লব পাৰিলে পৰীক্ষণ-পাত্ৰৰ স্বভাব বা প্ৰকৃতিৰ সম্বন্ধেও এটা থুলমূল ধাৰনা কৰিব পৰা যায়।

# স্বৰ্গীয় পুৰন্দৰ শৰ্মা ঃ স্মৃতি আৰু শ্ৰদ্ধাৰ্ঘ্য

শ্ৰীজীৱন চন্দ্ৰ শৰ্মা
অধ্যাপক, মঙলদৈ কলেজ

'অধ্যক্ষ পুৰন্দৰ শৰ্মা'— এই নাম আৰু অভিধা কেৱল মঙলদৈ মহাবিদ্যালয় আৰু আইন মহাবিদ্যালয়ৰ লগত জড়িত আমাৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক কৰ্মচাৰী সকলৰ মাজতহে চিনাকি, সৰ্বসাধাৰণৰ মাজত তেওঁৰ চিনাকি নামটি হ'ল— 'পুৰন্দৰ চেয়াৰমেন'। তেওঁৰ এই চিনাকি আৰু শ্ৰদ্ধাই নামটি হয়তো বহুদিনলৈ থাকিব, কিন্তু তেওঁৰ নশ্বৰ দেহৰ অৱসান ঘটিল ইং ১৯৮৮ চনৰ ২৩ জুলাইৰ দিনা নিশা ১০ বজাত।

'মঙলদৈ মহাবিদ্যালয়' আৰু মঙলদৈ আইন মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাতা অধ্যক্ষ, অসম বিধান সভাৰ প্ৰাক্তন বিধায়ক ৺পুৰন্দৰ শৰ্মাৰ জন্ম হৈছিল, ১৯০৩ খৃঃৰ ১ জুন তাৰিখে মঙলদৈ মহকুমাৰ বামুণপাৰা গাঁৱত। তেওঁৰ পিতৃ ৺দেৱভূষণ শৰ্মাই চিৰস্তাদাৰ কাম কৰিছিল। আগ ছোৱা কালত শিক্ষকতা কৰাৰ বাবে সৰ্বসাধাৰণৰ মাজত তেওঁ 'দেউভূষণ মাষ্টৰ ৰূপেহে বিখ্যাত আছিল।

৺শৰ্মা চাৰৰ জ্যেষ্ঠ ভাতৃ ৺নবীন চন্দ্ৰ শৰ্মা এগৰাকী প্ৰখ্যাত আইনজীৱি আছিল। বিদ্বান পিতৃ আৰু জ্যেষ্ঠ ভাতৃৰ তত্বাৱধানত ৺শৰ্মাচাৰে ১৯১৮ খৃঃত মঙলদৈ চৰকাৰী হাইস্কুলৰ পৰা মেট্ৰিক, ১৯২৩ খৃঃত কটন কলেজৰ পৰা অৰ্থনীতি সন্মান সহ বি, এ, ১৯২৭ খৃঃত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি অৰ্থনীতিত এম্ এ আৰু ১৯২৮ খৃঃত বি, এল ডিগ্ৰী লাভ কৰিছিল। মঙলদৈৰ (বৰ্ত্তমান দৰং জিলাৰ) প্ৰথম এম, এ, শৰ্মা চাৰেই।

তেওঁ অধ্যয়ন সমাপ্ত কৰি মঙলদৈত ওকালতি আৰম্ভ কৰিছিল যদিও অলপ দিনৰ পিচতে কংগ্ৰেছত যোগদান কৰি সক্ৰিয় ৰাজনীতিত জড়িত হৈ পৰিছিল। তেওঁ ১৯৩৭ খৃঃৰ পৰা ১৯৫৬ খৃঃলৈকে অসম বিধান সভাৰ বিধায়ক আছিল আৰু সেই সময়ত বিধান সভাত তেওঁৰ ভূমিকা আছিল উল্লেখনীয়। দেশভক্ত তৰুণৰাম ফুকনৰ ভাষাত,— "মঙলদৈৰ পুৰন্দৰ শৰ্মা আছিল উভালিব নোৱাৰা খুটি" (নৱযুগ তৰুণৰাম ফুকনৰ ডায়েৰী)। ১৯৫১ খৃঃত বিধান সভাৰ প্ৰাৰম্ভিক অধিবেশনত তেওঁ বিধান সভাৰ অধ্যক্ষৰ আসনো অলংকৃত কৰিছিল। তেওঁ ১৯৩৫ খৃঃৰ পৰা ১৯৪০ খৃঃলৈ আৰু ১৯৫০ খৃঃৰ পৰা ১৯৫৬

খৃঃলৈ লোকেল বোৰ্ডৰ আৰু পিচত শিক্ষা বোৰ্ডৰ চেয়াৰমেন হৈছিল। তেখেত চেয়াৰমেন হৈ থকা কালছোৱাত মঙলদৈ মহকুমাত ( বৰ্ত্তমান দৰং জিলাত ) জনস্বাস্থ্য, জনশিক্ষা, আৰু যাতায়তৰ ব্যৱস্থা যিখিনি কৰা হৈছিল, তুলনা মূলকভাবে আন চেয়াৰমেন সকলৰ দিনত সিমান খিনি হোৱা নাছিল। সেয়েহে 'পুৰন্দৰ চেয়াৰমেন' নামটি মঙলদৈ বাসীৰ বাবে আজিও এটা আদৰৰ আৰু শ্ৰদ্ধাৰ নাম।

৺শৰ্মা চাৰে মঙলদৈ মহাবিদ্যালয়ৰ প্ৰথম অধ্যক্ষ ৰূপে ১৯৫১ খৃঃত দায়িত্ব লৈ ১৯৬৬ খৃঃত এই দায়িত্বৰ পৰা অৱসৰ লৈছিল। ১৯৫১ খৃঃৰ পৰা ১৯৬০ খৃঃলৈ তেওঁ এই মহাবিদ্যালয়ৰ অবৈতনিক অধ্যক্ষ আছিল। মৃত্যুৰ পিছদিনা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত শেষ শ্ৰদ্ধাঞ্জলিৰ বাবে ৰখা শৱ দেহৰ ওপৰত পুষ্পাঞ্জলি নিবেদন কৰি সেই সময়ৰ অধ্যক্ষ মঃ আব্দুল মজিদ চাৰে ৺শৰ্মা চাৰৰ এই অনুষ্ঠানটোলৈ আগবঢ়োৱা মহৎ অৱদানৰ চমু অথচ অতিতাৎপৰ্য্যপূৰ্ণ মন্তব্য দি তেওঁ কৈছিল, ৺শৰ্মা আছিল মঙলদৈ কলেজ তথা মঙলদৈ বাসীৰ কৰ্ণধাৰ ! তেওঁক মঙলদৈ কলেজ আৰু মঙলদৈ বাসীয়ে পাহৰিব নোৱাৰে।"

৺শৰ্মা চাৰৰ পাৰিবাৰিক জীৱন বৰ সুখকৰ আছিল বুলি কব নোৱাৰি। তেখেতৰ সহধৰ্মিনী আছিল দেশভক্ত তৰুণৰাম ফুকনৰ জ্যেষ্ঠ ভাতৃ ৺নবীনৰাম ফুকনৰ কন্যা দেৱকুমাৰী। দুৰ্ভাগ্যবশতঃ দুটি সন্তান জন্ম দিয়ে ইহ সংসাৰৰ পৰা বিদায় লৈছিল। সেই সময়ত শৰ্মা চাৰৰ বয়স হেনো ৩৫ বছৰ পুৰা হোৱাই নাছিল। তেওঁৰ একমাত্ৰ পুত্ৰ সন্তান জনৰো যৌৱন অৱস্থাতেই মৃত্যু হৈছিল। দ্বিতীয় সন্তান কন্যা জনীক গুৱাহাটীৰ বিশিষ্ট অধিবক্তা শ্ৰীপাচুগোপাল বৰুৱাই বিয়া কৰাইছিল। কিন্তু এই কন্যা সন্তানটিৰো অকাল বিয়োগ ঘটিল। সেয়েহে আমি তেওঁৰ সাংসাৰিক জীৱন সুখকৰ নহয় বুলি কৈছোঁ। তেখেতক ঘনিষ্ঠ ভাবে বহুদিনৰ পৰাই লগ পাইছিলো। কিন্তু কোনোদিনেও হলে ঘূণাক্ষৰেও তেওঁৰ এই মনৰ বেদনা ব্যক্ত কৰা নাছিল।

আমাৰ ৺শৰ্মা চাৰৰ অধীনত অধ্যয়ন আৰু অধ্যাপনা কৰা দুয়োটাৰে সৌভাগ্য ঘটিছিল। আমাৰ এই কম সময় ছোৱাৰ ভিতৰত বহুধৰণৰ মানুহ লগ পাইছোঁ, কিন্তু শৰ্মা চাৰৰ দৰে কৰ্ত্তব্য পৰায়ন, সদাচাৰী, মিষ্টভাষী, খংৰাগহীন স্থিত প্ৰজ্ঞ পুৰুষ অতি কমহে লগ পাইছো। বহু ক্ষমতা আৰু বহু জ্ঞানৰ অধিকাৰী আছিল যদিও, তেওঁ ভয় লগা সিংহ বা ব্যঘ্ৰ পুৰুষ নাছিল। তেওঁ আছিল দেৱতুল্য মঙ্গলময় পুৰুষ। তেওঁৰ ওচৰত যিকোনো লোক নিঃসংকোচে যাব পাৰিছিল, কথা সুধিব পাৰিছিল। তেওঁৰ ওচৰত কোনো লোক অসন্তুষ্টহৈ আহিব নেলাগিছিল।

আশী বছৰৰ পিচত তেওঁ মঙলদৈ আইন মহাবিদালয়ৰ অধ্যক্ষ হৈছিল। আৰু মৃত্যুৰ আগলৈকে তেওঁ এই দায়িত্বত আছিল। মৃত্যুৰ কেইমাহমান আগতে শীত কালিৰ এদিন নিশা কলেজলৈ খোজ কাঢ়ি গৈ থাকোতে চাৰক কলো,— "চাৰ, আপুনি সদায় ৰাতিখন নগলেও হয় নেকি?" ( আইন কলেজৰ শ্ৰেণীসমূহ ৰাতি বহে)। তেওঁৰ মুখৰ চিৰ পৰিচিত হাঁহিটো ( যিটো তেওঁৰ একমাত্ৰ পুত্ৰৰ মৃত্যুৰ দিনাও দেখা কৰিবলৈ যাওঁতে দেখিছিলো ) মাৰি কলে "নহয় হে, মই নগলে ক্লাচবিলাক ঠিকমতে নহব নহয়। অনুষ্ঠানটো হুক দিয়া।" পচাশী বছৰীয়া কৰ্মযোগী এই বৃদ্ধৰ মুখত কথাখিনি শুনি মই বাক্‌ৰুদ্ধ হৈ পৰিলোঁ; নিজকে অপৰাধী অপৰাধী যেন অনুভৱ কৰিলো। হে কৰ্মযোগী আপোনাক সশ্ৰদ্ধ প্ৰণাম।

★★

# যতীন্দ্ৰনাথ দুৱৰাৰ কবিতাৱলীৰ বিচাৰ

শ্ৰীহিতেশ কুমাৰ শৰ্ম্মা ভট্টাচাৰ্য্য
স্নাতক মহলা
দ্বিতীয় বাৰ্ষিক (কলা)

কুৰি শতিকাৰ অসমীয়া ৰোমাণ্টিক কবি সকলৰ ভিতৰত যতীন্দ্ৰ নাথ দুৱৰা শ্ৰেষ্ঠ কবি। অকল শ্ৰেষ্ঠ কবিয়েই নহয় এক সমসাময়িক অনন্য কবি। দুৱৰা আন কবিতকৈ ব্যতিক্ৰম। তেখেতৰ জীৱনী এক সাঁথৰ। কাব্য সাধনা এক বিস্ময়। চিয়াহীতকৈ চকুৰ পানীৰে দুৱৰাই ওবে জীৱন কবিতা ৰচনা কৰি অসমীয়া ভাষা সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে।

কবি হিচাপেই দুৱৰাৰ পৰিচয়। সংখ্যাৰ বাবে নহয়, গুণৰ বাবেহে তেওঁৰ কবিতা শ্ৰেষ্ঠ। কবিতাই আছিল তেওঁৰ জীৱনৰ সাধনা। কবিতাই দিছিল তেওঁক তৃপ্তি। এই বিশাল বিশ্বত তেওঁ আছিল অকলশৰীয়া। আজীৱন কবিতাৰ সাধনাৰ ফলস্বৰূপে তেওঁৰ কাপৰ পৰা ওলাই আহে—"ওমৰ তীৰ্থ" (১৯২৫), "কথা কবিতা" (১৯৩৩), "আপোন সুৰ" (১৯৩৮), "বনফুল" (১৯৫২), "মিলনৰ-সুৰ" (১৯৬০) আৰু "মৰমৰ সুৰ" (মৃত্যুৰ পাছত ১৯৭৬ চনত প্ৰকাশিত, ভতিজাক বসন্ত লাল দুৱৰাই কবিতা সমূহ যুগুতাই প্ৰকাশ কৰে)। এই আটাইকেইখন পুথি মৌলিক কবিতাৰ পুথি। তেওঁৰ বহু কবিতা সময়ৰ বুকুত হেৰাই গ'ল। যিখিনি প্ৰকাশ পালে সেইখিনিয়েই যথেষ্ট—সিয়েই অমূল্য। দুৱৰাৰ কবিতা সৰ্ব্বজন সমাদৃত হোৱাৰ সৰ্ব্বপ্ৰধান গুণ হ'ল তেওঁৰ কবিতাৰ ভাষা। দুৱৰাৰ কবিতাত ভাষাৰ জটিলতা, শব্দৰ দুৰ্ব্বোধ্যতা, অৰ্থৰ অস্পষ্টতা নাই। কবিতাৰ যাই উপকৰণ কল্পনাৰ উৰণ, ভাৱৰ স্ফুৰণ, আবেগৰ স্পন্দন আৰু সৌন্দৰ্য্যৰ বহণ দুৱৰাৰ কবিতাত পৰিস্ফুট। দুৱৰাৰ কবিতা নিজৰাৰ নিৰ্ম্মল সোঁতৰ দৰে সুললিত ছন্দৰ অবাৰিত গতিত ক'তো ঠেকা নোখোৱাকৈ বৈ গৈ থাকে। দুৱৰাৰ কবিতাৰ বিশেষত্ব আৰু এটা এই যে প্ৰায় আটাইবিলাক কবিতাই গীতি কবিতা (Lyric), প্ৰায় বিলাক কবিতাই সঙ্গীতধৰ্মী। কোনো কোনোৱে দুৱৰাৰ কিছুমান কবিতাক বৰগীতৰ লগতো মিলাব খোজে।

দুৱৰাৰ কবিতা পুথি সমূহ বিচাৰ কৰিলে আমি

পাম এটি ভাৰতীয় সুৰ। তেখেতৰ প্ৰথম কবিতাৰ পুথি "ওমৰ তীৰ্থ" (১৯২৫) পাৰস্যৰ বিখ্যাত কবি ওমৰ খায়ামৰ 'ৰুবায়ত'ৰ সুন্দৰ আৰু নিমজ অসমীয়া ভাঙনি। ইংৰাজ কবি ফিট্‌জেৰাল্ডৰ ইংৰাজী ভাঙনিক ভেটি কৰিয়েই অসমীয়া ভাঙনি প্ৰস্তুত কৰা হৈছিল। ডুৱৰাৰ হাতত খায়ামৰ ৰুবায়তবোৰে এনে এটি ৰূপ ললে যিটি মূলৰ কথা আৰু ভাৱ অটুট ৰাখিও অনুবাদ বুলি চিনিব নোৱাৰাকৈ মৌলিক কবিতাৰ দৰেই ৰসাল আৰু সহজ আবেদনশীল হৈ উঠিল। খায়ামৰ নৈৰাশ্যজনিত ভোগবাদী দৰ্শন, আনুষ্ঠানিক ধৰ্মৰ প্ৰতি অনাস্থা, পাপ-পূণ্যৰ নব্য বিচাৰ আদিৰ তীব্ৰতা ডুৱৰাৰ কবিতাত সুস্পষ্ট। 'ওমৰ তীৰ্থ' ডুৱৰাৰ শ্ৰেষ্ঠ ভাঙনি কাব্য গ্ৰন্থ।

'ওমৰ তীৰ্থ'ৰ পিছতে ডুৱৰাৰ দ্বিতীয় কবিতাৰ পুথি গীতি কবিতাৰ সংগ্ৰহ "আপোন সুৰ" প্ৰকাশ হয় ১৯৩৮ চনত। ইয়াত স্বাধীনতাৰ পূৰ্ব কালছোৱাত কলাকাৰ সকলৰ মুক্ত জীৱনৰ স্পৃহা তথা অসীম প্ৰীতি সুগভীৰ। লোকজীৱনৰ বিভিন্ন দিশ অধ্যয়ন কৰি প্ৰেম সৌন্দৰ্য্যৰ পূজাৰী কবিয়ে 'আপোন সুৰ' নামৰ কবিতাৰ পৰা 'অৱসান' নামৰ কবিতালৈ অৰ্থাৎ আদিৰ পৰা অন্তলৈ সুসংবদ্ধ ভাৱে এটা ব্ৰতকে দেখুৱাইছে। কলাকাৰ ডুৱৰাই মানৱৰ অন্তৰত সৌন্দৰ্য্যবোধ জাগ্ৰত কৰিবৰ বাবে চিত্ত বিগলিত কৰি সুৰ সাধনা কৰিছে 'আপোন সুৰ'ত। ইংৰাজী সাহিত্যৰ ৰোমাণ্টিক কবিসকলৰ অধ্যয়নৰ দ্বাৰা পুষ্ট ডুৱৰাৰ স্বৰচিত কবিতা কিছুমানৰ মাজেৰে সেই কবি সকলৰ ভাৱ হুবহুৰূপে প্ৰকাশ পাইছে যদিও প্ৰথম অৱস্থাত সেইবোৰক কবিৰ নিজা ৰচনা যেন লাগে।

"হঁহা কন্দা জগতৰ ৰীতি চিৰন্তন
বিষাদত উলাহৰ গান,
পোহৰত আন্ধাৰৰ অন্ধ আৱৰণ
নিয়তিৰ বিচিত্ৰ বিধান।"

এই কবিতা শৈলীৰ কেইশাৰীমান কবিতাৰ লগত মিল আছে। খায়ামৰ কবিতাৰ সোৱাদ লৈ আমাকো লোৱাবৰ যত্ন কৰাৰ পিছত ডুৱৰাই চুফীবাদ অকণমান চাকি চাইছিল। তাৰ সন্ধান 'আপোন সুৰ'ত অলপ আছে, কিন্তু ভালকৈ দিয়া আছে 'মিলন সুৰ'ত। ই হাফেজৰ শ্লোকৰ ভাঙনি। 'আপোন সুৰ' দৰাচলতে আমাৰ সকলোৰে আদৰৰ, অতি হেপাহৰ। বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ ভাষাত—"আপোন সুৰে আমাৰ প্ৰাণত সুৰৰ জুই জ্বলাই দিয়ে। সেই জুইকুৰাৰ ফিৰিঙতি চাৰিওফালে বিয়পাই দি অন্তৰৰ অন্ধকাৰ, বিষাদৰ কলা ছাঁ, হতাশাৰ আৱৰণ সকলো নিমিষতে পুৰি পেলায়। সেই সুৰৰ লহৰীয়ে কোনো এখন সপোন পুৰীলৈ আমাক আগুৱাই লৈ যায়।"

ডুৱৰাৰ তৃতীয় কবিতাৰ পুথি 'বনফুল' যাৰ বাবে 'বনফুলৰ কবি ডুৱৰা' নামে খ্যাত আৰু চিৰস্মৰণীয়, প্ৰকাশ পায় ১৯৫২ চনত। এই কবিতা পুথিৰ বাবে তেওঁ সাহিত্য একাডেমীৰ পৰা পুৰস্কাৰ লাভ কৰে। বনফুলৰ কবিতাবোৰত কবিৰ প্ৰেম আৰু সৌন্দৰ্য্য ভালদৰে ফুটি ওলাইছে। ইয়ে তেওঁক প্ৰেম আৰু সৌন্দৰ্য্যৰ পূজাৰী কবি হিচাপে চিনাকি দিছে।

ডুৱৰাৰ চতুৰ্থ কবিতা পুথি "মিলনৰ সুৰ", প্ৰকাশ পায় ১৯৬০ চনত। এই পুথিখন হাফেজৰ চুফীবাদৰ সোৱাদেৰে ভৰপূৰ।

ডুৱৰাৰ শেষ কবিতা পুথি "মৰমৰ সুৰ" তেওঁৰ মৃত্যুৰ পিছত ১৯৭৬ চনত প্ৰকাশিত হয়। ইয়াৰ কেইটামান কবিতা তেখেতৰ বৰ মৰমৰ আৰু হিয়াৰ গুপুত ধন আছিল। নিৰ্ম্মল সুশুদ্ধ নিঃস্বাৰ্থ প্ৰেমৰ অভিব্যক্তি ডুৱৰাৰ 'মিলনৰ সুৰ' আৰু 'মৰমৰ সুৰ' কবিতা পুথি দুখন।

ইয়াৰ উপৰি অসমীয়া ভাষা-সাহিত্যলৈ নতুন অৱদান নতুন সৃষ্টি "কথা কবিতা" ডুৱৰাৰ এক অনবদ্য সৃষ্টি। এইবোৰ পুথি আকাৰে প্ৰকাশ পায় ১৯৩৩ চনত। কথাত কবিতা লিখি ৰাইজক চমক খুৱাই দিছিল কবি ডুৱৰাদেৱে। 'কথা কবিতা' ভাৰতীয় আন কোনো ভাষাতে নোহোৱা নোপোজা কবিতাৰ পুথি। আনকি ইংৰাজী ভাষাটো ই বিৰল। ৰুচিয়াৰ বিখ্যাত সাহিত্যিক আইভান টুৰ্গেনিভৰ 'Poems in prose' নামৰ সংজ্ঞাৰ আধাৰত ডুৱৰাই অসমীয়াত কথা কবিতা লিখে।

কথা কবিতাৰ সকলো উপাদান ডুৱৰাৰ 'কথা কবিতা'ত আছে। 'কথা কবিতা' ডুৱৰাৰ প্ৰায় কুৰি বছৰ কালব্যাপি থকা নানা অৱস্থা আৰু অনুভূতিৰ চিত্ৰৰূপ।

কবি ডুৱৰাৰ জন্ম হৈছিল ১৮৯২ চনৰ ৪ মাৰ্চ তাৰিখে শিৱসাগৰৰ স্বনাম ধন্য ডুৱৰা বংশত। শ্যাম সুন্দৰ ডুৱৰা তেওঁৰ দেউতাক। শিৱসাগৰতে স্কুলীয়া শিক্ষা শেষ কৰি কলিকতাৰ পৰা যথাসময়ত বি, এ, পাছ কৰে। এম, এ, আৰু বি, এল, অধ্যয়ন কৰিছিল যদিও পৰীক্ষাত নবহিল আৰু পিছত কলিকতাতে স্কটিচ্ চাৰ্চ স্কুলত শিক্ষকতা কৰে। পিছত এখেতে ডিব্ৰুগড় কানৈ কলেজত অসমীয়া বিভাগত অধ্যাপনা কৰে আৰু এই পদতেই অৱসৰ লয়। ১৯৫৫ চনত গুৱাহাটীত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ অধিবেশনত সভাপতিত্বৰ পদ অলঙ্কৃত কৰে। জীৱনৰ শেষ কাল হোৱাত অসম চৰকাৰে এটি সাহিত্যিক পেন্সন দান কৰে। ১৯৬৪ চনৰ ৫ জুলাইৰ দিনা এইজনা চিৰকুমাৰ কবিয়ে অসমবাসীক কন্দুৱাই শিৱসাগৰতে ইহলীলা সম্বৰণ কৰে।

ছাত্ৰাৱস্থাৰ পৰাই ডুৱৰা কবিতাৰ পূজাৰী। কলিকতাত লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা প্ৰভাৱম্বিত হোৱাত সাহিত্য স্পৃহা আৰু কবি প্ৰতিভা বিকাশত সহায় হৈ পৰে। বেজবৰুৱাৰ প্ৰেৰণাই ডুৱৰাক সাহিত্য সাধনাত যথেষ্ট উৎসাহ-উদ্দীপনা যোগাইছিল। ছাত্ৰাৱস্থাত ডুৱৰাই দেউতাকৰ পৰাও কবিতা লিখাত উৎসাহ পাইছিল। ডুৱৰা মুখ্যতঃ কবি প্ৰেমৰ কবি, সৌন্দৰ্য্যৰ উপাসক। আজীৱন প্ৰেম আৰু সৌন্দৰ্য্য সাধনাতে ব্ৰতী আছিল ডুৱৰাদেৱ। ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাৰ কথাৰে "ডুৱৰা কবিৰ মতে প্ৰেম আৰু সৌন্দৰ্য্য একে পাহি ফুলৰে বিভাজনব্যৰ্থ বৰ্ণ আৰু সৌৰভ। য'তে প্ৰেম ত'তে সৌন্দৰ্য্য। কবিয়ে এই প্ৰেম মানুহৰ অকপট প্ৰেম-প্ৰীতি, স্নেহ ভালপোৱাৰ মাজত বিচাৰি হাবাথুৰি খাইছে। কিন্তু পৃথিৱীত অবিকল প্ৰেম-প্ৰীতি বিৰল।"

ডুৱৰাৰ কবিতাত ভাৰতীয় সুৰ স্পষ্ট। 'বিধাতাৰ শাওপাত', 'বাওনাৰ হাত মেলা', 'কাল পচোৱা', 'নিয়তি', 'কালৰ পুতলা', 'ব্যূহচক্ৰ', 'পূৰ্ণাহুতি', 'সোণৰ হৰিণা', 'পূৰবী সুৰ', 'উৰি যোৱা ৰাজহাঁহ', 'ইন্দ্ৰধনু', আদি শব্দ আৰু 'আহিছিলোঁ শুদা হাতে যামো শুদা হাতে, ধন বস্তু মাথো দুদিনীয়া', 'সন্ধিয়া জিলিকা সুদূৰ দেশ', 'মৰণৰ আন্ধাৰ পাৰত জীৱনৰ মধুৰ সপোন' আদি উক্তিয়ে কবিৰ ভাৰতীয় চিন্তাৰ সৈতে নিবিড় সম্বন্ধ সূচায়। অসমৰ প্ৰকৃতি আৰু অসমীয়া জাতীয় জীৱনৰ প্ৰতিচ্ছৱিও কবিৰ ৰচনাত সুস্পষ্ট। তেওঁৰ কবিতাত পাওঁ—'কেতেকীৰ সুৰ', 'পথাৰৰ লখিমী', 'দাউনী', 'নাও', 'নাৱৰীয়া', 'বঠা', 'জাৰকালি', 'সৰাপাত', 'শৰতৰ শেৱালী', 'জালি কটা ৰিহাৰ আঁচল', 'শৰালি', 'ঘাট', 'কলহ', 'গাৱলীয়া জীয়ৰী-বোৱাৰী', 'চাপৰি', 'বালিভাত', 'গৰু', 'গৰখীয়া', 'তুলসী তলত সেৱা', 'ডাৱৰ', 'বিজুলী', 'শ্মশান', 'দূৰৰি বন', 'বুঢ়া লুইত', 'দুখীয়াৰ নিবলা পঁজা', 'জুহাল' ইত্যাদি। অসমৰ প্ৰকৃতি জগতৰ সম্পদবোৰৰ লগত খাপ খোৱা এই যাউতিযুগীয়া চিত্ৰবোৰে অসমীয়া ভাষা সাহিত্যক এটা শকত বান্ধোনেৰে বান্ধি ৰাখিছে। সেয়ে ডুৱৰাৰ কবিতাবোৰ অসমীয়া ভাষা সাহিত্যৰ সমল—ভাষাৰ সম্পদ।

ডুৱৰাৰ কবিতাত জীৱন জিজ্ঞাসা নাই, সমসাময়িক সমাজৰ প্ৰতিফলন নাই, জ্বলন্ত সমস্যাৰ প্ৰতি উদাসীন। তথাপি আত্মগত বেদনাৰ সুৰমাধুৰ্য্য সহজ আবেদনশীলতা, ছান্দিক সাৱলীলতা আৰু অনুভৱৰ আন্তৰিকতাই কাব্য-পিপাসুক ৰসাপ্লুত নকৰাকৈ নেথাকে। শেষত কব পাৰি, যেতিয়ালৈ সাহিত্য জীয়াই থাকিব, তেতিয়ালৈ ডুৱৰাৰ কবিতাৰ সোৱাদ জনসমাজৰ মাজত সদায় সমাদৃত হৈ থাকিব।

★★

# দৰ্শন আৰু বিজ্ঞান

শ্ৰীমঞ্জু কলিতা
স্নাতক মহলা
তৃতীয় বাৰ্ষিক (কলা)

দৰ্শন কাক বোলে অথবা দৰ্শন কি এই সম্পৰ্কে নানাজন মনিষীয়ে নানা সংজ্ঞা আগবঢ়াইছে যদিও দৰ্শন শব্দটিৰ এক ব্যুৎপত্তিগত অৰ্থ আছে। অসমীয়া দৰ্শন শব্দটি ইংৰাজীত 'philosophy' বুলি কোৱা হয়। philosophy শব্দটোৰ উৎপত্তি হৈছে দুটি শব্দ লগ-লাগি এটি হৈছে 'philos' যাৰ অৰ্থ 'Love' বা প্ৰীতি। আৰু আনটো হৈছে 'sophia' যাৰ অৰ্থ wisdom বা জ্ঞান। এতিয়া শব্দগত অৰ্থৰ পৰা ইয়াকে কব পাৰি যে love of wisdom বা জ্ঞানৰ প্ৰতি আগ্ৰহেই হৈছে philosophy বা দৰ্শন।

মানুহ বিচাৰ বুদ্ধি সম্পন্ন প্ৰাণী (Man is a rational animal), বিশ্বব্ৰহ্মাণ্ডৰ ভিতৰত মানুহেই হয়তো এক মাত্ৰ সংস্কৃতি সম্পন্ন প্ৰাণী। বুদ্ধিবৃত্তি গুণৰ বাবে মানুহে সমাজ পাতি বাস কৰে যিটো আন আন জীৱজন্তুৰ ক্ষেত্ৰত দেখা নাযায়। এইটো কোৱা হৈছে যে মানুহৰ মন কৌতুহলী। কৌতুহলী মানৱ মনে যি পায় তাতেই সন্তুষ্ট থাকিব নোৱাৰে। সৃষ্টিৰ পাতনিৰ পৰাই মানুহে নজনাক জানিবলৈ নোপোৱাক পাবলৈ অহৰহ প্ৰচেষ্টা চলাই আহিছে। সংসাৰ বা বিশ্ব-ব্ৰহ্মাণ্ড যিয়েই নোবোলক ই সঁচায় অতিকৈ ৰহস্যময়। ইয়াত নিতৌ ঘটি থকা প্ৰাকৃতিক ঘটনাবোৰ মানুহৰ নিয়ন্ত্ৰণৰ বাহিৰত। ৰহস্যময় সংসাৰখনক পৰিচালিত কৰা শক্তি-টোনো কি তাক জানিবলৈ অসম্পূৰ্ণ মানৱৰ বিৰামহীন প্ৰচেষ্টা। এনেধৰণৰ চিন্তা ধাৰণাকে কোৱা হয় দাৰ্শনিক চিন্তা। এইখিনিতেই উল্লেখ কৰাতো প্ৰয়োজনীয় যে দাৰ্শ-নিক চিন্তা আৰু সাধাৰণ চিন্তাৰ মাজত কিছু পাৰ্থক্য আছে। দাৰ্শনিক চিন্তা সদায় যুক্তিপূৰ্ণ আৰু প্ৰমাণ সাপেক্ষ। সাধাৰণ চিন্তাত সুসংবদ্ধতা নাথাকিবও পাৰে বা ই যুক্তিপূৰ্ণ নহবও পাৰে। কেতিয়াবা কিছুমান কথা স্বাৰ্থৰ খাতিৰতেই হওঁক বা নিজৰ ফালৰ পৰা কোনো যুক্তি আগবঢ়াব নোৱাৰিলে বিনা বাক্যে মানুহৰ সেইবোৰ গ্ৰহণ কৰিবলগীয়া হয়। কিন্তু দাৰ্শনিক চিন্তা ইয়াৰ সম্পূৰ্ণ বিপৰীত। হাজাৰ হাজাৰ বছৰ জনসাধাৰণৰ মাজত প্ৰচ-লিত হৈ থকা কোনো বিশ্বাস এক মিনিটতো হয় দাৰ্শ-নিকে যুক্তি প্ৰমাণ আগবঢ়াই খণ্ডন কৰিব পাৰে। উদাহৰণ স্বৰূপে কপাৰনিকাছে প্ৰমাণ কৰি উলিওৱাৰ আগলৈকে মানুহে ভাবিছিল পৃথিৱীখন চেপেটা। যেতিয়াই পূৰ্বনি-কলীয়া অন্ধবিশ্বাসবোৰৰ বিপৰীতে দাৰ্শনিকে কোনো প্ৰমাণ আগবঢ়াই প্ৰথমতে তেওঁৰ চিন্তাক প্ৰলাপ বা বলিয়ালি বুলি মানুহে তাচ্ছিল্য কৰে। যথাৰ্থতে ই কেতিয়াও সত্য নহয়।

পোনপটীয়াকৈ কবলৈ হলে বিস্ময়কে দৰ্শন কিম্বা বিজ্ঞানৰ উৎপত্তিৰ কাৰণ বুলি কোৱা হয়। প্ৰকৃতিৰ কোনো এক বিভাগ সম্বন্ধে আমাৰ জ্ঞান যেতিয়া শৃংখলাবদ্ধ, যথাৰ্থ আৰু প্ৰামাণিক হয় তেতিয়াই তাক বিজ্ঞান বোলে

বিজ্ঞান আৰু দৰ্শন দুয়োটা বিষয়েই জটিল পৃথিৱীৰ ৰহস্য উদ্‌ঘাটন কৰিব বিচাৰে। কিন্তু জগতৰ ৰহস্য উদ্‌ঘাটনৰ পথ দুয়োটাৰে বেলেগ বেলেগ। বিজ্ঞানে অধ্যয়নৰ সুবিধাৰ বাবে বিশ্বব্ৰহ্মাণ্ডখনক কেইবাটাও ভাগত ভাগ কৰি লৈছে। ইয়াৰ ফলস্বৰূপে বিজ্ঞানৰ বহুতো শাখা-প্ৰশাখাৰ উদ্ভৱ হৈছে। যেনে ৰসায়ন বিজ্ঞান, পদাৰ্থ বিজ্ঞান, জীৱবিদ্যা ইত্যাদিৰ কথা কব পাৰি। কিন্তু দৰ্শনে বিশ্বব্ৰহ্মাণ্ডখনক ভাগ ভাগ নকৰি সামগ্ৰিক ৰূপে লৈহে আলোচনাত আগবাঢ়ে। বিজ্ঞানে কিছুমান নিয়ম বিনা প্ৰমাণে মানি লয়। যেনে কাৰ্য্যকৰণ সম্বন্ধে (law of causation), মধ্যাকৰ্ষণ শক্তি ( law of gravity ) ইত্যাদি। এই মূল নীতি সমূহৰ ভিত্তি কৰিয়েই বিজ্ঞানে লক্ষ্য স্থিৰ কৰে। এইটো ঠিক যে বিজ্ঞানে আমাক আংশিক জ্ঞানহে দিব পাৰে। জগতখন বিভিন্ন খণ্ডৰ এটা সমষ্টি নহয় ই সামগ্ৰিকহে। জগতত বহুতো বস্তু আছে সঁচা কিন্তু এটাৰ পৰা আনটো বিচ্ছিন্ন নহয়।

যদিও বিজ্ঞান আৰু দৰ্শনৰ মাজত প্ৰাৰম্ভিকতে কিছুমান প্ৰভেদ দেখিবলৈ পোৱা যায়, কিন্তু দৰ্শন-বিজ্ঞানৰ ওপৰত নিৰ্ভৰশীল এক বিশেষ অৰ্থত। দাৰ্শনিকে স্বাভাৱিকতে ঈশ্বৰ, আত্মা আৰু জগতৰ বিষয়ে আলোচনা কৰে। দৰ্শনে যেতিয়া এইবোৰৰ বিষয়ে আলোচনা কৰিবলৈ যায়, তেতিয়া অভিজ্ঞতাৰে জগতক স্বীকাৰ কৰি লব লগা হয় যিখন জগত বিজ্ঞানৰ আলোচ্য বিষয় বস্তু। যেনেকৈ বাস্তৱ বস্তু এটিৰ অবিহনে ছাঁ এটিৰ কথা ভাৱিব নোৱাৰি, তেনেকৈ বাস্তৱ জগতখনক বাদ দিও দৰ্শনে কেৱল, অতিন্দ্ৰীয় জগতৰ কথা ভাৱিব নোৱাৰে। এই ক্ষেত্ৰত অভিজ্ঞতাৰ জগত সম্বন্ধে বিজ্ঞানে যিবোৰ তথ্য আমাৰ আগত দাঙি ধৰিছে সেইবোৰ দৰ্শনে মানিবলৈ বাধ্য।

ইফালে দৰ্শন নোহোৱাকৈ আকৌ বিজ্ঞানেও উন্নতিৰ পথত আগবাঢ়িব নোৱাৰে। বিজ্ঞানে নিত্য নতুন তথ্য আৱিস্কাৰ কৰিছে সঁচা, কিন্তু এইবোৰৰ সত্যতা নিৰূপণ কৰে দৰ্শনেহে। বিজ্ঞানে প্ৰকৃতিৰ একৰূপতা বিধি আৰু কাৰ্য্যকৰণ বিধি মানি লৈছে বিনা প্ৰমাণে, কিন্তু দৰ্শনে ইয়াৰ যথোচিত মূল্যাঙ্কণ কৰিছে। বিজ্ঞানক দৰ্শনৰ প্ৰথম ভেটি বুলি কোৱা হয়। বিজ্ঞানে দাৰ্শনিক অনুসন্ধানত ইন্ধন যোগায়। বিজ্ঞানক বাদ দি দাৰ্শনিকে আলোচনা আৰম্ভ কৰিব নোৱাৰে। সেইদৰে বিজ্ঞানৰ উদ্ভাসিত নৱ-নৱ তথ্যবোৰৰ সত্যাসত্য নিৰূপণ দৰ্শনে কৰি আহিছে। গতিকে দৰ্শন আৰু বিজ্ঞান পৰস্পৰ নিৰ্ভৰশীল। বিজ্ঞান আৰু দৰ্শনৰ এই সম্পৰ্কলৈ লক্ষ্য ৰাখি এইদৰে কোৱা হৈছে "philosophy without science is like a body without soul and science without philosophy is like a soul without body.

বৰ্তমান যুগ বিজ্ঞানৰ যুগ। বৰ্তমান বিজ্ঞানে আৱিস্কাৰৰ ক্ষেত্ৰত চমকপ্ৰদ সাফল্য লাভ কৰিবলৈ সমৰ্থ হৈছে। যেনি চাও তেনিয়েই আমি দেখিবলৈ পাও বিজ্ঞানৰ অপাৰ মহিমা। এচাম লোকৰ মতে বৰ্তমান এই বিজ্ঞানৰ যুগত মানুহে দাৰ্শনিক আলোচনাত নিমগ্ন থাকি অযথাতে সময় নষ্ট কৰি কোনো লাভ নাই। কিন্তু এই কথা কেতিয়াও মানি লব নোৱাৰো। বিজ্ঞানৰ দান অমূল্য আৰু মহান। কথাষাৰ স্বীকাৰ কৰিবই লাগিব। সেইবুলি দাৰ্শনিক আলোচনা নিস্প্ৰয়োজন এই কথা কেতিয়াও হব নোৱাৰে। পাৰ্থিব সকলো বস্তুয়েই ক্ষণস্থায়ী। এইবোৰে আমাক ক্ষন্তেকৰ বাবে আনন্দ দিলেও মনলৈ চিৰ প্ৰশান্তি আনিব নোৱাৰে। মানুহ জীৱশ্ৰেষ্ঠ। পাৰ্থিব কিম্বা শাৰীৰিক সা-সুবিধাই মানুহৰ বাবে যথেষ্ট নহয়। সেয়েহে মানুহে জ্ঞান বিচাৰে, অধ্যাত্মিক জীৱনলৈ হাবিয়াস কৰে। মানুহৰ মনত সত্য, শিৱ আৰু সুন্দৰৰ ধাৰণা আছে। কেৱল দৰ্শনেহে মানুহৰ সত্য, শিৱ আৰু সুন্দৰ প্ৰাপ্তিত সহায় কৰে। কুৰি শতিকাৰ বিজ্ঞানৰ নৱ অভ্যুদয় যুগত মানুহৰ মানৱীয়তা ৰক্ষাৰ ক্ষেত্ৰত দৰ্শনৰ উপকাৰিতা কোনো গুণে কম নহয়।

( ডঃ জ্যোৎস্না ভট্টাচাৰ্য্যৰ "দৰ্শনৰ পৰিচয়" নামৰ কিতাপখনৰ সহায় লোৱা হৈছে। )

★★

## মঙ্গলদৈৰ কেইখনমান

# ঐতিহাসিক স্থান

শ্ৰীপ্ৰমোদ ডেকা
স্নাতক মহলা,
তৃতীয় বাৰ্ষিক (কলা)

দৌ বা দেৱতা সকলে যি ঠাইত ৰঙ্গ প্ৰসাৱে সমাবেত হৈছিল সেই পবিত্ৰ ভূ-খণ্ডই দৌৰঙ্গ বা দৰং। দ্বাৰম শব্দৰ পৰাই দৰং হয় বুলি বহুতো পণ্ডিতে অনুমান কৰে। কিয়নো এই ৰাজ্যৰ উত্তৰ সীমান্ত বৰ্ত্তী কৌলিন্য দ্বাৰ, দেৱ ধমদ্বাৰ, চাৰি দ্বাৰ (বৰ্ত্তমান চাৰি দুৱাৰ) ছয় দ্বাৰ, ন দ্বাৰ আদিৰে সু-উচ্চ পৰ্ব্বত শ্ৰেণীলৈ পৰ্ব্বতীয়া ভাই সকলে অতীজৰে পৰা আজিও অহা যোৱা কৰে। গতিকে এই ঠাই খণ্ডক দ্বাৰম বা দৰং বোলাৰ সাৰ্থকতা আছে।

এই দ্বাৰম বা দৰং ৰাজ্যৰেই অন্তৰ্গত মঙ্গলদৈ অতীজতে বৰ উন্নত স্থান হিচাপে পৰিগনিত আছিল। যদিও বৰ্ত্তমান মঙ্গলদৈ মহকুমাটোকে মঙ্গলদৈ হিচাবে জনা যায় আচলতে আজি কেইবছৰমান আগলৈকে ইয়াক মঙ্গলদৈ বুলিলে বৰ্ত্তমানৰ ওদালগুৰি মহকুমাকো সামৰি লৈছিল।

আজিৰ পৰা প্ৰায় ৪০০ বছৰ পূৰ্বে এই ঠাই খণ্ডৰ নাম মঙ্গলদৈ নাছিল। মঙ্গলদৈ নামটোৰ যি মৌলিক অৰ্থ ই ইয়াৰ মাজতে মূল সূত্ৰটো নিহিত আছে। এই ঠাইতে মঙ্গলৰূপী মহাদেৱ শিৱ দ্ৰৱ হৈ দৌৰঙ্গক মহিমা মণ্ডিত কৰিছিল। আৰু এই ঠাই খণ্ডই সময়ত মঙ্গলদৈ নামে খ্যাত হয়। ইয়াৰ উপৰিও কোনো কোনো পণ্ডিতৰ মতে মঙ্গলদৈৰ পশ্চিমে থকা বৰ নদীৰ প্ৰাচীন নাম আছিল মঙ্গল আৰু সেই নদীৰ নাম অনুসৰি তাৰ পাৰৰ ঠাই খনৰ নামো মঙ্গলদৈ হয়। আনহাতে কোচৰজা পৰীক্ষিত নাৰায়ণৰ কন্যা মঙ্গলা দেৱীৰ নাম অনুসৰি এই ঠাইৰ নাম মঙ্গলদৈ হয় বুলি জনা যায়।

তলত যি কেইখনমান ঐতিহাসিক স্থানৰ বিষয়ে উল্লেখ কৰিবলৈ লোৱা হৈছে এই স্থানসমূহৰ কেইখনমান স্থান বৰ্ত্তমানৰ মঙ্গলদৈ মহকুমাৰ চাৰি সীমাৰ ভিতৰত নহলেও, আজি কেইবছৰমান আগলৈকে মঙ্গলদৈ মহকুমাৰ অন্তৰ্গত আছিল। উল্লেখিত স্থানসমূহে মঙ্গলদৈ তথা দৰং জিলাৰ পুৰণি সভ্যতাৰ বিষয়ে আভাষ দিয়ে।

হৰিশিঙা ঃ এই ঠাইখন বৰ্ত্তমান ওদালগুৰি চহৰৰ পশ্চিমে প্ৰায় ১১ কিঃ মিঃ দূৰত। শোণিতপুৰৰ ৰজা বাণৰ জীয়ৰী উষাক শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধলৈ বিয়া

নিদিয়াৰ চেলুলৈ বাণ আৰু শ্ৰীকৃষ্ণৰ মাজত ভীষণ যুদ্ধ আৰম্ভ হৈছিল। শ্ৰীকৃষ্ণই দ্বাৰকাৰ পৰা বাণৰ লগত যুদ্ধ কৰিবলৈ আহি এই ঠাইতে শিঙা বজাই সৈন্য সমাবেশ ঘটাইছিল। শ্ৰীকৃষ্ণৰ আন এটা নাম হৰি। গতিকে হৰিয়ে শিঙা বজোৱাৰ বাবে এই ঠাইৰ নাম হৰিশিঙা বুলি জনাজাত হয়। কোনো লোকে কব খোজে যে হৰিয়ে শিঙা বজোৱা নাছিল। হৰ অৰ্থাৎ মহাদেৱেহে বজাইছিল। কালক্ৰমত সেয়ে হৰ শিঙাৰ পৰা হৰিশিঙা হোৱা বুলি কয়। এই কথাবাৰৰ সাৰ্থকতা যথেষ্ট আছে কিয়নো হৰিয়ে শিঙা নবজায় শংখহে বজায়।

**ধ্ৰলপুৰ** ঃ ছিপাঝাৰৰ পৰা দক্ষিণে ব্ৰহ্মপুত্ৰৰ পাৰত এখন সৰু পাহাৰ দেখিবলৈ পোৱা যায়। স্থানীয় লোকে এই পাহাৰখনক ধলপুৰ পাহাৰ হিচাপে জানে। প্ৰাগ-দেশাধিপতি শ্ৰীবৎস ৰজাৰ ৰাজধানী আছিল এই ধমাৰণ্য বা ধৰমপুৰ। ধৰম পুৰেই কালক্ৰমত স্থানীয় লোকৰ মুখত পৰি ধলপুৰ হোৱা বুলি ভবা হয়। আজি কেইবছৰ মান আগতে কোনো লোকে খনন কাৰ্য্যত কিছুমান মূল্য-বান বস্তু পোৱা বুলি স্থানীয় লোকৰ মুখৰ পৰা জনা গৈছে। ইয়াৰোপৰি এই পাহাৰখনৰ টিঙত এটা শিৱ মন্দিৰ আৰু পাহাৰখনৰ দক্ষিণ ফালে অৰ্থাৎ ব্ৰহ্মপুত্ৰৰ ফালে এটি সুৰঙ্গ দেখা যায়। শিৱ মন্দিৰটোত প্ৰত্যেক বছৰে শিৱ ৰাত্ৰীত স্থানীয় গৰুখুটি অঞ্চলৰ ৰাইজে উলহ মালহেৰে শিৱৰাত্ৰী পালন কৰে।

**ভূৰাগড়** ঃ ভূঞা গড়ৰৰ পৰাই ভূৰাগড় হোৱা বুলি বহুতো লোকে বিশ্বাস কৰে। এই গড়টো সম্ভৱত পঞ্চদশ শতিকাত বন্ধোৱা হৈছিল। ইয়াৰ মাটি কালি ৪০১/১৪ লেছা। ইয়াৰ উচ্চতা প্ৰায় ২০´×২৫´ ফুট। শ শ বছৰৰ পিছতো যেতিয়া গড়টো ইমান ওখ হৈ আছে, ইয়াক বান্ধোতে আৰু কিমান ওখ আছিল সেয়া সহজে অনুমান কৰিব পাৰি। এই ঠাই বৌতাৰ পৰা পৰ্ব্বতীয়া জনজাতিৰ উপদ্ৰপত থাকিব নোৱাৰি ভূঞা শাসকসকলে গড় মাৰি ৰাজ্য শাসন কৰিবলৈ লৈছিল। ইয়াৰ উপৰিও প্ৰায়বোৰ ভূঞা ৰজাই পৰ্ব্বতীয়া জাতিৰ পৰা জাতে নিজ ৰাজ্য ৰক্ষা কৰিব পাৰে তাৰ বাবে এই গড় সজা বুলি কোনো কোনোৱে কয়। মুঠতে ভূঞা গড়ৰৰ পৰা কালক্ৰমত ভূৰা গড় হোৱাৰ সাৰ্থকতা নুই কৰিব নোৱাৰি।

**বঙলা গড়** ঃ মঙ্গলদৈ চহৰৰ পশ্চিমে প্ৰায় ৩/৪ কিঃ মিঃ পশ্চিমে চাহবাগিছা আৰু এখন পাটৰ পামেৰে বঙলা গড় নামে এখন ঠাই আছে। অসমত আহোম ৰাজত্বৰ সময়ত ব্ৰহ্মপুত্ৰ এই ঠাইখনৰ নিচেই ওচৰেৰে বৈ গৈছিল। মুছলমানসকল আহোম ৰাজ্য আক্ৰমণৰ সময়ত মুছলমান সকলে এই ঠাইতে গড় মাৰি আহোমৰ বিৰুদ্ধে ৰণ দিছিল। অসমীয়া মানুহে আগতে পশ্চিমৰ মানুহক বঙাল বুলিছিল। সেই অনুসৰি গড়টোৰ নামেৰে ঠাইখনৰ নাম বঙলা গড় হয়।

**ৰৌতা** ঃ আজিৰ পৰা প্ৰায় ৫৫০ বছৰ আগতে, যি সময়ত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে দৰঙ্গত ভূঞা সকলৰ ৰাজত্ব চলিছিল সেই সময়ত ৰৌতা আছিল ৰাজ্য শাসক ভূঞাসকলৰ ৰাজধানী আৰু অতি প্ৰসিদ্ধ ঠাই। এই ৰৌতাতেই শ্ৰীমন্ত শংকৰ দেৱৰ প্ৰণিতা সহ চণ্ডিবৰ আৰু তেওঁৰ পুত্ৰ ৰাজধৰেও ইয়াত ৰাজধানী পাতি বাস কৰিছিল। কিন্তু সময়ত উত্তৰৰ পৰ্ব্বতীয়া জনজাতিৰ প্ৰবল অত্যাচাৰত তাৰ পৰা ৰাজধানী তুলি নি বৰ্ত্তমানৰ ভূৰা গড়ত গড় মাৰি ৰাজধানী পাতি ৰাজ্য শাসন কৰে। ইয়াৰোপৰি অসমীয়া জাতিৰ পিতা, জগতগুৰু শ্ৰীমন্ত শংকৰ দেৱে ইয়াত (ৰৌতাতেই) ১৫ বছৰ কাল থাকি যোৱা বুলি কোনো কোনোৱে কব খোজে যদিও মহাপুৰুষ শংকৰ দেৱৰ ওপৰত অধ্যয়ন কৰা তথা গৱেষক ডঃ মহেশ্বৰ নেওগ দেৱৰ মতে আচলতে তেৱাই ৰৌতাত ৬ বছৰ কালহে থাকি যায়। কোচ ৰজা নৰনাৰায়ণেও এই ৰৌতা-তেই বাহৰ পাতি আহোম সকলৰ বিৰুদ্ধে আক্ৰমণৰ অভিজান চলাইছিল। এনেবোৰ ঘটনাই ৰৌতা যে অতি-তে এখন ঐতিহাসিক চহৰ আছিল তাক নুই কৰিব নোৱাৰি। কালক্ৰমত পৰ্ব্বতীয় জাতিৰ ঘনাই হোৱা লুত পাতৰ কাৰণে বিষয়া সকল তাৰপৰা আতৰি যোৱাত স্থানীয় লোক সকলেও তাৰ পৰা ভাঙি যায়। আৰু এই চহৰ খনৰ ধ্বংস হয়। এই ঐতিহাসিক স্থান খন বৰ্ত্তমান মঙলদৈ চহৰৰ উত্তৰে ওদালগুৰি চৰৰ পৰা প্ৰায় ১৩/১৪ কিঃ মিঃ পূৱে।

**ডাকচকী** :— মঙ্গলদৈ চহৰৰ প্ৰায় ৫ মাইল পূৱে ডাকচকী নামে এখন ঠাই আছে। এই ঠাইতে আহোমৰ ৰাজত্ব কালত আহোম আৰু দৰঙ্গী ৰজাৰ মাজত ডাক অনা নিয়া কৰা হৈছিল। কাল ক্ৰমত সিয়েই ডাকচকী নামে জনাজাত হয়।

**ডফলা পোতা** :— পানেৰীৰ ওচৰত ডফলা পোতা নামে এখন ঠাই আছে। এই ঠাইত মাটিৰ দুটা ওখ দোলৰ নিচিনা ভেটি আছে। যেতিয়া দৰঙী ৰজা দুৰ্ব্বল হৈ পৰিছিল তেতিয়া উত্তৰে থকা পৰ্ব্বতীয় ডফলাবোৰে দাঁতিকাষৰীয়া গাওঁবোৰৰ পৰা ধন, বস্তু লুতি নিছিল। সেই সময়ত পুথিমাৰীত সকা বৰুৱা সকলৰ নেতৃত্বত মুঠ হৈ অসমীয়া ৰাইজে ডফলাহতক যুদ্ধত হেৰুৱাই দুটা পুখুৰি খন্দাই পোতাৰ পৰা এই আক্ৰমণ বন্ধ হয় আৰু তেতিয়াৰ পৰা ঠাই খণ্ডৰ নাম হয় ডফলা পোতা।

**পাথৰিঘাট** :— ১৮৯৪ চন। বৃটিছ চৰকাৰে ৰাজহ বৃদ্ধি কৰাৰ অভিযোগত ভাৰত বাসীৰ লগতে পাথৰিঘাটত দৰঙ্গী ৰাইজেও আপত্তি জনাইছিল। সেই সময়ত পাথৰিঘাটত সহাচল কাৰ্য্যালয় আছিল। জিলাধিপতি এণ্ডাৰচন আৰু মহকুমাধিপতি মিঃ ৰেমচন দুখীয়া কৃষকৰ কাতৰ অনুৰোধকো নেওচি নিজ আদেশ অব্যাহত ৰখাত ন্যায়ৰ উপেক্ষিত কৰৰভৰত জৰ্জৰিত কৃষক জনতা উত্তেজিত হৈ "আমি কোনো প্ৰকাৰে বৃদ্ধি ৰাজহ দিব নোৱাৰিম, আৰু কেতিয়াও নিদিও" বুলি হৰিধ্বনি আৰু আল্লাহ আকবৰ ধ্বনিৰে আগুৱাই গল। উত্তেজিত কৃষক জনতাৰ ওপৰত পুলিচে শেৰত চাহাবৰ হুকুমত গুলি চলালে। নিৰস্ত্ৰ জনতাৰ কেচাতেজে নিজৰ ঘৰতেই ডোঙা বান্ধিলে। চৰকাৰী পক্ষ্যই হিচাব দিলে ১৭ জন মৃত বুলি। ৰাজহুৱা হিচাব মতে ১৪০ জন মৃত আৰু আঘাত প্ৰাপ্ত সকলক তিনি চাৰিমাহ সশ্ৰম কাৰাদণ্ড বিহা হল। নিৰস্ত্ৰ হৈয়ো সশস্ত্ৰ বৃটিছৰ বিৰুদ্ধে অন্যায় নীতিৰ যুদ্ধ কৰিবলৈ গৈ বহুটো প্ৰজাই প্ৰাণ বিসৰ্জন দি আদৰ্শ প্ৰতিষ্ঠা কৰি থৈ গ'ল, আৱশ্যক হলে দৰঙ্গী প্ৰজাই অন্যায়ৰ বিৰুদ্ধে প্ৰাণ দিবলৈ কুণ্ঠা বোধ নকৰে। পাথৰি ঘাটৰ শ্বহীদ সকলৰ স্মৃতিত এটি স্মৃতি স্তম্ভ সজাৰ লগতে প্ৰত্যেক বছৰে দৰঙ্গী প্ৰজাই উক্ত দিনটোক কৃষক দিৱস হিচাবে আজিও পালন কৰি আহিছে।

> হঠাতে জোৰ পূৰ্বক কৰা কামতকৈ ধাপে ধাপে কৰা কাম বেছি দিন স্থায়ী হয়। এটা এটাকৈ সময়ত বহুতো কাম সম্পাদন কৰিব পাৰি।
>
> —প্লুটাৰ্ক

# ঃ বিজ্ঞান, পৃথিৱী আৰু মানৱজাতি ঃ

শ্ৰীগজেন কলিতা
স্নাতক মহলা,
দ্বিতীয় বাৰ্ষিক ( কলা )

১৪৯৮ চনটো সকলোৰে বাবে এক বিৰল ঐতিহাসিক তাৎপৰ্য্যপূৰ্ণ বছৰ। এই চনটো কিহৰ লগত জড়িত তাক জানিবৰ বাবে সকলোৱেই আগ্ৰহান্বিত। ইটালীৰ বিখ্যাত নাবিক কলম্বাছে বিস্ময়কৰ আৱিস্কাৰ কৰি এই চনটোৰ তাৎপৰ্য্যতা বৃদ্ধি কৰিছিল। স'চাকৈয়ে ঠাইখন কি তাক হয়তো সকলো মানুহৰ মাজত আজি অবিদিত বিষয় হৈ থকা নাই। সেইখনে আজি বিশ্ববাসীক আচম্বিত কৰি তোলা বৃহৎশক্তিদ্বয়ৰ এখন আমেৰিকা যুক্তৰাষ্ট্ৰ।

আদিম যুগ আৰু আধুনিক যুগৰ ইতিহাসৰ পাত-লুটিয়ালে সকলোৰে মনত অনুধাৱন হয় যে আমি আজি আগৰ আদিম যুগৰ তুলনাত সকলোৱে ক্ষেত্ৰত আগবাঢ়িব পাৰিছো। উন্নতিৰ শিখৰত ভুমুকি মৰাৰ আগতে আমি প্ৰথমে বিজ্ঞানৰ অভিনৱ অৱদান বোৰে আমাৰ দৈনন্দিন জীৱনত প্ৰাধান্য বিস্তাৰ কৰি অহা পৰিবৰ্ত্তন বোৰৰ দ্বাৰাই কব লাগিব যে এতিয়া আমি ক্ৰমান্বয়ে আগবাঢ়িব লাগিছো এখন বিজ্ঞানৰ পৃথিৱীলৈ। পৃথিৱীৰ চুকে-কোনে আজি বিজ্ঞানৰ উত্তপ্ত শিহৰনে জগাই তুলিছে এক নতুনত্বৰ বিস্মৃত ৰূপ। আজি বিজ্ঞানে মানৱ জাতিৰ সকলো কাম-কাজতে অবিহণা যোগাই আহিছে বুলি কলে নিশ্চয় অতিৰঞ্জিত কৰা নহব ছাগে।

এই বিশ্বত বিজ্ঞানৰ অৱদানৰ কথা ফ'হিয়াই চোৱাৰ আগতে পৃথিৱীৰ ছুৱাৰ দলিত চাঞ্চল্যৰ সৃষ্টি কৰি অহা ছুটা বৃহৎ শক্তিৰ কথা সকলোৰে বিদিত কৰিবলৈ লিখনিৰ মাজলৈ অনা হওঁক। প্ৰশ্ন হ'ল বৃহৎ শক্তি ছুটা কোন? উত্তৰত লিখিব লাগিব (ক) আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু (খ) ছোভিয়েট ইউনিয়ন মানুহৰে পৰিপূৰ্ণ এই বিশাল পৃথিৱীখনত চলিব লাগিছে বিভিন্ন ধৰণৰ প্ৰতিযোগিতা। গুৰুত্বপূৰ্ণ কথা যে আজি এই ছুটা বৃহৎ শক্তিদ্বয়ৰ মাজত বিভিন্ন ধৰণৰ তীব্ৰ প্ৰতিযোগিতা মূলক পৰীক্ষা-নিৰীক্ষাই সকলোৰে মনত ভৱিষ্যতৰ দিনবোৰত কি হব,

কি নহব তাৰ সম্যক ছবি এখনৰ উদ্ভাসিত ৰূপ দাঙি ধৰিবলৈ সক্ষম হৈছে। আচলতে এই দুটা শক্তিৰ মাজত কোনটো বেছি শক্তিশালী তাক পোনপটীয়াকৈ কোৱাটো কঠিন হব। কাৰণ দুয়োটা শক্তিয়ে নিজৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিব লাগিছে কিছুমান অসম্ভৱ কাৰ্য্যৰ দ্বাৰা।

১৯৭০ চনৰ চেপ্তেম্বৰ মাহত 'লুনিক (Lunik) নামৰ যানখনে চন্দ্ৰত গৈ তাৰ পৰা চন্দ্ৰৰ নেদেখা ফালটোৰ ফটোসহ বিভিন্ন তথ্য পাতিৰ খবৰ আনিছিল মানৱ বিহীন ভাৱে। অৰ্থাৎ এই কাৰ্য্য সকলো যন্ত্ৰৰ দ্বাৰাই নিখুঁত ভাবে সমাপ্ত কৰণ হৈছিল। এই কাৰ্যাই সকলোকে নোৱাৰিলেও প্ৰায় মানুহকে ৰুছিয়াৰ পাৰদৰ্শিতাৰ কথা প্ৰতিপন্ন কৰাত সক্ষম হৈছিল। ঠিক আকৌ ১৯৫৯ চনৰ ২১ জুলাইৰ দিনাখন এপলো ১১ যানৰ সহায়ত চন্দ্ৰৰ বুকুত ভৰি দি আমেৰিকাই এক নতুন যুগৰ অধ্যায়ৰ পাতনি মেলিছিল।

আধুনিক যুগৰ পৰিবৰ্তনৰ লগে লগে বিজ্ঞানৰ অৱদানৰ পৰিসৰ পৃথিৱীৰ প্ৰায়বোৰ দেশতে বিয়পি পৰিছে। তাৰ ভিতৰত সকলোবোৰ দেশৰ কথা নকলেওঁ বা সম্ভৱ নহলেওঁ কিছু উল্লেখ কৰাটো বাঞ্ছনীয়। যেনে— ফ্ৰান্স, জাপান, জাৰ্মান, ইংলেণ্ড, ভাৰত ইত্যাদি দেশে আজি আধুনিক বিজ্ঞানৰ দুৱাৰদলিত অৱিহণাৰ পাত্ৰ হবলৈ দাবী কৰিব পাৰিছে।

১৯৮৫ চনৰ জুন মাহৰ ২৩ তাৰিখে আটলাণ্টিক মহাসাগৰত এখন জাম্বোজেট এয়াৰ ইণ্ডিয়াৰ 'কনিষ্ক' নামৰ বিমান দুৰ্ঘটনাত পতিত হৈ তিনিশ উনত্ৰিশ জন মানুহৰ মৃত্যু হৈছিল। এই ঘটনাৰ কাৰণ বিচাৰি বিমানত থকা ব্লেক বক্স ( Black Box ) সজুঁলিটো বিচাৰি চলাথ কৰিছিল। শেষত ফ্ৰান্সৰ উদ্ধাৰকাৰী জাহাজ এখনে ছয় হাজাৰ সাতশ ফুট তলৰ পৰা এই যন্ত্ৰটো উদ্ধাৰ কৰি নিজৰ শ্ৰেষ্ঠতা কিছু পৰিমাণে হলেওঁ প্ৰতিপন্ন কৰিছিল। এতিয়া আহোঁ ব্লেক বক্স (Black Box) বস্তুটো কি? পোন পটীয়াকৈ ইয়াক কলা বাকচ বুলিয়েই জনা যায়। আচলতে কলা বাকচ নহয়। ইয়াৰ কিছুমান আচৰিত গুণ আছে। যেনে— জুঁইয়ে পুৰিব নোৱাৰে, পানী, পৰিলে বেয়া নহয়, ভাঙি নাযায়। ইয়াৰ উপৰিওঁ বিমান খন উৰণৰ আগমূহুৰ্তৰ পৰা আৰম্ভ কৰি বিমান খনত কি হয়, কি নহয় তাৰ সকলো খবৰ এই যন্ত্ৰটোত আবদ্ধ থাকে। এই বিলাক গুনৰ কাৰণে ইয়াক ব্লেক বক্স বুলি জনা যায়। বৰ্তমান জাপানৰ কাৰিকৰী দিশটো সকলো দেশতকৈ উন্নত বুলি সকলো দেশে স্বীকাৰ কৰিবলৈ বাধ্য হৈছে। গোটেই দেশবোৰৰ অৱিহণাৰ কথা উল্লেখ কৰাৰ সম্ভৱ নহলেও বিজ্ঞানত ফ্ৰান্স, জাপান আগবঢ়া সকলোৱে তাক কুণ্ঠাবোধ নকৰাকৈ স্বীকাৰ কৰিব।

বিজ্ঞানৰ আৱিষ্কাৰ সমূহ আজি কিছুমান বস্তুতে সীমাবদ্ধ থকা নাই। চুকে-কোনে নতুন নতুন আৱিষ্কাৰৰ ঘটনা ৰাজীয়ে মুৰ দাঙি উঠিছে। বিজ্ঞানৰ পৰিসৰ বঢ়াৰ লগে লগে জ্ঞানৰ নতুন নতুন শাখা আৱিষ্কাৰ হোৱাতো আচৰিত হব লগীয়া নিশ্চয় একো নাই। বিজ্ঞানৰ এনে এটি নতুন শাখাৰ নাম হৈছে— 'চিনাজেটিক্‌ছ'। বিজ্ঞানৰ শাখাৰ জ্ঞানেৰে চহকী হোৱা এটা নতুন শাখা। এই মূল বিষয়ৰ কথা বুজিবলৈ হলে আন কিছুমান কথাৰ পাতনি মেলাৰ আৱশ্যক হব। আমাৰ চিনাকী পৃথিৱী খনত একো একোটা বিশেষ কাম কৰিব পৰা বিভিন্ন নিৰ্মান বা বস্তু আছে। উদাহৰণস্বৰূপে ঘৰ নিৰ্মান কৰা যায় আশ্ৰয় লবৰ বাবে, অথবা মটৰ গাড়ী নিৰ্মান কৰা যায় এঠাইৰ পৰা আন ঠাইলৈ যাতায়তৰ বাবে, এই ঘৰ, মটৰ গাড়ী, দূৰদৰ্শন বা কম্পিউটাৰ এই সকলোবোৰ কিন্তু মানুহৰ নিৰ্মাণ, ইয়াৰ উপৰিও মানুহে নকৰা সৃষ্টিও কিন্তু প্ৰকৃতিত উভৈনদী হৈ আছে। এনেবোৰ বাহিৰৰ কোনো হস্তক্ষেপ নোহোৱাকৈয়ে নিজে নিজে কেতবোৰ বিশেষ কাম কৰিব পাৰেগৈ। এনেদৰে নিজে নিজে সংগঠিত হোৱা জৈৱিক বা অজৈৱিক পদাৰ্থৰ নীতিৰ মাজত কোনবোৰ মিল বা অমিল আছে তাৰ অধ্যয়নেই আচলতে চিনাৰ্জেটিক্‌ছ।

কিন্তু এই ধৰণৰ জ্ঞানৰ পৰা বাৰু কি ধৰণৰ লাভ হোৱাৰ আশা আছে? মানুহে নিজা সংগঠনৰ ক্ষমতা থকা আহিলাৰ আৰম্ভণি নিৰ্মাণ কৰি দিয়াত যে এই ধৰণৰ জ্ঞান বিশেষ কামত আহিব সেয়া দেখদেখ কথা। অজৈৱিক পদাৰ্থৰ ক্ষেত্ৰতো সুসংগঠিত গাঁথনিৰ আৰ্হি দেখিবলৈ পোৱা যায়। উদাহৰণ স্বৰূপে কোনো জুলীয়া

পদাৰ্থ তলৰ পৰা তপত কৰিলে এক বিশেষ উষ্ণতাৰ ওপৰত জুলীয়া পদাৰ্থৰ কনা সমূহে সামূহিক ভাবে ঘূৰ-নীয়া চুঙা একো একোটাৰ ৰূপত নিজকে সংগঠিত কৰা দেখা যায়। জন্তু আৰু আনকি মানুহৰ ব্যৱহাৰৰ ক্ষেত্ৰতো বহুত সময়ত পৰিবৰ্তন লক্ষ্য কৰা যায়। উদাহৰণ স্বৰূপে ঘোঁৰাই দৌৰি থকাৰ বিভিন্ন সময়ত সলনি হোৱা বিশেষ ভংগীসমূহলৈ আঙুলিয়াব পাৰি। ঘোঁৰাই প্ৰথমতে খোজ কঢ়াৰ দৰে কেইখোজমান গৈ পিছত যি এক বিশেষ মূহূৰ্ত্তৰ পৰা জোৰেৰে দৌৰিবলৈ লয়, সেই পৰিবৰ্তনকে আঙুলিয়াব খোজা হৈছে।

মগজুৰে বাৰু কি দৰে চিন্তা কৰা যায়? মগজুৰে বাৰু কিদৰে শৰীৰৰ বিভিন্ন কাৰ্য্যৰ নিয়ন্ত্ৰণ কৰে? মগজুৰ ভিতৰত কি আছে কি নাই? চক্ৰেটিছ বা আইনষ্টাইনৰ দৰে চিন্তাশীল ব্যক্তিৰ মগজুত বাৰু অতিৰিক্ত ভাবে কিবা আছে নেকি? এনে ধৰণৰ প্ৰশ্নই মানুহক আমনি কৰাটো নিতান্তই স্বাভাৱিক। নতুন নতুন উপায়েৰে মগজুৰ কাৰ্য্য-কলাপৰ অনুসন্ধান চলোৱাৰ প্ৰচেষ্টা চলিছে। এনে এক উপায়ৰ নাম হৈছে মেগ্নেটো এঙ্কেফেলোগ্ৰাফী (Magneto emcephalography) চমুকৈ MEG বুলি কোৱা হয়। এই পদ্ধতিৰ বিশেষত্ব বুজিবলৈ হলে মগজু সম্বন্ধীয় গৱে-ণাত ব্যৱহৃত বিভিন্ন কৌশল সম্বন্ধেও জনাটো নিতান্তই আৱশ্যক। মগজুৰ গৱেষনাত ব্যৱহৃত তিনিটা কৌশল তলত উল্লেখ কৰা হ'ল, এনে এক কৌশলৰ নাম হ'ল কম্পিউ-টাৰ সাহাৰ্য্যপ্ৰাপ্ত টমগ্ৰাফী (Computer Assisted Tomography) ইয়াক চিটি স্কেন নামেৰেও জনাজাত। আনদুটা কৌশলৰ নাম— নিউক্লিয়াৰ মেগ্নেটিক ৰিজ'নেন্স আৰু পজিট্ৰন ইমিচন টমগ্ৰাফী (Nuclear Magnetic Resonance and Positron Emission Tomogra-phy)। এই তিনিবিধ কৌশলেৰে লাওখোলাটো নোখো-লাকৈ মগজুৰ গাঁঠনি আৰু কৰ্য্যকলাপৰ অধ্যয়ন কৰিব পৰা যায়।

হৃদযন্ত্ৰ সলনি কৰি ডেৰ বছৰ সুস্থ শৰীৰে জীয়াই থাকি দক্ষিণ আফ্ৰিকাৰ ফিলিপ ব্লেইবাৰ্গে বিশ্ববাসীক এক বিশ্বাসৰ প্ৰতিশ্ৰুতি আগবঢ়ায়।

১৯৭৮ চনতো সকলোৰে বাবে আন এটা তাৎপৰ্য্য-পূৰ্ণ বছৰ। সেই বছৰতে অৰ্থাৎ ১৯৭৮ চনৰ ২৫ জুলাইৰ দিনাখন বৃটিছ যুক্তৰাজ্যৰ ডাক্তৰ সকলৰ প্ৰথম টেষ্টটিউব সন্তান 'লুইজজয় ব্ৰাউনৰ' জন্ম হৈছিল। ইয়াৰ পিছতে ভাৰতীয় বিজ্ঞানী ড' ইন্দিৰা হিন্দুজাৰ চেষ্টাৰ নেতৃত্বত ১৯৮৬ চনৰ আগষ্ট মাহৰ পাঁচ তাৰিখে আবেলি তিনি বাজি পঞ্চলিশ মিনিটত প্ৰথম ভাৰতীয় টেষ্ট টিউব সন্তান জন্ম পায়। যাৰ ফলত কব পাৰি যে বিজ্ঞানৰ ক্ষেত্ৰত ভাৰতো আগবঢ়া আৰু ভবিষ্যতে নতুন নতুন আৱিষ্কাৰত অবিহণা যোগাব পাৰিব বুলি প্ৰতিশ্ৰুতি দিব পৰা হৈছে।

১৯৮৮ চনৰ নবেম্বৰ মাহৰ ২৫ তাৰিখে পুৱা ন-বাজি ত্ৰিশ মিনিটত 'এনাজিয়া' নামৰ ৰকেটৰ সহায়ত 'বুৰন' নামৰ এখন শ্বাটলযান মহাকাশত উৎক্ষেপন কৰা ৰাচিয়াৰ পৰা। আকৌ ১৯৮০ চনৰ ১৮ জুলাইত শ্ৰীহৰিকোটাৰ পৰা SLV-3ৰ ৰকেটৰ দ্বাৰা ভাৰতৰ ৰোহিনী নামৰ উপগ্ৰহটোৰ সফল নিক্ষেপণ কৰা হয়, সকলো ভাৰতৰ নিজা প্ৰযুক্তিবিদ্যাৰ সহায়ত। এনেদৰে কিমান যে বিভিন্ন দেশৰ শ্বাটলজান, উপগ্ৰহ আদি মহাকাশত ঘূৰিব লাগিছে তাৰ লেখ-জোখ নাই। এটা সময়ত বিজ্ঞানী সকলৰ ধাৰণা মতে মহাকাশত হেনো এইবিলাক বস্তুৰে ভৰি পৰিব। আৰু কিছু বছৰ পিছত ৰাচিয়া, আমেৰিকা আদি দেশে হেনো মহাকাশত ছাউনি পাতি তাত বসবাস কৰাৰ প্ৰচেষ্টাৰে ব্যস্ত।

'ভয়েজাৰ' শব্দটো কি? বিভিন্ন ধৰণৰ প্ৰাচুৰ্য্য হয়তো সকলোৰে মাজত শিপাই আছে। আচলতে 'ভয়েজাৰ' এখন যান। মহাকাশ সন্ধানী যানখনে আজি বৃহস্পতি, শনি, নেপচুন গ্ৰহত গৈ বিভিন্ন ধৰণৰ তথ্যপাতি সংগ্ৰহ কৰাত ব্যস্ত। যাৰ ফলত প্ৰযুক্তি বিদ্যা আৰু বিভিন্ন ধৰণৰ তথ্যপাতি সফলতাৰে বিশ্ববাসীলৈ কঢ়িয়াই আনিব।

বৰ্তমান যুগত এটা বস্তুৱে সকলোৰে দৃষ্টি আকৰ্শন কৰিব পাৰিছে। সেইটো হৈছে কম্পিউটাৰ। বৰ্তমান যুগটোক কম্পিউটাৰৰ যুগ বুলি কলে অতিৰঞ্জিত কোৱা নহয়। কিয়নো কম্পিউটাৰে আজি বিশ্বত বিভিন্ন কথাৰ সম্ভেদ দিব পাৰিছে। '2001-A Space Odyssey' এখন বিজ্ঞান ভিত্তিক উপন্যাসত কথা কব পৰা HAL নামৰ এটা কম্পিউটাৰৰ কথা উল্লেখ আছে। এইখন

লিখিছিল বিখ্যাত উপন্যাসিক আৰ্থাৰ চি ক্লাৰ্কে। নিশ্চয় এদিন কথাৰে পৰিপূৰ্ণ হৈ পৰিব কম্পিউটাৰ বিলাক। শুনিলে আচৰিত লাগিলেও বিশ্বাস কৰিবলৈ কঠিন নহয়। ভৱিষ্যত শিশুৱে হয়তো শিক্ষাৰ চেনেহ বা খঙৰ সোৱাদ নোলোৱাকৈয়ে ঘৰতেই কম্পিউটাৰৰ সহায়ত পাঠ লব। নিজৰ ঘৰতেই কম্পিউটাৰৰ সহায়ত কাম বিলাক কৰি যাব। ৰবট যন্ত্ৰৰ সহায়ত ঘৰ সৰাৰ পৰা ঘৰ সজা সকলো কাম নিয়াৰি ভাবে চলাব। কম্পিউটাৰৰ সহায়ত কাগজ বিহীন কাৰ্য্যালয় হব। ভবিষ্যত কি হব তাৰ সকলো খবৰ দিব। ইত্যাদি এনেদৰে ভবিষ্যতত কম্পিউটাৰে কিমান যে কাম কৰিব তাৰ সীমা নাই।

কিন্তু আটাইতকৈ ডাঙৰ কথা হৈছে কম্পিউটাৰৰ ভাইৰাচ। এতিয়া প্ৰশ্ন হ'ল কিনো কম্পিউটাৰৰ ভাইৰাচ। তাক শুনিলে আচৰিত লাগে। '৮৮ৰ নবেম্বৰৰ প্ৰথম সপ্তাহৰ শেষ ভাগৰ কথা। হঠাতে বাতৰি আহিল যে যুক্তৰাষ্ট্ৰৰ বিশ্ববিদ্যালয়ৰ উদ্যোগ আৰু প্ৰতিৰক্ষা গৱেষণাৰ কামত নিযুক্ত ছয় হাজাৰ কম্পিউটাৰ অচল হৈ গৈছে। কম্পিউটাৰত ইচ্ছাকৃতভাবে ভুল তথ্য সুমুৱাই দিয়া কথা প্ৰণালীক অথবা তাক অচল কৰি দিয়া ঘটনাকে কম্পিউ-টাৰৰ ভাইৰাচ আক্ৰমণ বুলি সূচোৱা হয়। কম্পিউটাৰৰ এই অৱস্থা সৃষ্টি কৰিছিল কৰ্ণেল বিশ্ববিদ্যালয়ৰ এজন ছাত্ৰই। ইয়াৰ আগতেও অৰণ্যে কম্পিউটাৰৰ ভাইৰাচৰ নিদৰ্শন পোৱা গৈছে। শক্তিশালী কম্পিউটাৰৰ ভাইৰাচৰ আক্ৰমণৰ বলি হোৱা দেখি বিভিন্ন মহলত বিনামেঘে বজ্ৰপাত পৰাৰ দৰে বিশেষজ্ঞ সকল আতংকিত হৈ পৰিছে। সেয়ে তাৰ বিৰুদ্ধে যুঁজিবলৈ বিশেষজ্ঞসকল টঙালি বান্ধি লৈছে।

এতিয়া আমি আহো এক ভয়াবহ অভিশপ্ত ঘটনা সমূহলৈ, যি বোৰ শুনিলে সকলোৱে আতংকিত হৈ চিঞৰি উঠিব যাতে নাগাছাকিৰ বিভীষিকাৰ পুনৰা বৃত্তি নহয়। ১৯৮৫ চনৰ এক নবেম্বৰৰ ঘন ক'লা দিনটোৰ কথা সকলোৰে মনত আছে নিশ্চয়। সেইদিনাখনে চুইজাৰলেণ্ডৰ বহুজাগতিক চেনডজ কাৰখানাত বিষাক্ত ৰাসায়নিক পদাৰ্থ বোৰত জুই লাগি সকলো ঠাই বিয়পি পৰিছিল। প্ৰাণৰ ভয়ত মানুহে দশোদিশে পলাইছিল। পিছত বিজ্ঞানীসকলে পৰীক্ষা কৰি গম পালে যে জুইৰ ধোৱাত ফচফোৰেষ্টাৰ আনকি দ্বিতীয় বিশ্ব যুদ্ধ আৰু ভিয়েটনামত ব্যৱহৃত ভাইস্কিনৰ অংশও মিহলি হৈ আছিল। 'ৰাইন' নদীৰ পানীত বিষাক্ত গেছ পৰি অনুমানিক হিচাপ মতে পাঁচ লাখ বামী মাছৰ মৃত্যু হৈছিল। ইয়াৰ উপৰিও ইথেল পাৰাথিয়ন নামৰ এটি বিষাক্ত পদাৰ্থ আছিল যি গেছৰ সামান্যতম অংশও মানুহক ভুৱাৰোগ্য কৰি মৃত্যু ঘটাব পাৰে। ইয়াৰ ফলত বিষাক্ত জল প্ৰদূষনে পশ্চিম জাৰ্মানিক একদীৰ্ঘ দিনীয়া সংকটৰ গৰাহলৈ ঠেলি দিলে। ১৯৮৪ চনৰ ৩ ডিচেম্বৰৰ দিনাখন ৰাতি এক বাজি পঞ্চাশ মিনিটত ভূপালত ওলোৱা বিষাক্ত গেছ চমুকৈ এমাই, চি, গেছ (Methyle Isocyanide Gas) যাৰ কবলত পৰি দুই হাজাৰ জন মানুহৰ তৎক্ষণাত মৃত্যু হৈছিল আৰু বহুতো মানুহ চিৰ জীৱনৰ কাৰণে পঙ্গু হৈছিল। তেনেদৰে ছোভি য়েটৰ চাৰ্ন' বিল দুৰ্ঘটনাৰ ফলত বহুতো মানুহৰ মৃত্যু, জাপানৰ সাগৰত পেলাই দিয়া পাৰা প্ৰদূষণৰ ফলত হোৱা মিনা মাটা ৰোগ, ইটালীৰ চাভোচোতত ডাৱেক্সিন নিৰ্গমন আদি দুৰ্ঘটনাবোৰে ভয়ঙ্কৰ জল প্ৰদূষণৰ সৃষ্টি কৰি মানুহৰ মাজত শংকাৰ সৃষ্টি কৰিছে।

নিভাদা মৰুভূমিত পাৰমানৱিক বোমাৰ পৰীক্ষামূলক বিস্ফোৰণে হয়তো পলকতে চকুত ভাহি তুলিব এখন ভয়াবহ ধ্বংসৰ প্ৰতিচ্ছবি বিভিন্ন সমৰতালত চলিব লাগিছে মাৰা-ত্মক অস্ত্ৰৰ প্ৰতিযোগিতা। বিশ্বত এতিয়া হেনো এনেকুৱা এটম বোমা তৈয়াৰ হৈছে যে এই বিশাল পৃথিৱীখন ধ্বংস কৰিবলৈ মাত্ৰ চাৰি মিনিট সময়ৰ প্ৰয়োজন। তেনেদৰে দীৰ্ঘ, মধ্য আৰু হ্ৰস্বৰ দূৰত্ব ভেদী ক্ষেপনাস্ত্ৰ, মাইন, ৰকেট টেঙ্ক, এন্টিয়াৰ ক্ৰেফটগান, পথপম, F—16 যুঁজাৰু বিমান, জাগুৱাৰ, ক্ৰুজাৰ, দেষ্ট্ৰায়াৰ, টৰ্পেডো, মেগনেটিক মাইন, ইনচিন দিয়াৰী বোমা, শ্বাৰপনেল (Sharpnell) হাইড্ৰজেন বোমা ইত্যাদি।

ৰাজনৈতিক অভিসন্ধিও কেতিয়াবা দুখন দেশৰ পৰস্পৰৰ মাজত যুদ্ধৰ বীজ ৰোপন কৰা দেখা যায়। ১৯৮৮ চনৰ চিউল অলিম্পিক ব্যনি কৰা উত্তৰ কোৰিয়া, কিউবা ইত্যাদি বোৰ, ভাৰতে ইজৰাইলৰ বিৰুদ্ধে বিশ্বটেবুল টেনিছ প্ৰতিযোগিতাত খেলিবলৈ অমান্তি হোৱা, ইজৰাইলক ভাৰতে

ভিছা দিবলৈ অমান্তি হোৱা, ১৯৮৯-৯০ ভাৰত পাকিস্থান ক্রিকেট খেলত ভাৰতীয় খেলুৱৈসকল অপমানিত হোৱা ঘটনাবোৰে বাৰু আমাক কি বুজায় ? নিশ্চয় এইবিলাক দুখন দেশৰ সম্পৰ্কত বাধাৰ বেঙনি মাখোন ।

আজি চুকে কোনে মাপো বোমা, বন্দুক বাৰুদৰ শব্দই এক ভয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰিছে । হয়তো এনে পৰিস্থিতিৰ পৰা কোনেও ৰক্ষা নাপাব। এতিয়া আমি কিছু বিভীষিকাৰ মাজলৈ যাওঁ । মাৰ্কিন আৰু ৰুচিয়াৰ পাৰমানৱিক অস্ত্ৰ হ্ৰাসকৰণ চুক্তিত ঘুনে ধৰা প্ৰচেষ্টা, গৰ্বাচভৰ অস্ত্ৰ হ্ৰাসকৰণ চুক্তিত বুশ্বৰ কিছু সহাৰিৰ অভাৱ, বিভিন্ন উন্নয়নশীল দেশবোৰলৈ উন্নত দেশবোৰৰ অস্ত্ৰ ৰপ্তানি, আফগানিস্তানত ছোভিয়েট সৈন্যৰ উপস্থিতি কাম্ফুছিয়াত (কাম্বোডিয়াত) ভিয়েটনামী সৈন্যৰ প্ৰৱেশ, ইজৰাইল পেলেষ্টাইনৰ মাজত জাতিগত সংঘৰ্ষ, বৰ্ণবৈষম্যমূলক ভাবৰ ওৰ নপৰা, নামিবিয়াত দক্ষিণ আফ্ৰিকাৰ সৈন্যৰ উপস্থিতি, ভাৰত মহাসাগৰত মাৰ্কিন সামৰিক ঘাটি স্থাপন, ইছলামীয় দেশবোৰৰ মাজত যুদ্ধ, নিকৰাগুৱা 'কণ্ট্ৰ' মুক্তিযোদ্ধাৰ প্ৰতি মাৰ্কিন চৰকাৰৰ সাহাৰ্য্য, ভাৰত পাকিস্থান সীমা বিবাদ, শ্ৰীলঙ্কাত জাতিগত সংঘৰ্ষ ইত্যাদি ঘটনাবোৰে আমাক বাৰু কিহৰ ইঙ্গিত দিয়ে ? ইয়াৰ উপৰিও বিভিন্ন দেশৰ সৰু-সুৰা যুদ্ধবিলাক আছেই । হয়তো বিশ্বত আকৌ এখন বিশ্বযুদ্ধ যিকোনো মুহুৰ্ত্তত হৈ যাব ।

কিন্তু আজি বিশ্বত এখন যুদ্ধই সকলোতে প্ৰতিবন্ধ কৰ সৃষ্টি কৰি আহিছে । সেইখনেই হৈছে শীতল যুদ্ধ । আজি সামৰিক সংকট দূৰ হোৱামানে অস্ত্ৰ সম্বৰণ বা নিৰস্ত্ৰীকৰণকেই নুবুজাই । তাৰ লগতে শীতল যুদ্ধৰ প্ৰকৃত অৱসানৰ কাৰ্য্যকাৰী তথা অৰ্থযুক্ত সংজ্ঞা সকলো বিচাৰে । শীতল যুদ্ধৰ অৱসানে আদৰ্শগত মতান্ধতাৰ অৱসানকো বুজায়। আনফালে ৰুচ-মাৰ্কিন নীতি এনেদৰে গ্ৰহণ কৰা হব লাগিব যাতে উক্তনীতিয়ে ইউৰোপৰ পৰিবৰ্তি পূব-পশ্চিম সম্পৰ্কই সমষ্টিগত বা সামুহিক নিৰাপত্তাৰ পৰিব্যাপ্তি লাভ কৰে। কিন্তু ৰুচ মাৰ্কিন সামৰিক ক্ষেত্ৰত অৰ্থাৎ নিৰাপত্তা ( প্ৰতিৰক্ষা সন্দৰ্ভত ) উভয়ৰেই সামৰিক ভাৰসাম্য বক্ষিত হব লাগিব। নহলে বিশ্বৰ বুকুৰ পৰা কোনো দিনে অস্ত্ৰ-শস্ত্ৰ বিলুপ্ত হৈ নাযায়। সমৰাস্ত্ৰ হ্ৰাস হব পাৰে কিন্তু শেষপাত অস্ত্ৰ কাহানিও নিপাত নহয় । তথাপি শীতল যুদ্ধৰ অৱসান ঘটোৱাই ঘাইকৈ নিৰ্ভৰশীল ।

শীতল যুদ্ধৰ কেন্দ্ৰীয় খুটিটো হৈছে মানৱাধিকাৰ । পাশ্চাত্যই শীতল যুদ্ধৰ অকল মাত্ৰ প্ৰতীক আৰু দাৰ্শনিক সংজ্ঞা আগবঢ়োৱাৰ দৰে ধৃষ্টতাচাৰণ পৰিত্যাগ কৰিব লাগিব । মূল বিষয়টো হৈছে অগ্ৰাধিকাৰ স্বাধীনতা (Freedom of choice) বনাম কঠোৰ কৰ্তৃত্ববাদী ৰাষ্ট্ৰীয় নিয়ন্ত্ৰণৰ সমস্যা। এই দুটা পৰস্পৰ বিৰোধী দ্বন্দ্বৰ মিশ্ৰনত হয়তো ইয়াৰ অৰ্থ নিহিত আছে ।

এতিয়া প্ৰাচ্য-প্ৰাশ্চাত্যৰ কোনো কোনো ৰাজনৈতিক টীকা ভাষ্যকাৰে কব খোজে যে প্ৰস্তাৱিত ইউৰোপীয় নিৰাপত্তা সুনিশ্চিত কৰিবলৈ 'ৱাৰশ' চুক্তিৰ এটা মতাদৰ্শগত অৱস্থানৰ পৰা ভূ-ৰাজনৈতিক মিত্ৰ সংস্থালৈ ৰূপান্তৰিত কৰিব লাগিব। আৰু যদি দুই বৃহৎ শক্তিয়ে শীতল যুদ্ধ ওৰ পেলাব বিচাৰে তেন্তে গোষ্ঠীভঙ্গকৰণ অৱধাৰ্য্য বিষয় হব লাগিব। অকল 'ৱাৰশ' চুক্তিৰ ক্ষেত্ৰতেই নহয় NATOৰ সামৰিক জোঁটৰ বেলিকাও একেই কথা খাটিব। যদি সন্মিলিত জাৰ্মানীক NATOৰ অন্তৰ্ভুক্ত কৰণৰ আক্ৰোশ পৰিত্যাগ কৰা হয় তেনেহলে পৰিস্থিতিয়ে অন্যৰূপ লব । গতিকে 'বুশ্ব-গৰ্বাচভ' উভয়েই আন্তৰিকতাৰে উঠি পৰি আগবাঢ়িব লাগিব । পাৰমানৱিক যুদ্ধৰ ভয়াবহতাৰ ওৰ নপৰিলে শীতল যুদ্ধৰ ওৰ পেলাবলৈকৰা চেষ্টাও বলিয়ালিহে মাথোন । কিন্তু এতিয়াওঁ NATOৰ শক্তিসমূহে পাৰমানৱিক বোমাৰ পৰীক্ষা-নিৰীক্ষা পূৰ্ণগতিত চলাই আছে ।

নিজস্ব ঐতিহ্য আৰু পৰম্পৰাক অক্ষুন্ন ৰাখি পূব-পশ্চিম সৌহাদ্যতাৰ এখন সমন্বয়ী মঞ্চ গঠন কৰি সমগ্ৰ বিশ্বৰ শান্তি প্ৰগতি নিশ্চিত কৰিব পৰাটোৱেই শীতল যুদ্ধৰ অৱসান বুলি কব পৰা যায় ।

আজি বিজ্ঞান হৈ পৰিছে মানৱ জাতিৰ আশীৰ্বাদ স্বৰূপ । কিন্তু দুখৰ বিষয় মানুহে আজি বিজ্ঞানৰ অৱদান বোৰ মানুহৰ অপকাৰত ব্যৱহাৰ কৰি বিজ্ঞানক অভিশাপ স্বৰূপ কৰি তুলিছে । বিজ্ঞানৰ সকলো বস্তুৱেই ভাল কাৰ্য্যত ব্যৱহাৰ কৰিব পাৰি । কিন্তু এচাম লোকে ইয়াক অপকাৰত ব্যৱহাৰ কৰি পৃথিৱীত আকৌ বিভীষিকাৰ জুইকুৰা জ্বলাবলৈ ব্যস্ত হৈ পৰিছে । সেয়ে বিজ্ঞানক একালৰ পৰা অভিশাপ বুলি কলে বেছি ভুল কৰা নহব । অলপতে ছোভিয়েট বৈজ্ঞানিক এদলে ঘোষণা কৰিছে যে যদি বিশ্বত এখন ক্ষুদ্ৰতম পাৰমানৱিক যুদ্ধও সংঘটিত হয় তেতিয়া হলে বায়ুমণ্ডলত থকা গেছ বিলাক বিষাক্ত হৈ যাব, যাৰ ফলত মানুহ জীয়াই থকাৰ পৰা বঞ্চিত হব লাগিব । চলিত ইতিহাসত যি বোমা সৃষ্টি হৈছে সেয়া হেনো নাগাচাকিতকৈ বহুহেজাৰ গুণে শক্তিশালী । এই শক্তিশালী এটম বোমাই এদিনাখন পৃথিৱীত মানুহৰ মাজত ভুল-বুজাবুজি আৰু যুদ্ধৰ সুযোগ লৈ পৃথিৱীৰ বুকুত নিজ শক্তি প্ৰয়োগ কৰি এখন অশৰীৰি পৃথিৱী সৃষ্টি কৰিব ।

# শব্দ প্ৰদূষণ
# (Noise Pollution)

শ্ৰীবুদ্ধিন চন্দ্ৰ হাজৰিকা
প্ৰৱক্তা, প্ৰাণী বিজ্ঞান বিভাগ

বৰ্ত্তমানে পৃথিৱীৰ সকলো দিশৰ পৰা আৰ্তনাদ আহিব ধৰা সম্ভাৱনীয় বিপদটোৱেই হ'ল প্ৰদূষণৰ পৰা হাত সৰাৰ আৰ্তনাদ। প্ৰদূষণ সম্পৰ্কে আৰ্তনাদ অহাৰ কাৰণ হৈছে বৰ্ত্তমানে পৃথিৱীৰ কোনো কোনো অঞ্চল এনেভাৱে প্ৰদূষিত হৈ পৰিছে যে, ইয়াৰ পৰা তৎকালীন ভাৱে হোৱা অপকাৰে মানুহৰ চকুত ধৰা পৰিছে। উদ্যোগ, যাতায়ত, কৃষি, বাণিজ্য আদিৰ বিকাশৰ লগে লগে আমাৰ পৰিৱেশৰো দ্ৰুত পৰিবৰ্ত্তন হবলৈ ধৰিলে আৰু এই পৰিবৰ্ত্তনৰ কুফলবোৰৰ ভৱিষ্যত সম্পৰ্কে চিন্তা চৰ্চা নকৰাৰ বাবেই এই অৱস্থাত ভুগিব লগা হৈছে। প্ৰদূষিত হোৱা স্থান অনুযায়ী প্ৰদূষক যেনে—বায়ু প্ৰদূষণ, পানী প্ৰদূষণ আৰু মাটি প্ৰদূষণ ইত্যাদি প্ৰকাৰে ভাগ কৰা হয়। তাৰোপৰি প্ৰদূষকৰ নাম অনুযায়ী ও প্ৰদূষণৰ নামকৰণ কৰিব পাৰি। যেনে—শব্দ প্ৰদূষণ, তেজষ্ক্ৰিয় প্ৰদূষণ, সীহ প্ৰদূষণ ইত্যাদি। এই আলোচনাত আমি শব্দ প্ৰদূষণ সম্পৰ্কেহে আলোচনা কৰিম।

অতি পুৰণি কালৰে পৰা প্ৰাকৃতিকভাৱে হোৱা শব্দ যেনে—গাজনি ঢেৰেকনি আদিৰ পৰা কাণ তাল মৰা, কলা হোৱা আদি ঘটনা সম্পৰ্কে মানুহে জানিছিল যদিও আন আন প্ৰদূষণৰ তুলনাত শব্দ প্ৰদূষণৰ ফলাফল সম্পৰ্কে কিছু পলমকৈহে চিন্তা চৰ্চা আৰম্ভ হয়। ১৯৬৪ চনত ৰবাৰ্ট এলেক্সৱেৰণ নামৰ বিজ্ঞানীজনেই পোন প্ৰথমে পৰিৱেশৰ এৰাব নোৱাৰা কাৰক শব্দৰপৰা সৃষ্টি হব পৰা শৰীৰ ক্ৰিয়া আৰু মনস্তাত্বিক কুফলবোৰৰ সম্পৰ্কে কিছু তথ্য দাঙি ধৰে। আমি যদিও প্ৰতিটো মূহুৰ্ত্ততে শুনি থকা শব্দবোৰৰ প্ৰতি আওকাণ কৰি থাকো তথাপিও আমাৰ অজ্ঞাতেই আমি এই শব্দবোৰৰ পৰা হব পৰা ক্ষতিৰ পৰা শৰীৰটোক ৰক্ষা কৰিব পৰা নাই।

শব্দ প্ৰদূষণৰ উৎসমূহ হ'ল মুখ্যতঃ সকলো প্ৰকাৰৰ যান্ত্ৰিক যানবাহন আৰু ইয়াৰ হৰ্ন, কল কাৰখানা আৰু উদ্যোগৰ পৰা উদ্ভৱ হোৱা শব্দ, উৰাজাহাজ, জেট বিমান ৰকেট, মাইক্ৰফোন, শীতলীকৰণ যন্ত্ৰ, বিভিন্ন প্ৰকাৰৰ বাজনা, চাইৰেণ, ফটকা, খেল ধেমালিত সৃষ্টি হোৱা চিঞৰ বাখৰ, ঘৰুৱাভাৱে ব্যৱহাৰ কৰা মিশ্ৰন যন্ত্ৰ, গুড়ি কৰা যন্ত্ৰ, ইয়াৰোপৰি মেল-মিটিং আৰু কাজিয়া পেছাল আদিৰ শব্দবোৰ আছেই।

শব্দৰ প্ৰাবল্যতা জুখিবলৈ ডেচিবেল (dB) নামৰ একক ব্যৱহাৰ কৰা হয়। এই ডেচিবেল বৃহৎ একক বেলৰ $\frac{১}{১০}$ অংশ। মানুহৰ কাণে শূন্য ডেচিবেলৰ সামান্য ওপৰৰ পৰা শব্দৰ অনুভৱ কৰিব পাৰে আৰু ১৮০ ডেচিবেল সহ্যাতীত

সীমা । ১৪০ ডেচিবেলেই হল, পীড়াদায়ক শব্দৰ নিম্নসীমা । শব্দৰ প্ৰাবল্য আৰু শব্দ শুনাৰ সময়ৰ দৈৰ্ঘ্যতা দুয়োটাৰ ওপৰতেই শব্দৰ পৰা হব পৰা অপকাৰসমূহ নিৰ্ভৰ কৰে। কোনো এটা শব্দ যেনে—কোনো সঙ্গীত কিছুসময়ৰ বাবে পীড়াদায়ক বা অশান্তিকৰ নহবও পাৰে, কিন্তু দীৰ্ঘ সময়ৰ বাবে এই একোটা সঙ্গীতেই পীড়াদায়ক হব পাৰে। আনহাতে ঢেৰেকনি-গাজনি, জেটবিমানৰ শব্দ অতি কম সময়ৰ বাবে হলেও অতি পীড়াদায়ক হব পাৰে । বোমা ঢেৰেকনি আদিৰ শব্দই কাণ কলা কৰা (অৰ্থাৎ কাণৰ পৰ্দা ফলা) কথাও মাজে সময়ে শুনা যায় । অপ্ৰয়োজনীয় বা বিৰক্তিকৰ শব্দ যেতিয়াই শুনিব লগা হয়, তেতিয়াই শব্দ প্ৰদূষণ হোৱা বুলি কব পাৰি । শব্দ প্ৰদূষণে আমাৰ তিনি ধৰণে অপকাৰ সাধন কৰে।

(১) শ্ৰৱন তন্ত্ৰৰ স্বাভাৱিক কাৰ্য্যক্ষমতা নষ্ট কৰে।

(২) শৰীৰৰ ক্ৰিয়া কলাপ যেনে— ৰক্ত সঞ্চালন তন্ত্ৰ, স্নায়ুতন্ত্ৰ আদিৰ অপকাৰ সাধন কৰে।

(৩) আবেগ প্ৰৱনতা ও আচৰণৰ ওপৰত প্ৰভাৱ পেলায় ।

মানুহৰ উপৰিও শব্দ প্ৰদূষণে জীৱ জন্তুৰ আচৰণ তথা "হৰ্মণ" নিঃসৰণ আদিতো প্ৰভাৱ পেলায়। আমি সাধাৰণতে কথা বতৰা পাতোতে ৩০-৬০ ডেচিবেল শব্দৰ উৎপত্তি হয়। এই শব্দই শাৰীৰিক কাৰ্য্যকলাপৰ স্বাভাবিকতাৰ ওপৰত বিশেষ কোনো প্ৰভাৱ নেপেলায়। ইয়াতকৈ কিছু বেছি ৯৫ ডেচিবেল শব্দ অহৰহ দীৰ্ঘ সময়ৰ বাবে শুনিব লগা হলে মানুহৰ ৰক্তচাপ বৃদ্ধি হব পাৰে বা স্নায়ুতন্ত্ৰৰ ওপৰত প্ৰভাৱ পৰিব পাৰে বা মানুহ কলাও হব পাৰে। বোম্বাই উচ্চ ন্যায়ালয়ৰ এখন কমিটিয়ে চহৰৰ বিভিন্ন ঠাইত সচৰাচৰ সৃষ্টি হোৱা শব্দৰ প্ৰাবল্য জুখি বেছিভাগ ঠাইতে ৫৭-৯১ ডেচিবেল পাইছিল। আনহাতে বিশ্ব স্বাস্থ্য সংস্থাই ৫৫ ডেচিবেলক শব্দ সীমা হিচাবে নিৰ্দ্ধাৰণ কৰিছে। আমাৰ যিকোনো এখন চহৰতেই বিশ্ব স্বাস্থ্য সংস্থাই বান্ধি দিয়া সীমাতকৈ যথেষ্ট বেছি শব্দৰ সৃষ্টি হয়। যিটোৱে চহৰৰ প্ৰায় সকলো নাগৰিকৰ ওপৰত কম বেছি প্ৰভাৱ পেলায়। নিউইয়ৰ্কৰ কৰ্ণ বিশেষজ্ঞ ডাঃ চেমুৰেল ৰোজেনে প্ৰমান কৰিছে যে আফ্ৰিকাৰ মাবান উপজাতিৰ এজন ৭৫ বছৰীয়া লোকৰ শ্ৰৱন শক্তি আমেৰিকাৰ ২৫-বছৰীয়া এজন ডেকাৰ সমান।

বিভিন্ন উৎসৰ শব্দৰ প্ৰাবল্য আৰু প্ৰভাৱ

| উৎস | প্ৰাবল্য (dB) প্ৰায় | মন্তব্য |
|---|---|---|
| ফুচফুচনি | ২০—২৫ | অতি শান্ত । |
| সাধাৰণ কথা বতৰা | ৫৫—৬০ | সামান্য ডাঙৰ শব্দ । |
| ঘৰুৱা মিশ্ৰণ যন্ত্ৰৰ শব্দ | ৮৫ | বেছি ডাঙৰ শব্দ । |
| মটৰ চাইকেল ( ২৫ ফুট আঁতৰত ) | ৯০ | " । |
| জেট বিমান ( ১৫০ ফুট উচ্চতাত ) | ১০৫ | অশান্তিক ভাৱে ডাঙৰ শব্দ |
| মেঘৰ গাজনি | ১২০ | " । |
| ৰেলৰ উকি | ১৩০ | " । |
| ৰকেট ইঞ্জিন | ১৮০ | পীড়াদায়ক শব্দ |

( উৎস ৰামনাথন ১৯৭৬ )

আজি-কালি প্ৰায়বোৰ ঠাইতেই কিছু ল'ৰাই মটৰ চাইকেলৰ 'চাইলেঞ্চাৰ পাইপ' খুলি মটৰ চাইকেল চলোৱা আৰু 'ৰাকমেন' লৈ গান শুনা দেখা যায় । এই দুয়োটাৰ ফলশ্ৰুতি অতি ভয়াবহ। প্ৰথমটোৰ পৰা মটৰ চাইকেলৰ শব্দ শুনোতা, চলাওতা সকলোৰে আৰু আনটোত শুনোতা জনৰ সাংঘাটিতক অপকাৰ হব পাৰে । 'হেডফোনৰ' পৰা অহা শব্দই পোনে পোনে কাণৰ পৰ্দাত আঘাট কৰে । তাৰোপৰি ই মগজুৰ ওপৰতো প্ৰভাৱ পেলাব পাৰে। এইবোৰ পৰিহাৰ কৰি ইয়াৰ পৰা হোৱা অপকাৰসমূহৰ পৰা আমি অতি সহজতেই ৰক্ষা পৰিব পাৰো । এইটো অতি পৰিস্কাৰভাৱে প্ৰমাণিত হৈছে যে বহুসময় অতি প্ৰাবল্যৰ শব্দ শুনি থকাৰ বাবে অন্তঃ কৰ্ণৰ 'কৰটিৰ' চুলিৰ দৰে কোষ বোৰ নষ্ট হৈ কাণ কলা হয় যদিহে, অতি প্ৰাৱল্যৰ শব্দ মাজত বিৰতি নোহোৱাকৈ শুনা যায় । সেয়েহে ডাঙৰ ডাঙৰ শব্দ সৃষ্টি হোৱা উদ্যোগৰ শ্ৰমিকৰ কাণ কলা হোৱা শুনা যায় । এইদৰে 'ৰক' মিউজিক পাৰ্টি (আৰু ডিচক' মিউজিক), অৰ্কেষ্ট্ৰা পাৰ্টি আদিৰ লোক আৰু শ্ৰোতাসকলোৱে ক্ষন্তেকৰ বাবে কলা যেন হৈ পৰে । (অস্থায়ী বধিৰতা) ।

শব্দ প্ৰদূষণে মানুহৰ শৰীৰ ক্ৰিয়াত যেনে— ৰক্তৰ কলেষ্টৰ'ল বৃদ্ধি কৰি ৰক্তচাপ বৃদ্ধি কৰে, স্নায়ুতন্ত্ৰৰ ওপৰত প্ৰভাৱ পেলায়, এড্ৰিনেল গ্লেণ্ডৰ পৰা এড্ৰিনেল হৰ্মনৰ নিঃসৰণ বৃদ্ধি কৰে, গৰ্ভৱতী মাতৃৰ ভ্ৰূনৰ ক্ষতি অথবা গৰ্ভত থকা সন্তানৰ মৃত্যুও ঘটাব পাৰে। এইটো পৰিলক্ষিত হৈছে যে ব্যস্ত বিমান বন্দৰৰ ওচৰৰ বাসিন্দাৰ উৰাজাহাজৰ শব্দৰ বাবেই অধিক হাৰত ভ্ৰূনৰ মৃত্যু হয় আৰু বিকৃত গঠনৰ সন্তানৰ জন্ম হয়। ইয়াৰ উপৰিও শব্দ প্ৰদূষণে খাদ্য নলীৰ আলচাৰবো (পেপটিক আলচাৰবো সৃষ্টি কৰিব পাৰে। টোপনি অনিয়মীয়া কৰে, চকুৰ মণি ভাঙৰ হয়, মানুহ দুৰ্ব্বল খিঙখিঙীয়া হয়, মানসিক অশান্তি হয়, আৰু স্মৃতি শক্তিও হ্ৰাস পায়। বহু বয়সস্থ মানুহ খিঙখিঙীয়া হোৱাৰ বা কথা বতৰাত অস্বাভাৱিকতা প্ৰদৰ্শন কৰাৰ মূলতে শব্দ প্ৰদূষণো এটা কাৰণ হব পাৰে।

শব্দই জীৱজগতৰ বিভিন্ন প্ৰকাৰে ক্ষতি সাধন কৰাৰ লগতে আকাশীযান গাজনি, ডিনামাইত, আদি অতি প্ৰাবল্যৰ শব্দই পুৰণি ঘৰ, মন্দিৰ, গীৰ্জা ইত্যাদিবো ফাট মেলায়। জাৰ্মানীৰ ৰক গীৰ্জাৰ দেৱালত ফাট মেলাৰ মুলতে অতি প্ৰাবল্যৰ শব্দই।

শব্দ প্ৰদূষণৰ নিয়ন্ত্ৰণ ঃ

যন্ত্ৰ যুগত বাস কৰা মানৱৰ বাবে প্ৰদূষণ নিৰ্মূল কৰাতো সম্ভৱ নহয়। ইয়াক কেৱল নিয়ন্ত্ৰণহে কৰিব পাৰি। শব্দৰ উৎসতেই শব্দৰ নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰাই শব্দ প্ৰদূষণ নিয়ন্ত্ৰণৰ প্ৰধান ব্যৱস্থা। অৱশ্যে প্ৰাকৃতিক ভাৱে হোৱা শব্দবোৰৰ যেনে—মেঘৰ গাজনি ইত্যাদি নিয়ন্ত্ৰণ কৰাটো অসম্ভৱ নহলেও সহজ নহয়। উৰাজাহাজ উঠা আৰু নমাৰ সময়ত কিছু কৌশল প্ৰয়োগ কৰি শব্দৰ প্ৰাবল্যতা কিছু কমাব পৰা যায়। যান বাহনৰ ভেকুৱাম হৰ্নৰ ব্যৱহাৰ, সম্পূৰ্ণ ৰূপে বন্ধ কৰিব লাগে। কলকাৰখানা ইত্যাদিত উদ্ভৱ হোৱা শব্দ কমাবৰ বাবে শব্দ শোষকৰ ব্যৱস্থা কৰিব লাগে আৰু কৰ্মচাৰীসকলক শব্দ ৰোধক আহিলাৰ (যেনে—Ear plug, Ear muffs আদিৰ) যোগান ধৰিব লাগে। লাউড স্পিকাৰৰ ব্যৱহাৰ নিয়ন্ত্ৰণ কৰিব লাগে। যাত্ৰী, কঢ়িওৱা বিভিন্ন প্ৰকাৰৰ যান বাহানত টেপ ৰেকৰ্ডাৰৰ ব্যৱহাৰ নিয়ন্ত্ৰণ কৰিব লাগে।

বিভিন্ন প্ৰকাৰৰ আইন প্ৰনয়ণ কৰি বৰ্ত্তমানে বাঢ়ি অহা শব্দ প্ৰদূষণ ৰোধ কৰিবলৈ তলৰ পৰামৰ্শসমূহ আগ বঢ়াব পৰা যায়।

(১) কোনো লোকক শান্ত পৰিবেশৰ এলেকাত কোনো প্ৰকাৰৰ অপ্ৰয়োজনীয় শব্দ সৃষ্টি কৰাৰ অনুমতি দিব নালাগে।

(২) যান বাহনসমূহত চাইলেঞ্চাৰ ব্যৱহাৰ কৰাতো বাধ্যতামূলক কৰিব লাগে।

(৩) অতি প্ৰাবল্যৰ শব্দ সৃষ্টি কৰা যানবাহন যেনে ট্ৰাক আদি জনসাধাৰণৰ বসতি পূৰ্ণ অঞ্চলৰ মাজেদি যোৱাটো নিয়ন্ত্ৰণ কৰিব লাগে।

(৪) উদ্যোগ, কল-কাৰখানা আদিত এটা নিৰ্দ্দিষ্ট প্ৰাবল্যৰ শব্দহে সৃষ্টি কৰিবৰ অনুমতি প্ৰদান কৰিব লাগে।

(৫) ৰাজহুৱা অনুষ্ঠানসমূহৰ দেৱালসমূহত সম্ভৱ হলে শব্দ শোষকৰ ব্যৱস্থা কৰিব লাগে।

(৬) গছ-গছনি সমূহ এক প্ৰকাৰৰ ভাল প্ৰাকৃতিক শব্দ শোষক। সেয়ে নগৰ, চহৰত যিমান পাৰি সিমান গছ-গছনি ৰোৱাৰ ব্যৱস্থা কৰিব লাগে।

(৭) ব্যক্তিগত ভাৱে অতি কোলাহল পূৰ্ণ ঠাইত শব্দৰ পৰা ৰক্ষা পাবৰ বাবে কাণত অকণমান কপাহ সোমোৱাই ললে ডাঙৰ শব্দৰ পৰা বহু পৰিমাণে ৰক্ষা পাব পাৰি। সম্ভৱ হলে ইয়েৰ প্লাগ ( ear plug ) আদিও ব্যৱহাৰ কৰি ৪০-৫০ (dB) ডিচিবেললৈ শব্দ শুনাৰ ব্যৱস্থা কৰি লব পাৰি।

(৮) প্ৰদূষণ নিয়ন্ত্ৰনৰ বাবে থকা প্ৰতিষ্ঠান সমূহে সময়ে সময়ে শব্দ প্ৰদূষণৰ নিয়ন্ত্ৰণৰ বাবে থকা আইনৰ সংশোধন কৰি শব্দ প্ৰদূষণ নিয়ন্ত্ৰনৰ ব্যৱস্থা কৰিব পাৰে।—

অতি চমুকৈ শব্দ প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে মূলতঃ তিনিটা ব্যৱস্থা লব পাৰি।

(১) শব্দ উৎপত্তিৰ উৎসতেই শব্দৰ নিয়ন্ত্ৰণ কৰি।

(২) শব্দ বিস্তাৰিত হব পৰা পথ সমূহৰ সাল-সলনি ঘটাই—

(৩) শব্দ গ্ৰহণ কৰোঁতাই ব্যক্তিগত ব্যৱস্থা গ্ৰহণ কৰি।

• দ্ৰষ্টব্য : প্ৰবন্ধটো যুগুতাওঁতে বিভিন্ন আলোচনী আৰু গ্ৰন্থৰ সহায় লোৱা হৈছে।

# মানুহৰ আদৰ্শ

ডঃ পূৰ্ণ চন্দ্ৰ বৰা
ভাৰপ্ৰাপ্ত অধ্যক্ষ

মানৱতাই সকলোতকৈ শ্ৰেষ্ঠ আদৰ্শ। যি উদ্দেশ্যত, আদৰ্শত মানৱতাৰ ৰুপণালি, সেই উদ্দেশ্য, আদৰ্শ বন্ধ্যা।

মানুহে মানুহক ভাল পোৱা, মানুহে মানুহক প্ৰীতি কৰা, মানুহে মানুহৰ কাৰণে কাম কৰা, মানুহে মানুহক শান্তি প্ৰদান কৰা, মানুহে মানুহৰ উপকাৰ কৰা, মানৱতাৰ কাম।

অহিংসা, পৰোপকাৰ, মানুহ মাত্ৰকেই ভাল পাবলৈ শিকা, মানুহে মানুহৰ কাৰণে অৱদান দিয়া, মানৱতা গুণৰ পৰিসীমাৰ অন্তৰ্গত। মানৱতাৰ শ্ৰেষ্ঠতম্ ৰূপ – (ক) ভৌগলিক সীমা পাহৰি, (খ) শ্বেতকায়, কৃষ্ণকায় ভেদাভেদ পৰিহাৰ কৰি, (গ) বিভিন্ন অধম আদৰ্শৰ বান্ধ নেওঁচি, (ঘ) বিভিন্ন জাতি, বিজাতি, প্ৰজাতি ভেদাভেদ পৰিতক্ত কৰি, (ঙ) প্ৰেম, প্ৰীতি, মৰম-চেনেহ, আপোনতা ভাৱেৰে মানুহ মাত্ৰকে, জীৱ মাত্ৰকেই ভাল পাবলৈ শিকা, (চ) ভাল পাই উপকাৰ কৰি শান্তিৰে থাকিবলৈ প্ৰয়াস কৰা মানৱ জীৱনৰ শ্ৰেষ্ঠতম আদৰ্শ।

মানুহৰ জাতি এটা। সেইয়া মানৱ জাতি; মানুহৰ আদৰ্শ এটা। সেইয়া মানৱীয় গুণেৰে পৰিপুষ্ট সুস্থ আদৰ্শ।

যি নীতি অনুসৰণ কৰিলে সকলো মানুহৰ কল্যাণ হয়; সেই নীতিয়েই শ্ৰেষ্ঠতম নীতি।

বিশ্বৰ সকলো মহাপুৰুষে, সকলো ঈশ্বৰ প্ৰেৰিত দেৱতুল্য লোকে, সকলো ঈশ্বৰ অৱতাৰে মানৱতা পোষণ কৰে। মানৱতা আজিৰ যুগত মানুহৰ শ্ৰেষ্ঠতম আদৰ্শ, যাক অনুসৰণ কৰিলে বিশ্বৰ সকলো মানুহ নিশ্চয় সুখী হব পাৰিব।

★★★

# কবিতা

ছন্দব স্পন্দন হ'ল কবিতাৰ প্ৰাণ শক্তি । কবিৰ সৃজনী ক্ৰিয়াৰ উদ্ভৱ কৰায় এই স্পন্দনে। ছন্দৰ এই স্পন্দন, সঙ্গীত ধৰ্ম্মী হৈ কবিৰ অন্তৰত বাজি উঠে, তাৰ লগে লগে সেই স্পন্দন শব্দময়ী হৈ তেওঁৰ কাণত পৰিলে কাণে লয় হিচাপে গ্ৰহন কৰে আৰু সেই লয়ৰ ওপৰতে ভিত্তি কৰি কবিয়ে কবিতা ৰচনা কৰে ।"

## কবিতাৰ শিতানত আছে ঃ—


* অভিশপ্ত এণ্টাৰ্টিকা ঃ ধীৰেন্দ্ৰ নাথ বৰুৱা ॥ ১ ॥
* গীত ঃ অধ্যাপক বিজয় গোস্বামী/বসন্তৰ পৰশ ঃ হিতেশ্বৰ বৰুৱা ॥ ৩ ॥
* বিভিন্ন কোৰাচ ঃ অধ্যাপক মহেন্দ্ৰ বৰুৱা/আকাশ বেদনা নহয় ঃ পুলস্ত্য শৰ্মা ॥ ৩ ॥
* অনাত্মীয় সময়ৰ কবিতা ঃ বিনয় চলিহা/অনাত্মীয় ঃ ফাইজুৰ ৰহমান চহৰীয়া ॥ ৪ ॥
* বিষ্ণুৰাভা তুমি আহিবানে ? ঃ চক্ৰধৰ ডেকা/জীৱন নদীৰ গীত ঃ চিত্ৰধৰ নাথ ॥ ৫ ॥
* আহ্বান ঃ ৰূপালী ডেকা/আমাক এডাল সাকোঁ লাগে ঃ টঙ্কেশ্বৰ বৰুৱা/ আগমনিৰ ঘাট ঃ দিলীপ কুমাৰ নাথ ॥ ৬ ॥
* আহত সময় ঃ নগেন্দ্ৰ নাৰায়ণ বৰুৱা/সাম্প্ৰতিক ঃ নীনা বৰুৱা ॥ ৭ ॥
* সংস্কৃতিৰ মহান গীত ঃ নিৰুপমা শইকীয়া/স্বচ্ছল মুক্তি ঃ ৰত্না বৰুৱা ॥ ৮ ॥

# অভিশপ্ত এণ্টাৰ্কটিকা

**শ্ৰীধীৰেন্দ্ৰ নাথ বৰুৱা**
স্নাতক তৃতীয় বাৰ্ষিক
( বিজ্ঞান শাখা )

১৯৮২ চনৰ জানুৱাৰী মাহৰ ৯ তাৰিখে ভাৰতৰ বিজ্ঞানী দল এটাই বৰফৰ দেশ এণ্টাৰ্কটিকাত ভৰি দিছিল। ভাৰতীয় বিজ্ঞানৰ বাবে এয়া আছিল আৰ্য্যভট্ট নামৰ উপগ্ৰহটো মহাকালত উৰুউৱা বা ৰাজস্থানৰ পোখৰানত পাৰমাণৱিক বিস্ফোৰণ ঘটোৱাৰ দৰেই এটা গুৰুত্বপূৰ্ণ ঘটনা। এণ্টাৰ্কটিকাত ভৰি দি বিভিন্ন পৰীক্ষা-নিৰীক্ষা চলাই তাৰ ভূ-বিজ্ঞান, গ্লেচিয়াৰ বিজ্ঞান, বতৰ বিজ্ঞান আৰু আন আন বিষয়ৰ তথ্য সংগ্ৰহৰ বাবে স্বয়ংক্ৰিয় যন্ত্ৰপাতি এৰি থৈ অহাই এই অভিযানৰ মূল লক্ষ্য আছিল। এই লক্ষ্যকে আকোৱালী লৈ ১৯৯০ চনৰ ৮ জানুৱাৰীত ভাৰতীয় বিজ্ঞানীৰ দল এটাই এণ্টাৰ্কটিকা অভিযানত ভৰি দিছিল। কিন্তু নিয়তিৰ নিষ্ঠুৰ অভিশাপ – বিষাক্ত CO [Carbon Monoxide]ৰ বিষক্ৰিয়াত চাৰিজন অভিযাত্ৰীৰ নিমিষতে সলিল সমাধি ঘটিছিল। সেই নিহত ভাৰতীয় বৈজ্ঞানিক কেইজনৰ পবিত্ৰ স্মৃতিত এই কবিতাটো উৎসৰ্গা কৰা হ'ল।

— *লিখক* —

১৯৯০ চনৰ ৯ জানুৱাৰী
শীতৰ এটি আমেজভৰা ৰাতিপুৱা
বাতৰি কাকতখন হাতত লৈয়েই
মোৰ চকু দুটা স্থিৰ হৈ গৈছিল
সেই একেই ঘটনা –
যি ঘটিছিল ১৯৫৭ত ইংলণ্ডৰ উইণ্ডস্কেলত
যি ঘটিছিল ১৯৭৯ত আমেৰিকাৰ থ্ৰি মাইল দ্বীপত
যি ঘটিছিল ১৯৮৪ত মধ্যপ্ৰদেশৰ ভূপালত
তাৰেই পুনৰাবৃত্তি –
১৯৯০ চনৰ ৮ জানুৱাৰীত ভাৰতৰ এণ্টাৰ্কটিকা অভিযানত
সুৰুযৰ ৰদ কাঁচলিৰে সদ্যস্নাত হৈ
যাত্ৰাত খোজ নৌপেলাওতেই
হঠাৎ মৃত্যু-বিভিষিকা ধ্বনিত হ'ল,
সেই উমাল নীড় – হিমশীতল দেশত।
কাণ্ডজ্ঞানহীন বতাহৰ মাজে মাজে,
ভূবিজ্ঞান, গ্লেৰিয়াৰ বিজ্ঞান
বৰফৰ মাজৰ পৰা শিলৰ নমুনা আহৰণ
যত আছে নেকি
মাথো দুঃস্বপ্ন আৰু হতাশা,
নিষ্ক্ৰিয়তাৰ পূৰ্ণ প্ৰতিফলন।
কাৰ্বন মনক্সাইড – জীৱন্ত যমদূত

পাহাৰৰ মাজে মাজে প্ৰতিধ্বনিত হ'ল
মৃত্যু কাতৰ আৰ্তনাদ
ধৰণীৰ নিশ্চল বুকুত আস্ফালিত হ'ল
যাত্ৰাৰ শেষ শ্লোগান
'আমাকো জীয়াই থাকিবলৈ দিয়া'
আৰু ধুমুহাই ডেউকা ভঙা পক্ষীৰ দৰে
এজন এজনকৈ চাৰিজন
বিলীন হৈ গ'ল মহাকালৰ গৰ্ভত
বিষাক্ত যমদূতৰ ক্ৰিয়াৰ ফলত।

বৰ্তমান বিশ্বৰ জনগণ
ভয়ত কম্পমান
চকু মুদিয়েই দেখা পাও
অসংখ্য বিকলাঙ্গৰ হতাশাক্লিষ্ট প্ৰতিবিম্ব
যাযাবৰী আত্মাৰ অশান্ত গৰ্জন;
এইমাত্ৰ তেজ ভৰোৱা মাটিৰ কলমটো সেকি লৈছোঁ
ছাই হোৱা শুকান হৃদয় পুৰি
বাতৰি কাকতৰ পৃষ্ঠা ভৰাই
অহৰহ লিখি আছোঁ
শোকৰ বিলাস সংবাদ
'অভিশপ্ত এণ্টাৰ্কটিকা'।



# গীত

অধ্যাপক বিজয় গোস্বামী
মঙ্গলদৈ কলেজ

(১)

হৃদ-তন্ত্ৰীত সুৰৰ ঝংকাৰ
কিয় অনুভৱ কৰো
গীতৰ বাবেই গীত ৰচি সেয়ে
মৌন কণ্ঠও আদৰো ।
কথাৰ মাজত সুৰ বিচাৰোতে
দুখৰ ডাৱৰ চুলো
চিনাকি সুৰৰ মনৰ বাঁহীটি
নিজেই বিচাৰি ল'লো ।
আকাশ বতাহ নদী নিজৰাও
আপোন সুৰেৰে বন্ধা
পখীৰ কূজনো বেলিক আদৰি
নিতউ জিৰায় সন্ধ্যা ॥





(২)

মনৰ বহাগ আজি
বনত বিচাৰি যাওঁ
সুৰৰ বাঁহীটি বাই
ছবি আঁকি আঁকি চাওঁ ।
গোপনে শৰৎ আহে
আঘোণৰ পথাৰলৈ
সেউজীয়া সপোনেহে
মিচিকাই আদৰিলে ।
শাওঁণৰ সেউজী ৰং
কতনো হেৰাই গ'ল
দাৱনিৰ কাঁচিখন
আঘোণৰ গীত হ'ল ।
মনৰ বহাগ মই
শৰতত দেখা পাওঁ
কোনেনো গোপনে চায়
কাৰ সতে কেনি যাওঁ ॥

# বসন্তৰ পৰশ

শ্ৰীহিতেশ্বৰ বৰুৱা
স্নাতক প্ৰথম বাৰ্ষিক ( কলা )

পৰ্বতৰে আজলি
কলিয়া তই কুলিটি
ভৈয়ামলৈ কিয়নো
আ-হি-লি ।
কুঁহু কুঁহু তোৰ মাত সুৱদি
ডেকা গাভৰুৰ মন হৰিলি
বিহুতে বলিয়া
ক-ৰি-লি ।
অ' কুলি কতে পালি
বহাগীৰে বাতৰি
তোৰে মাত শুনিলে
চকুত নাহে
টো-প-নি ।
উৰি উৰি আজলি তই
আমৰ ডালত পৰ
কুঁহু কুঁহু মাতেৰে তই
অবুজ ভাষা
ক-ৰ ।
আমৰে ডালতে পৰি
বিহুৰ গীত জোৰা
মৰম সনা চকুৰে
মৰম লগাই জুমি জুমি
চা-ৰ ।
অ' কুলি ক'ত পালি
মঁহৰ শিঙৰ পেঁপাটি
মাতিবিনে বাৰু এবাৰ
মৰম লগা
মা-ত-টি ।
বসন্তৰে পৰশ পাই
কপৌ ফুল ফুলিলে
আনন্দতে গাভৰুৱে
লাহতি খোপাতে গুজি
না-চি-লে ।

# বিভিন্ন কোৰাচ

অধ্যাপক মহেন্দ্র প্ৰসাদ বৰুৱা
অসমীয়া বিভাগ

(১)

মুখ মেলিলেই
নৈ শুকায়
পোৰে মুখ
পোৰে ঘৰ
নক্ষত্ৰৰ

(২)

বহুৰঙী পতাকা
পলসুৱা মাটিৰ
নিৰ্মালি
পকুৱাৰ অহা-যোৱা
খহি যায়
পতাকাৰ পাখি

(৩)

চৰাইজনীয়ে কুটিলে
বুকুৰ এপাহ ফুল
কাঠৰ ঘোঁৰা
এতিয়া ছাই হ'ল
নিৰ্ভুল
নিৰ্ভুল

(৪)

মোৰ কামি হাড়বোৰ
মোৰ বীনৰ তাঁৰ
ভঙা শামুকৰ খোলাৰ
সংগীত-সম্ভাৰ

(৫)

গছজোপাৰ ডালেপাতে
গোন্ধ বাৰুদৰ দৰ
নিগৰিছে নিয়ৰ
দুটি লুনীয়া হ্ৰদৰ

ফুলৰ পাপৰিৰে
মালীয়ে বান্ধিলে
আলি
ধুমুহাৰ সন্তানে
পাৰিলে ধপচালি

# আকাশ বেদনা নহয়

শ্ৰীপুলস্ত্য শৰ্মা
স্নাতক তৃতীয় বাৰ্ষিক ( কলা )

মৃত্যুৰ প্ৰতিটো ক্ষণ
চকুলোৰে ঢাকি ৰখা
বেদনা নহয়
আৰু নহয়
জন্মৰ পৰাজয়
জন্মৰ প্ৰতিটো পুৱা
আশীৰ্বাদ গাঁঠি থোৱা
তাঁত শাল নহয়
আৰু নহয়
গঢ়োতাৰ বিজয়
আঁকি আঁকি মচি দিয়া
নতুবা
ঢাকি ৰখা
দুয়োঁটাই বেদনা
আৰু এটি আনন্দৰ আবেলি
বিদায় বেলাত
এচুমা দুচুমাকৈ উপচি পৰে
শান্ত আকাশ
দুহাত প্ৰসাৰি সূৰ্য্যলৈ চোৱা
আকাশ
বেদনা নহয়
আৰু নহয়
ভাঙোতাৰ আশ্ৰয়

# অনাত্মীয় সময়ৰ কবিতা

**শ্ৰীবিনয় চলিহা**
স্নাতক দ্বিতীয় বাৰ্ষিক ( কলা )

আজি বহুদিন হ'ল ......
কোনেও সোধা নাই মোক, মোৰ কুশল সংবাদ
হয়তো লগ পালেই, সুধিলেই ক'ম
'আছো আৰু'
একেটাই মাথো সহজ উত্তৰ

□ □ □ □

আজি বহুদিন হ'ল ......
জোনাকত বহি গীত গোৱা নাই –
জোনাকৰ মায়া চাই
ভয় হয়, জানোচা উজাগৰী ৰাতিৰ জোনাকৰ দৰেই
জীৱনটোও ছন্দহাৰা হৈ যায়

□ □ □ □

আজি বহু দিন ......
তৰালিৰ সতে –
গোপনে, কথা পতা নাই
বুকুৰ কথাবোৰো যদি
তৰালিৰ চকুপানীৰ দৰেই হৈ যায়

□ □ □ □

আজি বহুদিন হ'ল ......
মোৰ বুকুৰ ভিতৰখন, খেপিয়াই চোৱা নাই
ভয় হয়, জানোচা
বুকুৰ ভিতৰৰ তেজাল কলিজাখন
কেনেবাকে হেৰাই যায়
অনাত্মীয় সময়ৰ সতে ............



# অনাত্মীয়

**মঃ ফাইজুৰ ৰহমান চহৰীয়া**
একাদশ শ্ৰেণী
উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক

কি নো অনাত্মীয় কাল
দোকমোকালিতে ঢলি ঢলি পৰে
ভৰ দুপৰৰ বেলি

ফুলৰ পাহিত তেজৰ দাগ
ডালতে নিথৰ পখী

আঃ কি যে অনাত্মীয় কাল

শইচৰ সুঘ্রান ক'তনো হেৰাল
নদীৰ বুকুৰ পানী
বন্ধুৰ বুকুত হৃদয় নাই
শিশুৰ মুখত হাঁহি

হে সুজান !
এতিয়া কেৱল দুঃসময় আকাল আত্রানি



# বিষ্ণু ৰাভা, তুমি আহিবানে ?

শ্ৰীচক্ৰধৰ ডেকা
স্নাতক প্ৰথম বাৰ্ষিক ( কলা )

বিষ্ণু ৰাভা !
তুমি আকৌ নামি আহা,
জোনৰ দেশৰ পৰা
তুমি যোৱাৰে পৰা
আজি এই পূণ্যভূমিও
অশান্তৰা ।
তোমাৰ জাগ্ৰত চেতনাৰ গোন্ধে
আমোলিত হৈ উঠিছিল,
এই অসমখনে ।
বিষ্ণু ৰাভা !
তুমি আকৌ আহা
অসংখ্য তৰালিৰ মাজত
তুমি আকৌ জোনটি হোৱা
নিশাৰ তৰাবোৰে
আজি যে
পোহৰ বিলাব পৰা নাই ।
তোমাৰ শুভ্ৰ জ্যোতিৰে
আকৌ গোটেই ধৰাখনিকে
আলোকিত কৰি দিয়া ।
বিষ্ণু ৰাভা !
তুমি আকৌ আমাৰ
নিস্তেজ চকুবোৰ
মেলি দিয়া
ক'লা ঘুমতীয়া আন্ধাৰ দূৰ কৰা ।
তেতিয়া তোমাৰ চলন্ত
তুলিকাৰ বোলবোৰে
আকৌ কামত লাগিব ।
বিষ্ণু ৰাভা !
তুমি আহিবা
আহিবাই ।
ক'লা ডাৱৰৰ অৱয়ৱ
দূৰ কৰিবা
কৰিবাই ।
তোমাৰেই একান্ত অপেক্ষাত
সেয়ে; তুমি
আহিবাই ।



# জীৱন নদীৰ গীত

শ্ৰীচিত্ৰধৰ নাথ
স্নাতক প্ৰথম বাৰ্ষিক ( কলা )

(১)
জীৱনটোৰ আন এটা নাম নদী
সুখ দুখৰ নল খাগৰি সাৱটি
বৈ যায় নিৰবধি ।

(২)
তোমাৰ দুচকুত
আকাশ কঁপোৱা বিজুলী
সাহসেৰে মূৰ তুলি চালো
লুইতত উটি গ'ল হৃদয় মাজুলী ।

(৩)
তোমাৰ মৰম
মিচিকি হাঁহি
যেন গকুলৰ
মুৰুলীৰ বাঁহী ।

(৪)
তোমাৰ মাত অতিকে সুৱদী
তাতে লুকাই আছে
প্ৰেম অমৃতৰ নদী ।

(৫)
জীৱনটোত নোপোৱাখিনি
থাকক বাকী
ভুলখিনি লৈ যোৱা
দুহাতে সাৱটি ।

(৬)
ক্ষুধা আৰু কামনাৰ
ৰথত উঠি
মই কৰোঁ অনন্তলে গতি,
মাজ বাটতে কাল অমানিশাই
আছে দেখো
বাট ভেটি ।

# আমাক এডাল সাঁকো লাগে

শ্রীটংকেশ্বৰ বৰুৱা
স্নাতক, দ্বিতীয় বাৰ্ষিক ( বিজ্ঞান )



আমাক এডাল সাঁকো লাগে
ভাতৃবধৰ যজ্ঞত সৃষ্টি হোৱা
তেজৰ নৈখন পাৰ হ'বলৈ,
আমাক এডাল সাঁকো লাগে
দূৰৰ ৰিণিকি ৰিণিকি দেখা
গাঁওখনলৈ যাবলৈ
আমাক এডাল সাঁকো লাগে
গাঁওখনলৈ আমি যাবই লাগিব
যজ্ঞভূমি মষিমুৰ কৰি
ৰোধিবই লাগিব সেই শোণিত নদী
সাঁকোডাল আমিয়েই সাজিব লাগিব
আমাৰ শ্ৰমেৰে
আমাৰ চেতনাৰে ।





# আহ্বান

শ্ৰীৰূপালী ডেকা
স্নাতক ১ম বাৰ্ষিক ( কলা )

উৰুঙা বতাহজাকে আহ্বান কৰিলে
মোক সেই বোৱতী নদীৰ
মাজেৰে বোৱাই নিয়া ।
যিয়ে তেজত বিৰিঙি থকা
ৰক্তিম আভাবোৰ চিনিব পাৰে
হিংসাক আশ্রয় নিদি
যিয়ে সত্যনিষ্ঠতাক সাৱটি লয়
সেই পথেৰে মোক নিয়া বোৱাই
পথত লগ পোৱা সহযাত্রী
সকলোৰে সেই একেই সমস্যা ......
এখনি বস্ত্র, এমুঠি অন্ন
হাঁহাকাৰ কৰি উঠা
হেজাৰ শিশু, মানুহৰ ছবি
বাস্তৱৰ নিষ্ঠুৰতাই উৰুঙা বতাহজাকক
নোৱাৰে ভেটিব ।
সৎসাহস, সৎচিন্তাই তাক
নিব আগুৱাই ॥

# আগমণিৰ ঘাট

শ্ৰীদিলীপ কুমাৰ নাথ
স্নাতক তৃতীয় বাৰ্ষিক ( বিজ্ঞান )

দুপৰ ৰাতিৰ আকাশলৈ
মূৰটো দাঙি চালো
বসন্তৰ আগমণিত
শুকান ডালত লাগি ৰল
কলংকিত চন্দ্ৰা ।
চহাৰ পথাৰৰ মেঘৰ চপৰাবোৰে
তাতেও ধৰিছে আগচি
বসন্ত জানো
আহে নে নাহে !





# আহত সময়

শ্রীনগেন্দ্র নাৰায়ণ বৰুৱা
স্নাতক তৃতীয় বাৰ্ষিক ( কলা )

দেৱতাৰ মন্দিৰত
দানহৰ মহাভোজ
থাপনাত তেজৰ নৈবেদ্য
যুদ্ধৰ আখৰাত
কৱিতা নিখোজ হয়
বাটে ঘাটে
আইতাৰ প্ৰাণখোলা
তেজাল হাঁহিত
চিৰাল ফাট
মহানুভৱতাত
বিহ মেটেকা ফুলৰ সমাহাৰ
ভগা পঁজাৰ দুৱাৰত টুকুৰিয়াই
সময় থমকি ৰয়
অৰ্ধগলিত দেহৰ নগ্নতাত
মৌনতাত –
কেইটামান বোবা উচুপনিত
হেৰাই যায়
সমস্ত সত্বা
সময়ৰ !!



# সাম্প্ৰতিক

শ্ৰীনীনা বৰুৱা
স্নাতক তৃতীয় বাৰ্ষিক ( কলা )

ৰঘুমলাৰ জৰায়ুত বন্দী
ৰক্তিম সূৰ্য্যৰ
চেতন প্ৰবাহ
উঁই হাফলুৰ জড়তাৰে
জন্মিয়াই পৰে
খৰালিৰ শূন্যতা
অতীত সনা পথাৰৰ বাটে বাটে
সোণাৰুফুলীয়া
সপোনৰ থোকে থোকে
প্ৰতিশ্ৰুতিত প্ৰজ্বলিত
বঞ্চনাৰ নীলাভ শিখাত
পুৰি যায়
নৃত্য চপল জুৰি নিজৰাৰ
আসঞ্জনশীল ৰূপময়তা
ইয়াত এতিয়া মানুহ নাই
কৃপন প্ৰেমৰ অঞ্জলি লৈ
পদূলিয়ে পদূলিয়ে
সোমাই পৰে
ঘাতকৰ দল



# সংস্কৃতিৰ মহান গীত

কুমাৰী নিৰুপমা শইকীয়া (ৰঞ্জু)
স্নাতক দ্বিতীয় বাৰ্ষিক

ন সুৰুযৰ নৱ আভাৰ
ৰক্তিম শিখৰত
সৃষ্টিয়ে পিন্ধালে
সুৰুযৰ নৱ নৱ
আলোক নৃত্যৰ
নতুন পোছাক
জ্যোতিৰ স্বদেশৰ
বন্তি গছিৰে
কৰিলে জীৱন ধন্য
চিৰ জ্যোতিষ্মান
চিৰ সুন্দৰ
ন সংস্কৃতি ।
সংস্কৃতি আমাৰ
নতুন যুগৰ
কৃষ্টি আমাৰ
নতুন ৰঙৰ
সকলোৱে মিলি
গাই যাওঁ আমি ।
নতুন যুগৰ
নতুন সপোনৰ
নৱ কল্লোলৰ
এক চিৰ জাগ্ৰত
অসমী আইৰ
মহান গীত ॥





# শৃংখল মুক্তি

ৰত্না বৰুৱা
স্নাতক দ্বিতীয় বাৰ্ষিক ( কলা )

আজি শুনিলো
প্ৰথম কেতেকীৰ মাত
গছৰ কুঁহিপাতে মোক
গান শুনালে
প্ৰেমৰ নতুন গান ।
পলাশ ফুলিছে
উতলা ফাগুনীয়ে
'বা' দি ক'লে
হিয়াৰ দুৱাৰ মোৰ
খোল খালে
বন্ধ কমত মোৰ
হিয়াৰ গানে গুজৰি গুমৰি
মুক্তি বিচাৰে ।



# গল্প

''আধুনিক জীৱনৰ লক্ষ্য হ'ল দ্ৰুততা । এই জীৱনত আদৰ্শ আৰু আবেগবোৰ পাহাৰৰ দৰে দ'ম বান্ধি গাড়ীত নিবৰ সময় নাই । মানুহৰ মনৰ জগতখনত কুৰিশতিকাৰ সমস্যাই যি উখল মাখল লগাইছে — তাক কলাৰ বাস্তৱৰূপত প্ৰকাশ কৰিব ... বিভিন্ন ক্ষেত্ৰৰ সাহিত্যিক সকলে । আজিৰ মানুহৰ মনে “মোক এটি গল্প কোৱা” বুলি হাবাথুৰি নেখায়—মানুহৰ মনত আজিৰ-প্ৰশ্ন হৈছে—সমস্যা । গল্পৰ এই সমস্যাৰ মনোবৈজ্ঞানিক বিশ্লেষণৰ ৰূপ মানুহৰ পাথেয় কৰি দাঙি ধৰে ।

## গল্প শিতানত আছে ঃ—


* পুত্ৰ কন্যা পৰিবাৰ — অধ্যাপক, বিচিত্ৰ কুমাৰ মেধি ॥ ১ ॥
* আৰু এজাক নিগনি ওলাইছে — শ্ৰীঅৰুণ কটকী ॥ ৫ ॥
* এজন দুৰ্বল মানুহৰ কথাৰে — শ্ৰীজ্যোতিময় শৰ্ম্মা ॥ ৮ ॥
* কুকুঁহা — শ্ৰীমতী নিৰ্ম্মালী ডেকা ॥ ১১ ॥
* নতুন পথৰ সন্ধানত — শ্ৰীদেৱজিৎ বৰুৱা ॥ ১৩ ॥
* উদ্গীৰণ — শ্ৰীগনেশ ডেকা ॥ ১৭ ॥



# পুত্ৰ কন্যা পৰিবাৰ

— অধ্যাপক বিচিত্ৰ কুমাৰ মেধি

তোমালোকে হাঁহিছা বুঢ়াই কন্দা দেখি। বুঢ়ীজনী ঢুকাল। ডেকা লৰা তিনিজনকৈ, তিনিজনী বোৱাৰী, নাতি-নাতিনীয়ে কিছু সময় কান্দিলে; তাৰ পাছতেই ভাগে ভাগে কামত ব্যস্ত হৈ পৰিল। চিতা সজোৱা, মিতিৰ কুটুমক খবৰ দিয়া, শ্ৰাদ্ধৰ যা-যোগাৰ কৰা কতবোৰ কাম। অথচ বুঢ়াই হিয়া ঢাকুৰী কান্দিলে; ইজন পুতেক আহিল, বুঢ়াক সান্ত্বনা দিলে — "দেউতা, মা ভালে ভালেই পাৰ হৈ গ'ল। বেছি কষ্ট খাবলগীয়া নহ'ল।"

সিজন আহিল "দেউতা, মাৰ জীৱনত একো কামেই অসম্পূৰ্ণ হৈ নাথাকিল। ছোৱালী আটাই কেইজনী ভাল ঘৰলৈ দিলে। সকলো কেইজনী বোৱাৰীৰ সেৱা শুশ্ৰূষা পালে, ঠিক বয়সতেই মা স্বৰ্গলৈ গ'ল। এতিয়া আৰু দুখ কৰিলে আপোনাৰহে কষ্ট হব।"

তোমালোকে দূৰৈৰ পৰা ফিচিঙা ফিচিঙি কৰি হাঁহিছা। ভাবিছা এই বুঢ়াৰ নিজৰেই যোৱাৰ সময়, বুঢ়ী গ'ল ভালে ভালে; অলপ দুখ কৰিলে— বচ। ইমান হিয়া ঢাকুৰী সৰু লৰাৰ দৰে কান্দিবলৈ কিহে পাইছে?

বুঢ়াৰ কথা তোমালোকে চিন্তা কৰা নাই কোনোদিনে। চিন্তা কৰিবলৈ ইচ্ছাও নাই তোমালোকৰ। যিখিনি চিন্তা কৰা, সেয়া কেৱল বুঢ়াৰ বদনাম। বুঢ়াৰ পৰকিতি লৰিছে, বুঢ়াৰ অমুক, বুঢ়াৰ তমুক।

তোমালোকে কোৱা—বুঢ়াৰ নাই কি? লৰা-ছোৱালী নাতি-পুতিৰে ভৰা সংসাৰ। চাকৰি থকা লৰা, বুঢ়াৰ নিজৰো পেন্সন, পথাৰৰ ধান, পান-তামোলৰ প্ৰকাণ্ড বাৰী। অভাৱ কিহৰ?

সঁচা কথা। খোৱা বোৱাৰ বাবে বুঢ়াৰ অভাৱ নাই। জী-জোৱাই পুতেক-বোৱাৰীয়েক নাতি-নাতিনীৰে ভৰা সংসাৰ। এই ভৰা সংসাৰৰ মাজত বুঢ়াৰ অভাৱ ক'ত তোমালোকে চিন্তা কৰা কেতিয়াবা? নোৱাৰা চিন্তা কৰিবলৈ। সিমান খিনি চিন্তা কৰিব নোৱাৰা বাবেই তোমালোকে আজি ফিচিঙা ফিচিঙি কৰি বুঢ়াক হাঁহিছা কাৰণ, বুঢ়ীৰ মৃত্যুত বুঢ়াই সৰু লৰাৰ দৰে কান্দিছে।

এই যে বুঢ়াজন, এসময়ৰ এচ, ডি, অ' অফিচৰ হেডক্লাৰ্ক বিতোপন বৰবৰা। অফিচৰ কাম-কাজ নিয়াৰিকৈ চলাই সকলোৰে সমীহ আদায় কৰা বিতোপন বৰবৰাই ঘৰখনো গঢ়ি তুলিছিল বিতোপনকৈ। ঘৰৰ কাম কাজত একানপতীয়াকৈ সহযোগ কৰিছিল পত্নী শেৱালিয়ে। বিতোপন বৰবৰাৰ বাৰী-ঘৰৰ সকলো দায়িত্ব নিয়াৰিকৈ কৰিও লৰা-ছোৱালীৰ সকলো জঞ্জাল মাৰিছিল শেৱালিয়ে। ক্ৰমে লৰা ছোৱালী ডাঙৰ হ'ল। পঢ়া-শুনা শেষ কৰি লৰাহঁতে নিজৰ ঠাইতেই চাকৰি যোগাৰ কৰি ললে। বিতোপন বৰবৰাৰ লৰাৰ বাবে চাকৰিৰ সমস্যা নাছিল। একেদৰেই নাছিল ছোৱালীহঁতৰ বিয়াৰ সমস্যা। ভাল ঘৰৰ লৰাৰ সৈতে ছোৱালীহঁতৰ বিয়া হৈ গ'ল। কাৰণ— সেই ছোৱালী বিতোপন বৰবৰাৰ। পঢ়া-শুনা হাতৰ কাম সকলোতে লেখত লবলগীয়া আছিল ছোৱালীহঁত।

এইবোৰ কথা তোমালোক সকলোৱে জানা। নাজানা যিখিনি, অথবা জানিও নজনাৰ ভাও ধৰিছা—সেইখিনি শুনা।

পেন্সন পোৱাৰ পাছৰে পৰা ক্ৰমে বিতোপন বৰবৰাৰ কি হ'ল ভাবি চাইছানে? ইমান ব্যস্ত অফিচ এটাত জীৱনৰ সৰহভাগ সময় চাকৰি কৰি নিজৰ জীৱনটোকেই ৰুটিন কৰি পেলোৱা বিতোপন বৰবৰাৰ মনৰ অৱস্থা কি হৈ আছিল? তোমালোকে জানানে এদিন এদিনকৈ বিতোপন বৰবৰাই ঘৰখনৰ ওপৰত থকা অধিকাৰ সমূহ হেৰুৱাই আছিল। পথাৰৰ কাম-কাজ চাবলৈ লৰাহঁতে বাধা কৰিলে, য'তে ত'তে ঘূৰি ফুৰিলে সিহঁতে বেয়া পায়। ঘৰখনতো একো এটা কৰিবলৈ সুচল নাই। চাকৰ নাকৰে ভাত-চাহ বান্ধে। বোৱাৰীহঁতে সজাই পৰাই দিয়ে। বাৰী ঘৰত ক'ৰ ক'ৰ মানুহ লগাই কাম কৰায়। পুৰণি ঘৰবোৰ নতুনকৈ সজোৱা, নতুন নতুন আচবাব, স্কুটাৰ, টিভি, ফ্ৰিজ অনা, এই সকলোবোৰ লৰাহঁতে কৰে। প্ৰথম অৱস্থাত দুই এটা কথাত লৰাহঁতে বিতোপন বৰবৰাৰ দিহা-পৰামৰ্শ লৈছিল, কেতিয়াবা তেওঁৰ আপত্তিত হয়তো কোনোটো কাম কৰা হোৱা নাছিল।

ক্ৰমে ল'ৰাহতে বিতোপন বৰবৰাক কথা সুধিবলৈ কমাই দিলে আৰু অৱশেষত একোৱেই নোসোধা হ'ল।

জানানে, পূৰণি তামোলৰ বাৰীখনৰ এটা অংশ যথে মথে কাটি যেতিয়া নতুন পকীঘৰ মাজু লৰাটোৱে আৰম্ভ কৰে বৰবৰাই দুখ কৰিছিল। লৰায়ো ভেকাহি মাৰি দেউতাকক কৈছিল "এই হাবি জংঘলবোৰ আঁতৰাই ভালঘৰ এটা বান্ধিবলৈ লৈছো, তাতনো আপত্তি কৰে কিয় ?"

ঘৰ বন্ধাত তেওঁ জানো আপত্তি কৰিছিল ? কিন্তু এবাৰ তেওঁক সুধিপুছি লোৱা হলে তাৰনো কি ক্ষতি হ'লহেতেন ?

বয়স বাঢ়ি আহিল বিতোপন বৰবৰাৰ, শেৱালিৰ। বাহিৰ ওলালেই ৰাষ্টাৰ মানুহে কিবা অজুহাতত খবৰবকৈ খোজ পেলায়, বৰবৰাই জানোছা কিবা কথা কয় সেই আশংকাত। লগ ভাগ নাই কিয়া হৈ আহিল। চুবুৰীৰ মানুহবোৰৰ মাজত বিতোপন বৰবৰা 'বুঢ়া' হিচাপেই চিহ্নিত হ'ল, বৰদেউতা-খুৰা সম্বোধনেৰে নহয়।

তোমালোকে জানা, নিজৰ ঘৰৰ মানুহখিনিৰ বাবেও বিতোপন বৰবৰাৰ চিনাকি 'বুঢ়া' হিচাপেই আৰম্ভ হব ধৰিলে। বুঢ়াই সকলো বুজে, কিন্তু কিবা কোৱাৰ অধিকাৰ হেৰুৱাই পেলাইছে বাবেই তেওঁ আজি কালি কাকো একো নকয়।

নহয়, কথাটো সঁচা নহয়। বুঢ়াই কাকো একো নকৰ কিয় ? কবলৈ যিজন থাকিল সেয়া হ'ল পত্নী শেৱালি, তোমালোকৰ ভাষাত "বুঢ়ী"।

এই বুঢ়ীৰ লগতেই পুৱাৰ পৰা বুঢ়াৰ খুত-খাত লাগি থাকে। বুঢ়াক সময় মতে চাহ দিয়া হৈছে নে নাই— সেয়া বুঢ়ীৰ দৈনন্দিন কামৰ ভিতৰত। সময়ত ভাত খাইছেনে নাই ? ঔষধ খাবলৈ থাকিল নেকি ? গেঞ্জিটো ফিচিকিছে, নতুন এটা আনিব লাগিব, গা ধুই চোতালৰ তাঁৰত মেলি দিয়া চুৰিয়াখন চপাই আনি জাপি ৰখা, এইবোৰ বুঢ়ীৰ কাম। গোটেই দিনটোৰেই আহৰি সময়। কোনোবা সময়ত বুঢ়া-বুঢ়ী একেলগে বহি কথা পাতে। বুঢ়াৰ চুলি গোটেই পকিছে—বুঢ়ীয়ে কয়। বুঢ়াই কয়— বুঢ়ীৰো দাঁত ভালেকেইটা সৰিল। এইবোৰ কথা পাতি থাকোতেই সৰু সুৰা কথাতে বুঢ়া-বুঢ়ীৰ তৰ্ক আৰম্ভ হয়। মাজে মাজে কাজিয়া। দুই এদিন দুয়ো দুয়োকো মুখ গোমোঠা কৰি দেখুৱায়। আকৌ দুয়ো একে লগ হৈ সুখৰ দুখৰ কথা পাতে।

লৰাইতৰ আহৰি নাই বুঢ়া-বুঢ়ীৰ সৈতে কথা পাতিবলৈ। বিহু-পূজাত প্ৰত্যেকেই কাপোৰ একোসাজ দুয়োজনকে দি যায়। বুঢ়া-বুঢ়ীৰ ট্ৰাঙ্ক ভৰি আছে নতুন নতুন কাপোৰেৰে। প্ৰত্যেকেই বজাৰ সমাৰ কৰি আনে ভালকৈ, যাতে খোৱা বোৱাত কষ্ট নহয়। কেনেবাকৈ যদি গম পায় বুঢ়াই উশাহ লোৱাত কষ্ট পাইছে, অথবা বুঢ়ীয়ে কঁকালৰ বিষত কেকাইছে কোনোবাটো পুতেকে ডাক্তৰ মাতি আনি দেখুৱায় লগে লগে, ঔষধৰ পেকেট বটলে বুঢ়া-বুঢ়ীৰ শোৱা কোঠা শুৱনি কৰে।

তোমালোকৰ দৃষ্টি ঠিক ইমান পৰ্য্যন্ত। বুঢ়া-বুঢ়ীয়ে ঠিকমতে খাইছে-পিন্ধিছে, অসুখত দৰৱ পাতি পাইছে, পুতেকহঁতৰ পৰা বুঢ়া-বুঢ়ীয়ে আৰু কি আশা কৰে ? তোমালোকে নুবুজিবা নিঃসঙ্গ জীৱন এটাৰ প্ৰয়োজন কি কি ? বৃদ্ধ বয়সত এটি এটিকৈ সম্পদ হেৰুৱাই আহি অৱশেষত পুত্ৰ-পুত্ৰবধূ নাতিৰ ওচৰত, অধিকাৰ হেৰুওৱাৰ বেদনা কি ?

বহু কিবা হেৰুওৱাৰ পাছতো বুঢ়াৰ শেষ বয়সৰ আশ্ৰয় স্থল আছিল সেইজনী বুঢ়ী। এই বয়সত সুখৰ দুখৰ কথা এটি পাতিবলৈ বুঢ়ীৰ বাহিৰে বুঢ়াৰ আছিলেই বা কোন ? বুঢ়াৰ গোটেই জীৱনৰ লগৰী হৈ অহা সেইজনী বুঢ়ী, মৃত্যুৰ আগমুহূৰ্ত্ত পৰ্য্যন্ত বুঢ়াৰ আনন্দ-বিষাদৰ সঙ্গী হৈয়েইতো আছিল। কাজিয়া কৰিবলৈ বুলিওতো বুঢ়াৰ কোনোবা এজন আছিল ইমানদিনে! আজি সেই সঙ্গী, সমগ্ৰ জীৱনৰ সুখ-দুখ আনন্দ-বিষাদৰ লগৰী, ওৰে জীৱনৰ সঁচা বন্ধু এজন হেৰুওৱাৰ বেদনা তোমালোকে উপলব্ধি কৰিব নোৱাৰা। আৰু উপলব্ধি কৰিব নোৱাৰা বাবেই এনে এটি শোকৰ মুহূৰ্ত্ততো বুঢ়াক হিয়া উজাৰি কান্দিবলৈ তোমালোকে দিব খোজা নাই। তোমালোকৰ দৰে বুঢ়াৰ পুতেকহঁতো ব্যস্ত হৈ পৰিছে বুঢ়াই যাতে নাকান্দে, দুখ নকৰে।

বুঢ়াই নাকান্দিব কিয়! বুঢ়ীৰ অসুখৰ সময়ত কষ্ট হব বুলিয়েইতো তোমালোক আটায়ে মিলি বুঢ়ীৰ ওচৰত বুঢ়া থাকিব নোৱাৰা কৰিছিলা। চিৰ জীৱনৰ লগৰীজনী মৃত্যু শয্যাত পৰি থকা দেখিও বুঢ়াই বুঢ়ীৰ কপালত

হাত বুলাই এবাৰ কথা সুধিবলৈ নেপালে, চকুত চকু থৈ মৰমৰ চকুলো এটোপাল টুকিব নোৱাৰিলে। শেষ মুহূৰ্ত্তত বুঢ়ীয়ে জানোছা বুঢ়াক কিবা কব বিচাৰিছিল, হয়তোবা বুঢ়াৰ সোতোৰাপৰা হাতখন বুঢ়ীয়ে নিজৰ খহতা হাতৰ মুঠিত লৈ চকুলো টুকিব বিচাৰিছিল। দিছিলা তোমালোকে সামান্য সময় বুঢ়া বুঢ়ীক নিৰলে? ওৰে জীৱনৰ কোৱা আৰু নোকোৱা অলেখ কথা অশেষ কাহিনীৰ স্মৃতিচাৰণ কৰিবলৈ তোমালোকেতো বুঢ়া বুঢ়ীক শেষ সুযোগটোও নিদিলা। তোমালোকে জানিছিলা বুঢ়ীৰ শেষ সময় উপস্থিত, কিয়, তেন্তে কিয় শেষ বাৰৰ বাবে বুঢ়াক অকণমান সময় নিদিলা বুঢ়ীক চাবলৈ, বুঢ়ীৰ কাষত নীৰৱে বহিবলৈ, বুঢ়ীক এবাৰ মাত লগাবলৈ?

তোমালোক স্বাৰ্থপৰ, অতি স্বাৰ্থপৰ। তোমালোক মূঢ়। তোমালোক প্ৰবঞ্চক। ইমান খিনি কৰিও তোমালোকে বুঢ়াক শেষ অধিকাৰৰ পৰা বঞ্চিত কৰিবলৈ বিচাৰিছা। জীৱনৰ লগৰী, শেষ বয়সৰ অকৃত্ৰিম সুহৃদ জনৰ মৃত্যুত তোমালোকে সেই বুঢ়াজনক হিয়া ঢাকুৰী কান্দিবলৈকো নিদিয়া, দিব নোখোজা। বুঢ়াৰ সেই অধিকাৰকনো টানি আজুৰি নিবলৈ তোমালোক প্ৰস্তুত।

কিন্তু বুঢ়াই আজি কান্দিব। তোমালোক সকলোৰে বুজনি সমবেদনা অথবা ভেঙুচালি আওকান কৰি বুঢ়াই চিঞৰি চিঞৰি কান্দিব, সৰু লৰাৰ দৰে।

মই ইমানখিনি কথা তোমালোকক কব লগীয়া হৈছে, তোমালোকে মোক নুসুধিবা, বুঢ়াৰ মনৰ কথা মই জানো কিদৰে। মই জানো, মই বুঢ়াৰ মনৰ প্ৰতিটো কথাৰেই খবৰ পাওঁ। পোৱা-নোপোৱা খং-দুখ হাঁহি, বুঢ়াৰ জীৱনৰ প্ৰতিটো ক্ষণৰ কথাই মই জানো, মই উপলব্ধি কৰো। কাৰণ? শুনা তোমালোকে, ময়েই সেই বিতোপন বৰবৰা।

□□





# আৰু এজাক নিগনি ওলাইছে

শ্ৰীঅৰুণ কটকী
স্নাতক মহলা,
দ্বিতীয় বাৰ্ষিক (কলা)

ঃ বাপুধন, ঐ বাপুধন ;
ঃ গৈছো দেউতা !
ঃ কিবা লাঠি-চাঠি এডাল লৈ আহ ইয়াত এটা নিগনি ওলাইছে ।

ঃ দেউতা নিগনিটো ক'ত ?

ঃ সেইটো ! ৰবৰৰ হাতীৰ দাঁত দুটাৰ মাজত থকা জাকৈ খালৈ যোৰৰ ওচৰত। লাহে লাহে যাবি। মাৰিব লাগিব কিন্তু। নহলে সি জাকৈ খালৈ যোৰ কুটি পেলাব।

ৰবিবাৰ! পুৱাতে নৰনাৰায়ণে প্ৰতীক ৰুমটো চাফা কৰি আছিল। এনেতে দেখিলে এটা নিগনি, নিগনিটো নৰণাৰায়ণৰ দেউতাক দেৱ নাৰায়ণ পণ্ডিতে নিজহাতে বনাই থৈ যোৱা জাকৈ খালৈ যোৰৰ ওচৰতে উঠিছিলহি। বেচেৰাটোৱে হয়তো কৰবাত বাহ বান্ধিছে। পোৱালি দিব লাগিলে বৰ জটিল সমস্যাই হ'লহেঁতেন, ভাল নিগনিটো ধৰা পৰিল ; নহলেতো দেৱ নাৰায়ণলৈ সন্মান জনাই দৈনিক ধূপ এডাল দিবলৈয়ে বস্তু এটা নাথাকিল হয়।

আজি কমেও তিনিকুৰি বছৰ হ'ল এই জাকৈ খালৈ যোৰৰ। এই যোৰ হেনো দেৱ নাৰায়ণে বিয়া হোৱাৰ এবছৰ আগতে গৰম দিনৰ আবেলি বন্ধু সকলৰ সতে সোনাৰু গছৰ ছাঁত বহি বনাইছিল আৰু শোৱন কোঠাৰ এচুকত আঁৰি থৈছিল।

মানুহজন ছাগে বৰ সহজ-সৰল, অতি কষ্ট কৰিব পৰা বিধৰ আছিল। তেওঁৰ হাত দুখনো ছাগে বৰ ভাল আছিল— ইমান সৰু সৰুকৈ জাকৈ-খালৈ যোৰৰ দৈবোৰ তুলাইছিল ; ইমান মিহি। এতিয়াচোঁন বৰ আচৰিত আচৰিত লাগে। তেওঁৰ বন্ধুবোৰো ছাগে তেওঁৰ দৰে সহজ সৰল আৰু অতি কষ্ট কৰিব পৰা আছিল।

সময় আহিল, বয়স হ'ল দেৱনাৰায়ণ ঢুকাল। কিন্তু বৈ গ'ল পুৰণি ভঁড়ালটোৰ বেৰত এই জাকৈ খালৈ যোৰ। সময়ৰ দ্ৰুতগতিত ভড়ালটোও ভাগি এটা নতুন ভঁড়াল পাতিবৰ হ'ল। ভড়াল ভাগিবলৈ মানুহ আহিল। নৰনাৰায়ণৰতো সময়ে নাই। কাছাৰীত কাম কৰা মানুহ, সেয়ে চাৰিজন মানুহ ভঁড়াল ভাগিবলৈ লগাই থৈ নৱ-বিবাহিতা পত্নীক কামৰ তদাৰকৰ ভাৰ দি নৰনাৰায়ণ কাছাৰীলৈ গ'ল।

ঃ আইদেউ, এইবোৰ পেলাই দিমনে ?

ঃ কিনো !

ঃ আকুতিত এযোৰ জাকৈ খালৈ, এটা ঘুণে খোৱা ব-চুঙা, আন এখন বাঁহৰ চলং !

ঃ চাওঁ ৰবা মই গৈ আছোঁ।

ভড়াল ভাগিব অহা চতকা কামেশ্বৰে বস্তু কেইপদ আনি নৰনাৰায়ণৰ পত্নীক দেখুৱালে। তেওঁৰো যেনিবা ভাল লাগিল জাকৈ-খালৈযোৰ আনি থলে পাচলিৰ খৰাহিটোৰ ওচৰত। পাকঘৰত।

সময়ৰ কোৱাল ঢৌ কিন্তু নোষোৱাকৈ থকা নাই। পাকঘৰৰ ইটো চুকৰ পৰা যিটো চুক, সিটো চুকৰ পৰা ইটো চুক বাগৰোতেই কমেও আঠটা বছৰ পাৰ হল। ভাগ্য ভাল পাচলি থোৱা খৰাহিটোৰ তলত এখন পিৰা পৰা আছিল। তথাপি জাকৈ খালৈ যোৰত উই পোক লাগিল।

আৰু ইফালে নৰনাৰায়ণৰ ডাঙৰ লৰা চন্দ্ৰ নাৰায়ণেও তাৰ "বালিভাত" খেলৰ আমোদ বঢ়াবলেই বহুদিন পাকঘৰৰ কোনত এনেয়ে পৰি থকা জাকৈ-খালৈ যোৰ উলিয়াই নি বাৰীৰ পিছ পোৱাইছিল ; তাৰ পৰা আকৌ ৬-৭ বছৰীয়া পুতুলী আইদেৱে বৰলুইতত জাকৈ মাৰিব গৈ জাকৈ-খালৈ যোৰ সিহঁতৰ ঢেঁকীশাল পোৱালে। গ'ল তেনেকৈয়ে কিছুদিন। পিছত যেনিবা চন্দ্ৰ নাৰায়ণে সিহঁতৰ ঘৰত জাকৈ খালৈ যোৰ দেখি মাকক লগালেহি, বোলে পুতুলী চুৰুণীয়ে সিহঁতৰ জাকৈ খালৈ যোৰ চুৰি কৰিছে। চন্দ্ৰ নাৰায়ণ আৰু পুতুলীৰ কাজিয়াখন কিন্তু মাকে হবলৈ নিদিলে, মাকেই জাকৈ-খালৈ যোৰা পুতুলীহঁতৰ ঢেঁকীশালৰ পৰা বুটলি আনি চন্দ্ৰ নাৰায়ণক দিলে।

নৰনাৰায়ণৰ পছুলি মুখৰ নতুনকৈ বনোৱা ছুটা কোঠাৰ ঘৰটো ওলোৱা আজি বেছি দিন হোৱা নাই। ঘৰটোত এটা আহল-বহল প্ৰতীক ৰুমো বনাইছে। পত্নীৰ কথাষাৰ ৰাখিহে পিছে নৰনাৰায়ণে প্ৰতীক ৰুমটো বনালে। তেওঁৰ বৰ এটা মন নাছিলেই। পেচালটো পিছে এতিয়াহে হৈছে সজাই থবলৈ ষ্টেনড্ৰাৰ্ড থকা বস্তু একোৱে ঘৰখনত নাই। থাকিবনো ক'ৰ পৰা দেউতাক আছিল পণ্ডিত মানুহ, বয়বস্তু ঘটিবলৈ পইচাইবা পায় ক'ত ? ভাগ্য ভাল পিতাই বুলিব নিশিকাই যে দেউতা বুলিবলে শিকালে। নহলেতো য'তে ততেই লাজ পাব লাগিলহেঁতেন। কিবা এটা অৱশ্যে চন্দ্ৰৰ মাকে কৰিছে— চন্দ্ৰৰ মামাক হেনো কলিকতালৈ গৈছে। বায়েকেও সজাই

খোৱা কিবা-কিবি বস্তু কিনিবলৈ ছুহেজাৰ মান টকা দিছে। হওঁকদে অলপ বাহিৰৰ বস্তু নাথাকিলেছোন কিবা প্ৰতীক কম যেনেই নেলাগিব।

প্ৰায় এমাহ পাছত চন্দ্ৰৰ মামাক আহিল, কিছু সজাই খোৱা বস্তু আনিলে। স্থানে স্থানে বস্তুবোৰ নিয়াৰিকৈ সজাই খোৱা হ'ল। ভায়েকে-বায়েকে মিলি প্ৰতীক কম সজাইছে।

ঃ চিঃ আৰু কিবা এটা বস্তু অনা হলে সেই ৰবৰৰ হাতীৰ দাঁত ছুটাৰ মাজত থব পাৰিলেহেঁতেন।

ঃ অছোন কিবা উকা উকা লাগি আছে সেইখিনি।

ঃ তইঁতৰ ঘৰতনো একো এটা ভগা-ছিগা বস্তু নাইনে পুৰণি হলেই হ'লদে। লাগিলে ৰং চং কৰি দিম, নহলেছোঁন বৰ বেয়া লাগি থাকিব।

ঃ ভগা ··· চিগা ···· পুৰণি ··· ।

মনত পৰিল চন্দ্ৰৰ মাকৰ। সিদিনা চন্দ্ৰক পুতুলী-হঁতৰ ঘৰৰ পৰা আনি দিয়া সেই পুৰণি জাকৈ খালৈ যোৰ সেই যোৰকে দেখোন থব পাৰি।

ঃ ৰবিদেই ভাইটিৰ এযোৰ পুৰণি জাকৈ খালৈ আছে, পিছে ৰং কৰিৰবই লাগিব, নহলে নচলিব।

ঃ যাছোঁন লৈ আহ চাই লওঁ।

বায়েকে আনি দিলে ভায়েকক জাকৈ খালৈ যোৰ। "চলি যাব দে" বুলি জাকৈ খালৈ যোৰ ৰং কৰি নতুন কৰিলে ভায়েকে আৰু আধৰুৱা হৈ থকা ৰবৰৰ দাঁত ছুটাৰ কাষত জাকৈ খালৈ যোৰ থৈ ভায়েকে বায়েকৰ প্ৰতীক কমৰ খালী ঠাই পূৰণ কৰিলে। পিছতহে যেনিবা নৰনাৰায়ণৰ স্মৃতি ৰোমাঠন কৰি "দেউতাকৰ হাতৰ বস্তুত নিতৌ পুৱা একোডাল ধূপ দিবলৈ পত্নীক আদেশ দিলে। তেনে কৰাত অলপ লাভো হব ধৰকচোন নতুনকৈ আৰু এটা ধূপদানি কিনিব নালাগে।

গৈছেহে মাথো তেনেকৈ চাৰিটা মাহ। এতিয়াইনো আকৌ ক'ৰ পৰা সোমালহি তাত নিগনিটো, যা নহওক চতুৰ লগুৱা বাপুধনে নিগনিটো মাৰিলে। ৰক্ষা জাকৈ খালৈ যোৰ কুটিলে অলপ বেয়া লাগিল হেঁতেন দিয়কছোন! চন্দ্ৰৰ মামাকে কিমান কষ্ট কৰি ৰং চং দিছে।

কিন্ কিনিয়া ৰৰষুণ জাকে টিনত কৰা শব্দটোৰ বাবেই হয়তো নৰনাৰায়ণৰ টোপনিটো গভীৰ হোৱা নাই। এনেতে তেখেতে শুনিলে কিহবাৰ খুচ খুচ শব্দ। নৰ-নাৰায়ণে শোৱা পাতিৰ পৰা উঠি তিনি বেটাৰিৰ টৰ্চটো জ্বলাই শোৱনি কোঠাটো এবাৰ পৰীক্ষা কৰিলে, নাই একো নাই, হয়টো চন্দ্ৰইহে টোপনিতে চট-ফটাইছে। পানী এঢোক গিলি নৰনাৰায়ণে শুবলৈ ওলাইছে; এনেতে পুনৰ স্পষ্টকৈ শুনিলে খুচ খুচ খুচ এগাল শব্দ। প্ৰতীক কমটোৰ পৰা শব্দবোৰ অহা যেন তেওঁৰ অনুমান হল। নৰনাৰায়ণে পৰ্দাখন দাঙি দিলে; টৰ্চৰ পোহৰত নাৰায়ণে দেখিলে হাতীৰ দাঁত ছুটাৰ কাষত জাকৈ-খালৈ যোৰৰ ভগ্নাৱশেষ কিছু সিচঁৰিত হৈ আছে আৰু মজিয়াত এজাক ক'লা ক'লা নিগনি।

নৰনাৰায়ণো চিঞৰি উঠিল।

ঃ বাপুধন, ঐ বাপুধন দেৰি নকৰিবি বেগতে উঠ। কিবা ছুডালমান লৈ আহ,

বাপুধনে "গৈছো দেউতা" বুলি শোৱা পাতিৰ পৰা জপিয়াই উঠি কিবা ছুডালমান আনিবলৈ চোতাললৈ ওলোৱা দৰ্জাখন খুলি দিলে, সি দেখিলে ভীষণ অন্ধ-কাৰৰ মাজত চোতালত বহুত নিগনিয়ে দৌৰা-দৌৰি কৰি আছে, সিও চিঞঁৰি দিলে।

ঃ দেউতা, বাহিৰৰ চোতালটো বহুত নিগনি।

নৰণাৰায়নৰ বুকুখন কিহবাৰ ভীষণ ভয়ত থৰ থৰ কৰে কঁপি উঠিল। ৰৰষুণ জাক ক্ৰমে ক্ৰমে বেছি হব ধৰিলে। ছুই এটা শিলৰো টোকৰ শুনা গল।

□



# এজন দুৰ্বল মানুহৰ কথাৰে

শ্ৰীজ্যোতিময় শৰ্ম্মা

উচ্চতৰ মাধ্যমিক

দিনটোৰ বিৰক্তিভৰা সময়, অফিচৰ ৰুক্ষ ব্যস্ততা, টাইপৰাইটৰৰ চৰম বিৰক্তিৰ আৱাজ, ভট্টবাবুৰ কৰ্কশ স্বৰ, ষ্টেনো পাৰবীনৰ একঘেয়ামীৰে ভৰা কৃত্ৰিম চঞ্চলতা ··· । এই সকলোবোৰ অন্ততঃ এদিনৰ বাবে শেষ কৰি সুশান্ত অফিচৰ পৰা ওলাই আহিল ।

হেলোজেন, নিয়নৰ পোহৰত ডুব দিবলৈ মহানগৰীখন প্ৰায় সাজু । দিনটোৰ শেষ ৰ'দৰ টুকুৰা কেইটামানৰ অস্তিত্ব দুৰ্বল ।

সি ছিটিবাছ ষ্টপেজত ৰ'লগৈ । খন্তেক প্ৰতীক্ষাৰ মূৰত বাছ এখন আহিল । অফুৰন্ত উৎসাহেৰে মানুহবোৰ বাছখনত উঠিলগৈ । চৰম নৃশংসতাৰে কেইজনমান ডেকা ফুটবৰ্ডত কোনোমতে এখন ভৰি দি ওলমি যাবলৈ সাজু হ'ল । সি মূৰ জোকাৰিলে "নাই, নোযোৱাটোৱেই ঠিক হ'ব।" আচলতে যুঁজ বাগৰ কৰি বাছত উঠিবলৈ তাৰ শক্তিৰেই অভাৱ হয়তো ( এই কথাষাৰ অৱশ্যে সি সহজে মানি নলয় । ) জেপত থকা কেইটামান খুচুৰা পইচাৰ শীতলতাখিনি এবাৰলৈ অনুভৱ কৰি সি উপলব্ধি কৰিলে যে অন্ততঃ এই মুহূৰ্তত সি হেজাৰ হেজাৰ কিল'মিটাৰ খোজ কাঢ়িবলৈ সাজু হৈ থকা উচিত ।

সি ফুটপাথেৰে খোজকঢ়া আৰম্ভ কৰিলে । ব্যস্ত পথ । চাৰিওফালে কেৱল গতিক্ষিপ্ৰতা । প্ৰচণ্ড বেগেৰে আগুৱাই গৈছে মটৰ চাইকেল স্কুটাৰ । উদ্ধত গতিৰে মহানগৰীৰ ব্যস্ত পথেদি সন্ধিয়াটো ধাৱমান । সেই পৰিবেশতেই সি ঠিকেই দেখা পালে তাইক । খুব স্মাৰ্ট ভঙ্গীৰে সি মাতিলে "অলি" । তাৰ মুখৰ পৰা নিৰ্গত এক শব্দ তৰংগই তাইক চুলেগৈ । এক মুহূৰ্ত্তৰ বাবে তাই থমকি ৰ'ল আৰু পিছমুহূৰ্ততে এক পখিলাৰ দৰে আগুৱাই আহিব ধৰিলে মহানগৰীৰ ব্যস্ততম পথেদি । তাৰ সত্বাই তাইৰ সত্বাক সাৱটি ধৰিলে । হেলোজেনৰ হালধীয়া খিনি তাইৰ মুখত । তাইৰ সমস্ত দেহৰ ওপৰত সি লিখি দিব আৰম্ভ কৰিলে পৃথিৱীৰ আদিমতম ভাষা । সকলোৰে, আনকি মহানগৰীৰো অস্তিত্ব পাহৰি সিহত বৈ যাব খোজে কোনো প্ৰখ্যাত ভাস্কৰৰ শ্ৰেষ্ঠতম ভাস্কৰ্য্যৰ দৰে মহানগৰীৰ ব্যস্ততম পথত নাই ! সি চক খাই উঠিল । অন্ততঃ এই মুহূৰ্তত অলি সি ঢুকি নোপোৱা এক দূৰত্বত । তাৰবাবে এক চৰম বিৰক্তিকৰ চিন্তাক জোৰেৰে আতৰাই পেলাবলৈ সি প্ৰচেষ্টা চলাই থাকিল ।

ৰাস্তাত, ফুটপাথত প্ৰচণ্ড ভীৰ । যুদ্ধক্ষেত্ৰৰ সমান ব্যস্ততা অঞ্চলটোত বিৰাজমান । এনেদৰেই এদিন ব্যস্ত পথেদি বিমলেন্দুহঁতৰ মিছিল আগবাঢ়িছিল । আজি ছমাহৰ পিছতো বিমলেন্দুৰ মুখখন তাৰ ঠিকেই মনত আছে । আউল বাউল চুলি, এমুখ ভৰা ডাঢ়ি, অফুৰন্ত কৰ্মশক্তি ··· । সেই বিমলেন্দুৰনো নাছিল কি ?

শেষ নিশাহে সি মাজে সময়ে ঘৰ সোমাইছিলগৈ । প্ৰায়ে সি পুলিছৰ গাড়ীৰ শব্দ শুনি সিহতৰ ঘৰৰ পিছফালৰ বিস্তৃত পথাৰৰ পিনে দৌৰিছিল । বিমলেন্দুৱে প্ৰায়ে প্ৰত্যক্ষ কৰিছিল সি পলোৱা মুহূৰ্ত্তবোৰত মাকৰ অসহায় মুখমণ্ডল, হাতত জ্বলি থকা চাকি এটা লৈ মাকে তাৰ পিনে চাই আছিল । বতাহত চাকিৰ শিখা কপিছিল, আৰু সেই ক্ষীণ পোহৰত তেওঁৰ অস্পষ্ট অৱয়ব বিমলেন্দুৰ দৃষ্টিৰ পৰা আতৰ হৈ যাব ধৰিছিল ।

এই বিমলেন্দুকেই আজিৰ পৰা প্ৰায় ছমাহৰ আগতে মহানগৰীৰ এক কুক্ষাত গলিত মৃত অৱস্থাত পোৱা গৈছিল । তাৰ সৰ্বশৰীৰত মুঠতে বাইছটামান চুৰিৰ খোচ স্পষ্ট হৈ আছিল ।

ৰাস্তাত ভিৰ কিছু কমিছে । এখন দুখনকৈ দোকানবোৰ বন্ধ হব ধৰিছে । টহলদাৰী পুলিচ এজন ব্যস্তভাৱে আগবাঢ়িছে, প্ৰচণ্ড ভিৰেৰে ছিটিবাছ এখন গুছি গ'ল ( হয়তো নিশাৰ শেষ ছিটিবাছ ) ।

সুশান্তই পৰিবেশটো ভালদৰে চাই ল'লে । সম্ভাব্য এজাক বৰষুণৰ আগমুহূৰ্তৰ বতাহ এচাটিয়ে তাক চুই গ'ল । এতিয়া ক্লান্ত অভাৱৰ তলত থিয় দিছেহি উগ্ৰ প্ৰসাধন ধন্যা কেইগৰাকীমান তিৰোতা । গাত বিচিত্ৰ ধৰণৰ মলিয়ন শাৰী ।

সমাগত কেইঘণ্টামানৰ ভিতৰত সি ঘৰলৈ নোযোৱাটোকেই ঠিক কৰিলে । উদ্দেশ্যবিহীন ভাৱে সি খোজকঢ়া আৰম্ভ কৰিলে ।

চাৰু মামাৰ অসুখ । "এবাৰ যাব লাগিব ।" সি মনতে ভাবিলে । আস ! কি এক প্ৰচণ্ড ব্যক্তিত্বৰ গৰাকী আছিল চাৰুমামা । তেওঁৰ প্ৰচণ্ড আক্ৰমনাত্মক ব্যক্তিত্বই

প্ৰায়ে সুশান্তক বিব্ৰত কৰি পেলাইছিল । অথচ সেই মানুহজন আজি এক মন্থৰ গতিত মানৱ জীৱনৰ চৰম সত্যৰ পিনে আগুৱাই গৈ আছে। কেনেকুৱা হ'ব পাৰে বাৰু তেওঁৰ মনৰ অৱস্থা ? চাৰুমামাৰ মৃত্যুৰ পিছত সেই ঘৰখনত ভবিষ্যত পৰিণতিৰ কথা ভাবি সি প্ৰায়ে শংকিত হৈ পৰে । সুশান্তৰ কপালত ঘামৰ টোপালৰ অস্তিত্ব ক্ৰমাৎ স্পষ্টৰ পৰা স্পষ্টতৰ হ'ব ধৰে ।

বিয়াৰ বয়স কেতিয়াবাই উকলি যোৱা ছুজনীকৈ ছোৱালী সেই ঘৰখনত। এক শস্যশ্যমলা বিগত যৌৱনৰ স্মৃতি বুকুত সঞ্চিত কৰি ৰাখি সিহঁতে এতিয়াও কোনো এক সুদৰ্শন, সৰল যুৱকৰ বুকুত আশ্ৰয় কামনা কৰে। চাৰু মামাৰ মৃত্যুৰ পিছত সিহঁত হয়তো পৰিৱৰ্ত্তিত হ'ব একো একোগৰাকী কুখ্যাত বেশ্যালৈ । উগ্ৰ প্ৰসাধনেৰে, গাত বিচিত্ৰ বৰ্ণৰ মলিয়ন শাৰীৰে সৈতে সিহঁত থিব হ'বহি ক্লাই অভাৱৰ তলত আৰু তেতিয়া সুশান্তৰ সন্মুখতে কোনো কেইজনমান চেঙেলীয়া যুৱকে মাজে মাজে চিঞৰি উঠিব, "ৰূপালী পাচ টকা, নিৰ্মালী দহ টকা...... ।"

সুশান্তই তাৰ চকুৰে নামি অহা উষ্ণ জলশ্ৰোতৰ অস্তিত্ব অনুভৱ কৰিব পাৰিলে ।

নিশা হয়তো দহমান হৈছে। হেলোজেনৰ পোহৰত মহানগৰী এতিয়াও ডুব গৈ আছে। অদূৰত ক'ৰবাত সংকীৰ্ত্তনৰ ধ্বনি, চিগাৰেটৰ ধোঁৱা উৰুৱাই এজন মানুহ ব্যস্তভাৱে আগবাঢ়ে, দূৰত ক'ৰবাত কুকুৰে ভুকে, ট্ৰেইনৰ উকিৰ তীক্ষ্ণ আৱাজ, প্ৰচণ্ড বেগেৰে পাৰ হৈ যোৱা গাড়ী এখন বেকলাইটৰ ৰঙাখিনি ক্ৰমশ অদৃশ্য হব আৰম্ভ কৰে ।

কিছুমান মুহূৰ্ত্তত সুশান্তই বৰ অসহায় অনুভৱ কৰে। মাকে হয়তো তাৰ বাবে অপেক্ষা কৰি কৰি উচপিচাইছে। কাৰোবাক চৰম উচপিচনিৰ মাজত ৰাখিব পৰা সুশান্ত কাৰো বাবে অন্ততঃ বিপদজনক হব নোৱাৰে। হতাশাৰে তাৰ মন ভৰি পৰে। অথচ বিমলেন্দু এসময়ত এজন অত্যন্ত বিপদজনক মানুহ আছিল (সেই বাবেই তাক হয়তো হত্যা কৰা হ'ল)। "বিপদজনক" শব্দটোৱে তাক বহুদেৰীলৈকে খুন্দিয়াই থাকিল । সুশান্তই তাৰ দুৰ্বল দেহটো এবাৰ এনেয়ে চাই ললে। চল্লিশ কিলগ্ৰাম ওজনৰ ডেকা এটাৰ শক্তি সম্বন্ধে সুশান্ত এই মুহূৰ্ত্তত নিশ্চিত হ'ল। বৰষুণ লাহে লাহে আৰম্ভ হৈছে। সি চৰমতম দুখেৰে অনুভৱ কৰিব আৰম্ভ কৰিলে যে সি এই মুহূৰ্ত্তত পৃথিবীৰ আটাইতকৈ দুৰ্বল মানুহ। এক অসহায় ভঙ্গীৰে হাহাকাৰ শূন্যতাৰ মাজত সি নিৰৱে থিয় হৈ ৰয়। অলিক নিৰপত্তা (?) দিব নোৱাৰা, চাৰুমামাৰ বাবে একো কৰিব নোৱাৰা, কাৰো বাবে একো বিপদজনক নোহোৱা এজন দুৰ্বল মানুহ হিচাবে মুৰলধাৰে নমা বৰষুণৰ মাজত সি নিৰৱে থিয় হৈ ৰয়।

চৰম দুখেৰে সি অনুভৱ কৰিবলৈ আৰম্ভ কৰে যে এই পৃথিৱীত এজন দুৰ্বল মানুহ হিচাবে বাচি থকাৰ দৰে ট্ৰেজেদী একো নাই। ●





# ॥ কুকুঁহা ॥

শ্ৰীমতী নিৰ্মালী ডেকা
স্নাতক, তৃতীয় বাৰ্ষিক (কলা)

'অমৰ, তুমি তুমি যে আজিয়েই উভতিলা ?'

দুৱাৰ মুখতে অপ্ৰস্তুত ভাৱে অমৰক দেখি বন্তিয়ে আচৰিত হৈ সুধিলে। তুমি পৰহি অহা কথা আছিল, অথচ আজিয়েই উভতিলা। বন্তিৰ প্ৰশ্ন দুটাৰ এটাৰো উত্তৰ অমৰে নিদি মাত্ৰ বন্তিৰ ফালে বেগটো আগবঢ়াই, বেতৰ চোফাখনত বহি চিগাৰেট এটা জ্বলাই ললে অমৰে।

'তুমি বৰ ভাগৰি পৰিছা—অসুখ হৈছে নেকি ?'

'মই যে কোনো মতে এইখিনি পাইছো সেয়ে বহুত বন্তি!

'কিয় ?'

—উচপ খাই উঠিল বন্তি। অমৰৰ উত্তৰে অধিক আগ্ৰাহান্বিত কৰিলে বন্তিক। বাৰু বন্তি অলপ লাহে ধীৰে সকলো কম, এতিয়া তুমি একাপ গৰম চাহ কৰি লৈ আহা। চাহ খোৱা ইচ্ছা নাছিল যদিও বন্তিৰ মনৰ উৎকুণ্ঠিত ভাৱটো আঁতৰাবলৈ ক'লে অমৰে।

'বাৰু তুমি এতিয়া হাতমুখ ধুই লোৱা মই আহিছো। অজান আকাংশাত বন্তিৰ বুকুখন মৃদু ভূমিকম্পৰ জোকাৰণি উঠিছিল। আজিয়েই অমৰ উভতিল কিয় ? নিশ্চয় কিবা অঘটন ঘটিল। ঘৰত কিবা লাগিল নেকি ! কিন্তু কি ঘটিল !!!

মনত সৃষ্টি হোৱা খেলি মেলি, নিজৰ প্ৰশ্নৰ সমাধান নিজেই বিচাৰি উগুল-থুগুল ভাৱে বন্তি ৰান্ধনি ঘৰলৈ সোমাই গ'ল। বন্তিক অনুসৰণ কৰি অমৰৰ চকুহাল পাক ঘৰৰ খিৰিকিত বন্দী হৈ ৰ'ল।

বন্তি ; সত্য, সততাৰে, সুষমামণ্ডিতা বন্তি অমৰৰ নতুন দিনৰ অনুপ্ৰেৰণা। কিন্তু কেনেকৈ অমৰে বাৰু বন্তিৰ আগত প্ৰকাশ কৰিব সি কিয় আজিয়েই উভতি আহিব লগা হ'ল। বন্তিৰ চকুত বহুদিন বহু নিশা চকুপানী অমৰে দেখিছে। এইবোৰ বন্তিৰ চিৰলগৰী আৰু অমৰে জনাই নিবিচাৰে : বন্তিক কোনোবাই বেয়াকৈ আচৰণ কৰিলে অমৰৰ কোনোপধ্যে সহ্য নহয়।

অমৰৰ সৰু ভনীয়েক জুৰিৰ বিয়ালৈ নিমন্ত্ৰণ কৰা নাছিল। কাৰণ বিখ্যাত ঠিকাদাৰ সমৰ অৰ্থাৎ অমৰৰ একমাত্ৰ ককায়েকৰ মনত ভায়েক অমৰ বংশৰ কলংক। জুৰিৰ বিয়াখনত অমৰৰ উপস্থিতিয়ে গাম্ভীৰ্য্য কলুষিত কৰাৰ আশংকা কৰিয়েই তালৈ খবৰ দিয়া হোৱা নাছিল। তথাপি পুৰণি বন্ধু ৰাকেশক হঠাৎ সেইদিনাখন বজাৰত লগ পাই আৰু তাৰ মুখে ভনীয়েকৰ বিয়াৰ বতৰা পাই, 'দাদা কইনা-দৰা খেলিমনে ?' আদিৰে ধেমালি কৰা আমেজ সনা অতীতৰ মধুৰ দিনবোৰ 'সৰুদাৰ' কাষত বহি এসাজ খাবলৈ নাপালে মুখখন অভিমানত ফুলা লুচিৰ দৰে ওফন্দাই কান্দি থকা জুৰিৰ শৈশৱৰ মৰমক অমৰে কোনোমতে

একৰাৰ নোৱাৰিলে। তাতেই ভুল হ'ল অমৰৰ। মৰমক নেওচা দিব নোৱাৰাৰ বাবে তাৰ আজি নিজৰ ওপৰতেই ঘৃণা উপজিছে। জুৰি বিয়ালৈ যোৱাৰ পথত ক'ত যে ৰঙীন সপোন বুকুত বান্ধি লৈ গৈছিল। সকলোবোৰ শেষ হৈ গ'ল। যেতিয়া 'ডাঙৰ দা' ঠিকাদাৰ আৰু ঘৰৰ অন্য বোৰৰ সৈতে বিবাহ মণ্ডপত জুৰিক কেন্দ্ৰ কৰি তৰ্ক যুদ্ধত অৱতীৰ্ণ হৈ অৱশেষত পৰাজয়ৰ মালা পিন্ধি প্ৰত্যাবৰ্ত্তন কৰিব লগা হ'ল। পৰিয়ালে জাপি দিয়া সকলো অপমান, অপবাদ অমৰে আশীৰ্বাদ বুলিয়েই শিৰ পাতি লৈছে। ককায়েকৰ মনত অমৰ সেইদিনাই অধঃ পতনে গৈছিল, যিদিনা বিশ্ববিদ্যালয়ৰ পৰা পৰীক্ষা শেষ কৰি আহি ককায়েকে যাচি দিয়া শকত ধনৰ চাকৰিও প্ৰত্যাখ্যান কৰিছিল আৰু প্ৰকৃত মানুহ হৈ জীয়াই থকাৰ প্ৰতিশ্ৰুতিৰে ঘৰৰ পৰা আঠ/ন মাইল আতঁৰত থকা সুন্দৰী দিয়া গাওঁতে মোহন, হৰিহঁতৰ সৈতে এখন হাইস্কুল পাতি গাঁৱৰ ল'ৰা-ছোৱালীক শিক্ষা দিছিল, পুথিভঁৰাল সাজিছিল।

সময় বাগৰিল। অমৰৰ নিজৰ পদুমনি গাওঁত সেই কলংকিত দিনটো আহিল। সুন্দৰী দিয়া গাওঁৰ দিলীপ বৰুৱাৰ একমাত্ৰ সন্তান বন্তিৰ বিয়া হৈছিল অমৰৰ ঘৰৰ ওচৰৰ অৰ্থাৎ পদুমণি গাৱঁৰ ৰমেণ মাষ্টৰৰ লগত। দিলীপ বৰুৱাৰ লগত অতীততে ৰাজহুৱা নামঘৰৰ মাটিত হোৱা কাজিয়াৰ প্ৰতিশোধ স্বৰূপে বিয়াৰ পিছদিনাখনেই সমৰ ঠিকাদাৰে ষড়যন্ত্ৰ কৰি ৰমেশ মাষ্টৰক হত্যা কৰাইছিল। বন্তিৰ প্ৰতি বেয়া ব্যৱহাৰ কৰিবলৈ ঠিকাদাৰে নিজে অংশ লৈছিল। বন্তিৰ জীৱনত ভৰপুৰ তেলেৰে জ্বলি উঠা বন্তি গছি চিৰদিনলৈ নুমাই দিছিল। গাঁৱৰ মানুহ সকলোৱে ধনৰ টোপোলা থকাৰ বাবে সমৰ ঠিকাদাৰৰ পক্ষে ঠিয় দিলে। ৰাইজ নিমাত হৈ ৰ'ল। গাৱঁৰ ৰাইজ উপায় বিহীন হৈ অমৰ মাষ্টৰৰ ওচৰ চাপিছিল। কিন্তু সেইদিনা অমৰেও ৰাইজক সান্ত্বনা দিয়াৰ ভাষা হেৰুৱাই পেলাইছিল।

'বন্তিক কি কৰো মাষ্টৰ বোপা।' চকু হাল সেমেকাই বৰুৱাই সুধিলে। 'এই বিধবা গাভৰু জনীক মই কি কৰিম। তাই এতিয়া কি কৰি খাব! কেনেকৈ জীয়াই থাকিব?' —চকুপানী টুকি টুকি দিলীপ বৰুৱাই কৈছিল।

অমৰৰ হৃদয়ত ঠিকাদাৰ ককায়েকৰ চকুহালৰ চাৱনিৰে বাবে বাবে শেলে হনা দি হানিছিল। অমৰে ভালদৰে জানিছিল, বন্তিয়ে সমস্ত হেৰুৱাৰ লগাত পৰিছিল এই সমৰৰ হাততেই । সেইদিনা অমৰে ৰাইজক আচৰিত কৰি প্ৰস্তাৱ আগবঢ়াইছিল— ঃ মই! মই বন্তিক বিয়া কৰাম ...... !! অমৰৰ জীৱনত আলফুলে নুমাব ধৰা বন্তিজনীক তুলি লোৱাৰ পাছৰ পৰা তাৰ ঘৰলৈ যোৱা পথ সম্পুৰ্ণ বন্ধ হৈ গৈছিল। ৰাইজৰ মাজত অমৰ সদায় মৰিও অমৰ হৈ ৰৈছিল।

বিয়াৰ গেট পাৰ হৈ ঠিক ৰভাতল পোৱাৰ লগে লগেই অমৰক দেখা পায় সমৰে চিঞৰি উঠিছিল - 'বংশত কলঙ্ক সনা এই চণ্ডালটোক কোনে বিয়ালৈ মাতিছিল? এজনী কুলক্ষনীয়া আনৰ বিধবা তিৰোতাক চপাই লৈ মহাপুৰুষ দেখুৱাই বংশৰ নাক-কাণ কাটি এতিয়া ভনীয়েকৰ বিয়া খাবলৈ আহিছে। তই এতিয়াই ইয়াৰ পৰা ওলাই যা'। সমৰৰ গৰ্জনত কোনোমতে পৰি নগৈ মাত্ৰ কৈছিল—

ঃ 'তুমি কৰা পাপৰ প্ৰায়শ্চিতহে কৰিছো দাদা, ভুল মই কৰা নাই। বন্তি তোমাৰ বাবেই বিয়াৰ মাত্ৰ দুদিন পাছতেই বিধবা হব লগা হৈছিল।' ককায়েকৰ লগতে ঘৰৰ আন পৰিয়ালবোৰো কাপুৰুষৰ দৰে আতঁৰি গৈছিল তেতিয়া.....

ৰান্ধনি ঘৰৰ পৰা বন্তিয়ে হাতত চাহৰ কাপলৈ ওলাই আহি হঠাতে চিঞৰি উঠে—'ইস্! ইস্ অমৰ পুৰিলে··· পুৰিলে— বন্তিৰ চিঞৰত ধ্যান ভাঙি যোৱা অমৰে দেখিলে উমি উমি জ্বলি থকা চিগাৰেটটোৱেই চোফাটোৰ কুচনখন পুৰিবলৈ ধৰিছে। অমৰৰ এনে লাগিল যেন তাৰ হাতৰ চিগাৰেটৰ জুই কুৰাতকৈ হৃদয়ত উমি উমি জ্বলি উঠা জুই কুৰা অধিক তপ্ত। সেইকুৰা জুইয়ে এদিন সমাজৰ চকুত ধুলি মাৰি মানুহ হোৱা ককায়েকহঁতৰ দৰে শ্ৰেণীটোক পুৰি চাই কৰি দিব ...।

□



# নতুন পথৰ সন্ধানত

শ্ৰীদেৱজিৎ বৰুৱা
উচ্চতৰ মাধ্যমিক (ক'লা)

চুমীয়ে কান্দিছিল······

সময়ে চুমীৰ নিচিনা এজনী সহজ সৰল ষোড়শীৰ ওপৰতো প্ৰতিশোধ ললে। যাক আমি সদায়েই মূৰ পাতি লৈছো। যাক বাধা দিয়াৰ ক্ষমতা আমাৰ নাই।

চুমীৰ উত্তপ্ত চকুলোৱে দীপাংকৰৰ বিচনাখন তিয়াই পেলাইছিল। সিদিনা চুমীয়ে তাইৰ মামাকৰ ফালৰ মৰমৰ ককায়েক দীপাঙ্কৰ বৰুৱাৰ কোঠাত পৰি অকলে অকলে কান্দিছিল···। তাৰ সাক্ষী আছিল দীপাঙ্কৰৰ কোঠাটোৰ চাৰিবেৰ আৰু বেৰত আঁৰি থোৱা যীশু, গান্ধী আৰু বুদ্ধৰ ছৱি। চুমীয়েও জানে ছবিয়ে কেতিয়াও নামাতে। কিন্তু এই ছবিকেইখন শিল্পীৰ তুলিকাৰ নিষ্ফল আচোঁৰ নহয়। এয়া সচাঁ মানুহৰ প্ৰতিচ্ছৱি। যীশু শান্তিৰ প্ৰতীক,

গান্ধী সততাৰ প্ৰতীক আৰু বুদ্ধ সাধুতাৰ প্ৰতীক। হলেও সিদিনা সকলো নিমাত।

চুমীয়ে মহাপাপৰ বিনিময়তহে যেন এই শাস্তি ভুগিছে। দীপাঙ্কৰেও জানিছিল চুমীৰ পাপ হ'ল তাইৰ ধুনীয়া দেহটো আৰু তাইৰ মৰমীয়াল মনটো। কিন্তু এয়া জানো সঁচা। সিদিনা দীপাংকৰেও চুমীক সান্ত্বনা দিব পৰা নাছিল। কি বুলি সান্ত্বনা দিব সি? এজন পুৰুষ হৈয়ো এজনী অবলা ষোড়শীক এই দৰে ধ্বংসৰ পথলৈ ঠেলি দিব পাৰিব সেয়া দীপাঙ্কৰেও সেইদিনা ভবা নাছিল। তাৰ পেহীয়েকৰ একমাত্ৰ মৰমৰ ভনীয়েক চুমী। বয়সত সি চাৰি কি পাঁচ বছৰে ডাঙৰ।

দীপাংকৰ আছিল গ্ৰেজুৱেট। তাৰ শিক্ষা বিভাগত অনাৰ্চ আছিল যদিও নাপালে। সেয়ে সি বিশ্ববিদ্যালয়ৰ শিক্ষাৰ পৰা বঞ্চিত হৈ ঘৰতে বহি আছিল। দেউতাকৰ ইচ্ছা তাক ওকালতি পঢ়োৱাৰ; কিন্তু দীপাঙ্কৰে তাক পছন্দ নকৰে। পৈতিক সম্পত্তি যথেষ্ট নহলেও কিছু পৰিমাণে আছে। সেয়ে সি বহি থাকিলেও খোৱা বোৱাৰ চিন্তা কৰিব লগীয়া হোৱা নাছিল। বাইদেউয়েক এজনী আছিল। যোৱা বছৰতে বিয়া হৈছে। এজন উকিলেই বিয়া কৰাইছে। হলেও সি এই শিক্ষিত নিৰনুৱাৰ নিষ্ঠুৰতা সহ্য কৰিব পৰা নাছিল। সেয়ে আজি ৩ বছৰে নানা ঠাইত এটা চাকৰিৰ আশাত আবেদন কৰি কৰি সাক্ষাৎকাৰ দি দি ভাগৰি পৰিছে। চুমীৰ কথা সি সেই সময়ত পাহৰিয়েই গৈছিল। তাৰ মাক দেউতাকে কি ভাবিব সি জনাই নাছিল। তাৰ কোঠাত মাকে চুমীক শোধা প্ৰশ্নতহে তন্ময়তা ভাঙি বাস্তৱৰ পটভূমিলৈ ঘূৰি আহিছিল। সি চুমীৰ অস্পষ্ট মাত শুনিছিল যদিও বুজি পোৱা নাছিল। দীপাঙ্কৰে নিজকে প্ৰশ্ন কৰিছিল এয়াই নেকি আমাৰ সমাজ ব্যৱস্থা, আমাৰ জীৱন, সমাজত উচ্চ আসন পোৱা এচাম লোকে চুমী আৰু মোৰ নিচিনা বোৰক খেলাৰ খেলা খুটি বুলি ভাবে। সমাজৰ প্ৰতিপত্তিশীল সেই চাম লোকে আমাৰ জীৱনৰ হৈ হেতালি খেলে। মাঘ বিহুৰ মেজিৰ জুইত হাত সেকাৰ দৰে চুমীৰ নিচিনা বোৰৰ যৌৱনৰ সোৱাদ লব বিচাৰি মন জুৰায়। যদি এয়াই হয় তেন্তে গান্ধীজীৰ গণতন্ত্ৰৰ অৰ্থ এয়াই আছিল নেকি? যাক আমি মহামানৱ মহাত্মা বুলি সদায়ে উচ্চ স্থান দি আহিছোঁ। মহাত্মাৰ কল্পনা নিশ্চয় বৰ্তমান সমাজ খনৰ নাছিল।

সিদিনা আছিল মঙ্গলবাৰ এপ্ৰিল মাহৰ দুই তাৰিখ। চুমীয়ে সেইবাৰ উচ্চ মাধ্যমিক পৰীক্ষা দি মোমায়েকৰ ঘৰলৈ আহিছিল। তাইৰ অতি মৰমৰ দাদাক দীপাংকৰ লগত বিছু চাবলৈ। দীপাংকৰেও তাইক বৰ মৰম কৰিছিল। কিন্তু সি চুমীৰ দৰে হাঁহিব নাজানিছিল। সেয়েহে চুমীয়ে প্ৰায়ে তাক কৈছিল 'লক্ষ্মীনাথ বেজবৰুৱাই এনেয়ে কোৱা নাছিল অসমীয়া মানুহে হাঁহিব নাজানে।' চুমীৰ এটা সহজ সৰল মন আছিল। তাই সহজে হাঁহিব পাৰে আৰু আনকো হহুৱাব পাৰে। মুঠতে জীৱন মাধুৰী বুটলাৰ বাবে তাই সম্পূৰ্ণ যোগ্য। নিৰনুৱাৰ সাজ পিন্ধা দীপাংকৰে সেই সময়ত লগা-লগা, বচা-বচা কথা খিনিহে কৈছিল। সেয়ে দীপাংকৰে চুমীক উপদেশ দিছিল মানুহ আত্ম-সংযমী, আত্ম বিশ্বাসী, আত্ম নিৰ্ভৰশীল হব লাগে। চুমীয়েও মনোযোগেৰেই শুনিছিল তাৰ বক্তব্য। সেয়ে হবলা, সেই দিনা দীপাংকৰে চুমীক সান্ত্বনা দিব পৰা নাছিল!

সেইদিনাৰ ঘটনাটো দীপাংকৰৰ আজিও মনত পৰে। ঘটনাটো একেবাৰে সৰু সাধাৰণ।

চুমীয়ে অনুভৱ কৰিছিল দীপাংকৰে তেনেদৰে বহি থাকিব লগীয়া হ'লে দেহৰ সকলো অংগ-প্ৰতঙ্গ থাকিও পঙ্গু হৈ পৰিব। সেয়েহে আবেলি ফুৰিবলৈ যোৱাৰ প্ৰস্তাৱ দিছিল চুমীয়ে।

দীপাংকৰেও আজি এমাহ ধৰি বাহিৰলৈ ওলোৱা নাই। সেয়েহে মন নাথাকিলেও সি যাবলৈ ওলাল। তাৰ বাবে সেয়া আছিল উদ্দেশ্য বিহীন যাত্ৰা।

বাটৰ দুয়ো কাষে সৰুবৰ গছৰ শাৰী। চিনেমাৰ কেমেৰাও একো একোটা সেউজী ডাল পাতৰ ভূমিহীন ত্ৰিভুজ। চুমী আৰু দীপাংকৰ দুয়ো আগবাঢ়ি গৈছিল। সমাজৰ মুখৰোচক সকলে হয়তো নাজানিছিল সিহঁতৰ সম্বন্ধটোৰ বিষয়ে। সেয়েহে তেখেতসকলে তেখেতসকলৰ কৰ্মত ব্যস্ত। দীপাংকৰে পৰিবেশটো খুব এটা ভাল পোৱা নাছিল। প্ৰায় ১৫ মিনিট মানৰ মূৰত গৈ চুমীয়ে প্ৰকাণ্ড অট্টালিকা এটাৰ সন্মুখত বৈ দীপাংকৰক উদ্দেশ্য কৰি

কলে "দাদা এয়া মোৰ বান্ধবী দীপজ্যোতি বৰকাকতিৰ ঘৰ। আহিছো যেতিয়া খবৰ এটাকে লৈ আহো"। দীপাংকৰেও বিশেষ আপত্তি নজনালে।

দীপজ্যোতিৰ দেউতাক সমাজৰ গন্যমান্য লোক— পানীৰাম বৰকাকতি। দুয়ো প্ৰকাণ্ড গেটখনৰ ওচৰৰ মানুহ অহা যোৱা কৰা সৰু গেটখন খুলি চাৰিবেৰৰ ভিতৰ সোমাল। চুমীয়েই কলিং বেলটো টিপিলে। বৰকাকতিয়ে নিজেই দৰ্জাখন খুলি ওলাই আহিছিল। চুমীক দেখা পায়ে বৰকাকতিয়ে দুয়োকে ভিতৰলৈ মাতি নি ড্ৰয়িং ৰুমত বহিবলৈ দি নিজেও বহিল। চুমীয়ে দীপজ্যোতিৰ কথা সুধিলত বৰকাকতি ডাঙৰীয়াই মাক আৰু ভাই কালিয়ে মোমায়েকৰ ঘৰলৈ যোৱা বুলি কলে।

চুমী আৰু দীপজ্যোতি দুয়ো বান্ধবী। একেখন হোষ্টেলতে থাকে। দীপজ্যোতিৰ ওপৰত চুমীৰ গভীৰ বিশ্বাস। চুমীয়ে দাদাকক বৰকাকতিৰ লগত চিনাকি কৰি দিলে আৰু নমস্কাৰ বিনিময় শেষ কৰি যি কোনো চাকৰি এটাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনালে।

ঃ যদি তুমি কোৱা মই দীপাংকৰক এটা চাকৰি লৈ দিব পাৰো।

ঃ মোৰ দাদাৰ কাৰণে মই আকৌ বেলেগে কব লাগিব নেকি ?

ঃ নহয় চুমী এই সময়টোত চাকৰিৰ বৰ নাটনি বুজিছা। ৰাজ্য চৰকাৰৰটো নায়েই কেন্দ্ৰৰো দুই এটাহে···।

ঃ তথাপি আপুনি ইচ্ছা কৰিলে পাৰে। মোক চুমী বুলি নাভাবি আপোনাৰ ছোৱালী বুলিয়ে ভাবক।

ঃ তুমি মোৰ ছোৱালীৰ সহপাঠী। তোমাক মই দীপজ্যোতিৰ অন্যৰূপ বুলিয়েই ভাবি আহিছো। বাৰু দীপাংকৰ তুমি এটা কাম কৰা মই ৰূপহ চাহ-বাগিছাৰ মেনেজাৰলৈ এখন চিঠি দিও, তুমি এতিয়াই তেখেতক লগ ধৰা। বৰ্তমান তেওঁ হোটেল শ্যামলীতে আছেহি।

ঃ হব বাৰু! দীপাংকৰেও কিবা এটা পোৱাৰ আশাতে কলে।

ঃ কিন্তু বেছি দেৰি কৰিলে লগ নোপোৱা। কাৰণ তেখেত ৰাতিপুৱাই ঘৰলৈ যাব।

ওৱাল ঘড়ীটোৰ পিনে চাই বৰ কাকতিয়ে কলে "এতিয়া সাত বাজিবলৈ পাঁচ মিনিট বাকী। তুমি ইচ্ছা কৰিলে"।

ঃ ভাল বাৰু বুলি কৈয়েই দীপাংকৰ বহাৰ পৰা উঠিল। চুমীয়ে কিবা কব খুজিছিল যদিও সি নুশুনিলে।

পানীৰাম বৰকাকতিৰ প্ৰাসাদৰ পৰা ওলায়েই দীপাংকৰে ৰিক্সা এখন লৈ হোটেল শ্যামলী মুখে যাত্ৰা কৰিলে। ৰিক্সাৱালাটোক শ্যামলী অভিমুখে যাবলৈ কৈহে দীপাংকৰে চুমীৰ কথা ভাবিলে। কাৰণ চুমী এজনী গাভৰু। নিজৰ ৰূপেই নাৰীৰ বৈৰী। চুমীৰ ৰূপ সৌন্দৰ্য্য আছে। পুৰুষৰ বাবে লোভনীয় এটা দেহ আছে। চিঃ কিযে কথাবোৰ মই ভাবিছিলো। চুমী মোৰ নিজা পেহীৰ ভনী। এইবোৰ ভবা জানো মোৰ কাৰণে উচিত? চুমী গাভৰু হলেও দীপজ্যোতিৰ বান্ধবী। চুমী গাভৰু হলেও পিতৃ বয়সৰ মানুহ এজনৰ লগত আছে যেতিয়া এই অমূলক কথাবোৰ ভবাৰ কোনো থল নাই।

দীপাংকৰে সেইদিনা বুজা নাছিল "ৰূপহী যুৱতী বোৰ যেন কলঙ্কৰ এটা জীয়া স্বাক্ষৰ" তাতেই আমাৰ সমাজত মুখৰোচকৰটো অভাৱ নায়েই।

কিন্তু আটাইতকৈ ৰহস্য জনক কথা হ'ল দীপাংকৰে বিচৰা ৰূপহী চাহ-বাগিছাৰ মেনেজাৰক হোটেল শ্যামলীত নাপালে। হোটেলৰ মেনেজাৰৰ পৰা জানিব পাৰিলে যে যোৱা সপ্তাহৰ পৰা কোনো চাহ বাগিছাৰ মেনেজাৰেই হোটেললৈ অহা নাই।

দীপাংকৰৰ গাৰ নোমবোৰ থিয় হৈ গৈছিল। এক অজান শংকাই দীপাংকৰৰ বুকুত খুন্দিয়াব ধৰিলে। সি হাতৰ ঘড়ীটোলৈ চাই সাত বাজি বিশ মিনিট যোৱাৰ উমান পালে। পুনৰ বৰকাকতিৰ ঘৰলৈ পোন্ধৰ মিনিট বাট। এক অজান শংকাত তাৰ মনটো ভাঙি চিঙি পৰিছিল। বিহুৰ বতৰ, চেঙেলীয়া বোৰে বিহুক অলপ আগতীয়াকৈ আদৰিছে অসম্পূৰ্ণ ভাৱে। বাটত বিহুৰ ৰিহাচলৰ পৰা ভাঁহি অহা ঢোলৰ শব্দত, পেপাৰ প্ৰতিটো কপনিত তাৰ বুকুখন যেন চিৰা-চিৰি হৈ যাব ধৰিছে। সেয়া যেন তাৰ বাবে ঢোল পেপাৰ শব্দ নহয়, একো একোটা নগা যাঠিৰ খোচ, চোকা তৰোৱালৰ আঘাত।

সময়ৰ গতি নিৰ্দিষ্ট। শেষত ১৫ মিনিট পাৰ হ'ল। সি গৈ বৰকাকতিৰ প্ৰকাণ্ড অন্ধকাৰ ময় ঘৰটো পালে। তাত কোনো জনপ্ৰাণী কাকো নাপালে, গেটখনত প্ৰকাণ্ড টলা এটা ওলমি আছে। পলম নকৰি সি চুমীইঁতৰ ঘৰলৈ খোজ ললে।

চুমীয়ে তেতিয়াও উচুপিয়ে আছিল। শেষলৈ অৱশ্যে দীপাংকৰে মাকৰ মুখৰ পৰা ৰহস্যটোৰ সম্ভেদ পাইছিল। সি বাৰে বাৰে চুমীৰ কান্দোনৰ কাৰণ সুধিছিল, কিন্তু চুমীয়ে কব পৰা নাছিল। কাৰণ সেইবোৰ আনক কব পৰা কথাই নহয়। তথাপি চুমীয়ে কৈছিল "মোৰ নাৰীত্বৰ মৰ্য্যাদাৰ প্ৰতি সচেতনতাৰ বাবেইটো মই দোষী পলালো। বৰ কাকতিৰ ওচৰত মই হাৰ মনা নাছিলো। হলেও এয়া মোৰ জীৱনৰ চৰম পৰাজয়"।

কিন্তু পিছ মুহূৰ্ত্ততে চুমীয়ে উচুপিব এৰি বিচনাৰ পৰা উঠিছিল আৰু তাই মোৰ কোঠাটোৰ বেৰত ওলমি থকা বুদ্ধ, গান্ধী আৰু যীশুৰ ছবি কেইখন চাইছিল, তাই দৃঢ় প্ৰতিজ্ঞ হৈছিল যে তেওঁলোকৰ মহান বাণী আমাৰ সমাজত প্ৰতিষ্ঠা কৰিবই লাগিব।

কিন্তু সকলোৱে কান্দিছিল ···· ···বুদ্ধই কান্দিছিল— সাধুতাৰ নামত ভণ্ডামি। গান্ধীয়ে কান্দিছিল— তেওঁৰ সততাৰ অপ মৃত্যু ঘটিছে। যীশুই কান্দিছিল— তেওঁ বিচৰা শান্তি প্ৰতিষ্ঠা নহল।

চুমীয়ে প্ৰায় চিঞৰি উঠিছিল—

ঃ বুদ্ধ—তোমাৰ সাধুতাক আমি কেতিয়াও অপমৃত্যু হবলৈ নিদিও, তুমি কেতিয়াও পৰাজিত হব নোৱাৰা। আমি ভণ্ডামিৰ মুখা খুলি সাধুতাক প্ৰশ্ৰয় দিবই লাগিব।

ঃ গান্ধী সততা প্ৰতিষ্ঠাৰ নামতেইতো তুমি মহাত্মা। তোমাৰ সততাৰ মিচা আবৰণ পিন্ধি, তোমাৰ শিষ্য বুলি নিজক পৰিচয় দি সমাজত টিঘিল-ঘিলাই থকা লোকসকল প্ৰায় এতিয়া সকলোৰে চিনাকি।

ঃ যীশু – তোমাৰ বাণী, শান্তি প্ৰতিষ্ঠাৰ নামত সমাজৰ বৰমূৰীয়াবোৰৰ স্বাৰ্থক আমি কেতিয়াও আশ্ৰয় দিব নোৱাৰো। তোমালোকে নাকান্দিবা আমি তোমালোকৰ প্ৰকৃত সত্যক প্ৰতিষ্ঠা কৰিমেই।

মই একবচন হলেও নতুন গাভৰু চামৰ প্ৰতিনিধি আৰু দীপাংকৰ বন্ধুৰাই লগ পাইছিল নামনি অসমৰ সেই সময়ৰ এটা আত্মগোপনকাৰী সংস্থাৰ সদস্য উৎপল হাজৰিকাক।

বৰ্তমান দীপাংকৰ চুমীহঁত প্ৰকৃত সত্যক প্ৰতিষ্ঠা কৰাত ব্যস্ত বিপ্লবী।

এক নতুন সপোন·········

এক নতুন সেন্দুৰীয়া পথ·········

এক নতুন সমাজ প্ৰতিষ্ঠাৰ আশাত········ ।

# উ দ্গী ৰ ণ

শ্ৰীগণেশ ডেকা
স্নাতক, ১ম বাৰ্ষিক (ক'লা)



……… শিক্ষা, জ্ঞান, সহানুভূতি এই কেইটা বস্তু একে নহয়। অৱশ্যে জ্ঞানী লোক সহানুভূতিশীল হয়, কিন্তু বিশ্ব-বিদ্যালয়ৰ শিক্ষাগ্ৰহণ কৰিলেইতো জ্ঞানী বুলি কব নোৱাৰি। মানি ললো বাৰু জ্ঞানী, কিন্তু সহানুভূতিশীল ?………

ভাৱত বিভোৰ হৈ আছিল অৰূপ। মই দূৰৰ পৰাই লক্ষ্য কৰি আছিলোঁ তাক। মোৰ কৌতূহল বাঢ়ি গ'ল। শেষত ঠিৰাং কৰিলো তাক মাতি দিওঁ।

অৰূপ, মোৰ মাতত উচপ খাই উঠিল সি। তাক কিছু অপস্তুত হোৱাৰ দৰে লাগিল।

—অ' বাপুদা! সি মাত দিলে।

—ওঁ, তুমিনো কি ভাবি আছিলা?

—নাই, এনেয়ে...... । বাৰু বাপুদা আপোনাক মই এটা কথা সুধিব পাৰোনে?

—বাৰু সোধাছোন।

—আচলতে মানুহে বিশ্ব-বিদ্যালয়ৰ শিক্ষা লাভ কৰিলেই জ্ঞানী বুলি কব পাৰি নেকি?

মই আচৰিত হৈ গ'লো তাৰ প্ৰশ্নত। সি সুধিছে কি? আনদিনাখন আমাৰ আলোচনা হয় কবি কবিতা পুথি, নাট্যকাৰ আৰু নাটক, ঔপন্যাসিক আৰু উপন্যাস, গীতিকাৰ, গায়ক-গীত আদিৰ ওপৰত। কিন্তু আজি ই প্ৰশ্ন কৰিছে কি?

—তুমি একেবাৰে জ্ঞান মাৰ্গৰ কথা উলিয়ালা, কিয়? মই তাক সুধিলো।

—আগতে মোৰ প্ৰশ্নৰ উত্তৰ দিয়ক। সি নিৰ্দ্দেশৰ সুৰত কলে।

মই অৰূপতকৈ বয়সত ডাঙৰ যদিও আৰু যেনিবা সি ডিগ্ৰী পঢ়ি আছে, মই দুবছৰ আগতে পাছ কৰিলো। এয়া আমাৰ বয়স আৰু শিক্ষাগত অহ'তাৰ পাৰ্থক্য। কিন্তু এই সকলোবোৰৰ উৰ্দ্ধত আমি বন্ধু। আমি দুয়ো দুয়োকে দাবী কৰো মৰমৰ দাবী, নিৰ্দ্দেশ দিও– মৰমৰ নিৰ্দ্দেশ, আদেশ দিও মৰমৰ আদেশ। অৱশ্যে সি মোক শ্ৰদ্ধা কৰিয়েই চলে, কথা কয়। মোৰ এনে লাগে আদেশ দিলেও যেন শ্ৰদ্ধাৰেহে আদেশ দিয়ে। স'চাকৈয়ে লৰাজনক মোৰ ভাল লাগে।

অৰূপ, অৰূপ ডেকা। গাঁৱৰ পৰা কলেজলৈ অহা এজন মধ্যবিত্ত পৰিয়ালৰ ল'ৰা। ল'ৰাজন কিছু বুদ্ধিমান যদিও অন্তৰ্মুখী। ল'ৰা জনে ঘপহকৈ কোনো এজন মানুহক মাতিব নোৱাৰে। মানুহজনলৈ চাই থাকিব আৰু মানুহজনৰ পৰা স'হাৰি পোৱাৰ ইঙ্গিত পালেই মাতিব। এয়া এটা তাৰ লক্ষণ। সি হেনো ভাবে, জানোচা কৰবাত অপমানিত হবলগীয়া হয়।

ল'ৰাজনক প্ৰথম দেখা পাওঁ কলেজলৈ অহা যোৱা কৰোতে। আমাৰ সন্মুখৰে অহা যোৱা কৰে লৰাজনে। তেতিয়াই মোৰ ভাল লাগি গৈছিল ল'ৰাজনক। এটা সৰু ভাড়া ঘৰত থাকে। পিছত চিনাকি হলো আন এটা ঘটনাক কেন্দ্ৰ কৰি।

এদিন অৰূপ কলেজৰ পৰা আহি থাকোতে দুজনী ছোৱালীয়ে জোকাইছিল। মই লক্ষ্য কৰি আছিলো দুয়ো পক্ষক। ছোৱালী দুজনীয়ে জোকাই বৰ আমোদ পাইছিল। আনহাতে অৰূপ? লাজত ৰঙা-ক'লা পৰি গৈছিল সি। মোৰ বৰ বেয়া লাগিছিল তাৰ অৱস্থা দেখি। মোৰ প্ৰায় ওচৰ পোৱাত মই মাত লগালো।

—ভাইটি! সি মুৰ তুলি চালে।

—কলেজৰ পৰা আহিলা? মই সুধিলো।

—হয়। চুটিকৈ উত্তৰটো দি সি যাব খুজিলে।

—ৰবাছোন। তোমাৰ নাম কি?

—শ্ৰীঅৰূপ ডেকা। সি বৈ উত্তৰ দিলে।

—ঘৰ ক'ত?

—সোনালী পথাৰত।

—দেউতাৰাই কি কৰে?

—খেতি কৰে।

—এইবাৰ কোন ইয়েৰত?

—টি, ডি, চি, ফাৰ্ষ্ট ইয়েৰত।

—বাৰু, ভালদৰে পঢ়া। মোৰ ঘৰ এইটোৱেই।

—আহিবাছোন আবেলিলৈ।

—ভাল বাৰু আহিম।

তাৰ পিছত সি আমাৰ ঘৰলৈ আহে। মই তাৰ সৰু ভাড়া ঘৰটোলৈ যাওঁ। অভাৱ-অসুবিধাৰ বুজ লওঁ। নানা ধৰণৰ আলোচনা কৰো।

—কি হল আপুনি দেখোন একো নকলে। তাৰ মাতত সম্বিত ঘুৰাই পালো।

—আচলতে তুমি সাংঘাটিক প্ৰশ্ন কৰিছা। সেয়ে ভাবিছোঁ। বাৰু কোৱাছোঁন কিয় সুধিলা কথাটো।

—আগতে প্ৰশ্নৰ উত্তৰ দিয়ক। তাৰ পিছত গোটেই ঘটনা কম।

—ঠিক আছে। আচলতে কি জানা, বিশ্ব-বিদ্যালয়ৰ শিক্ষাটো জ্ঞান আহৰণৰ এবিধ আহিলা আৰু বৰ্তমান যুগৰ ই উত্তম আহিলা। বিশ্ব-বিদ্যালয়ৰ শিক্ষা নহলেও

জ্ঞান আহৰণ কৰিবলৈ আন বহুতো পথ আছে। তুমি "চহা আৰু পণ্ডিত" কবিতাটো পঢ়িছা। বিশ্ব-বিদ্যালয়ৰ শিক্ষা নোহোৱাকৈয়ো কোনো লোক জ্ঞানী হব পাৰে আনহাতে এই শিক্ষা লৈয়ো কোনো লোকে বাস্তৱ সংসাৰৰ জ্ঞান নাপাব পাৰে। ই কেৱল প্ৰয়োগৰ কথা। C. E. M. Joad এ এটা প্ৰবন্ধত লিখিছিল "Knowledge is like a Torch which is passed on from generation to generation by the hands of Education" এই Education টো কিন্তু বিশ্ব-বিদ্যালয়ৰ Education নহয়। এইটো বাস্তৱ জীৱনত লাভ কৰা Education আৰু সেয়েই Knowledge. তুমিটো জানাই কোনোৱে শিকে দেখি, কোনোৱে শিকে ঠেকি।

--বাৰু, বুজিলো। কিন্তু কিছুমান জ্ঞানী লোকে আনৰ অসুবিধা, অভাৱ, অসমৰ্থতা আদিৰ কথা বুজি নেচায় কিয় ?

-- অৱশ্যে তুমি ঠিকেই কৈছা। সকলো কথা সকলো মানুহে ভালদৰে ভাবি নেচায়। আনৰো যে কিবা অসুবিধা থাকিব পাৰে তাক ভাবিবৰ তেওঁলোকৰ হয় সময় নাই, নতুবা মানসিক প্ৰস্তুতি নাই। দৰাচলতে কিন্তু এনে লোকক পূৰ্ণ পৰ্য্যায়ৰ জ্ঞানী বুলি কব নোৱাৰি। যি নহওঁক, তুমি কব খোজা ঘটনাটো কোৱাছোন।

—শুনক তেনেহলে' !

সি ঘটনাটো কবলৈ আৰম্ভ কৰিলে। মই নীৰৱে শুনি গলো তাৰ কাহিনী। কাহিনীটো এনেধৰণৰ—

—শ্যামল হাজৰিকাক চহৰৰ প্ৰায় খিনি লোকেই চিনি পায়। History to Major সহ ডিগ্ৰী পাছ কৰে। তেওঁ বিশেষকৈ সাহিত্য-সংস্কৃতি মূলক সংগঠন বোৰত আগ ভাগ লয়। মোতকৈ তেওঁ এবছৰ চিনিয়ৰ আছিল। শ্যামল দাৰ লগত অৰূপৰ চিনাকী এটা ক্লাবত। শ্যামল দা আছিল সেই ক্লাবৰ সম্পাদক। অৰূপো সেই ক্লাবৰ সদস্য হিচাপে ভৰ্ত্তি হৈছিল। সিদিনাৰ পৰাই শ্যামল দাৰ প্ৰতি অৰূপৰ শ্ৰদ্ধা ভাৱ জাগি উঠে। তাৰ পিছত তেওঁৰ লগত অৰূপৰ দেখা দেখি নাই। কাৰণ বৰ দেউতাক মৃত্যুৰ পিছত অৰূপ আৰু ক্লাবলৈ যাব পৰা নাই। যিহেতু সি বহুদিন ঘৰত থাকিব লগীয়া হ'ল। এদিন শ্যামল দাই অৰূপক কৈছিল—

— তুমি আকৌ আহিবাছোন ক্লাবলৈ। অৰূপে যাম বুলিয়েই কৈছিল।

আন এদিন শ্যামল দা আৰু অৰূপৰ বাটত লগালগি হৈছিল। শ্যামল দাই অৰূপক সুধিছিল।

—অৰূপ, তুমি লোকগীত গোৱা নেকি ?

— নাগাওঁ, কিয় সুধিলে ?

আমাক এজন লোকগীত গোৱা ল'ৰা লাগে। অহা ৩১ জানুৱাৰী তাৰিখে ৰাতি এটা Cultural show পাতিছো। তাতেই লোকগীত গাবৰ বাবে লাগে। তুমি ল'ৰা এজন আনি দিব পাৰিবা নেকি ?

চেষ্টা কৰি চাওঁ, যদি পাৰো আনিম। এই বুলি কৈ অৰূপে শ্যামল দাৰ পৰা বিদায় ললে। কিন্তু দুৰ্ভাগ্য, সেইদিনাখন ৰাতিয়েই অৰূপৰ ভীষণ জ্বৰ। পিছদিনা ওচৰৰে ভাড়াঘৰত থকা ল'ৰা এজনে তাক ঘৰত থৈ আহে। নেৰানেপেৰা জ্বৰৰ মাজতেই হঠাৎ তাৰ মনত পৰিল ৩১ জানুৱাৰীৰ Cultural show ৰ কথা। তাৰ বন্ধু অমৃতক কলে সি গীত গাবলৈ অহাৰ কথা। কিন্তু অমৃতে অস্বীকাৰ কৰিলে আহিবলৈ।

টাউনলৈ মই গীত গাবলৈ নাযাওঁ। অমৃতে ক'লে।

— কিয় ?

—টাউনৰ কিছুমান ল'ৰাই আমাক গাৱলীয়া ইতিকিং কৰে। Uncultured বুলি কয়। অথচ প্ৰাচীন অসমৰ সংস্কৃতি জীয়াই ৰাখিব লাগে আমি। লোক গীত, বৰগীত সিহঁতে নেগায়। কিয় গাব ? গালে সিহঁতো আমাৰ দৰে uncultured হৈ যাব। Popsong গালেহে Cultured হব পাৰি।

অৰূপ মনে মনে থাকিল। কাৰণ তাৰ কবলৈ কোনো ভাষা নাছিল। নাছিল যুক্তি। অমৃতে তাৰ অন্তৰৰ ক্ষোভ প্ৰকাশ কৰিছে, বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ পৰা সৃষ্টি হোৱা ক্ষোভ।

৩১ জানুৱাৰী পাৰ হৈ গ'ল। সেইদিনা Cultural show ত অৰূপে লোকগীতৰ শিল্পী আনি দিব নোৱাৰিলে। নিজেও উপস্থিত থাকিব নোৱাৰিলে জ্বৰৰ কাৰণে। আনকি তাৰ কিছুদিন পিছতেই আৰম্ভ হোৱা College week কতো উপস্থিত থাকিব নোৱাৰিলে সি।

তাৰ পিছত বহুদিন গ'ল। অৰূপে আৰু শ্যামল দাক লগ নাপালে। সি ভাবিছিল তেওঁৰ ঘৰলৈ গৈ সকলো কথা কব আৰু ক্ষমা খুজিব শিল্পী আনি দিব নোৱাৰাৰ বাবে।

আজি হঠাতে দেখা দেখি হ'ল শ্যামল দা আৰু অৰূপৰ এখন কিতাপৰ দোকানৰ সন্মুখত। কিন্তু শ্যামল দাৰ মানসিকতাই অৰূপক হতাশ কৰি পেলালে। শ্যামল দাইতো অৰূপক নেমাতিলেই বৰং অচিনাকী মানুহৰ দৰে ভাৱ প্ৰদৰ্শন কৰিলে। অৰূপে তেওঁক মাতিব খুজিও থমকি ৰ'ল, জানোছা অপমানিত হব লাগে। তেওঁক মাতিবলৈ অৰূপৰ সাহস নহ'ল।

ঘটনাটো শুনাৰ পিছত মই সেই বিষয়ে ভাবি আছিলো। এনেতে অৰূপে মাত দিলে।

—চাওক বাপুদা, সিদিনাখন লোকগীতৰ শিল্পী আনি দিব নোৱাৰাৰ কাৰণে তেওঁ মোক ক্ষমা কৰিব পৰা নাই। অথচ তেওঁৰ দৰে শিক্ষিত লোক এজনে মোক এবাৰ সোধাৰ প্ৰয়োজন আছিল, সিদিনা মই কিয় লোকগীতৰ শিল্পী আনিব নোৱাৰিলোঁ।

এইখিনি লৈকে কৈ অৰূপে এটা হুমুনিয়াহ কাঢ়িলে। দেখিলো তাৰ চকুত চকুপানী।

—বাপুদা, আপুনি মোৰ বাবে যেনেদৰে শ্ৰদ্ধাৰ পাত্ৰ তেনেকৈ শ্যামল দাও মোৰ শ্ৰদ্ধাৰ পাত্ৰ আৰু ভৱিষ্যতেও একে দৰেই থাকিব। কিন্তু বাপুদা, মই আপোনাকো এই ক্ষেত্ৰত ক্ষমা নকৰিম। কাৰণ আপুনি নকৰিলেও আপোনালোকৰে এচাম শিক্ষিত চহৰবাসী লোকে আমাৰ দৰে দুখীয়া অৰ্দ্ধশিক্ষিত গাওঁবাসী লোকক সদায় uncultured বুলি অৱহেলা কৰি আহিছে। হোজা গাঁৱলীয়া মানুহক সুবিধা পালেই ঠগাইছে। আওপকীয়াকৈ হলেও শোষণ কৰিছে। এই ভণ্ডামিৰ কোনো ক্ষমা নাই।

ইমানকে কৈ অৰূপ উঠি গ'ল আৰু ৰুমত সোমাল। ময়ো তাৰ পিছে পিছে ৰুমত সোমালোঁ। সি বিচনাত উবুৰি হৈ পৰি উচুপি আছে। লাহেকৈ তাক মাত দিলো।

—অৰূপ

—আপুনি যাওঁক, আপুনি মোক মৰম নকৰিব। আমি Uucultured person আমাক মৰম কৰাৰ কোনো প্ৰয়োজন নাই।

অৰূপে কথা কেইষাৰ এনেদৰে কলে যেন তাৰ অন্তৰৰ সকলোবোৰ ক্ষোভ আগ্নেয়গিৰিৰ দৰে উদগীৰণ হৈছে।

(সত্য ঘটনাৰ আলমত লিখা হৈছে)

●●

# সম্পাদনা সমিতি



উপদেষ্টা
অধ্যাপিকানাহাৰুননেছা



সভাপতি
ড° পূৰ্ণচন্দ্ৰ বৰা



উপসভাপতি
নগেন শৰ্মা



শিক্ষক তত্ত্বাৱধায়ক
শ্ৰীবুদ্ধিন চন্দ্ৰ হাজৰিকা



সম্পাদিকা
মমতাজ খানম



শ্ৰীঅমৰেন্দ্ৰ শৰ্মা



শ্ৰীমুন গোস্বামী



শ্ৰীবিনয় চলিহা



শ্ৰীদিলীপ ডেকা



শ্ৰীদাদুল চলিহা



শ্ৰীমঞ্জু কলিতা



শ্ৰীকুশল শৰ্মা



শ্ৰীহেমন্ত ডেকা



শ্ৰীৰাজেন্দ্ৰ হাজৰিকা



শ্ৰীজ্যোতিষ চহৰীয়া



**১৯৮৯-৯০ চনৰ মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যনিৰ্বাহক সমিতি**

বাওঁফালৰ পৰা (বহি)– অধ্যাপিকা বন্দনা গোস্বামী- ভাঃ প্ৰাঃ অধ্যাপিকা, ছাত্ৰী জিঃ কোঃ; কুমুদ শৰ্মা- ভাঃ প্ৰাঃ অধ্যাপক, ছাত্ৰ জিঃ কোঃ; বিচিত্ৰ কুমাৰ মেধি- ভাঃ প্ৰাঃ অধ্যাপক, তৰ্ক বিভাগ, শ্ৰীবুদ্ধিন চন্দ্ৰ হাজৰিকা ভাঃ প্ৰাঃ অধ্যাপক, আলোচনী বিভাগ; উপাধ্যক্ষ ড° পূৰ্ণচন্দ্ৰ বৰা; উষা বৰা- ভাঃ প্ৰাঃ অধ্যাপিকা, সাহিত্য বিভাগ; মতি মেধি- ভাঃ প্ৰাঃ অধ্যাপক, সুকুমাৰ কলা; জামালুদ্দিন আহমেদ- ভাঃ প্ৰাঃ অধ্যাপক, সমাজ সেৱা; ভাস্কৰমল্ল বুজৰবৰুৱা- ভাঃ প্ৰাঃ অধ্যাপক, ব্যায়াম শাখা ।

বাওঁফালৰ পৰা (থিয় হৈ)– অৰুণ কটকী- সঃ সুকুমাৰ কলা; পবিত্ৰ ডেকা- সহঃ সঃ খেলবিভাগ; ধ্ৰুৱজ্যোতি শৰ্মা- সঃ খেল বিভাগ, ফাৰুক আহমেদ- সঃ ছাত্ৰ জিৰণি কোঠা; বন্দিতা মহন্ত- সঃ তৰ্ক বিভাগ, মমতাজ খানম- সঃ আলোচনী; মুন গোস্বামী- সাধাৰণ সম্পাদক; কল্পনা শৰ্মা- উপ-সভাপতি; আব্দুল ৰফ আহমেদ- সঃ সাংস্কৃতিক বিভাগ; মুক্তানন্দ শৰ্মা- সঃ সমাজ সেৱা, হেমন্ত কুমাৰ ডেকা- সঃ সাহিত্য বিভাগ, নৰকুমাৰ ডেকা- সঃ ব্যায়াম শাখা, হিতেশ হাজৰিকা- সহঃ সাধাৰণ সম্পাদক ।

ফটোত দেখা নগ'ল– জ্যোতিপ্ৰসাদ ডেকা- সহঃ সাংস্কৃতিক সম্পাদক, নিৰ্মালী বৰুৱা- সঃ ছাত্ৰী জিৰণি কোঠা ।


মহাবিদ্যালয় সপ্তাহ
১৯৯০

# ১৯৮৯-৯০ ৰ শ্ৰেষ্ঠতাৰ শিখৰত



বছৰৰ শ্ৰেষ্ঠ পৰিচালক (যুটীয়াভাৱে)
বাওঁফালৰ পৰা : জয়ন্ত ডেকা, গিৰীশ শইকীয়া



মমতাজ খানম
বছৰৰ শ্ৰেষ্ঠ তাৰ্কিক
(মুক্তিনাথ গোস্বামী চলন্ত শিল্ডেৰে)



পুলস্ত্য শৰ্মা
বছৰৰ শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী



বছৰৰ শ্ৰেষ্ঠ কুইজ দল
বাওঁফালৰ পৰা : জাকিৰ আহমেদ কিব্ৰিয়া আৰু শ্ৰীবীৰেন্দ্ৰ কুমাৰ কলিতা ( শ্ৰীধীৰেণ বৰুৱা ফটোত অনুপস্থিত )



বিনয় চলিহা
শ্ৰেষ্ঠ প্ৰাচীৰ কবি



মানসী ডেকা
বছৰৰ শ্ৰেষ্ঠা গায়িকা



দাদুল চলিহা
বছৰৰ শ্ৰেষ্ঠ সুকুমাৰ কলা শিল্পী
( ১৯৮৯ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত দুটাকৈ পদক বিজয়ী, একেৰাৰে দুবছৰ সুকুমাৰ কলা বিভাগৰ শ্ৰেষ্ঠ শিল্পী )



সীমান্ত কুসুম শৰ্মা
বছৰৰ শ্ৰেষ্ঠ অভিনেতা



বছৰৰ শ্ৰেষ্ঠ নাট্যদল
নাট : ঐ ঐ বমানী আনিং কিথিপে
বাওঁফালৰ পৰা (বহি) বৈজয়ন্তী ঘোষ, সীমান্ত কুসুম শৰ্মা, (থিয় হৈ) জয়ন্ত ডেকা, দিলীপ চহৰীয়া



বৈজয়ন্তী ঘোষ
বছৰৰ শ্ৰেষ্ঠা অভিনেত্ৰী



শ্ৰেষ্ঠ ভলীবল খেলুৱৈ
শ্ৰীকুমুদ বৰা



শ্ৰেষ্ঠ বহিঃদ্বাৰ খেলুৱৈ
শ্ৰীধ্ৰুৰজ্যোতি শৰ্মা



শ্ৰেষ্ঠা অন্তঃদ্বাৰ খেলুৱৈ (ছোৱালী)
শ্ৰীমনিকা দেৱী



শ্ৰেষ্ঠ টেবুল টেনিছ খেলুৱৈ
তাৰিকুল ইছলাম



শ্ৰেষ্ঠ অন্তঃদ্বাৰ (কেৰম) খেলুৱৈ
শ্ৰীবীৰেশ্বৰ বৰা



শ্ৰেষ্ঠ পাঞ্জা খেলুৱৈ
আব্দুল কুদ্দুচ




শ্ৰীকল্যান মেচ
দেহশ্ৰী প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ প্ৰতিযোগী



শ্ৰীভাৰতী দেৱী



শ্ৰীহেমলতা হাজৰিকা

যুটীয়াভাৱে শ্ৰেষ্ঠা বহিঃদ্বাৰ খেলুৱৈ (ছোৱালী)



শ্ৰীনিভাৰাণী দেৱী
শ্ৰেষ্ঠা সমাজকৰ্মী



শ্ৰীমুকুল বৰুৱা



শ্ৰীশচীন কোঁৱৰ

শ্ৰীমুকুল বৰুৱা আৰু শ্ৰীশচীন কোঁৱৰে ১৯৯০ চনৰ মে' মাহত মধ্যপ্ৰদেশৰ NATIONAL TRAINING CENTRE, PACHMARHI-ত অনুষ্ঠিত হোৱা ROVER/RANGER SAMAGAM কেম্পত মঙ্গলদৈ মহাবিদ্যালয়ৰ CHALARAI ROVER CREW দলৰ পৰা অসমৰ হৈ প্ৰতিনিধিত্ব কৰিছিল ।



গোৱালপাৰা মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ দশম প্ৰশিক্ষণ তথা বিশেষ শিবিৰ (১৯৯০)ত অংশগ্ৰহণকাৰী আমাৰ মহাবিদ্যালয়ৰ দলটি –
বহি (বাওঁফালৰ পৰা) – ক্ষীৰোদ শৰ্মা, অধ্যাপক ৰাজেন্দ্ৰ বৰুৱা (কাৰ্যসূচী বিষয়া) আৰু দিলীপ কুমাৰ নাথ (অধিনায়ক)
থিয় হৈ (বাওঁফালৰ পৰা)– অয়েজ আলি, হিতেশ কটকী, গৌতম শৰ্মা, ধ্ৰুৱপ্ৰসাদ চহৰীয়া

# মুখামুখি

মহাবিদ্যালয়ৰ বিভিন্ন দিশ সম্পৰ্কে কেইটিমান প্ৰশ্ন লৈ আমি মহাবিদ্যালয়ৰ লগত জড়িত কেইগৰাকীমান ব্যক্তিৰ কাষ চাপিছিলোঁ। তেখেতসকলে দিয়া উত্তৰসমূহ সম্পাদনা সমিতিৰ আচোঁৰ নপৰাকৈয়ে ইয়াত হুবহু তুলি দিয়া হ'ল।

( ব্যক্তিসকলৰ মতামতৰ বাবে সম্পাদনা সমিতি অথবা সম্পাদিকা দায়ী নহয়। )

সাক্ষাৎকাৰটি যুগুতালে ঃ
**শ্ৰীঅমৰেন্দ্ৰ শৰ্মা**, স্নাতক, দ্বি-বাৰ্ষিক
**শ্ৰীৰাজেন্দ্ৰ কুমাৰ হাজৰিকা**,
স্নাতক, দ্বি-বাৰ্ষিক

—**অজয় কুমাৰ ভাল্লা** আই, এ, এছ, সভাপতি
মঙলদৈ মহাবিদ্যালয় পৰিচালনা সমিতি, ১৯৮৮-৯০ চন।

* পৰিচালনা সমিতিৰ সভাপতিৰ হিচাপে কাৰ্য্যনিৰ্বাহ কৰা কালত মঙলদৈ মহাবিদ্যালয় সম্পৰ্কে আপোনাৰ সামগ্ৰীক ধাৰণাই কি ৰূপ ললে সংক্ষেপে কবনে ?

উত্তৰ— সভাপতি হিচাপে কাৰ্য্যনিৰ্বাহ কৰা কালত মই মঙ্গলদৈ মহাবিদ্যালয়খনৰ সামগ্ৰীক ধাৰণাই কেনে ৰূপ ললে মোৰ কোৱাটো কঠিন হব। কিয়নো মই যেতিয়া য'ত চহী কৰিব লাগে, তেতিয়া মাথো চহী কৰো। কেতিয়াবা সভা-আলোচনা আদি অনুষ্ঠিত হলে মই সভাপতিত্ব কৰো। মহাবিদ্যালয়খন যিহেতু মঙলদৈ অঞ্চলৰ বাইজৰ একমাত্ৰ উচ্চ শিক্ষাৰ স্থল এনেক্ষেত্ৰত মঙলদৈ অঞ্চলৰ ৰাইজে মহাবিদ্যালয়খনৰ উন্নতিৰ ক্ষেত্ৰত এতিয়ালৈকে কোনো পদক্ষেপ লোৱা দেখা নাই।

—আব্দুল মজিদ,
এম, এ ; এল, এল, বি ; প্ৰাক্তন অধ্যক্ষ ।

* আপুনি দীৰ্ঘদিন ধৰি মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষৰূপে কাৰ্য্যনিৰ্বাহ কৰি কি অভিজ্ঞতা হ'ল থোৰতে কওঁকচোঁন ?

উত্তৰঃ— মঙলদৈ মহাবিদ্যালয়ত দীৰ্ঘদিন ধৰি অধ্যক্ষৰূপে কাৰ্য্য-নিৰ্বাহ কৰি যি অভিজ্ঞতা হ'ল সেই বিষয়ে সংক্ষেপে কোৱা উজু নহয় । তথাপি নিজৰ অভিজ্ঞতা সম্পৰ্কে কম বেছি কৰা ইচ্ছাধীন ।

ভাৱাদৰ্শ, কৰ্ম্ম অনুধাৱন আৰু আগ্ৰহ সকলো ধৰণৰ দায়িত্ব বা কাৰ্য্যৰ সফল ৰূপায়নৰ ক্ষেত্ৰত কৰ্ম্মীৰ বাবে মূল শক্তি । এই শক্তিৰ দৈন্যতাই হ'ল অকৰ্মন্যতাৰ মূল । অৱশ্যে অন্যান্য কাৰ্য্যক্ষেত্ৰৰ দৰে মহাবিদ্যালয় এখনৰ দায়িত্ব পালনৰ ক্ষেত্ৰতো আনৰ সহানুভূতি আৱশ্যক । এই ক্ষেত্ৰত দায়িত্বশীল মনোভাৱেৰে যি সহযোগিতা আহে সেয়াহে প্ৰকৃত সহানুভূতি ।

কোনো ব্যক্তি যি কামৰ বাবে নিয়োজিত হয় তেওঁ সেই কাম সুকলমে কৰি যোৱাত বাধাগ্ৰস্ত নোহোৱাটো প্ৰয়োজনীয় কথা । কৰ্ম্মীয়েও সমাজৰ সেৱা, মানুহৰ সেৱা আৰু মানুহৰ প্ৰতি মৰমৰ প্ৰকৃত বিনিময় বা মূল্য বিচাৰিব লাগিব নিজৰ অন্তঃ কৰণতে । কৰ্ম্মৰ সমালোচনাই অকৰ্মন্যতাক মষিমুৰ কৰে আৰু প্ৰগতিমূলক কৰ্ম্মধাৰাক উজ্বল কৰি গতিশীলতাহে দান কৰে । লগতে এইটোও সত্য যে শুভ, অশুভ ন্যায়-অন্যায়ৰ উপলব্ধি জ্ঞান সম্পন্ন বিবেকৰ বাবেহে সন্তৰ, সম্প্ৰদায় বা সমাজৰ ওপৰত নিৰ্ভৰ নকৰে । আনহাতে বিভিন্ন স্তৰৰ সহকৰ্ম্মী বা সহযোগী জোৱানৰ ওপৰত আস্থা ৰাখি প্ৰগতিশীল সংগ্ৰামত ব্ৰতী হোৱাৰ লগে লগে মনত ৰাখিব লাগিব যে সমুখৰ প্ৰশ্ন বা শক্ৰতকৈ আভ্যন্তৰীণ ঈৰ্ষা, ভেদ ভাৱ বিশ্বাসঘাটকতা আদি অধিক সৰ্ব্বনাশী শক্তি ।

শিক্ষাৰ প্ৰাণ কেন্দ্ৰ, বহু সম্ভাৱনাপূৰ্ণ মঙলদৈ মহাবিদ্যালয় অঞ্চলটোৰ ৰাইজৰ আশাৰ প্ৰতীক । অদূৰ ভৱিষ্যতে মঙলদৈ ৰাইজে এই শিক্ষা কেন্দ্ৰৰ পৰা বহু পাবলগীয়া আছে । সময়ৰ চাহিদা সময়ে মিটাব পাৰিব বুলি আশা পুহিব পাৰি ।

—যোগেন্দ্ৰনাথ শৰ্ম্মা,
সদস্য, মঙলদৈ মহাবিদ্যালয় পৰিচালনা সমিতি ।

* পৰিচালনা সমিতিৰ এগৰাকী সদস্য হিচাপে আপুনি মঙলদৈ মহাবিদ্যালয়ৰ উন্নয়নত কি কি অসুবিধা বা সমস্যাৰ সন্মুখীন হৈছিল কবনে ?

উত্তৰঃ— মহাবিদ্যালয়ৰ উন্নয়নত আমি বিভিন্ন অসুবিধা আৰু সমস্যাৰ সন্মুখীন হৈছো । যেনে :—

(১) শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত বুজা পৰাৰ অভাৱ ।

(২) শিক্ষক আৰু ( অধ্যাপক ) সকলৰ কিছু সংখ্যকৰ কৰ্তব্যহীনতা আৰু ছাত্ৰ-ছাত্ৰীৰ অমনোযোগিতা।

(৩) কিছু সংখ্যক শিক্ষক ( অধ্যাপক ) সকলৰ ব্যৱসায়িক মনোভাৱ। উদাহৰণস্বৰূপে সমবায়খনৰ কথাই উল্লেখ কৰিব পাৰি। যাৰ বাবে উন্নত মানৰ সজুলি পৰিচালনা সমিতিয়ে নিজ ইচ্ছা মতে যোগান ধৰিব নোৱাৰে। কিয়নো সমবায়ৰ জৰিয়তে কেইজনমান শিক্ষকে বিজ্ঞানাগাৰৰ সঁজুলিকে ধৰি সকলোবোৰ নিম্নমানৰ যন্ত্ৰ-পাতি, আচবাব আদি যোগান ধৰে।

(৪) শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত বিভিন্ন খেলিমেলি।

(৫) কিছু সংখ্যক শিক্ষকৰ মাজত ৰাজনৈতিক দলীয় ভাৱ থকাৰ বাবেও মহাবিদ্যালয়ৰ উন্নয়নত বাধাৰ সৃষ্টি কৰিছে।

(৬) ছাত্ৰ-ছাত্ৰী সকলৰ অসচেতনমূলক মনোভাৱ। কিয়নো আজিলৈকে কোনো এজন ছাত্ৰ বা ছাত্ৰীয়ে কোনো ধৰণৰ অভাৱ অভিযোগ পৰিচালনা সমিতিৰ দৃষ্টি গোচৰ কৰোৱা নাই।

—ড° পূৰ্ণ চন্দ্ৰ বৰা, ভাৰপ্ৰাপ্ত অধ্যক্ষ
আৰু সম্পাদক, মহাবিদ্যালয় পৰিচালনা সমিতি।

* আপুনি এক অস্বাভাৱিক পৰিস্থিতিত মঙলদৈ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ আৰু পৰিচালনা সমিতিৰ সম্পাদক হিচাবে দায়িত্ব বহন কৰিবলগীয়া হৈছে। আপোনাৰ অভিজ্ঞতা সম্পৰ্কে সংক্ষেপে জনাবনে ?



উত্তৰঃ— মই ১৯৮৩ চনৰ ১৮ আগষ্টত ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাবে কাৰ্য্যভাৰ গ্ৰহণ কৰিছিলো। তেতিয়া মহাবিদ্যালয়ৰ ৫০০ জোৰা ডেক্স-বেঞ্চৰ ভিতৰত ২৪৯ জোৰাহে পাইছিলো। সেই সময়ৰ ২৭ জন চাকৰিয়ালৰ দহ মাহৰ দৰমহা দিয়া হোৱা নাছিল, তাৰোপৰি সৰ্ব্বমুঠ ৬ লাখ মান টকাৰ ধাৰ ( বিভিন্ন বিভাগৰ ) মাৰিবলগীয়া হৈছিলো আৰু মহাবিদ্যালয়ৰ সংৰক্ষণ বিভাগৰ ৩৫,০০০ টকা খেলি-মেলি কৰি থোৱাৰ কাৰণে সেইবোৰও দিবলগীয়া হৈছিল।

এই আটাইবোৰ ঋণ পৰিশোধ কৰিবলগীয়া হৈ মই হাবাশাস্তি খাইছিলো। আৰু বৰ্তমান সেইবোৰ সুন্দৰকৈ নিয়মিয়া ভাৱে চলি আছে।

মঙলদৈ মহাবিদ্যালয়ত সেই সময়ত Mass Copy চলিছিল দেখা দেখিকৈ। যিটো বোধ কৰা অতি টান কাম আছিল। যদিও, নানা গ্লানি খাইয়ো সেইয়া ৰোধ কৰা হৈছিল।

মঙলদৈ মহাবিদ্যালয়ত তেতিয়া শৈক্ষিক দিশটোও সৰ্ব্বহাৰা হৈছিল। সেই দিশটোও মোৰ কাৰ্য্যকালত নানা কষ্টেৰে সমাধান কৰা হৈছে।

মহাবিদ্যালয়ৰ কোনো Fund-ত তেতিয়া ধন নাছিল। গতিকে ভীষণ অসুবিধাৰ মাজেৰে মহাবিদ্যালয়খন সকলো দিশৰ পৰা সুস্থিৰ কৰিবলগীয়া হৈছিল, যিটোৰ অৱস্থাৰ কথা ভাবিব নোৱাৰি। এই কথা মহাবিদ্যালয়ৰ লগত জড়িত সকলো ব্যক্তিৰে জ্ঞাত।

১৯৮৩ চনৰ আগষ্ট মাহৰ পৰা আজি পৰ্য্যন্ত কলেজখনৰ কোনো দিশত দিগদাৰী নোহো-ৱাকৈ সুষ্ঠ ভাবে চলি আছে, বিশেষকৈ বিত্ত বিভাগটো।

মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহৰ বেৰ আৰু টিন লগোৱা কাম খিনিও বৰ্তমানে সম্পূৰ্ণ কৰা হৈছে। পূৰ্বৰ ১৮।৮।৮৩-ৰ আগৰ ঋণ পৰিশোধ কৰিব নালাগিলে সেই ছয়-সাত লাখ ঋণ পৰিশোধ কৰা টকাৰে নতুন উন্নয়ন মূলক কাম কৰিব পৰা গ'লহেঁতেন।

সকলো ঋণ পৰিশোধ কৰি ১৯৮৯ চনত সকাহ পাইছিলো। আনহাতে কিছু পৰিমানে টকা সঞ্চয় কৰিছিলো যদিও পৰিচালনা সমিতিয়ে পাঁচশ টকাৰ অধিক খৰচ কৰিব নিদিয়াৰ বাবে মহাবিদ্যালয় উন্নয়নৰ কামত অসুবিধা পাইছিলো আৰু পাই আছো।

—হৰি চন্দ্ৰ ডেকা ( শিক্ষক ), শিক্ষা বিভাগ।

* মঙলদৈ মহাবিদ্যালয়ৰ এগৰাকী বয়োজ্যেষ্ঠ শিক্ষক হিচাপে মহাবিদ্যালয়খনৰ বিষয়ে যৎকিঞ্চিত কবনে ?

উত্তৰঃ— মঙলদৈ মহাবিদালয়ত বিগত ১৮ ( ওঠৰ ) বছৰ শিক্ষকতা কৰি মই খুবেই সুখী। মহাবিদ্যালয় খনৰ মনোৰম প্ৰাকৃতিক সৌন্দৰ্য্য, শিক্ষক শিক্ষাৰ্থীৰ সৌহাৰ্য্য পূৰ্ণ সম্বন্ধই মোৰ প্ৰেৰণাৰ উৎস। জন-মানসৰ চকুত মহাবিদ্যালয় বোৰ ভাল বেয়া বিচাৰ কৰা হয়, পৰীক্ষাৰ ফলাফলৰ ওপৰত। সেই ক্ষেত্ৰত অসমৰ আগশাৰীৰ মহাবিদ্যালয় বোৰৰ লগত ফেৰ মাৰিব নোৱাৰিলেও আমাৰ মহাবিদ্যালয় ফলাফল কেতিয়াওঁ মই নিৰাশজনক নহয় বুলি ভাবো। এখন বিদ্যালয় বা মহাবিদ্যালয়ৰ পৰীক্ষাৰ ভাল ফলাফল অকল শিক্ষক সকলৰ দ্বাৰাই কৰাটো অসম্ভৱ। এই প্ৰচেষ্টাত শিক্ষক সকলৰ মনোগ্ৰাহী পাঠদান যিদৰে আৱশ্যক সেইদৰে সেইদৰে শিক্ষাৰ্থী সকলৰ আগ্ৰহ চেষ্টা, প্ৰকৃত অনুশাসন আৰু বিদ্যালয়খনৰ সুষ্ঠ প্ৰশাসনিক বাতাবৰণ তথা অভিভাৱক সকলৰ সক্ৰিয় সহযোগৰ সমানেই প্ৰয়োজন।

আমাৰ মহাবিদ্যালয়ৰ বৰ্দ্ধিত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হিচাবে শ্ৰেণী কোঠা আৰু পুথিভড়ালৰ চাহিদা যোগাব পৰা হোৱা নাই। জিৰণি সময় কটাবলৈ আলোচনী, বাতৰি কাকত, পৰিপূৰ্ণ আহল বহল অন্ততঃ ২০০ জন ছাত্ৰ-ছাত্ৰী একেলগে বহিব পৰা এটি পঢ়া কোঠা আৰু সহ-পাঠ্যক্ৰমিক বিভিন্ন খেলৰ সামগ্ৰীৰ ব্যৱস্থা কৰিব পাৰিলে শিক্ষাৰ্থী সকল উপকৃত হব।

মহাবিদ্যালয় খনৰ সামগ্ৰীক বিকাশৰ বাবে ইয়াত জড়িত শিক্ষক, কৰ্ম্মচাৰী, আৰু শিক্ষাৰ্থীয়ে নিজৰ নিজৰ কামবোৰ আন্তৰিকতাৰে কৰি গলেই মহাবিদ্যালয় খনে উন্নতিৰ জখলাত উঠিব পাৰিব বুলি বিশ্বাস। শিক্ষাৰ্থী সকলে Discipline, Punctuality Obedience and Economics-ৰ অনুশীলন গ্ৰহণ কৰক। এয়ে মোৰ কামনা।

"জয়তু মঙলদৈ মহাবিদ্যালয়"

— দেবীদাস নেওগ, অধ্যাপক, দৰ্শন বিভাগ।

* বৰ্তমান আমাৰ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ সম্পৰ্কত কিছুসংখ্যক অভিভাৱকে মহাবিদ্যালয়ৰ শিক্ষক সকলক জগৰীয়া কৰিব বিচাৰে। এই সম্পৰ্কত আপোনাৰ মতামত কি।

উত্তৰঃ— মোৰ পিনৰ মতামত হ'ল শৈক্ষিক বাতাবৰণ অকল আমাৰ মহাবিদ্যালয়তে নষ্ট হোৱা নাই, গোটেই অসমতে হৈছে আৰু তাৰ বাবে জগৰীয়া শিক্ষকো নহয় ছাত্ৰও নহয় প্ৰধানকৈ জগৰীয়া সুবিধাবাদী ৰাজনৈতিক ডেকা আৰু বুঢ়া নেতা সকল।

— মহচিন আলি, কৰ্মচাৰী।

* আপুনি আৰম্ভণীৰ পৰা কলেজৰ কৰ্ম্মচাৰীৰূপে কাৰ্য্যনিৰ্বাহ কৰাৰ অভিজ্ঞতা সম্পৰ্কে চমুকৈ কবনে?

উত্তৰঃ ইংৰাজী ১৯৫১ চনত মঙলদৈবাসী ৰাইজে বহু আশাৰে উচ্চ শিক্ষাৰ সুবিধাৰ বাবে মঙলদৈ মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰে। আৰম্ভণীৰে পৰা কেইবাটাও বছৰ ৰাইজৰ দান বৰঙণিৰ ওপৰতে নিৰ্ভৰ কৰি মহাবিদ্যালয়খন ১৯৬২ চনত চৰকাৰী আৰ্থিক সাহায্য লাভ কৰে। ৩০-১১-৬২ তাৰিখলৈকে কৰ্ম্মচাৰী, শিক্ষক আৰু অধ্যক্ষই অবৈতনিক ভাৱে কাম কৰিছিল। এনে অৱস্থাৰ মাজতো সেই সময়ৰ সমাজ সেৱাৰ চেতনাৰে উদ্বুদ্ধ কলেজ কতৃ'পক্ষই ১৯৫৯ চনৰ মহাবিদ্যালয়খন ডিগ্ৰী পৰ্য্যায়লৈ উন্নত কৰে। ১৯৬২-৬৩ চনৰ পৰা মহাবিদ্যালয়খন ঘাটি মঞ্জুৰী প্ৰাপ্ত হিচাবে স্বীকৃতিপায় আৰু তেতিয়াৰ পৰা বিকাশৰ গতি কিছু ক্ষিপ্ৰতৰ হয়। ১৯৬৫-৬৬ চনৰ ভিতৰত অসমীয়া, অৰ্থনীতি, ৰাজনীতি আৰু বুৰঞ্জী বিষয়ত সন্মানৰ পাঠ্যক্ৰম খোলা হয় আৰু বিজ্ঞান শাখাৰ আৰম্ভ কৰা হয়। ১৯৬৭ চনত মাজ ভাগৰ পৰা মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ শেষলৈকে এই সময়ছোৱাত কিতাপ, লেবেৰটৰি, সা-সজুলি, আৰু শিক্ষক সহ ডিগ্ৰী লৈ বিজ্ঞান শাখাৰ বিষয় কেইটাৰ পাছক'চৰ শিক্ষা ব্যৱস্থা সম্পূৰ্ণ কৰা হৈছে। এই সময় ছোৱাতেই ভূগোল বিষয়ৰ মেজৰ (সন্মান) খোলা হৈছিল।

১৯৭৯-১৯৮৫ ৰ এই সময়ছোৱাত বিদেশী বহিস্কাৰ আন্দোলনৰ ফলত মহাবিদ্যালয়খনৰ আৰ্থিক, গৃহ বিভিন্ন সা-সঁজুলি, শৈক্ষিক পৰিবেশ আদি সকলো দিশতে উল্লেখযোগ্য ক্ষতি হৈছিল।

১৯৭৮-৭৯ চনৰ ভিতৰত পদাৰ্থ বিদ্যা, আৰু ৰসায়ন বিজ্ঞানত সন্মান (মেজৰ) খোলা হৈছিল। এই সময়ছোৱাৰ এটা বিশেষ উল্লেখনীয় কথা হ'ল—মহাবিদ্যালয় এন, এচ, এচ, বাহিনীয়ে স্থানীয় ৰাইজ আৰু বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সহযোগত মহাবিদ্যালয়ৰ নিজ ফাণ্ডৰ সহায় নোলোৱাকৈ মঙলদৈ নদীৰ গতি পৰিবৰ্ত্তন কৰে আৰু উক্ত নদীৰ বাৰিষা সময়ত খহনীয়াৰ পৰা ছাত্ৰী নিবাসৰ ভৱিষ্যত দুৰ্ভাগ্য মোচন কৰে। তাৰোপৰি এটি চহৰখনৰ বৃহৎ অঞ্চল আৱিস্কাৰ হয়।

১৯৮৩ চনৰ মাজভাগৰ পৰা প্ৰায় ৫ বছৰ স্থায়ী অধ্যক্ষ কলেজৰ পৰা আতঁৰি আছিল। এই কালছোৱাত বিশ্ববিদ্যালয় অনুদান আয়োগৰ লেবেৰ'টৰিৰ বাবে পোৱা কেইবালাখ টকা মঞ্জুৰ হোৱা অনুদান কলেজৰ দায়িত্বত থকা সকলে নিৰৱে প্ৰত্যাখ্যান কৰে।

শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত দেখা দিয়া কিছুমান কথাই শিক্ষাৰ মানদণ্ডৰ ওপৰত অশুভ প্ৰভাৱ নিশ্চয় পেলাইছে। এজন শিক্ষক কিবা কাৰণত কলেজৰ পৰা গলে তেওঁৰ ঠাইত পুনৰ শিক্ষক নিযুক্তি প্ৰায়ে সময় মতে নহয়।

—ভজন লাল মাদৰ, চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী।

* আপুনি জন্মলগ্নৰে পৰা মঙলদৈ মহাবিদ্যালয়ত চতুৰ্থ-বৰ্গৰ কৰ্মচাৰী হিচাপে কাম কৰি আছে। এই দীৰ্ঘ দিনৰ অভিজ্ঞতা সম্পৰ্কে কিছু কওঁকচোন।

উত্তৰঃ— অভিজ্ঞতা সম্পৰ্কেনো কি কম। আৰম্ভণিৰে পৰাতো কব লাগিলে আজি শেষয়েই নহব। কিয়নো কলেজখনতেই জীৱনটো অতিবাহিত কৰিলোঁ। আৰম্ভণিৰে পৰাই মই লৰা ছোৱালীবোৰৰ লগত মিলিজুলি থাকি ধেমালিৰে বৰ্ত্তমানলৈ চলি আছোঁ। আজি মই এই কলেজ খনত কাম কৰা প্ৰায় ৩৪ বছৰ হল। কলেজখনেই মোৰ ঘৰ আৰু বিভাগীয় কৰ্মচাৰী, শিক্ষক আৰু অধ্যক্ষ হল মোৰ অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকলেই মোৰ লৰা-ছোৱালী। ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকা সকলৰ মধুৰ সম্পৰ্কই হল মোৰ জীৱনৰ প্ৰেৰণা।

—শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰী (মঙলদৈ) প্ৰাক্তন ছাত্ৰ,

* এগৰাকী প্ৰাক্তন ছাত্ৰ হিচাপে আপোনাৰ এতিয়াও মঙলদৈ মহাবিদ্যালয়ৰ সতে সম্পৰ্ক অটুত আছে। আপুনি কবনে আপোনালোকৰ সময়ৰ পৰা এতিয়াৰ কলেজখনৰ মাজত কি প্ৰাৰ্থক্য দেখা পাইছে ?

উত্তৰঃ— আমি কলেজ এৰাৰ প্ৰায় ওঠৰ বছৰ হ'ল। অৰ্থাৎ আমি কলেজত পঢ়ি থকা কালত যিবোৰ ল'ৰা-ছোৱালীৰ জন্ম হৈছিল আজি তেওঁলোক কলেজখনৰ ছাত্ৰ-ছাত্ৰী। তথাপি কলেজখনৰ প্ৰতি আন্তৰিক মৰম থকাৰ বাবেই নেকি নাজানো আজিও কলেজখনৰ পৰা বহুত আঁতৰত থাকিও আপোনভাৱটো আঁতৰা নাই।

আমাৰ সময়ত বৰ্তমান দৰং জিলাখনৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান আছিল মঙলদৈ কলেজ। জিলাখনৰ বিভিন্ন অঞ্চলৰ পৰা ছাত্ৰ-ছাত্ৰী কলেজখনলৈ পঢ়িবলৈ আহিছিল। কলেজত দিন আৰু নৈশ শাখা মিলি ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আঠশৰ ভিতৰত আছিল। সকলো ছাত্ৰ-ছাত্ৰীৰ মনত যৌৱনৰ প্ৰাণ চাঞ্চল্য। অধ্যক্ষ শ্ৰীযুত প্ৰবোধ গোস্বামী আছিল অপাৰ ব্যক্তিত্বৰ আধাৰ। দেখিলেই বুকু কপা অথচ ভক্তি ওপজা সেই ব্যক্তিয়েও কলেজখনৰ সৰ্বতোপ্ৰকাৰ উন্নতিৰ কথা সততে চিন্তা কৰিছিল। যিকোনো উন্নয়ণমূলক কাম কৰিব ওলোৱাৰ আগতে কলেজখনৰ ছাত্ৰ

একতা সভাৰ বিষয়-বৰীয়াসকলৰ লগতো আলোচনা কৰিছিল। কিছু ক্ষেত্ৰত আমাৰ সতে তেখেতৰ মত-বিৰোধ ঘটিছিল সচাঁ, কিন্তু স্থায়ী নাছিল। ছাত্ৰ-ছাত্ৰীৰ শিক্ষা দানৰ ক্ষেত্ৰত দেখা দিয়া যিকোনো প্ৰতিবন্ধকতা তেখেতে যিমান দূৰ পাৰি সোনকালে আঁতৰ কৰি কলেজখনৰ বৌদ্ধিক বাতাবৰণ সততে সজীৱ কৰি ৰাখিছিল। এনে ক্ষেত্ৰত আমি ছাত্ৰ-ছাত্ৰী সকলেও যথাসম্ভৱ তেখেতৰ সতে সহযোগ কৰিছিলোঁ।

অকল শিক্ষাগত দিশটোৰেই নহয়, সাহিত্য, সংস্কৃতি, খেলা-ধূলা আদি সকলো বিষয়তে আমাৰ ছাত্ৰ-ছাত্ৰীসকল আগবঢ়ুৱা আছিল।

এই বছৰ 'কলেজ সপ্তাহ'ত আলোচনীৰ প্ৰদৰ্শনী এখন উদ্বোধন কৰিবলৈ আমন্ত্ৰিত হৈ কলেজখনৰ চৌহদটো ঘুৰি পকি চাই কলেজখনৰ পুৰণি অধ্যাপক কাৰ্যালয়ৰ কৰ্মচাৰীসকলৰ পুৰণি অধ্যাপক কাৰ্যালয়ৰ কৰ্মচাৰীসকলৰ সৈতে কথা বতৰা হৈ কলেজখনৰ বিষয়ে যিবোৰ তথ্য জানিব পাৰিলো সেইবোৰে মোক বৰকৈ আঘাত দিলে। কলেজ সপ্তাহ বুলিলে ছাত্ৰ-ছাত্ৰীৰ মনত যি প্ৰাণ চাঞ্চল্য ফুটি-উঠিব লাগে, ছাত্ৰ-ছাত্ৰীৰ যি ধৰণৰ সহযোগিতাৰ প্ৰয়োজন; সেই বোৰ নেদেখিলোঁ। কলেজখনৰ চৌহদত যেনি-তেনি অপৰিকল্পিত ভাৱে গঢ়ি তোলা জৰাজীৰ্ণ ঘৰবোৰে পৰিবেশ নষ্ট কৰিছে। বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীয়ে 'প্ৰেক্টিকেল' কৰিবলৈ প্ৰয়োজনীয় সা-সামগ্ৰী নথকাত পৰীক্ষা দিব নোৱাৰা অভিযোগ পাইছোঁ। কলেজ পৰিচালনা সমিতিয়ে এজন স্থায়ী অধ্যক্ষৰ নিযুক্তিৰ ব্যৱস্থা কৰিব নোৱাৰাটোও কলেজখনৰ বাবে হানিকাৰক।

—শ্ৰীকেশৱ চন্দ্ৰ হাজৰিকা (জনাৰাম চৌকা) এগৰাকী অভিভাৱক

* আপুনি এগৰাকী অভিভাৱক হিচাপে মঙলদৈ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশত কিবা খবৰ পায়নে? যদি পায় সি কেনেকুৱা সংক্ষেপে কওঁকচোন?

উত্তৰঃ— মঙলদৈ মহাবিদ্যালয়ৰ পৰা যদিও মই কিছুদূৰত থাকো তথাপি মোৰ লৰা-ছোৱালী সকলৰ পৰা মহাবিদ্যালয়খনৰ বিষয়ে বহু কথা জানিবলৈ পাওঁ। মহাবিদ্যালয়খনত বৰ্তমানে শৈক্ষিক পৰিৱেশ সিমান ভাল নহয় যেন অনুভৱ হৈছে। মঙলদৈ মহাবিদ্যালয়ত পঢ়ুৱাই মোৰ ল'ৰা ছোৱালীক প্ৰকৃত শিক্ষাৰে জ্ঞানী কৰিবলৈ ইচ্ছা কৰো বা আত্ম-বিশ্বাস ৰাখো যদিও মহাবিদ্যালয়ৰ কিছুমান পৰিবেশে আত্ম-বিশ্বাস নোহোৱা কৰি হতাশ কৰে। যেনে—দূৰৰ গাওঁৰ পৰা আধা ৰাস্তা খোজ কাঢ়ি গৈ চিটি বাচত হেচা খেলা কৰি ৰাতিপুৱা ৭ বজাতে লৰা-ছোৱালীবোৰ কলেজলৈ গৈ উভতি আহি কব আজি এটাহে ক্লাচ হ'ল। কেতিয়াবা কয় 'আজি ৰাতিপুৱা ৯ বজাৰ মেজৰৰ ক্লাচ নহল, কেতিয়াবা কব আজি কলেজত মাৰ-পিট লাগিছে। ইত্যাদি ......। এই পৰিস্থিতিৰে জানো শৈক্ষিক পৰিবেশ গঢ়ি তুলিব পাৰি।

মহাবিদ্যালয়খনত এগৰাকী স্থায়ী অধ্যক্ষ নোহোৱাৰ বাবে প্ৰশাসনিক দিশত এক সোলোক ঢোলোক অৱস্থা হৈছে। মহাবিদ্যালয়ত কেইবাগৰাকীও অভিজ্ঞ অধ্যাপক থকা স্বত্তেও স্থায়ী অধ্যক্ষ হিচাপে নিযুক্তি নিদিয়াটো বিভাগীয় কতৃ'পক্ষৰ চৰম অবহেলা কিম্বা হেমাহি বুলি কব পাৰি আৰু ই মহাবিদ্যালয়খনৰ বাবে হানিকাৰক।

শেষত ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকা সকলৰ মাজত মধুৰ সম্বন্ধয়ে আমাৰ অভিভাৱকসকলৰ প্ৰেৰণা স্থল।

— হৈমৱতী মহন্ত, মঙলদৈ (টেঙাবাৰী), এগৰাকী গৃহিণী

* আপুনি এগৰাকী গৃহিণী হিচাপে জিলাখনৰ একমাত্ৰ উচ্চ শিখৰৰ অনুস্থান মঙলদৈ মহাবিদ্যালয় সম্পৰ্কে আপোনাৰ মতামত জনাবনে ?

উত্তৰঃ— এখন ঘৰৰ গৃহিণী হিচাপে ঘৰুৱা কাম-কাজত ব্যস্ত থকাৰ মাজেদিও জিলাখনৰ একমাত্ৰ উচ্চ শিখৰৰ অনুস্থান মঙলদৈ মহাবিদ্যালয়'ত শিক্ষাগ্ৰহণ কৰি কথা মোৰ লৰা-ছোৱালীৰ পৰা মই মহাবিদ্যালয়খনৰ বিষয়ে জানিবলৈ যথেষ্ট সক্ষম হৈছোঁ।

'মঙলদৈ মহাবিদ্যালয়' জিলাখনৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুস্থান। আমি অভিভাৱিকা সকলে এই অনুস্থানত শিক্ষা গ্ৰহণ কৰি আমাৰ লৰা-ছোৱালীহঁতে প্ৰকৃত শিক্ষাৰে শিক্ষিত হৈ গঢ়ি উঠিব পাৰিব বুলি আশা কৰোঁ। প্ৰকৃত শিক্ষা বুলিলে জ্ঞান, বিদ্যা, ভদ্ৰ আচৰণ পৰম্পৰৰ প্ৰতি মৰম সহানুভূতি, ধৈৰ্য্য আদিকে বুজায়। ল'ৰা-ছোৱালীৰ উজ্বল ভৱিষ্যত কামনা কৰি আমি মাতৃ সকলে ঘৰখনৰ সকলো জঞ্জাল আওকান কৰি পুৱাতে সিহঁতক খুৱাই মেলি কলেজলৈ পঠিয়াও, আবেলি সিহঁত ঘূৰি আহি কব পুৱাৰ পৰা আবেলিলৈ এটা বা দুটা ক্লাচ কৰিছে। এই কথাটো সদায় নহলেও প্ৰায়ে হয়। মনটো নিৰাশাৰে ভৰি পৰে। কিয় এনেকুৱা হৈছে। অধ্যাপক সকলে শিক্ষাদানত অবহেলা কৰিছে নেকি ? নে ছাত্ৰ-ছাত্ৰী সকলেহে পাঠ গ্ৰহণত আগ্ৰহী নহয়। ইয়াৰ পৰা ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত কি ? বৰ্তমান চৰকাৰৰ ফালৰ পৰা অধ্যাপক সকলক যথেষ্ট সুবিধা দিছে যাতে তেওঁলোকে আৰ্থিক অৱস্থাৰ অভাৱ অনুভৱ নকৰাকৈ ছাত্ৰ-ছাত্ৰীক পাঠদানত মনোযোগ দিব পাৰে। বৰ্তমান মহাবিদ্যালয়খনৰ বাৰ্ষিক পৰীক্ষাৰ ফলাফল আশানুৰূপ নহয়। ইয়াৰ প্ৰধান কাৰণ মহাবিদ্যালয়খনৰ অসুস্থ শৈক্ষিক পৰিবেশ। সুস্থ শৈক্ষিক পৰিবেশ ঘূৰাই আনিবলৈ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক সকলৰ যুটীয়া প্ৰচেষ্টাৰ দৰকাৰ।

—লোহিত চন্দ্ৰ ডেকা, স্নাতক, তৃতীয় বাৰ্ষিক,

* মঙলদৈ মহাবিদ্যালয়ত পঢ়ি আপুনি উচ্চ শিক্ষা লাভত কৃতকাৰ্য্য হম বুলি আত্মবিশ্বাস গোটাব পাৰিছেনে ? মহাবিদ্যালয়খনৰ উন্নতিৰ পথত প্ৰধান বাধা আপুনি কি বুলি উপলব্ধি কৰে।

উত্তৰ – মঙলদৈ মহাবিদ্যালয়ত পঢ়ি উচ্চ শিক্ষা লাভ কৰাত কৃতকাৰ্য্যতা গোৱাৰ ক্ষেত্ৰত মই ব্যক্তিগতভাবে আত্মবিশ্বাস গোটাব পাৰিছো।

অৱশ্যে কেতবোৰ সমস্যাই বৰ্তমান পৰিস্থিতিত ছাত্ৰ-ছাত্ৰীৰ উচ্চ শিক্ষা লাভত আত্ম-বিশ্বাসৰ অফুৰন্ত কৃতকাৰ্যতাৰ হেপাহত হেঙাৰ স্বৰূপ হৈ পৰিছে।

নাম ভৰ্ত্তিকৰণ এটা বিশেষ সমস্যা হৈ পৰিছে। মঙলদৈ মহাবিদ্যালয়ত প্ৰতি বছৰে উচ্চতৰ মাধ্যমিক আৰু তিনিবছৰীয়া স্নাতক কলা/বিজ্ঞান উভয় শাখাতে অসংখ্য ছাত্ৰ-ছাত্ৰীৰ ভীৰ হয়। কিন্তু ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থৰ বাবে মহাবিদ্যালয়ত আসনৰ সংখ্যাতকৈও অধিক সংখ্যক ছাত্ৰ-ছাত্ৰীক

নাম ভৰ্ত্তিকৰণৰ সুবিধা দিবলগীয়া হোৱা বাবে শিক্ষাদান তথা শিক্ষা গ্ৰহণৰ বাবে অনুকূল পৰিবেশৰ অভাৱ পৰিলক্ষিত হয়। আনহাতে মহাবিদ্যালয়ৰ চৌহদত অবাধ গতিত ইঞ্জিন চালিত যান-বাহনবোৰ বিচৰণ কৰাৰ ফলত শৈক্ষিক পৰিবেশত ই প্ৰতিকুল প্ৰভাৱ পেলাইছে। ফলত শিক্ষা লাভৰ কৃতকাৰ্য্যতাৰ আত্মবিশ্বাসত ছাত্ৰ-ছাত্ৰীৰ বাবে ই এক প্ৰত্যাহবান হৈ পৰিছে।

গতিকে ছাত্ৰ-ছাত্ৰীৰ সদৃচ্ছা দিঠকত পৰিণত কৰিবৰ বাবে সদাহতে আসন আৰু শিক্ষকৰ সংখ্যা বৃদ্ধিৰ লগতে আছুতীয়া যান-বাহন কক্ষৰ নিতান্তই প্ৰয়োজন।

মঙলদৈ মহাবিদ্যালয়ৰ উন্নতিত প্ৰধান বাধা বুলিলে সাধাৰণতে বহু কেইটা বিষয় আহি পৰে। ইয়াৰ ভিতৰত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ কাম-কাজ সোলোক-ঢোলোক অৱস্থা, ছাত্ৰ-ছাত্ৰীৰ অপূৰ্ণ সহযোগিতা আৰু ৰাজনীতিৰ প্ৰয়োভৰ অন্যতম বাধা বুলি ভবাৰ থল আছে।

শ্ৰীমতী হিৰুমণি দেৱী, স্নাতক, দ্বিতীয় বাৰ্ষিক,

* মঙলদৈ মহাবিদ্যালয়ত পঢ়ি তুমি উচ্চ শিক্ষা লাভত কৃতকাৰ্য্যতা হ'ম বুলি আত্মবিশ্বাস গোটাব পাৰিছানে? মহাবিদ্যালয়খনৰ উন্নতিৰ পথত প্ৰধান বাধা কি বুলি উপলব্ধি কৰা?

উত্তৰঃ— মঙলদৈ মহাবিদ্যালয়ত পঢ়ি মই উচ্চ শিক্ষা লাভত কৃতকাৰ্য্য হম বুলি মোৰ সম্পূৰ্ণ আত্মবিশ্বাস আছে।

বহু সময়ত দেখা যায় যে লৰা-ছোৱালীয়ে ক্লাচ নকৰি বাহিৰত ঘুৰি-ফুৰে আৰু অধ্যাপিকা সকলে শ্ৰেণী কোঠালৈ গৈ চাৰিজন বা তিনিজন ছাত্ৰ-ছাত্ৰীক লৈয়েই ক্লাচ কৰিব লগা হয়। কেতিয়াবা আকৌ ঘুৰি যাবলৈও বাধ্য হয়। এনে এটা পৰিস্থিতিত ছাত্ৰ-ছাত্ৰীয়ে অকৃতকাৰ্য্য হোৱা একো ডাঙৰ কথা নহয়। মহাবিদ্যালয়খনৰ উন্নতিৰ পথত প্ৰধান বাধা হৈছে এজন স্থায়ী অধ্যক্ষৰ অভাৱ। স্থায়ী অধ্যক্ষৰ অভাৱে মহাবিদ্যালয়ৰ প্ৰশাসনৰ দিশত উশৃংখল পৰিবেশৰ সৃষ্টি কৰিছে, যাৰ ফলত আমাৰ দৰে গাঁৱৰ পৰা অহা অহা ছাত্ৰ-ছাত্ৰীৰ অৱস্থা দুখ লগা হৈ পৰিছে। এই বিশৃংখল পৰিবেশে মহাবিদ্যালয়খনত শৈক্ষিক পৰিবেশ প্ৰায় নোহোৱা কৰি পেলাইছে। 'আজি বোলে, মহাবিদ্যালয়ৰ চৌহদত কোনোবাই কাৰোবাক মাৰিলে আকৌ কালি বোলে কাৰোবাক মাৰিলে', এইবোৰ মহাবিদ্যালয়খনৰ লগত জড়িত ঘটনা। যদি ছাত্ৰ-ছাত্ৰীৰ মনত সেই পুৰণি দিনীয়া আদিম পশু স্বভাৱটোৱেই বৰ্তমানলৈ থাকে, তেন্তে মহাবিদ্যালয়ৰ জানো উন্নতি হব?

মহাবিদ্যালয় উন্নতিত বাধা যোগোৱা আন এটি বৰঙণি হল—মহাবিদ্যালয়খনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থকা ছাত্ৰ-ছাত্ৰীৰ আবাস গৃহ দুটাৰ দুৰৱস্থা। এই আবাস-গৃহ দুটাৰ প্ৰতি বিভাগীয় কৰ্তৃপক্ষৰ যেন একো গুৰুত্বই নাই। বিশেষকৈ ছাত্ৰী নিবাসৰ কথা কব পাৰি। ছাত্ৰী সকলৰ নিৰাপত্তাৰ বাবে নিবাসগৃহৰ চাৰিফালে এখন দেৱালৰ অতি প্ৰয়োজন। ঠিক সেইদৰে

খোৱাপানীৰো প্ৰয়োজন। 'এগৰাকী ছাত্ৰীয়ে কিমান সাহস গোটাই দেৱাল নোহোৱা আবাসত থাকিবলৈ, ভাবিলে মোৰ শৰীৰত কঁপনি উঠে। সেয়ে নিৰাপত্তাৰ অভাবে মহাবিদ্যালয় খনৰ, ছাত্ৰী নিবাসত থকা ছাত্ৰীসকলৰ শৈক্ষিক পৰিবেশৰ এক প্ৰধান বাধা বুলি উপলব্ধি কৰো।

– কৃষ্ণেন্দু ডেকা, স্নাতক দ্বিতীয় বাৰ্ষিক।

* বৰ্তমান আমাৰ মহাবিদ্যালয়ৰ শৈক্ষিক দিশৰ অবনতি সম্পৰ্কে কিছুসংখ্যক মহাবিদ্যালয়ৰ লগত জড়িত ব্যক্তিয়ে ছাত্ৰসকলৰ অমনোযোগিতাক দোষ দিব বিচাৰে। মহাবিদ্যালয়ৰ এগৰাকী ছাত্ৰ নেতা হিচাপে আপোনাৰ মতামত কি ?

উত্তৰঃ— ছাত্ৰ-ছাত্ৰীক দোষ দি লাভ নাই। ইয়াৰ বাবে প্ৰধানকৈ প্ৰশাসনেই জগৰীয়া। ভালদৰে চালি-জাৰি চালে কেইটামান কথা ওলাই পৰে।

প্ৰথমতে, উচ্চতৰ মাধ্যমিক প্ৰথম খণ্ড পৰীক্ষাত কিছুমান অজুহাত দেখুৱালেই উত্তীৰ্ণ হব পাৰি। অজুহাত মানে, চিকিৎসাৰ প্ৰমাণ পত্ৰ, উত্তীৰ্ণ হবলৈ দৰকাৰী উচ্চতম নম্বৰ হ্ৰাস কৰাৰ ব্যৱস্থা আদিয়েই প্ৰধান। এনেদৰে পৰীক্ষাত উত্তীৰ্ণ হব পাৰিলে পৰীক্ষাৰ একো অৰ্থই নাথাকিল।

দ্বিতীয়তে, প্ৰশাসনে নাম ভৰ্ত্তিকৰণৰ সময়ত আসনৰ সংখ্যা নিৰ্দ্ধাৰণ নকৰে কিমান ছাত্ৰ ছাত্ৰীক নাম ভৰ্ত্তি কৰাৰ বা নিম্নতম কিমান নম্বৰলৈ নাম ভৰ্ত্তি কৰাব তাৰ সীমা সংখ্যা নাথাকে। অধিক ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শ্ৰেণী কোঠা নথকাত বহু 'ক্লাচ অ'ফ' থাকে ফলত ছাত্ৰ ছাত্ৰী যেনি-তেনি ঘূৰি ফুৰিব লাগে আৰু শৈক্ষিক বাতাবৰণ নিম্নমুখী হয়।

তৃতীয়তে, আমি মহাবিদ্যালয় উন্নয়নৰ নামত মাচুল (Fees) দিছোঁ, কিন্তু মহাবিদ্যালয়ৰ উন্নতি হোৱা নাই বৰং প্ৰেক্ষাগৃহটোও শ্ৰেণী কোঠালী হিচাবে ব্যৱহাৰ কৰিব লগা হৈছে আনকি খোৱা পানীৰ ব্যৱস্থাটোও হৈ নুঠিল।

অৱশেষে ছাত্ৰ-ছাত্ৰীক এটাতেই জগৰীয়া কৰিব পাৰি সেইটো হ'ল তেওঁলোকে মহাবিদ্যালয় Senior-Junior মানিব নোখোজে। মোৰ ব্যক্তিগত বোধেৰে 'ৰেগিং' (ভাল দিশৰ) উঠি যোৱাৰ বাবেই এনেকুৱা হৈছে। শেষত কব পাৰি য'ত ৰজা নাই তাত প্ৰজাক কোনে পায়। অৰ্থাৎ স্থায়ী অধ্যক্ষৰ কথাই কব বিচাৰিছোঁ।

# মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভানেত্ৰীৰ প্ৰতিবেদন

## ১৯৮৯-৯০ চন

আৰম্ভণিতে মহাবীৰ শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধা জনাই মই মঙলদৈ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্ম-কৰ্তাৰ্লৈ বৈপ্লৱিক অভিনন্দন জ্ঞাপন কৰিছো। মঙলদৈ মহাবিদ্যালয় দৰং জিলাৰ ভিতৰতে একমাত্ৰ বৃহৎ শিক্ষানুষ্ঠান। মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভানেত্ৰী হিচাবে জয়ী কৰি দায়িত্ব পালন কৰাৰ সুবিধাকণ দিয়াৰ বাবে আপোনালোক সকলোকে আন্তৰিক কৃতজ্ঞতা জনাইছো।

এখন সমাজৰ সু-পৰিচালনা কৰিবলৈ তথা বিকাশ সাধনত যিদৰে আমাৰ ধৰ্মানুষ্ঠান, শিক্ষানুষ্ঠান আদিৰ প্ৰয়োজন। ঠিক তদানুৰূপভাৱে যিকোনো এটা কাম সুচাৰু ৰূপে কৰিবলৈ এটা সুসংবদ্ধ গোটৰ একান্ত প্ৰয়োজন।

প্ৰত্যেক মহাবিদ্যালয়ত থকা গোটটো অৰ্থাৎ ছাত্ৰ একতা সভাৰ পৰিচালনাৰ ক্ষেত্ৰত আশানুৰূপ ফলশ্ৰুতি নিৰ্ভৰ কৰে নেতৃত্ব থকা ব্যক্তিসকলৰ কৰ্ম তৎপৰতাৰ ওপৰত।

বৰ্তমান যুগটো হৈছে প্ৰতিযোগিতাৰ যুগ। এই প্ৰতিযোগিতাত বিশেষ স্থান লাভ কৰিব লাগিলে আমি প্ৰত্যেকেই নিজৰ কামৰ খতিয়ান নিজৰ হাতত লৈ আত্ম-বিশ্লেষণ কৰি চাব লাগিব। অন্যথাই বহু বিতৰ্কিত হোৱাৰ সম্ভাৱনাই বেছি।

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন অভাৱ অভি-যোগৰ মাজেৰে শিক্ষা গ্ৰহণ কৰি আহিছে। অৰ্থৰ অভাৱৰ বাবেই বিভিন্ন অভাৱসমূহ বাস্তৱত পৰিণত কৰিব পৰা নহয় যদিও কেতবোৰ কৰিবলৈ চেষ্টা কৰা হৈছিল।

১৯৮৯-৯০ চনৰ এই কাৰ্যকালছোৱাত অজানিতে হোৱা ভুল-ক্ৰুটিবোৰৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মঙলদৈ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নয়ন কামনা কৰিছোঁ।

সামৰণিত পুনৰ শ্বহীদসকলক শ্ৰদ্ধা জনাই ছাত্ৰ একতা সভাৰ সমূহ কৰ্মকৰ্তা, শিক্ষাগুৰুসকল আৰু সমূহ বন্ধু-বান্ধৱীয়ে মোৰ কাৰ্য্যকালত পৰামৰ্শ, সহায় সহযোগিতা আগবঢ়ালে, তেওঁলোক সঁচাকৈয়ে ধন্যবাদৰ পাত্ৰ।

শেষত আমি সকলোৱে এটি কথা মনত ৰখা উচিত—
"United we stand divided we fall"

ধন্যবাদেৰে—
শ্ৰীকল্পনা শৰ্ম্মা
উপ-সভানেত্ৰী, মঙলদৈ
মহাবিদ্যালয় ছাত্ৰ একতা সভা।

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

## ১৯৮৯-৯০ চন

জয় জয়তে মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাবে মোক নিৰ্বাচিত কৰি ছাত্ৰ সমাজ তথা মহাবিদ্যালয়ৰ বিভিন্ন ধৰণৰ সেৱা আগ বঢ়াবলৈ সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ বন্ধু তথা শিক্ষাগুৰুলৈ ছাত্ৰ একতা সভাৰ হৈ মই আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ কাৰ্য্যকাল ছোৱাত সাধাৰণ সম্পাদক হিচাবে মই বিশেষভাবে দায়িত্ব পালন কৰিব নোৱাৰিলো। তথাপিতো যিখিনি কাৰ্য্য সম্পাদক হিচাবে কৰিব লাগে তাকে কৰিলো আৰু সেয়া কিমান দুৰ সফলতা লাভ কৰিব পাৰিলে তাক আপোনা-লোকেই বিচাৰ কৰিব।

'জন্মভূমি স্বৰ্গাদপি গৰিয়সি' প্ৰাণতকৈও মৰমৰ জন্ম ভূমি অসম তথা স্বজাতি অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ বাবে অসমৰ বুকুত গঢ়ি উঠা অহিংস গণতান্ত্ৰিক আন্দোলনক আগুৱাই নিওতে শত্ৰুৰ হাতত প্ৰাণ বিসৰ্জন দিয়া সেই বীৰ শ্বহীদসকললৈ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি লিখিব লগীয়া দু-আষাৰ আৰম্ভ কৰিছো।

**শোক সভা**—যোৱা বছৰটোত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ আৰু ছাত্ৰী ক্ৰমে বিভূতি ৰাজবংশী, নৃপেন শৰ্মা বগু ডেকাৰ, মৃত্যুত গভীৰ শোক প্ৰকাশ কৰা হয় আৰু মৃতকৰ পৰিয়াল বৰ্গলৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰা হয়।

**বিদায় সভা** ঃ—আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীআব্দুল মজিদ চাহক আনুষ্ঠানিক ভাৱে বিদায় দিয়া হয়। যোৱা ২ ফেব্ৰুৱাৰী ৯০ ৰ পৰা ৭ ফেব্ৰুৱাৰী ৯০ লৈ মহাবিদ্যালয় সপ্তাহ উলহ-মালহেৰে পালন কৰা হয়। এই সময়ছোৱাত মহাবিদ্যালয়ৰ চৌহদ উৎসৱ মূখৰ কৰি তোলা হৈছিল।

**ব্যক্তিগত দুআষাৰঃ**— মহাবিদ্যালয়ৰ দায়িত্বৰ কাল ছোৱাত পুনৰ নতুন ভাবে সমস্যাসমূহৰ সমাধাণৰ বাবে কৰ্তৃপক্ষৰ ওচৰত যৎপৰোনাস্তি চেষ্টা চলাইছিলো। অৱশ্যে এনে ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ উদাসীনতা হতাশজনক। তদু পৰি কাৰ্য্যনিৰ্বাহকৰ সদস্যসমূহৰ কিছু অংশৰ মহাবিদ্যালয় সপ্তাহৰ পাছত মহাবিদ্যালয় সমস্যা সমাধান ক্ষেত্ৰত দেখুৱা উদাসীনতা সমস্যা সমাধানৰ বাবে দেখা দিয়া এটা অপ্ৰিয় সত্য।

ঃ মহাবিদ্যালয়ৰ বিভিন্ন সমস্যাৰ সমাধানৰ ক্ষেত্ৰত পোৱা আন এটা বাধা হ'ল কৰ্তৃপক্ষৰ লেহেম গতি আৰু প্ৰশাসনিক জটিলতাৰ অজুহাত। সেয়েহে আশা থাকিল মহাবিদ্যালয়ত এজন প্ৰশাসনিক গুণসম্পৰ্ণ স্থায়ী অধ্যক্ষৰ নিযুক্তিয়ে এনে অসুবিধাৰ দূৰ কৰিব।

।। জয় আই অসম ।।

**—মুন গোস্বামী**
সাঃ সঃ মঃ মহাবিদ্যালয়

# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰিয় ছাত্ৰ-বন্ধু আৰু ছাত্ৰী-বান্ধৱীসকল,

জয় জয়তে সকলোলৈ মোৰ শ্ৰদ্ধাসিক্ত মৰম লগতে বৈপ্লৱিক অভিনন্দন জ্ঞাপন কৰি মোৰ প্ৰতিবেদন আগবঢ়াবলৈ আগবাঢ়িছো। দায়-দোষ আমাৰ দৃষ্টিৰে চাই মোৰ এই অনুষ্টুপীয়া আৰু নিৰস প্ৰতিবেদনখনি মৰমেৰে আকোআলি ললে নথৈ সুখী হম। বিভিন্ন সময়ত বিভিন্ন কাৰণত আই মাতৃৰ হিতাৰ্থে জীৱন উচৰ্গা কৰা শত-সহস্ৰ শ্বহীদ আৰু জীৱন্ত শ্বহীদ (পংগু) লৈ এইকণ সুৰুঙাতে মোৰ প্ৰণাম যাচিলো।

সাধাৰণ সম্পাদকৰ লগত সমানে-অসমানে গৈ মই আপোনাসৱক কিখিনি সহায়ৰ সেৱা আগবঢ়াব পাৰিলো সেই বিচাৰৰ তুলাচনী আপোনালোকৰ হাতত। তাৰোপৰি মূল সম্পাদকৰ ৰসাল প্ৰতিবেদনৰ বুকুত মোৰ কাৰ্য্যাৱলীৰ বিৱৰণ হয়তো আপোনালোকে পাবই। সেয়ে সেই বিষয়টো পুনৰ ইয়াত সন্নিবিষ্ট কৰাৰ চেষ্টা নকৰিলো। মহাবিদ্যালয়খন অজস্ৰ সমস্যাৰে জৰ্জৰিত আৰু অগণন অভাৱেৰে প্ৰ-পীড়িত হেতু আৰু সিবোৰ মোচনৰ প্ৰচেষ্টাৰ বিষয়েও আপোনালোকক নকৈ জনোৱাৰ প্ৰয়োজনীয়তা উপলব্ধি নকৰিলো। যিহেতু মোৰ দৰেই আপোনালোককো এই বিষয়ত সমানে ভুক্তভোগী।

তথাপিতো, দিনে-দিনে স্খলিত হৈ গৈ থকা আমাৰ ডেকা-ডেকেৰীৰ অপৈনত আৰু অসচেতন মানসিকতাকো মহাবিদ্যালয়ৰ সমস্যা ও অভাৱবোৰৰ অনেক হেতুৰ ভিতৰত এটা প্ৰধান বুলি নকৈ নোৱাৰিলো। ময়ো যে, এই দোষ কিম্বা অজ্ঞতা নতুবা দুৰ্বলতাৰ উৰ্দ্ধত নহয় তাকো কব নোখোজো। আমি সকলোৱে একেটা বিষাক্ত ঘাটৰ পৰাই পানী খাব ধৰিছো। এয়া অকল আমাৰ মহাবিদ্যালয়ৰে নহয়, গোটেই অসম জুৰি হোৱা এটা নিম্নমূখী সোঁত। সেয়ে, আমি সাধিব লাগিব এটা আমূল পৰিবৰ্তন, বিচাৰিব লগিব এটা সুদৃৰ বিপ্লৱ। যাৰ দ্বাৰা আমি লভিব পাৰিম এখন সুন্দৰতম অসম। বহু বিদগ্ধ পণ্ডিতৰ গভীৰ লিখনী আৰু সমাজৰ প্ৰতিটো চুকত এই বিতৰ্কিত বিষয়টোৱে ইতিমধ্যে অগ্ৰ স্থান লভিছে যেতিয়া মই ইয়াক পুণৰ বহলাবৰ ব্যৰ্থ প্ৰয়াস আৰু নকৰো।

মোৰ ব্যক্তিগত কাৰ্য্যকালৰ বিভিন্ন কামৰ ভিতৰত সাধাৰণ সম্পাদকৰ আদেশ মৰ্মে পালন কৰা প্ৰাক্তন অধ্যক্ষ মঃ আব্দুল মজিদ দেৱৰ বিদায়ী সভা আৰু শোভাযাত্ৰাৰ কথা উনুকিয়ালো। শিক্ষকতা জীৱনৰ সম্পূৰ্ণ আৰু সুদীৰ্ঘ কাল এইখন মহাবিদ্যালয়তে কটোৱা "মজিদ চাৰ"ক আমি নিজ হাতেৰে বিদায় দিবলৈ পাই পোৱা দুখৰ উপৰিও অধিকতৰ গৌৰৱান্বিত হৈছো যেন লাগে। এখেতৰ উপৰিও প্ৰাক্তন প্ৰৱক্তা মাননীয় শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্মা আৰু শ্ৰীঅৰবিন্দ সেন চাৰক বিদায় দিবলৈ পোৱাটো উল্লেখযোগ্য যেন অনুভৱ কৰিলো।

প্ৰতিবেদন দীঘলীয়া কৰি মোৰ মূৰ্খতা আৰু কিছু তিক্ত অভিজ্ঞতা উদঙাই দেখুৱাব নুখুজি অঁাৰ কাপোৰ টানিবলৈ আগবাঢ়িছো। মোৰ এবছৰীয়া কাৰ্য্যকালৰ বিভিন্ন পদক্ষেপত অভিন্ন সহায়ৰ হাত আগবঢ়োৱা সকলো বন্ধু বান্ধৱীলৈ অকৃত্ৰিম হিয়াভৰা ধন্যবাদ যঁাচিলো।

সদৌ সেষত প্ৰচেষ্টাৰ আদি আৰু শেষ অস্ত্ৰ হিচাপে মহাবিবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো।

জয় আই অসম

জয়তু মঙ্গলদৈ মহাবিদ্যালয়

**শ্ৰীহিতেশ হাজৰিকা**

সহঃ সাধাৰণ সম্পাদক।

# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

## ১৯৮৯-৯০ চন

দৰং জিলাৰ ভিতৰতে বৃহৎ তথা সাংস্কৃতিক দিশত এক সোনালী ঐতিহ্য সম্পন্ন মহান শিক্ষানুষ্ঠান মঙলদৈ মহাবিদ্যালয়ৰ সাংস্কৃতিক সম্পাদক হিচাবে নিৰ্ব্বাচিত হোৱা হেতুকে মই নিজকে ধন্য মানিছো আৰু উক্ত বিভাগত নিৰ্বাচিত কৰি গুৰু দায়িত্বভাৰ দি সামান্য পৰিমানে হলেও মহাবিদ্যালয়ৰ সেৱা আগবঢোৱাৰ সুবিধা দিয়া বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ শুভৰাম্ভনি কৰিছো।

সম্পাদক হিচাবে মোৰ সফলতা বা বিফলতাৰ বিচাৰৰ দায়িত্ব ভাৰ আপোনালোকৰ হাতত।

পুৰণি কাৰ্য্যনিৰ্বাহকৰ পৰা দায়িত্বভাৰ অৰ্পণ কৰিয়েই আমি সন্মুখীন হওঁ মহাবিদ্যালয় সপ্তাহৰ। কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই মহাবিদ্যালয় সপ্তাহৰ সন্মুখীন হোৱা হেতুকে সকলো বোৰ সম্পাদকে কিছু অসুবিধাৰ সন্মুখীন হোৱাটো স্বাভাৱিক তথাপি নিজস্ব অভিজ্ঞতা তথা মৰমৰ বন্ধু-বান্ধৱী সকলৰ স'চা সহযোগত সাংস্কৃতিক বিভাগৰ সকলোবোৰ কাৰ্য্যসূচী সহজতে ও সুকলমে চলাই নিবলৈ সক্ষম হওঁ।

বাসস্থান মতেই নহওক, ছাত্ৰ হিচাবে মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰৰে সমান অধিকাৰ আছে। অৱশ্যে অধিকাৰ সাব্যস্থ কৰাৰ অধিকাৰ বা দায়িত্ব সম্পূৰ্ণ নিজৰ। কিন্তু এজনৰ (আনৰ) অধিকাৰৰ ওপৰত আন এজনে হস্তক্ষেপ কৰাৰ অধিকাৰ নাই। সকলো ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীৰ অধিকাৰ সাব্যস্থ কৰাৰ অনুকূলে গৈ অৰ্থাৎ সকলোৰে সময় সুবিধাৰ ওপৰত লক্ষ্য ৰাখি সাংস্কৃতিক বিভাগৰ সমূহ প্ৰতিযোগি (নাটক, মুকাভিনয়ৰ বাহিৰে) দিনৰ ভাগতে অনুষ্ঠিত কৰা হৈছিল; যদিও এই ক্ষেত্ৰত দুই চাৰিজনৰ লগত মোৰ মতৰ অমিল ঘটিছিল। আগত সম্পাদক সকলেও সাংস্কৃতিক বিভাগৰসমূহ প্ৰতিযোগিতা (নাটক, মুকভিনয় আদিৰ বাহিৰে) দিনৰ ভাগত অনুষ্ঠিত কৰিব বুলি আশা থাকিল। অন্যথা মহাবিদ্যালয়ৰ পৰা দূৰৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিযোগিতা বোৰৰ পৰা বিৰত হব লগা হব। আৰু যদি এইটো হয় তেন্তে আমি তেওঁ লোকৰ অধিকাৰও হস্তক্ষেপ কৰা হব।

অইন অইন বছৰৰ দৰে এই বেলিও ছয় দিনীয়া কাৰ্য্যসূচীৰে আয়োজন কৰা মহাবিদ্যালয় সপ্তাহ মহা আনন্দ প্ৰয়োভৰা হয়। সাংস্কৃতিক বিভাগৰ আন আন প্ৰতি যোগিতাৰ লগতে চিয়া গীত, দেউধনী নৃত্য, ওজাপালি ঢেপা-ঢোল আদিৰ প্ৰতিযোগিতা অনুষ্ঠিতকৰা হৈছিল যদিও প্ৰতিযোগীৰ অভাবত উক্ত প্ৰতিযোগিতা সফলভাবে ৰূপা-

য়ন কৰিব পৰা নগ'ল। তাৰ বাবে মই সঁচাকৈয়ে দুঃখিত। আগলৈ এইবোৰ প্ৰতিযোগিতা সফল ভাবে ৰূপায়িত কৰিব পৰা যাব বুলি মই গভীৰভাৱে আশা কৰিলো।

আমাৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগত সংগীতৰ তিনিটা শাখাত বিভক্ত শাস্ত্ৰীয় সংগীত, লোক সংগীত আৰু লঘু সংগীতৰ প্ৰতিযোগিতাৰ ভিতৰত লোক আৰু লঘু সংগীতৰ প্ৰতিযোগি আশানুৰূপ যদিও শাস্ত্ৰীয় সংগীতৰ প্ৰতিযোগি নিচেই তাকৰ। ইমান ডাঙৰ মহাবিদ্যালয় এখনত শাস্ত্ৰীয় সংগীতৰ প্ৰতিযোগিও নিচেই কম হোৱাটো সঁচাকৈ দুখ লগা কথা। ১৯৭৭ চনৰ পৰা জনৈক অজ্ঞাত নামা শাস্ত্ৰীয় সংগীত অনুৰাগীলে শাস্ত্ৰীয় সংগীতৰ নানা বাদ্য আৰু নৃত্য বিভাগৰ শ্ৰেষ্ঠ প্ৰতিয়োগিলৈ একোটা বঁটা প্ৰদান কৰি আহিছে। উক্ত শাস্ত্ৰীয় সংগীত প্ৰেমী জনাৰ মনৰ আশা পূৰনাৰ্থে তথা তেখেতৰ মনত আনন্দ দিয়াৰ অৰ্থে শাস্ত্ৰীয় সংগীত প্ৰতিযোগিতা সফলভাবে ৰূপায়িত কৰাটো নিত্যান্তই প্ৰয়োজন। সেয়েহে প্ৰতিযোগি সকলে (শাস্ত্ৰীয় সংগীতত জ্ঞান থকা) আন আন প্ৰতি-যোগিতাৰ লগতে শাস্ত্ৰীয় সংগীত প্ৰতিযোগিতাটো অংশ গ্ৰহণ কৰি সফলভাবে ৰূপায়ন কৰাত সহায় কৰে যেন। ১৯৭৮ চনৰ পৰা অবিবক্তা শ্ৰীবিনয় কুমাৰ ঘোষ দেৱেও লোক সংগীতৰ শ্ৰেষ্ঠ প্ৰতিযোগীজনলৈ ৺ সোমনাথ ঘোষ সোঁৱৰণী বটা আগবঢ়াই আহিছে। উক্ত দুয়ো গৰাকী সংগীত প্ৰেমীলৈ মহাবিদ্যালয়ৰ তৰফৰ পৰা আন্তৰিক শ্ৰদ্ধা ও কৃতজ্ঞতা জ্ঞাপন কৰিলো। এই খিনিতে মহাবিদ্যা-লয়ৰ উঠি অহা সমূহ শিল্পী বন্ধু-বান্ধৱীলৈ অনুৰোধ থাকিল যাতে অকল পুৰস্কাৰটোৰ ওপৰত লক্ষ্য নাৰাখি সকলো-বোৰ প্ৰতিযোগিতাতে অংশ গ্ৰহন কৰি প্ৰতিযোগিতা সফল কৰাৰ লগতে নিজৰ উন্নতিৰ পথ সুগম কৰি লয়।

এই বেলিও মহাবিদ্যালয়ৰ সপ্তাহৰ সামৰণিৰ দিনাখন সন্ধিয়া এখনি আনন্দ মুখৰ সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হয়। সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে গীতিকাৰ মাননীয় ফজলুল কৰিম দেৱে। সমূহ ছাত্ৰ-ছাত্ৰীৰ দিহা পৰামৰ্শ তথা ইচ্ছাৰ অনুকূলে গৈ এই বেলি কেইগৰাকী মান বিশিষ্ট শিল্পীক বিশেষভাৱে আমন্ত্ৰণ জনোৱা হয়। তেখেতসকল হ'ল অসমৰ আগশাৰীৰ শিল্পী মাননীয় বিদ্দিপ দত্ত অনাতাৰ শিল্পী বংশীধৰ ডেকা, মানীকি দাস আৰু ভাৰতী চহৰীয়া। আটাই কেইগৰাকী শিল্পীৰ সুৰদী-সুৰীয়া গীতত মুগ্ধ হৈ ৰাতি তিনি বজালৈ মানুহৰ ভীৰ নকমাত মই সঁচাকৈ অতি আনন্দিত হৈছো। এই বেলি নবাগত আগৰণি সভাৰ দিনাখনত সন্ধিয়া সাংস্কৃতিক বিভাগৰ তৰফৰ পৰা এখনি সাংস্কৃতিক সমাৰোহৰ আয়োজন কৰা হয়। উক্ত সাংস্কৃতিক সমাৰোহত মহাবিদ্যালয়ৰ কেবাজনো শিল্পীয়ে সুন্দৰ গীত পৰিবেশন কৰি দৰ্শকক আনন্দ দিয়ে।

প্ৰতিবছৰে কিবা নহয় কিবা এটা চুৰি হোৱাটো পৰম্পৰাত পৰিণত হৈছে। ইয়াৰ কাৰণ কেবাটাও যদিও সাংস্কৃতিক বিভাগৰ এটা ভাল কোঠাৰ অভাবটোও যে এটা লেখত লবলগীয়া কাৰণ তাক নুই কৰিব নোৱাৰি। সাংস্কৃতিক বিভাগৰ কোঠাটো খুউব সৰু হোৱা হেতুকে ৰিহাৰ্ছেল কৰিবলৈ হলে বস্তুবোৰ বাহিৰত উলিয়াই দিব লগা হয়। ইয়াৰ বাবে বস্তুবোৰ হেৰোৱা বা চুৰি হোৱাৰ সম্ভৱনীও বেছি হয়। আগত কাৰ্যনিৰ্বাহকে যাতে সাংস্কৃতিক বিভাগৰ কোঠাটো ডাঙৰ কৰাৰ ব্যৱস্থা কৰে তাৰ বাবে আগতিয়াকৈ জনালো লগতে এই বিষয়ে মাননীয় অধ্যক্ষ মহোদয়ৰ দৃষ্টি গোচৰ কৰিলো।

শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত থকা সম্বন্ধ নিবিড় আৰু অতি সুন্দৰ। এই সম্বন্ধ আন কাৰো লগতে তুলনা কৰিব নোৱাৰি। ছাত্ৰ-ছাত্ৰী সকলেই নিশ্চয় শিক্ষাগুৰু সকলৰ মূল সম্পদ। গতিকে মাননীয় শিক্ষাগুৰু সকলে অলপ কষ্ট স্বীকাৰ কৰি হলেও মহাবিদ্যালয় সপ্তাহৰ সমূহ কাৰ্য্যসূচীতে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰী সকলৰ বিভিন্ন দিশত পাৰদৰ্শীতা উপভোগ কৰাটো নিশ্চয় কৰ্ত্তব্য। কিন্তু দুখৰ বিষয় তত্বাবধায়ক কেইজনমান আন কেইজনমান মুষ্টিমেয় শিক্ষাগুৰুৰ বাহিৰে মহাবিদ্যালয়ৰ প্ৰাইবোৰ কাৰ্য্য সূচীতে শিক্ষাগুৰুসকলৰ উপস্থিতি দেখা নাযায় অৱশ্যে কাৰ্য্যসূচী সমূহত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিও আশানুৰূপ নহয়। আগলৈ মহাবিদ্যালয়ৰ সমূহ কাৰ্য্যসূচীতে শিক্ষাগুৰু সকলৰ উপস্থিতিৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰী বন্ধুবান্ধৱীৰ উপস্থিতি একান্ত ভাবে কামনা কৰিলো।

সাংস্কৃতিক বিভাগৰ সমূহ কাৰ্য্যসূচীতে দিহা পৰামৰ্শ দি সৰ্বতোপ্ৰকাৰে উপকৃত কৰা বাবে তত্বাৱধায়ক মাননীয় শ্ৰীযুত দেৱীদাস নেওঁগ দেৱক আৰু শ্ৰীযুত মনিমুগন্ধ বৰঠাকুৰ দেৱক মোৰ আন্তৰিক শ্ৰদ্ধা ও কৃতজ্ঞতা যাচিছোঁ। নিজৰ অমূল্য সময় নষ্ট কৰি হলেও আমাৰ আমন্ত্ৰণৰ প্ৰতি সঁহাৰি জনাই বিচাৰক স্বৰূপে অহা মাননীয় শ্ৰীযুত আনন্দ নাৰায়ন দেৱ, শ্ৰীলক্ষীনাৰায়ণ কোৱৰ, শ্ৰীবংশীধৰ ডেকা, শ্ৰীদ্বিজেন্দ্ৰমোহন দেৱ শৰ্মা, শ্ৰীমতী মানিকি দাস শ্ৰীমতী নিজৰা নাথ, মঃ আব্দুল আজিজ, শ্ৰীঅৰুনি দত্ত আৰু শ্ৰীযুত প্ৰনৱ চহৰীয়া প্ৰমুখ্যে সদাশয় ব্যক্তি সকলক শলাগঁৰ শৰাই আগবঢ়াইছো। মোক বিশেষ ভাবে সহায় সহযোগ আগবঢ়োৱা বাবে সৰ্ব্বশ্ৰী— দিলীপ ডেকা, কুশল ডেকা জ্যোতিষ চহৰীয়া, ৰাজেন হাজৰীকা, নিজামুদ্দিন ( মুন ), ৰেহেমা, ৰাজশ্ৰী আৰু নিলুদালৈ মোৰ আন্তৰিকতা-পূৰ্ণ শলাগঁৰ শৰাই আগবঢ়াইছো। অৱশেষত সম্পাদক হিচাবে অজ্ঞাতসাৰে কৰা ভুল ক্ৰুটিৰ বাবে মাৰ্জনা বিচাৰি আৰু মহাবিদ্যালয়ৰ উজ্বল ভবিষ্যত কামনা কৰি মই মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ ইতিৰেখা টানিছো।

জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

আব্দুল ৰ'ফ আহমেদ
সম্পাদক, সাংস্কৃতিক বিভাগ
১৯৮৯-৯০ চন



# সাংস্কৃতিক বিভাগৰ সহকাৰী সম্পাদকৰ প্ৰতিবেদন,

সৰ্বাঙ্গ সুন্দৰ সমাজ এখন গঢ়িবলৈ জীৱ শ্ৰেষ্ঠ মানৱ হিচাপে বিভিন্ন সময়ত বিভিন্ন দায়িত্ব আহি পৰে। সেয়েহে সামাজিক উন্নতি তথা মঙলদৈ মহাবিদ্যালয়ৰ বিভিন্ন দিশৰ উন্নতি সাধনৰ বাবে আগবাঢ়িছিলো আপোনালোকৰ আশীষ লৈ মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাংস্কৃতিক বিভাগৰ সহঃ সম্পাদকৰূপে।

মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাংস্কৃতিক বিভাগৰ সহঃ সম্পাদক ৰূপে নিৰ্ব্বাচিত কৰি সৰ্বাঙ্গ সুন্দৰ ঐতিহ্য-ময় মঙলদৈ মহাবিদ্যালয়ৰ কিঞ্চিত সেৱা আগবঢ়াবলৈ দিয়া সুযোগৰ বাবে জয় জয়তে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

প্ৰতিশ্ৰুতি দিয়াতো সহজ কিন্তু সীমিত সময় আৰু নিৰ্দ্ধাৰিত পুঁজিৰে প্ৰতিশ্ৰুতি পালন কৰাতো কিমান কঠিন তাক ভুক্তভোগী সকলেহে বুজি পায়। পুৱণি কাৰ্য্যনিৰ্বা-হকৰ পৰা কাৰ্য্যভাৰ গ্ৰহণ কৰিয়ে সন্মুখীন হওঁ মহাবিদ্যালয় সপ্তাহৰ। উক্ত সপ্তাহত আন আন বছৰৰ দৰে উলহ মালহ আৰু আনন্দ মুখৰ পৰিৱেশত সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰা হৈছিল। মহাবিদ্যালয় সপ্তাহৰ সামৰণিৰ দিনাখন অনুষ্ঠিত কৰা সাংস্কৃতিক সন্ধিয়াত স্থানীয় শিল্পীৰ উপৰিও অসমৰ প্ৰখ্যাত গায়ক শিল্পী শ্ৰীৰিদিপ দত্তৰ গীত মাতে দৰ্শকক আনন্দ দিছিল।

শেষত বিভিন্ন জটিল পৰিস্থিতিৰ সমস্যা সমূহ সমা-ধানৰ ক্ষেত্ৰত মূল্যবান পৰামৰ্শ দি অহাৰ বাবে সাংস্কৃতিক বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত মনিমুগ্ধ বৰঠাকুৰ দেৱ আৰু অধ্যাপক শ্ৰীযুত দেৱীদাস নেওগ দেৱলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ইয়াৰ উপৰিও মোৰ প্ৰতি পদক্ষেপতে বিভিন্ন প্ৰকাৰে আগবঢ়োৱা সহায়ৰ বাবে প্ৰত্যুত বিকাশ দাস, হেমন্ত, ৰাণা, গগণ, নৱ, প্ৰভাত, অৰূপ, তপন আৰু কল্প বৰুৱালৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

শেষত ঐতিহ্যমণ্ডিত মঙলদৈ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি লগতে সমূহ ছাত্ৰ-ছাত্ৰীলৈ শুভেচ্ছা জ্ঞাপন কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

—জ্যোতিপ্ৰসাদ ডেকা।
সহঃ সাংস্কৃতিক সম্পাদক।
মঙলদৈ মহাবিদ্যালয়।

# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

## ১৯৮৯-৯০ চন

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে মঙলদৈ মহাবিদ্যালয়ৰ পৰম পূজনীয়, শিক্ষাগুৰুসকললৈ শ্ৰদ্ধা নিবেদিছো। ১৯৮৯-৯০ বৰ্ষৰ বাবে খেল বিভাগৰ সম্পাদকৰ দায়িত্ব দি মঙলদৈ মহাবিদ্যালয়ত খেলবিভাগৰ লগত জড়িত হোৱাৰ যি সুবিধা প্ৰদান কৰিলে তাৰ বাবে মই মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰ কৃতজ্ঞ।

### মহাবিদ্যালয় সপ্তাহ

কাৰ্যকালৰ আৰম্ভণিতে যোৱা ২।২।৯০ ৰ পৰা ৭।২।৯০ ইং তাৰিখলৈ (?) আমি বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ পালন কৰো। মহাবিদ্যালয় সপ্তাহৰ আৰম্ভনিতে মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে মঙলদৈ মহাবিদ্যালয়ৰ অধ্যাপক মাননীয় শ্ৰীযুত যাদৱ নাথ দেৱে। মহাবিদ্যালয়ৰ সপ্তাহৰ খেলসমূহ আৰম্ভ হোৱাৰ আগতে অলিম্পিক শিখা প্ৰজ্বলন কৰে খেল বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় ড° আমানুলহক চাব আৰু আন্তঃ মঙলদৈ ছাত্ৰ সন্থাৰ সভাপতি মাননীয় শ্ৰীযুত কৃষ্ণেন্দু ডেকাই আৰু শিখা কঢ়িয়াই লৈ আনে মহাবিদ্যালয় প্ৰাক্তন ছাত্ৰ শ্ৰীকনক বৰুৱা আৰু শ্ৰীপূৰণ শৰ্মাদেৱে।

মহাবিদ্যালয় সপ্তাহৰ ছোৱালীৰ শিতানৰ খেলসমূহলৈ মই হতাশ হৈ পৰিছিলো কিয়নো প্ৰতিযোগিৰ সংখ্যা অতি নগন্য, তথাপিতো দুই এক প্ৰতিযোগিয়ে উচ্চ মান দণ্ডৰ খেল প্ৰদৰ্শন কৰিবলৈ সক্ষম হয়।

১৯৮৯-৯০ চনৰ বছৰটোৰ বহিঃদ্বাৰ বিভাগৰ (লৰাৰ) শ্ৰেষ্ঠ খেলুৱৈ হিচাবে যুটীয়াভাৱে শ্ৰীঅশোক দৈমাৰী আৰু মই (শ্ৰীধ্ৰুৱ জ্যোতি শৰ্মা) ই আৰু ছোৱালীৰ বিভাগত শ্ৰীমতী ভাৰতী দেৱীয়ে এই সন্মান অৰ্জন কৰে।

খেল বিভাগৰ সম্পাদক হিচাবে মই মহাবিদ্যালয়ৰ ক্ৰীড়া জগতলৈ নতুনত্ব আনিবলৈ চেষ্টা কৰিছিলো যদিও কিমান দূৰ সফল হৈছো তাক মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে বিচাৰ কৰিব। মই খেলুৱৈসকলক যিমানখিনি সহায় সুবিধা দিব লাগিছিল সেই মতে ইচ্ছা থকা স্বত্বেও দিব পৰা নাই সীমিত সময়ৰ বাবে। উদাহৰণ স্বৰূপটো হামাৰ থ্ৰো, কাবাডী, ছোৱালীৰ হাউল ৰেচ, ১৫০০ মিটাৰ দৌৰ আদিৰ খেল পাতিব পৰা নগ'ল। আশা ৰাখিছো যেন মোৰ পৰৱৰ্ত্তী খেল বিভাগৰ সম্পাদকে এই খেল সমূহ অনুষ্ঠিত কৰিব।

ফুটবল প্ৰতিযোগিতা—প্ৰায় ১৫ বছৰ বিৰতিৰ মূৰত মহাবিদ্যালয়ৰ শ্ৰেণী হিচাবত এখনি ২৮-৮-৯০ ৰ পৰা ১৩।৯।৯০ ইং তাৰিখলৈ ফুটবল প্ৰতিযোগিতা পতা হৈছিল। এই প্ৰতিযোগিতাত প্ৰায় সকলো শ্ৰেণীয়ে যোগদান কৰে আৰু খেলখনৰ শ্ৰেষ্ঠ বিজয়ীৰ সন্মান অৰ্জন কৰে উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক কলা বিভাগে আৰু বিজিতাৰ সন্মান লাভ কৰে স্নাতক ২য় বাৰ্ষিক কলা বিভাগৰ দলে। উক্তখেলখনত শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে শ্ৰীদিগন্ত মণি বড়া (বিমান) ই।

কৃতজ্ঞতা স্বীকাৰঃ-মহাবিদ্যালয়ৰ সপ্তাহ তথা গোটেই কাৰ্য কালত মোক সকলো দিশতে দিহা পৰামৰ্শ দি সহায় কৰি যোৱাৰ বাবে মাননীয় গুৰুৱৰ ডঃ আমানুল হক দেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা ও কৃতজ্ঞতা থাকিল। তাৰ উপৰিও মোক মহাবিদ্যালয়ৰ সপ্তাহ তথা আন কাৰ্যসূচীত সকলো দিশতে সহায় কৰা মোৰ সহকাৰী সম্পাদক শ্ৰী পবিত্ৰ ডেকা, হেমন্ত বৰুৱা, মনোজ কুমাৰ বৰুৱা, দিব্য জ্যোতি কলিতা, প্ৰশান্ত, প্ৰনৱ, ভাস্কৰ জ্যোতি, কল্যাণ, ধৰ্মেশ্বৰ, বিশ্বজিৎ, গগন, গিৰিশ, সত্যেন ধন, কৰবী শৰ্মা, অঞ্জু আদিলৈ মোৰ আন্তৰিক মৰম যাচিলোঁ।

ক্ষমা প্ৰাৰ্থনা—কাৰ্য্যকালৰ ভিতৰত মোৰ অজানিতে হোৱা ভুল ভ্ৰান্তিৰ বাবে মঙলদৈ মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীয়ে যেন মোক ক্ষমা কৰে।

শেষত সমূহ ছাত্ৰ-ছাত্ৰীলৈ অনুৰোধ যাতে মহাবিদ্যালয়ৰ উজ্বল ভবিষ্যত খেলৰ দ্বাৰা কঢ়িয়াই অনাৰ লগতে শিক্ষা জগতলৈকো যেন গৌৰৱ কঢ়িয়াই আনে তাৰে কামনাৰে প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ-সন্থা
জয় আই অসম
— ধ্ৰুৱজ্যোতি শৰ্ম্মা
খেল বিভাগৰ সম্পাদক
১৯৮৯-৯০ চন

# সহঃ খেল সম্পাদকৰ প্ৰতিবেদন
## ১৯৮৯-৯০ চন

পোন প্ৰথমে মই মঙলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো, মোক ১৯৮৯-৯০ চনৰ মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ খেল বিভাগৰ সহঃ সম্পাদক হিচাবে নিৰ্বাচিত কৰা বাবে।

সহঃ সম্পাদকৰ দায়িত্বৰ পৰিসীমা যিহেতু সীমিত। তথাপিও সীমিত পৰিসীমাৰ মাজতে মোৰ ভাগত অৰ্পিত দায়িত্ব পালনত অগ্ৰসৰ হৈছিলো। আমাৰ মহাবিদ্যালয়ৰ খেল বিভাগৰ বিভিন্ন অসুবিধা তথা সমস্যা সম্পাদকৰ প্ৰতিবেদনত উল্লেখিত হৈছে। সেয়ে একেখনি কথাকে দোহৰাৰ প্ৰয়োজনবোধ নকৰিলো। কিন্তু আটাইতকৈ ডাঙৰ অভাৱটো হৈছে, আমাৰ মহাবিদ্যালয়ৰ খেলুৱৈ ছাত্ৰ-ছাত্ৰীসকলৰ নিয়মীয়া অনুশীলনীৰ অভাৱ। সেয়েহে মহাবিদ্যালয় সপ্তাহত সুনাম অৰ্জন কৰিলেও বাহিৰৰ প্ৰতিযোগিতাত আমাৰ প্ৰতিযোগীসকলে বিশেষ সফলতা অৰ্জন কৰিব পৰা নাই। সেয়েহে মোৰ অনুৰোধ খেলুৱৈ সকলে যেন নিয়মীয়া অনুশীলন কৰে।

শেষত মোৰ কাৰ্যকালত মোৰ অজানিতে হোৱা ভুল ক্ৰুটিৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰতে ক্ষমা বিচাৰিলো। আনহাতে মোৰ কাৰ্যকালত বিশেষ ভাৱে দিহা পৰামৰ্শ দি মোক উৎসাহিত কৰি ৰখা বাবে খেল বিভাগৰ সম্পাদক ধ্ৰুৱজ্যোতি শৰ্মালৈ মোৰ আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰিলো।

জয়তু মঙলদৈ মহাবিদ্যালয়

॥ জয় আই অসম ॥

শ্ৰীপৱিত্ৰ কুমাৰ ডেকা

সহঃ খেল সম্পাদক

# সুকুমাৰ কলা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

## ১৯৮৯-৯০ চন

মঙলদৈ মহাবিদ্যালয় ছাত্ৰ-সন্থাৰ সুকুমাৰ কলা বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মোক মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি এইকন সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে সকলো ছাত্ৰ-ছাত্ৰীৰ ওচৰত মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

কলা এক সাধনা। এই উপলব্ধিৰে অসন্তৰ প্ৰত্যাহ্বানক ভীষ্ম বিক্ৰমে গ্ৰহণ কৰি অনন্ত কালৰ ক্লান্তিহীন প্ৰচেষ্টাৰ মাজেৰেই কলাৰ জন্ম। অৰ্থাৎ দৈনন্দিন জীৱনৰ প্ৰয়োজনত শ্ৰম আৰু সুন্দৰৰ প্ৰতি থকা অগাধ প্ৰেমৰ চানেকীয়েই সাৰ্থক কলা। সৃষ্টিৰ শুভক্ষনত শিল্পীৰ মন পৰিকল্পিত বিষয়বস্তুৰ সৈতে এক হৈ থাকে আৰু তেনে আনুভূতিক মুহূৰ্ততে কলাৰ সৃষ্টি হয় সাৰ্থক। এতেকে হে সতীৰ্থসকল, মোৰ মাত্ৰ এবছৰীয়া কাৰ্যকালছোৱাত এনে গুৰু দায়িত্বৰ কিমানখিনি গঠনমূলক কাম কৰিবলৈ সক্ষমহলো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়।

সম্পাদকৰ দায়িত্ব লৈ মহাবিদ্যালয়ৰ সুকুমাৰ কলা বিভাগৰউন্নতি আৰু বিকাশৰ নিমিত্তে কিছুমান আঁচনি হাতত লৈছিলোঁ আৰু সেই আঁচনিসমূহ কাৰ্যকৰী কৰিবলৈ যৎ পৰোনাস্তি চেষ্টা কৰিছিলোঁ—সফল কৰিবলৈ চেষ্টা কৰিছিলো অগ্ৰজ মহান সম্পাদকসকলৰ কলা সৃষ্টিৰ ক্লান্তিহীন প্ৰচেষ্টাক। কিন্তু যিদৰে ইন্দ্ৰিয় গ্ৰাহ্য দৃশ্যমান বং বহণ বা কলাৰ সমষ্টিয়ে চিত্ৰ নহয় ঠিক সেইদৰে সম্পাদনায়েই কলা-প্ৰেমৰ হিচাবি ফলক হব নোৱাৰে। মই মাথো সুন্দৰৰ সাধক ছাত্ৰ-ছাত্ৰীৰ মনত এক মানসিক (কলা) সাধনাৰ জন্ম দিবলৈহে চেষ্টা কৰিছিলোঁ।

হে সতীৰ্থসকল, সেই মানসিকতাৰ আশ্ৰয়তেই মহাবিদ্যালয় সপ্তাহত নানান প্ৰতিযোগিতা লগতে এখনি প্ৰদৰ্শনীৰো আয়োজন কৰি বিভিন্ন শিল্পীৰ সৃষ্টিৰ স'তে ছাত্ৰ-ছাত্ৰীসকলক চিনাকী কৰি দিবলৈ চেষ্টা কৰিছিলোঁ। মহাবিদ্যালয়ৰ কলাপ্ৰেমীসকলৰ মাজত তলত উল্লেখ কৰা বিধৰ প্ৰতিযোগিতাসমূহৰ আয়োজন কৰি বিভিন্ন দিশৰ গৌৰৱময় সাধকক ক্ষুদ্ৰ পুৰস্কাৰেৰে তেওঁলোকক মানসিক তৃপ্তি দান কৰাৰো ব্যৱস্থা কৰিছিলোঁ। মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ পৰা হাতত লোৱা প্ৰতিযোগিতা সমূহ আছিল—

হস্তশিল্পৰ ভিতৰত ঃ—বাঁহ বেতৰ শিল্প, বোঁৱা-কটা, মেচিন এম্ব্ৰইডাৰী, হাত এম্ব্ৰইডাৰী, নিটিং, কাটিং ইত্যাদি।

চিত্ৰশিল্পৰ ভিতৰতঃ- পানীবং, পেঞ্চিল চিত্ৰ, তৈল-চিত্ৰ, কাগজ ছিগি আঁকা চিত্ৰ (কলাজ) ইত্যাদি।

ইয়াৰ উপৰিও পুষ্পসজ্জা, ভাস্কৰ্য্য, ৰঙীন আৰু কলা-বগা আলোক চিত্ৰৰো প্ৰতিযোগিতা পতা হৈছিল। এই সমূহ প্ৰতিযোগিতাৰ অন্তত শ্ৰীদাছুল চলিহাই শ্ৰেষ্ঠ সুকুমাৰ বিদৰ সন্মান লাভৰ যোগ্যতা অৰ্জন কৰিছিল। তেওঁক মহাবিদ্যালয়ৰ সুকুমাৰ বঁটা প্ৰদান কৰা হয়। এইবেলি প্ৰথমবাৰৰ বাবে আয়োজন কৰা ৺বিভূতি ৰাজবংশী চলন্ত বঁটা লাভ কৰে শ্ৰীধীৰেণ শৰ্মাই।

মোৰ সময়ছোৱাত বিভিন্ন দিশেৰে বিভাগীয় উন্নয়নৰ হকে চেষ্টা কৰিছিলো যদিও সি বিভিন্ন অভাৱৰ বাবে ফলপ্ৰসু হৈ নুঠিলগৈ। সেইবোৰৰ ভিতৰত আছিল ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰকলাৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা, মাহেকত এবাৰকৈ হলেও কলা-শিল্পীৰ স'তে সমূহীয়া আলোচনা সভা পতা, কোঠা নিদেশনা ফলক নিৰ্মান ইত্যাদি। আশা ৰাখিছো আগত সম্পাদকসকলে এনেবোৰ দিশত মনোনিবেশ কৰিব।

সি যি কি নহওঁক মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ জৰিয়তেই মোৰ বিভাগীয় সমূহ দায়িত্ব লোৱা তথা সকলো কাৰ্য্যতে দিহা পৰামৰ্শ আগবঢ়াই অহা বিভাগীয় ভাৰ প্ৰাপ্ত অধ্যাপক শ্ৰদ্ধাৰ শ্ৰীযুত মতি মেধি চাৰলৈ মোৰ সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শেষত বিভাগীয় কাম কাজ সুচাৰুৰূপে চলোৱাত মূল্যবান দিহা পৰামৰ্শ আগবঢ়োৱাৰ বাবে অধ্যাপিকা শ্ৰদ্ধেয়া শ্ৰীযুতা উষা বৰা বাইদেউ, শ্ৰদ্ধাৰ মিচ নাহাৰুণ-নেচা বাইদেউ, অধ্যাপক শ্ৰদ্ধাৰ শ্ৰীযুত হৰিশ চন্দ্ৰ ডেকা চাৰ, শ্ৰদ্ধাৰ বৰা চাৰ আৰু শ্ৰদ্ধাৰ শ্ৰীযুত ভাৰত শৰ্মা চাৰলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে সকলো কাম কাজতে সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে বিনয়, জীৱন, কুমুদ, আয়েজ, ভবেন, প্ৰবীন, মুনিন, হেমন্ত, ক্ষীৰদা, হিৰু, ৰেহেনা, উষা, নিবেদিতা, অঞ্জু আৰু ছুললৈ মোৰ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সদৌ শেষত ঐতিহ্যমণ্ডিত এই মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীন উন্নতি আৰু প্ৰগতি কামনা কৰি মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰসন্থা
জয় আই অসম
শ্ৰীঅৰুণ কটকী
সম্পাদক সুকুমাৰ কলা বিভাগ
১৯৮৯-৯০ চন

# সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

## ১৯৮৯-৯০ চন

ব্যক্তিৰ সমষ্টিয়েই সমাজ। আদিৰে পৰাই মানুহে সমাজ পাতি বাস কৰি আহিছে। এনে সামাজিক লোকৰ উমৈহতীয়া স্বাৰ্থৰ হকে যিবোৰ কাৰ্য্য কৰা হয় তাকে সমাজসেৱা বুলি আখ্যা দিয়া হয়। সেয়ে সমাজৰ উন্নতিৰ হকে যিবোৰ যেনে, শিক্ষা, বাণিজ্য, সাংস্কৃতিক শিল্পকলা আদি কাৰ্য্যক যদি স্বেচ্ছামূলক ভাৱে আগবঢ়োৱা হয় তাকে সমাজসেৱা বোলে।

বৰ্তমান সমাজৰ ক্ষুদ্ৰতম গোট চুবুৰীকে আৰম্ভ কৰি ৰাষ্ট্ৰ সংঘলৈকে এক বৃহৎ মানৱ সমাজ বুলি আখ্যা দিয়া হয়। ক্ৰমে ক্ৰমে মানুহে ক্ষুদ্ৰ স্বাৰ্থ পৰিত্যাগ কৰি সংসাৰত এক বৃহৎ ভাৱাদৰ্শেৰে অনুপ্ৰাণিত হৈ আজি এক মানৱ সমাজ বুলি পৰিগণিত। গোটেই বিশ্ববাসীয়ে পৰস্পৰে পৰস্পৰৰ লগত আদান প্ৰদান, মৌলা-প্ৰীতি আৰু শান্তি-সম্প্ৰীতিৰে আজি এক বৃহত মানৱ সমাজ ৰূপে পৰিচয় দিব সক্ষম হৈছে।

বৰ্তমান বিশ্ব স্বাস্থ্য সংস্থা, ৰেডক্ৰছ ছোছাইটি, ইন্টাৰ-নেচনেল হিউমেন ছাৰ্ভিছ ছোছাইটি ইত্যাদি বহু সংগঠনে বৃহৎ মানৱ সমাজৰ উপকাৰ সাধন কৰি আহিছে। ইয়াৰোপৰি আমি ক্লাৱ বা অন্যান্য সংগঠনে মানৱ সমাজৰ উন্নতিৰ হকে শ্ৰমদান, প্ৰাথমিক চিকিৎসা, জনস্বাস্থ্যৰ উন্নতিৰ হকে খোৱাপানী, নলী-নাদ আৰু ৰাস্তা-ঘাট নিৰ্ম্মান কৰা দেখি আহিছো।

মঙলদৈ মহাবিদ্যালয়ৰ অন্তৰ্গত সমাজ সেৱা বিভাগৰ জৰিয়তে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে এনে বহু সামাজিক কাম কৰি আহিছে। সেয়ে এই খিনিতে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধবী আৰু মোৰ শ্ৰদ্ধাভাজন অধ্যক্ষ মহোদয়ৰ লগতে অধ্যাপক-অধ্যাপিকা মণ্ডলীয়ে মোক এনে এটি সামাজিক সেৱাৰ সুযোগ প্ৰদান কৰাত আটাইলৈ মোৰ আন্তৰিক অভিন্দন যাছিছোঁ। মই কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই মহাবিদ্যালয় সপ্তাহত সমাজসেৱা বিভাগৰ বিভিন্ন কাৰ্য্যসূচী পৰিচালনা কৰো। এইবাৰ মহাবিদ্যালয় সপ্তাহত বছৰৰ শ্ৰেষ্ঠ সমাজ কৰ্ম্মী হিচাপে শ্ৰীনিভা দেৱীক মই মঙলদৈ মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। বিগত বছৰটোত নানা আলৈ আহুকালৰ মাজেৰে যোৱা ২-৯-৯০ তাৰিখে এটি এদিনীয়া শিবিৰৰ আয়োজন কৰা হয়।

সদৌ শেষত সমাজ সেৱা বিভাগৰ দায়িত্ব লোৱাৰে পৰা বিভিন্নজনে বিভিন্ন ভাৱে সহায় সহযোগ আৰু পৰামৰ্শেৰে মোৰ বিগত বছৰটোত যি সহায় আগবঢ়ালে এই সকলোলৈ মোৰ আন্তৰিক মৰম থাকিল। তাৰোপৰি বিভাগীয় তত্বাবধায়ক মহোদয় মাননীয় মহম্মদ জামালুদ্দিন আহমেদ মহোদয়ৰ ওচৰত মই চিৰ কৃতজ্ঞ। শেষত অমাৰ্জ্জিত ভুলৰ বাবে ক্ষমা বিছাৰি সমাজসেৱা বিভাগৰ প্ৰতিবেদন সামৰিছোঁ।

সম্পাদক—
শ্ৰীমুক্তানন্দ শৰ্ম্মা
মঙলদৈ মহাবিদ্যালয়
১৫।১০।৯০

# ছাত্ৰ জিৰণি কোঠা আৰু আন্তঃ ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

## ১৯৮৯-৯০ চন

ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাবে প্ৰতিবেদন লিখাৰ আৰম্ভণিতে মই অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণবিসৰ্জন দিয়া বীৰ শ্বহীদসকলক আৰু অসমৰ জ্ঞাত-অজ্ঞাত সকলো শ্বহীদলৈ প্ৰনিপাত জনাইছো।

মঙলদৈ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্ম-কৰ্ত্তালৈ মোৰ আন্তৰিক শ্ৰদ্ধা তথা অভিনন্দন জনাই ১৯৮৯-৯০ চনৰ মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-জিৰণি কোঠাৰ সম্পাদকৰ চমু প্ৰতিবেদনৰ পাতনি মেলিছোঁ।

১৯৮৯-৯০ চনৰ ছাত্ৰ-জিৰণি-কোঠাৰ সম্পাদক হিচাবে আপোনালোকক সেৱা কৰিবলৈ যি কণ সুবিধা দিলে তাৰ বাবে আপোনালোকৰ ওচৰত চিৰ কৃতজ্ঞ।

**মহাবিদ্যালয়ৰ সপ্তাহ** ঃ—সম্পাদক হিচাবে দায়িত্ব ভাৰ লোৱাৰ পিছতেই মোৰ সন্মুখলৈ আহি পৰিল মহা-বিদ্যালয় সপ্তাহ। ইং ২।২।৯০ তাৰিখৰ পৰা ইং ৭।২।৯০ তাৰিখলৈ ৬ দিনীয়া কাৰ্যসূচীৰে এই সপ্তাহ অনুষ্ঠিত হয়। এই মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগত অনুষ্ঠিত হোৱা বিভিন্ন খেলসমূহ বিশেষকৈ বেডমিণ্টন, কেৰম, টেবুল-টেনিচ, ডবা, মিক্স ডাবলচ বেডমিণ্টন, মিক্স ডাবলচ কেৰম আৰু উক্ত খেল সমূহ বিভিন্ন অসুবিধাৰ মাজেৰে নিয়াৰিকৈ চলাই নিওঁতে প্ৰত্যেকজন সচেতন ছাত্ৰৰ পৰা পোৱা সহায় পৰামৰ্শ তথা ত্যাগৰ বাবে তেওঁলোকৰ ওচৰত মই চিৰ কৃতজ্ঞ।

এটা কথা দুখ কৰিব লগীয়া যে আমাৰ মহাবিদ্যা-লয়ৰ ছাত্ৰ-জিৰণি কোঠাটিৰ **অৱস্থা** বৰ শোচনীয়। কাৰণ ছাত্ৰ অনুপাতে বিভিন্ন খেলৰ সামগ্ৰী আৰু পুঁজিৰ পৰিমাণ বহু কম। সেয়ে ছাত্ৰই জিৰণি কোঠাত খেলিব বা বহি পঢ়িব নোৱাৰে। বহু চেষ্টাৰ ফলত কোঠাৰ ভাঙি যোৱা বেৰ এখন ভাল কৰা হ'ল যদিও লগতে থকা

প্ৰসাৱ ঘৰটোৱে পৰিবেশ নষ্ট কৰি পেলাইছে। বহিবৰ সুবিধাৰ বাবে মহাবিদ্যালয়ৰ ফালৰ পৰা কোনো ধৰণৰ সুবিধা উক্ত জিৰণি কোঠাটোত পোৱা নাই। বিজুলিৰ কোনো ব্যৱস্থা নাই বাবেই মহাবিদ্যালয় সপ্তাহত কোঠাৰ ভিতৰত ৰাতি খেল পাতিব পৰা নাযায়।

গতিকে মই অধ্যক্ষ মহোদয়ক অনুৰোধ জনাওঁ যে ছাত্ৰ জিৰণি কোঠাটোত বহিবৰ বাবে সুবিধা, প্ৰসাৱ ঘৰটো পৰিষ্কাৰ কৰোৱা আৰু অৰ্ধ-নিৰ্মিত হৈ থকা ছাত্ৰ জিৰণি কোঠাৰ বিজুলী যোগানৰ প্ৰতিও দৃষ্টি দিব বুলি আশা কৰিলো।

প্ৰতিবেদনৰ শেষত মই মোৰ বিভাগীয় ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীযুত কুমুদ চন্দ্ৰ শৰ্মা চাৰ দেৱলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। সকলো দিশৰ পৰা কৰা সহায়ৰ বাবে তেওঁৰ ওচৰত মই সঁচাকৈয়ে ঋণি।

কাৰ্য্যকালৰ আৰম্ভণীৰে পৰা শেষৰলৈকে সকলো দিশতে সহায় কৰা মঙলদৈ মহাবিদ্যালয়ৰ অধ্যাপক, অধ্যাপিকা তথা মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰাবাস-ছাত্ৰীবাস আৰু মঙলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক সেৱা জ্ঞাপন কৰিছো। মোক বিভিন্ন দিশত সহায় কৰি অহা ১৯৮৯-৯০ চনৰ সম্পাদক-সম্পাদিকাৰ বাহিৰেও ছাত্ৰ বন্ধু সকল সৰ্ব্বশ্ৰী নাৰায়ণ চহৰীয়া, মুকুন্দ মাধৱ শৰ্মা, দীপক বৰুৱা, আমিৰ হুছেইন, গিৰিণ বণিয়া, নৱ বৰা, মণিকণ পাঠক, কণকেশ্বৰ বৰা, মিণ্টু ঘোষ আৰু বিৰেণ বৰুৱালৈ মোৰ আন্তৰিক সেৱা জ্ঞাপন কৰিছো।

সদৌ শেষত মোৰ অজানিতে হোৱা ভুল, ত্ৰুটিৰ বাবে ক্ষমা ভিক্ষা প্ৰাৰ্থনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয় আই অসম
জয়তু মঙলদৈ মহাবিদ্যালয়

মঃ ফাৰুক হুছেইন
সম্পাদক, ছাত্ৰ জিৰণি কোঠা আৰু
আন্তঃ ক্ৰীড়া বিভাগ
১৯৮৯-৯০ চন



# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন, ১৯৮৯-৯০

বাৰ্ষিক প্ৰতিবেদন লিখাৰ প্ৰাক মুহূৰ্ত্তত মঙলদৈ মহাবিদ্যালয়ৰ নিচিনা এক মহান শিক্ষানুষ্ঠানত 'ছাত্ৰী জিৰণী কোঠাৰ' সম্পাদিকা হিচাবে উৎসাহ উদ্দগনি দি নিৰ্বাচিত কৰা বাবে সকলো ছাত্ৰ ছাত্ৰীলৈ মই মৰম ভৰা ধন্যবাদ আৰু কৃতজ্ঞতা যাচিছোঁ।

বিগত বছৰটোত মই এই পদবীৰে মোৰ কৰ্ত্তব্য কিমান দূৰ পালন কৰিলো তাৰ বিচাৰ কৰাৰ ধৃষ্ঠতা মোৰ নাই।

গতানুগতিকভাৱে মোৰ কাৰ্য্যকাল আৰম্ভ হৈছিল 'বছৰেকীয়া সেৰা সপ্তাহেৰে', উলহ-মালহেৰে ২ ফেব্ৰুৱাৰীৰ পৰা ৭ ফেব্ৰুৱাৰীলৈ। ছাত্ৰী জিৰণি কোঠাৰ অন্তৰ্ভূক্ত খেলসমূহত যথেষ্ট সংখ্যক ছাত্ৰী খেলুৱৈয়ে অংশ গ্ৰহণ কৰি তেওঁলোকৰ পাৰদৰ্শিতা দেখুৱায়। ছাত্ৰীসকলৰ খেলৰ প্ৰতি থকা অনুৰাগ এক বিপুল পৰ্য্যায়ৰ। কিন্তু ইয়াৰ মাজতো এটা আশ্চৰ্য্যৰ বিষয় যে বৃহৎ মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ যিমান সংখ্যক ছাত্ৰীয়ে খেলত অংশ গ্ৰহণ কৰিব লাগিছিল তাৰ তুলনাত কিছু সংখ্যক ছাত্ৰীয়েহে অংশ গ্ৰহণ কৰি তেওঁৰ প্ৰতিভা বিকাশ কৰিবলৈ ইচ্ছুক হৈ পৰিছিল।

মহাবিদ্যালয়ৰ সপ্তাহৰ সামৰণীৰ আৰু বাৰ্ষিক অধিবেশনৰ লগতে বঁটা বিতৰণি সভা আৰম্ভ হয়। যিসকল পাৰদৰ্শি খেলুৱৈয়ে পুৰস্কাৰ পাইছিল, তেওঁলোকৰ পুৰস্কাৰ সমূহ এই অনুষ্ঠানত প্ৰদান কৰা হয়।

অতি আনন্দৰ বিষয় এই যে মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ শ্ৰেষ্ঠ অন্তঃদ্বাৰ খেলুৱৈ হিচাবে 'মনিকা দেৱীয়ে' তেওঁৰ খেলুৱৈৰ প্ৰতিভা প্ৰদৰ্শন কৰে।

মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ যোগে ছাত্ৰীসকলে সুযোগ সুবিধা পোৱা বুলিলে ভুল কোৱা হব। আমাৰ কলেজৰ ছাত্ৰী জিৰণি কোঠাটো মেৰামতিৰ লগতে এটা সুকীয়া কোঠা স্থায়ীকৈ বনোৱাৰ বাবে কৰ্ত্তৃপক্ষৰ ওচৰত এক স্মাৰক পত্ৰযোগে অনুৰোধ কৰা হৈছিল। তেখেতে এই ক্ষেত্ৰত আশ্বাস দি থলে, কিন্তু বৰ্ত্তমানলৈ হৈ নুঠিল। গতিকে মই কৰ্ত্তৃপক্ষক পুনৰ বাৰ অনুৰোধ জনাওঁ যে প্ৰতি বছৰে বাঢ়ি অহা ছাত্ৰীৰ সংখ্যালৈ লক্ষ্য

কৰি ছাত্ৰী জিৰণি কোঠাটো আহল-বহল কৰাৰ লগতে পানী, বিজুলী যোগান আৰু পাংখাৰ সুব্যৱস্থা কৰিব বুলি আশা কৰিলোঁ।

এইখিনিতে কলেজৰ ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ এটি বিনম্ৰ অনুৰোধ—তেওঁলোকে যেন কলেজৰ প্ৰতিটো সম্পত্তিকে নিজৰ বুলি বিবেচনা কৰে। সময়ে সময়ে কেত বোৰ খেলৰ সামগ্ৰী হেৰোৱা অভিযোগ উঠে। আশা কৰো তেনে কাম ভৱিষ্যতে নহওঁক। আমি আটায়ে জিৰণি কোঠাটোৰ সদ ব্যৱহাৰ কৰা উচিত। যিহেতু ছাত্ৰী জিৰণি কোঠাৰ পুঁজি টনকীয়াল নহয়। ছাত্ৰ একতা সভাই জিৰণি কোঠাৰ পুঁজিৰ পৰা ছাত্ৰী কোঠালৈ ৪০% ধনৰহে অনুদান দিয়ে। এই টকাখিনি খেলৰ সামগ্ৰী কিনোতেই শেষ হয়।

মোৰ কাৰ্য্যকালত মূল্যবান উপদেশেৰে অনুপ্ৰাণিত কৰা ভাৰ প্ৰাপ্ত অধ্যাপিকা বন্দনা গোস্বামী, অধ্যাপক কুমুদ শৰ্ম্মা দেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা যাচিলোঁ।

ইয়াৰ ওপৰিও মোক প্ৰতিটো খোজতে সহায়-সহযোগীতা আগবঢ়োৱা বাবে বন্ধু সৰ্ব্বশ্ৰী খগেন, সমৰ, ৰাতুল, ভাগ্য, নলিনী, হেমন্ত, মোস্তাফা, আৰু বান্ধৱী ছেমিম, সুমিত্ৰা, মামনী, অঞ্জু ডেকা, অঞ্জু শইকীয়া লগতে চাৰু বাইদেউলৈ মোৰ আন্তৰিক মৰম যাচিলোঁ।

সদৌ শেষত অনিচ্ছাকৃতভাৱে হৈ যোৱা ক্ৰুটি-বিচ্যুটিৰ বাবে ছাত্ৰ-ছাত্ৰী তথা শিক্ষাগুৰুৰ ওচৰত মই ক্ষমা বিচাৰিছো। আশা ৰাখিছো মহাবিদ্যালয়ৰ অনাগত দিন বোৰ স্মৰণীয় হওঁক চিৰ উজ্জল হওঁক, তথা মঙলদৈ মহাবিদ্যালয়ৰ সুনাম চৌদিশে বিয়পি পৰক। এই কামনাৰে ভগবানৰ ওচৰত শতবাৰ প্ৰণিপাত জনাই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু মঙলদৈ মহাবিদ্যালয়
জয় আই অসম

**শ্ৰীনিৰ্মালী বৰুৱা**
সম্পাদিকা ছাত্ৰী জিৰণি কোঠা বিভাগ
মঙলদৈ মহাবিদ্যালয়, ১৯৮৯-৯০ চন



# সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

## ১৯৮৯-৯০ চন

প্ৰতিবেদনৰ প্ৰাৰম্ভণিতেই সোঁৱৰিছো নিজৰ জীৱন-টিকো তুচ্ছ জ্ঞান কৰি মৃত্যুক আকোৱালী লোৱা সহস্ৰ বীৰ শ্বহীদলৈ তথা ১৯৮৮-৮৯ চনৰ কাৰ্য্যকাল শেষ নৌহোতেই অকাল মৃত্যুক আকোৱালি লোৱা সুকুমাৰ কলা বিভাগৰ সম্পাদক ৺বিভুতি ৰাজবংশী তথা কলেজীয়া জীৱনৰ প্ৰথম মুহুৰ্ত্তৰ পৰা লগ পোৱা সহৃদয় বন্ধু শ্ৰীনৃপেন শৰ্মালৈ। যিসকল বন্ধুৰ অনুগ্ৰহত মই মঙলদৈ মহাবিদ্যালয়ৰ ১৯৮৯-৯০ চনৰ সাহিত্য বিভাগৰ সম্পাদকৰ পদতি চলাই নিবলৈ সুবিধা পালো সেইসকলৰ ওচৰত মই সদায়েই কৃতজ্ঞ হৈ ৰলো।

সাহিত্য বুলিলে য'ত সৃষ্টিশীল চিন্তাধাৰাই প্ৰকাশ পায়—সেয়াই সাহিত্য। ইয়াৰ মাজত গল্প, কবিতা, উপন্যাস নাটক, গীত, প্ৰবন্ধ আদি সন্নিবিষ্ট। সম্পাদকীয় ও সাহিত্যৰ ভিতৰোৱা আমাৰ মহাবিদ্যালয়ত প্ৰধানত সাহিত্য বিভাগৰ কাম প্ৰাচীৰ পত্ৰিকা প্ৰকাশৰ, যিবোৰ কবিতা, গল্প আদি প্ৰাচীৰ পত্ৰিকাত প্ৰকাশ পায়, প্ৰায় উন্নত মান দণ্ডৰ বুলি কব পাৰি, কিন্তু কেতিয়াবা খুব কম সংখ্যক কবিতা আদি পোৱাৰ বাবে প্ৰাচীৰ পত্ৰিকা প্ৰকাশৰ বেমেজালি ঘটে। ইয়াৰ বাবে অৱশ্যে দুই এক শুভাকাঙ্খীয়ে মোক সকিয়াই দিয়া মনত পৰে। এটা কথা ঠিক অকল, কবিতা লেখোটা সকলেই অকল কবি অথবা সাহিত্যিক নহয়, এইবোৰ যিসকলে চায় অথবা সমালোচনা কৰে তেওঁলোকো একো একোজন প্ৰকৃত সাহিত্যিক, কাৰণ সৌন্দৰ্য্যৰ উপভোগ কৰ্ত্তা নাথাকিলে সৃষ্টিৰ সাৰ্থকতা আৰু আনন্দ থাকিব নোৱাৰে। যোৱা মহাবিদ্যালয় সপ্তাহ কিমান নিয়াৰিকৈ চলাই নিব পাৰিলো কব নোৱাৰো। যিসকল প্ৰতিযোগীয়ে সাহিত্য বিভাগৰ প্ৰত্যেকতো বিভাগতে যোগদান কৰি মোক প্ৰতিযোগিতা সমূহ চলাই নিয়াত সহায় কৰিলে সেইসকললৈ মোৰ চিৰ কৃতজ্ঞতা জনালো। সাহিত্য বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপিকা ঊষা বড়া বাইদেৱে মোক প্ৰত্যেকতো খোজতে দিহা পৰামৰ্শ দি সহায় কৰি আহিছে. সেই হিচাপে—অধ্যাপক শ্ৰীযুত ইদ্ৰিচ আলি, শ্ৰীযুত মতি মেধি, শ্ৰীযুত বিজয় গোস্বামী চাৰ কেইগৰাকীৰ নাম স্মৰণীয়।

মোৰ কাৰ্য্যকালৰ শেষ চোৱাত শ্ৰীমন্ত শংকৰদেৱ আৰু ভাৰত চিন্তা'ৰ ওপৰত এখনি আলোচনা চক্ৰ পাতিবলৈ স্থিৰ কৰিছো, নাজানো, কিমানদুৰ ফলৱতী হওঁ।

প্ৰতিবেদনৰ সামৰণিত বন্ধুসদৃশ অৰুণদা, বিনয়দা, পুলস্ত্যদা, নিৰ্মালী বাইদেউ, ক্ষীৰদা, বিনয়, মনোজ নীৰুপমা আজিজুল লগতে সমূহ বন্ধু-বান্ধৱীলৈ মোৰ কাৰ্য্যকাল ছোৱাত দিহা পৰামৰ্শ দি সহায় কৰা বাবে আন্তৰিক ধন্যবাদ জনালো।

জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰসন্থা
জয় আই অসম

শ্ৰীহেমন্ত ডেকা
১৯৮৯-৯০ চন

# ব্যায়ামশালা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

## ১৯৮৯-৯০ চন

মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ আৰম্ভণিতে মই মঙলদৈ মহাবিদ্যালয়ৰ সমূহ পুজনীয় অধ্যাপক/অধ্যাপিকা, ছাত্ৰ ছাত্ৰী, বন্ধু-বান্ধৱী তথা মহাবিদ্যালয়ৰ কৰ্মচাৰী বৃন্দলৈ আন্তৰিক শ্ৰদ্ধা তথা অভিনন্দন জ্ঞাপন কৰিছোঁ।

১৯৮৯ চনৰ ডিচেম্বৰ মাহত বিনা প্ৰতিদ্বন্দিতাৰে ব্যায়াম শালা বিভাগৰ সম্পাদকৰ মহান দায়িত্ব মোৰ ওপৰত ন্যস্ত কৰা বাবে মহাবিদ্যালয়ৰসমূহ শিক্ষাৰ্থীলৈ মোৰ আন্তৰিক অভিনন্দন থাকিল।

এনে এটি গুৰু দায়িত্বভাৰ চম্ভালি লোৱাৰ পাচতে আহে মহাবিদ্যালয় সপ্তাহ। সকলো ছাত্ৰ-ছাত্ৰীৰে বহু আকাংক্ষিত এই সময় ছোৱাত ব্যায়ামশালা বিভাগৰ তৰফৰ পৰাও কেবাটাও প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযো-গিতা সমূহৰ ভিতৰত ভাৰ উত্তোলন, পাঞ্জা, দেহশ্ৰী প্ৰতিযোগিতা, সাঁতোৰ, স্কিপিং দৌৰ ইত্যাদি। ইয়াৰ উপৰিও এখনি ক্যাৰাটে প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়।

মানসিক তথা আধ্যাত্মিক দিশৰ চিন্তা-চৰ্চাৰ লগতে শৰীৰ চৰ্চা কৰাটোও মানৱ জীৱনৰ বাবে অতি প্ৰয়োজন। ১৯৫১ চনতে স্থাপিত দৰং জিলাৰ ভিতৰতে উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল এই মঙলদৈ মহাবিদ্যালয়ত কিন্তু এতিয়ালৈ এটা ব্যায়ামগাৰ হৈ নুঠিল। ছাত্ৰ-ছাত্ৰী সকলৰ অনুশীলনৰ বাবে এই ব্যায়ামগাৰ এটাৰ খুবেই প্ৰয়োজন। বিভাগটোত থাকিব লগীয়া আহিলা-পাতিও অতি তাকৰ। দুই এপদৰ বাহিৰে আন বিশেষ কোনো আহিলা পাতিও মোৰ হাতত পৰা নাছিল। যি কেইপদ আহিলা আছে, তাকো থবলৈ উপযুক্ত ঠাইৰ অভাৱ। আনহাতে এই বিভাগৰ বাবে ধাৰ্য্য কৰা পুঁজিৰ পৰিমাণো নিচেই তাকৰ। টনকিয়াল পুঁজিৰ অভাৱৰ বাবেই কিছুমান প্ৰয়োজনীয় সামগ্ৰীও আনিব পৰা নগ'ল। কৰিবলৈ বিচৰা বহুতো কাম আৰ্থিক অনাটনৰ বাবে কৰিব পৰা নগ'ল। এই সন্দৰ্ভতে বিভাগীয় কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰা হৈছিল যদিও সুফল নাপালো। উপৰোক্ত অভাৱ-অভিযোগবোৰ মই আতঁৰাব নোৱাৰিলো যদিও আশা ৰাখিছো যে মোৰ পৰৱৰ্ত্তী সম্পাদকসকল এই কাৰ্যাত সফল হব পাৰিব।

মোৰ এই কাৰ্য্যকালছোৱাত বিভিন্ন দিশত দিহা-পৰামৰ্শ তথা উৎসাহ যোগাই অহা পূজনীয় শিক্ষাগুৰু শ্ৰীযুত ভাস্কৰ মল্ল বুজৰবৰুৱাৰ ওচৰত মই চিৰঋণী। মহাবিদ্যালয়ৰ আন আন অধ্যাপক-অধ্যাপিকাৰ ওচৰত মই কৃতজ্ঞতা জ্ঞাপন কৰিছো। মহাবিদ্যালয় সপ্তাহৰ পৰা কাৰ্য্যকালৰ শেষ সময় পৰ্য্যন্ত মোক বিভিন্ন কাম-কাজত সহায় কৰি দিয়া বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ জনাইছো। লগতে মঙলদৈৰ জেব্ৰা ফোৰ্চৰ আটাইবোৰ সভ্যৰ ওচৰতো কৃতজ্ঞ হৈ থাকিলো। মহাবিদ্যালয় ছাত্ৰাবাসৰ বাসিন্দা সৰ্বশ্ৰী সুকুমাৰ দাস, জ্যোতি প্ৰসাদ শইকীয়া, বাবুল ডেকা, হিৰণ্য শৰ্মা, চম্পক দাস আদি বন্ধুবৰ্গলৈও ধন্যবাদ জনাইছো।

মোৰ এই এবছৰীয়া কৰ্মকালত নানা ভুল-ভ্ৰান্তি হোৱাটো স্বাভাৱিক। সেয়ে উক্ত সময়ছোৱাত অজানিতে কৰা ভুল-ভ্ৰান্তিৰ বাবে মহাবিদ্যালয়ৰ সমূহ অধ্যাপক অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ ওচৰত মাৰ্জনা বিচাৰিছো। সদৌ শেষত মঙলদৈ মহাবিদ্যালয় আৰু ইয়াৰ ছাত্ৰ ছাত্ৰীৰ ভৱিষ্যত উন্নতি কামনা কৰি মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ মোখনি মাৰিছো।

জয়তু মঙলদৈ মহাবিদ্যালয়

শ্ৰীনৱ কুমাৰ ডেকা

সম্পাদক, ব্যায়াম শালা বিভাগ

# ৰাষ্ট্ৰীয় সেৱা আচঁনিৰ অধিনায়কৰ প্ৰতিবেদন

বিশ্বৰ নানা দেশত থকাৰ দৰে ভাৰতবৰ্ষতো সমাজ কল্যাণমূলক অনুষ্ঠানৰ অভাৱ নাই বুলি কব পাৰি। সমাজৰ অৱহেলিত শ্ৰেণীৰ কল্যাণ সাধন, নিৰক্ষৰক শিক্ষা-দান পিছপৰা অঞ্চল এটিৰ আগৰ পৰা পিছপৰা শব্দটি নাইকিয়া কৰা প্ৰভৃতি কাৰ্য্যত সততে আগবাঢ়ি যোৱা এনে এটি সংগঠন হৈছে ৰাষ্ট্ৰীয় সেৱা আঁচনি। এই মহাবিদ্যালয় পৰ্য্যায়ৰ অনুষ্ঠানটি পৰিচালিত হয় ভাৰত চৰকাৰৰ মানৱ সম্পদ বিকাশ মন্ত্ৰনালয় (Ministry of Human Resource Development) ৰ দ্বাৰা। ভাৰত চৰকাৰৰ ক্ৰীড়া যুৱকল্যাণ বিভাগৰ অধীনত এই অনুষ্ঠানে জন্ম লাভ কৰে ১৯৭০ চনতে। বৰ্তমান ৰাষ্ট্ৰীয় সেৱা আঁচনি এটি স্থায়ী যুৱ কল্যাণ আঁচনি। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক লৈ এই সংগঠন গঠিত হোৱাৰ পৰা এইটো স্পষ্ট হৈ উঠিছে যে, ইয়াৰ লক্ষ্য হ'ল দেশৰ যুৱ সমাজৰ সমাজ সচেতন শীল কৰি তুলি জন কল্যাণ মূলক কাম কাজত আগবঢ়োৱাতো। এই আঁচনিৰ জৰিয়তে দেশৰ যুৱ সমাজে জনসাধাৰণৰ মাজত জনসাধাৰণৰ সৈতে কাম কৰা, সৃজনীমূলক সামাজিক কাৰ্য্যত আত্ম নিয়োগ, জ্ঞান বৰ্দ্ধন, সামাজিক সমস্যা খুব কম পৰিমানে হলেও লাঘৱ কৰা, গণতান্ত্ৰিক নেতৃত্ব-তায় নিপুন অনুশীলনী, আত্মনিয়োগৰ ক্ষেত্ৰত উন্নয়নৰ দক্ষতা, স্বাক্ষৰ তথা নিৰক্ষৰ লোক সকলৰ মাজত এক সেতু সৃষ্টি কৰা তথা দেশৰ দুৰ্বল শাখাটোক উন্নীত কৰণত সেৱা আগবঢ়োৱা আদি কাৰ্য্যত আত্মনিয়োগ কৰি দেশৰ জাতীয় গাঠনি সুদৃঢ় কৰা দেখা যায়। তাৰোপৰি শিক্ষা বিষয়ক আঁচনিসমূহৰ জৰিয়তে নিৰক্ষৰসকলক স্বাক্ষৰতা প্ৰদানো উল্লেখযোগ্য। পাৰি-পাৰ্শ্বিক উন্নয়ন, জনস্বাস্থ্য আদিৰ বিষয়ে জনসাধাৰণক সতৰ্কতা প্ৰদান আদিও একো-একোটি ইয়াৰে অন্তৰ্ভূক্ত আচনি।

ইং ২-২-৯০ তাৰিখৰ পৰা ৭-২-৯০ তাৰিখলৈ অনুষ্ঠিত মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন কাৰ্য্যসূচীত অংশ গ্ৰহণ তথা পৰিচালনা কৰা হয়।

১৮-২-৮০ তাৰিখে স্থানীয় শ্বহীদ উদ্যানত এটি পূৰ্ণদিনীয়া শিবিৰ অনুষ্ঠিত কৰা হয়। ইয়াৰ উদ্যানখনিৰ মেৰামতি তথা পুনৰুদ্ধাৰ কৰাৰ জৰিয়তে শ্বহীদসকলৰ পৱিত্ৰ আত্মাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি বঁটা হয়।

যোৱা ১৩-৭-৯০ তাৰিখৰ পৰা ১৮-৭-৯০ তাৰিখলৈ গোৱালপাৰা মহাবিদ্যালয়ত অনুষ্ঠিত বিশ্ববিদ্যালয় পৰ্য্যায়ৰ বিশেষ শিবিৰত অংশ গ্ৰহণ কৰি মহাবিদ্যালয় গোটে এক উল্লেখনীয় সেৱা আগবঢ়াই সুনাম অৰ্জন কৰে। অধিনায়ক নিজে দলনায়করূপে নিৰ্বাচিত হৈ কেইবাখনো আলোচনা চক্ৰ (Seminer)ৰ আট ধৰো। মহাবিদ্যালয় দলটিত আছিল শ্ৰীযুত ৰাজেন্দ্ৰ বৰুৱা (কাৰ্য্যসূচী বিষয়া); শ্ৰীদিলীপ কুমাৰ নাথ (অধিনায়ক); শ্ৰীক্ষীৰোদ শৰ্মা, শ্ৰীধ্ৰুৱ প্ৰসাদ চহৰীয়া, শ্ৰীগৌতম শৰ্মা, মঃ আয়েজ আলি আৰু শ্ৰীহিতেশ কটকী।

শেহতীয়া ভাৱে যোৱা ১-৯-৯০ তাৰিখে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিভিন্ন দিশ সম্বন্ধে আলোচনা তথা সাধাৰণ সভা অনুষ্ঠিত হয়। তাৰ পিছদিনা ২-৯-৯০ তাৰিখে মহাবিদ্যা-লয়তে এটি পূৰ্ণ দিনীয়া শিবিৰৰ আয়োজন কৰা হয়।

সেৱা আঁচনিৰসমূহ কাৰ্য্যসূচী পৰিচালনাৰ ক্ষেত্ৰত সততে দিহা-পৰামৰ্শৰে সহযোগিতা আগবঢ়োৱা কাৰ্য্যসূচী বিষয়া মহোদয় শ্ৰীযুত ৰাজেন্দ্ৰ বৰুৱা দেৱ আৰু বিদায়ী অধ্যক্ষ শ্ৰীযুত আব্দুল মজিদ ছাৰলৈ কৃতজ্ঞতা জনাইছো। লগতে প্ৰাক্তন অধিনায়ক শ্ৰীনাৰায়ণ চহৰীয়ালৈ তেখেতৰ আন্তৰিক সহযোগিতাৰ বাবে শলাগৰ শৰাই আগবঢ়াইছো আৰু সমূহ স্বেচ্ছাসেৱক সেৱিকাকে তেওঁলোকৰ নিস্বাৰ্থ সেৱাৰ বাবে কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিছো।

সদৌ শেষত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

দিলীপ কুমাৰ নাথ
অধিনায়ক, ৰাষ্ট্ৰীয় সেৱা আচঁনি

# MANGALDAI COLLEGE MAGAZINE
## 28th Edition
## 1989-90

# ENGLISH SECTION

Prof-in-charge
**Buddhin Ch. Hazarika**

Editor
**Mumtaz Khanom**

## IN THIS ISSUE :


**Waiting .. ...Waiting for You**

—Amarendra Sarmah — 1

**My Dear—**

—Pradyut Das — 2

**Democracy in Islam**

—Abdul Mazid — 3
Rtd -Principal

**Leadership Training in youth Programmes**

—Prof. R. Baruah — 5

**Relevance of New Industrial Policy—1990**

—Prof. S. C. Sarma — 9

**The Ugly Philosopher**

—Koossall Sarmah — 11

**Anundoram Barooah as a Student**

—Kulendra Nath Deka — 13

**Shakespear And his genius**

—Prabin Kumar Sarmah — 15

# Waiting ........waiting for you

—Amarendra Sarmah
T. D. C. 2nd year

When the sun sets
far into the coloured clouds,
The night brings the
colourless dark with fireflies
I think of you.

The dark brings back the loneliness.
And the firefly search his lady-love,
The twinkling stars and laughing moon
waiting for the red sun,
I think of you.



When ever I am alone
you come to me
I hear your voice—
"life is a long death"
And I think of you
waiting ... ... waiting for you !

# My Dear

—Pradyut Das
T. D. C. 2nd year (Arts)

Returning my
Happy wishes to you
So that you are on my view
Oh ! my dear
where you are
I dote on you dear !

Your life will be bright
As bright as sun,
Soul will be vast
As vast as the earth,
Smiles will bloom
As blooms the rose
Knowing you are spiritual
yet I wish to see my goal,
you are my darling
so I wish to see.
Your mind will be
Ambitious, ambitious, ambitious
like the river flowing spotaneously
Oh ! my dear
Donot know where you are.

oo



# Democracy in Islam

—Abdul Mazid, M. A., L. L. B.
Retired Principal, Mangaldai College

Islam is religion as well as way of life. It preaches faith and prescribes democratic way of life. Islam has bestowed liberty and equality and established rule of law.

The Holy Book of Islam provides law for the governance of all the aspects of individual as well as social life and enjoins all men the ruler and the ruled to follow the same. Thus Islam wants to free all human beings from the autocratic rule or personal rule of any ruler. and establish democracy.

Islam upholds the democratic principle that what touches all should be decided by all. There is insistance on managing the social affairs, holding proper discussions among the members of the society. Bare sermons are however not all about this principle The prophet and his followers also followed this principle in the management of the affairs of the society and the state.

So far the state machinery is concerned, the early Islamic society followed democratic principle in finding out the head of the state after the expiry of the prophet. The Head of the state called, Caliph, was elected by the people. The system of election was open deliberation and general opinion of all. The consent or will of the people was thus the basis of the state.

The consent of the people as the basis of the state was further stressed and also confirmed by the famous declaration of the first caliph that the people would have the right to withdraw their support to the caliph in the event of his failure to adhere to the rule of law provided by the holy Books of Islam. The second caliph practised the principle of appointing capable man belonging to any social status even in the responsible posts and thus added to the democratic character of the state.

